REFERENCE
Not to be lent out

চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা

(জন্ম-শতবাৰ্ষিকী স্মৃতিগ্ৰন্থ)

সম্পাদক
অধ্যাপক শ্ৰীশশী শৰ্ম্মা

CENTRAL LIBRARY

অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট, অসম

Chandrakumar Agarwalar Pratibha : a Centenary Souvenir compiled and edited by Prof Sashi Sharmah, and published, by Prof H. P Neog, General Secretary, Asam Sahitya Sabha, on the occasion of the birth centenary of Late Chandrakumar Agarwala, the pioneer of modern Assamese literature and journalism

•

প্ৰকাশক :
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন,
যোৰহাট অসম

•

প্ৰথম প্ৰকাশ
২৮ নৱেম্বৰ, ১৯৬৭

বেচ — ছয় টকা মাত্ৰ

•

মুদ্ৰক :—শ্ৰীসোণাৰাম বেজ
নিউ প্ৰেছ
গুৱাহাটী—৩

প্ৰধান সম্পাদকৰ দুআষাৰ

আধুনিক অসমীয়া কবিতাৰ অন্যতম বাটকটীয়া চন্দ্ৰকুমাৰ আগৰৱালা শতবাৰ্ষিকী উপলক্ষে যুগুত কৰা স্মৃতি-গ্ৰন্থৰ আঁচনি ১৯৬৬ৰ মাৰ্চ্চ মাহতে অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে হাতত লয়। আগৰৱালা শতবাৰ্ষিকী উৎসৱৰ খাই পদক্ষেপ হিচাপে আগৰৱালাৰ বিভিন্ন দিশৰ ওপৰত এখনি আলোচনা গ্ৰন্থ যুগুত কৰাৰ ভাৰ দিয়া হয় অধ্যাপক শ্ৰীশশী শৰ্ম্মাৰ ওপৰত। লগে লগে নিউ প্ৰেছৰ স্বত্বাধিকাৰী ৺আগৰৱালাৰ সুযোগ্য পুত্ৰ শ্ৰীতৰুণ আগৰৱালাৰ লগত আলোচনা কৰি পুথিখনিৰ ছাপা কাৰ্য্য আৰম্ভ কৰা হয়।

কেৱল 'প্ৰতিমা' আৰু 'বীণবৰাগী' এই দুখন পুথিহে লিখিছিল যদিও অসমীয়া সাহিত্যত ৺আগৰৱালাৰ অৱিহণা লেখতকৈ জোখত অসামান্য বুলি কব পাৰি। এই গৰাকী কবিৰ পূৰ্ব্বপুৰুষ পশ্চিমৰ পৰা আহি অসম সোমাই ইয়াতে ব্যৱসায় কৰি তেজপুৰৰ কলংপুৰত থাকিবলৈ লয়। সেয়েহে ১৮৬৭ৰ ২৮ নৱেম্বৰত এই অসমৰ মাটিতে জন্মলাভ কৰা কবি চন্দ্ৰকুমাৰ হাড়ে-হিমজুৰে অসমীয়া হৈ পৰিল। দেউতাক ৺হৰিবিলাস আগৰৱালাই প্ৰথম পৰ্য্যায়তে অসমীয়া কীৰ্ত্তন পুথিখন প্ৰকাশ কৰা কথাই আগৰৱালা পৰিয়াল অসমৰ ভাষা, সাহিত্য-সংস্কৃতিৰ প্ৰতি কেনেদৰে গভীৰ ভাৱে আৰু নিষ্ঠাৰে আকৰ্ষিত হৈছিল তাৰ প্ৰমাণ দিয়ে। এই আগৰৱালা পৰিয়ালৰে চন্দ্ৰকুমাৰ, আনন্দচন্দ্ৰ, আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ অসমৰ সাহিত্য আৰু কলা জগতৰ একোটি পৰম অমূল্য সম্পদৰূপে জিলিকি আছে। অসমীয়া সাহিত্যৰ নৱন্যাস যুগত যেনেকৈ চন্দ্ৰকুমাৰৰ এটি ঐতিহাসিক মূল্য আছে তেনেকৈ আধুনিক প্ৰগতিবাদী অসমীয়া সাহিত্য আৰু কলা-জগতত ৰূপকোঁৱৰো ঐতিহাসিক সত্তাস্বৰূপে প্ৰতিষ্ঠিত। সেয়েহে আগৰৱালা পৰিয়ালক অসমীয়া মাত্ৰেই পাহৰিব নোৱাৰে। কেৱল সেয়ে

নহয় ভাৰতৰ জাতীয় আন্দোলনত এই পৰিয়ালটিৰ বিশেষ বৰঙণি আছে। নির্ভীক জাতীয়তাবাদী চন্দ্রকুমাৰ আগৰৱালা আছিল নীৰৱ দেশপ্রেমিক, জোনাকী, বাঁহী, সাদিনীয়া অসমীয়াৰ প্রতিষ্ঠাতা স্বৰূপে চন্দ্রকুমাৰ, ব্যৱসায়ী চন্দ্রকুমাৰ আৰু কবি চন্দ্রকুমাৰে যে আন হাতে ভাৰতৰ স্বাধীনতা আন্দোলনত নীৰৱে বৰঙণি যোগাই প্রকৃত কর্ম্মযোগী হিচাপে আদর্শ দিব পাৰিলে ? সেই বিষয়ে হয়তো নিচেই কম সংখ্যক লোকেহে জানে। এই গৰাকী নীৰৱ সাধকে উত্তৰ পুৰুষৰ কাৰণে কি থৈ গল, আজি এশ বছৰৰ বুৰঞ্জীয়ে সিবিলাক সদায় সোঁৱৰাব লাগিছে।

অসম সাহিত্য সভাই কেৱল কবি মানসৰ পটভূমিতে নহয়, আগৰৱালা প্রতিভাৰ সকলো দিশৰ ওপৰত এই আলোচনা গ্রন্থখনি উলিৱাত আৱদ্ধ নাথাকি বিস্তৃত কার্য্যসূচীৰে শতবার্ষিকী উৎসৱ পালনৰ বাবে ব্যৱস্থা কৰিছে। এই ক্ষেত্রত যিসকলে সাদৰ-সহযোগ আৰু সাহায্য আগব ঢাইছে তেখেতসকলক সভাৰ হৈ কৃতজ্ঞতা জনোৱা হ'ল।

৺আগৰৱালাৰ সুযোগ্য পুত্র শ্রীতৰুণ আগৰৱালাই পুথিখনি প্রকাশ সম্পর্কে ছাপাকার্য্যৰ উপৰিও সাজসজ্জা বিষয়তো যথেষ্ট সহায় কৰিছে। তদুপৰি তেখেতে পিতৃদেৱকৰ স্মৃতিত এটি আৱক্ষমূর্ত্তি দান দি শতবার্ষিকীৰ কার্য্যসূচী সাফল্যমণ্ডিত কৰি তুলিছে আৰু নিউ প্রেছৰ পৰা চন্দ্রকুমাৰ আগৰৱালাৰ ৰচনাৱলীও প্রকাশৰ সকলো ব্যৱস্থা কৰিছে। সভাৰ হৈ সেয়েহে আগৰৱালা ভাতৃদ্বয় আৰু পৰিয়ালবর্গৰ শলাগ লৈছোঁ।

চন্দ্রকান্ত সন্দিকৈ ভৱন
যোৰহাট
১৮৮৮ শক

শ্রীহৰিপ্রসাদ নেওগ
প্রধান সম্পাদক
অসম সাহিত্য সভা আৰু
সম্পাদক চন্দ্রকুমাৰ আগৰৱালা
শতবার্ষিকী উৎসৱ সমিতি

আমাৰ কথা

জোনাকী যুগৰ প্ৰাণ-প্ৰতিষ্ঠাপক মানৱতাৰ পূজাৰী চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম-শতবাৰ্ষিকী উৎসৱ উপলক্ষে অসম সাহিত্য-সভাই এই স্মৃতিগ্ৰন্থখনি সংকলন আৰু সম্পাদনাৰ দায়িত্ব অৰ্পণ কৰিছিল আমাৰ ওপৰত। দায়িত্ব নিযাৰিকৈ পালন কৰিছো বুলি কোৱাৰ সাহস আমাৰ নাই, কিন্তু প্ৰবন্ধ বিচাৰি গুণী জ্ঞানী সাহিত্যিক সমালোচক সকলক হলে যথেষ্ট আমনি দিয়া হল। তথাপিও ইপ্সিত প্ৰবন্ধসমূহ সম্পূৰ্ণকৈ নোপোৱা কাৰণে গ্ৰন্থখনি আশানুৰূপ কৰি তুলিব পৰা নহ'ল। যিসকলৰ অৱিহণাৰে এই গ্ৰন্থ সঙ্কলিত হ'ল, সেই সকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ আৰু গ্ৰন্থখনি সৰ্ব্বাঙ্গসুন্দৰ কৰি তুলিবলৈ অসমৰ্থ হোৱা কাৰণে নিজৰ অপাৰগতা স্বীকাৰ কৰিছোঁ।

'চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা' প্ৰকাশ হৈ সহৃদয় সাহিত্যামোদী ৰাইজৰ মাজত ওলোৱাৰ মূলতে আছে ৺আগৰৱালাদেৱৰ সুযোগ্য পুত্ৰ শ্ৰীতৰুণকুমাৰ আগৰৱালা দেৱ। তেখেতৰ তৎপৰতা আৰু বদান্যতাৰ কথা আমি চিৰদিন শ্ৰদ্ধাৰে সুঁৱৰিম, অসম সাহিত্য সভাই এই মহান পৰিয়ালটিৰ সহায় সহানুভূতি আবহমান কাললৈ নিশ্চয় পাই থাকিব। ভগৱানে শ্ৰীআগৰৱালাৰ কুশল কৰক!

৺আগৰৱালাৰ আলোক চিত্ৰখন বহু কষ্টেৰে যতনাই দিছে শ্ৰীমতী পদ্মা আগৰৱালাই (তেজপুৰ) আৰু ব্লক'ৰ কাৰণে উপযোগী কৰি দিছে নলবাৰীৰ কলিতা ষ্টুডিঅ'ৰ স্বত্বাধিকাৰী শ্ৰীঅৰুণচন্দ্ৰ কলিতাই। আমি দুয়োলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। সাহিত্য সভাই এই মহৎ গ্ৰন্থখনি সম্পাদনা কৰিবলৈ সুযোগ দিয়া কাৰণে, কৰ্মকৰ্তাসকলৰ শলাগ লৈছো। গ্ৰন্থৰ সকলো দোষ-ত্ৰুটী

আৰু ভুলৰ কাৰণে সহৃদয় ৰাইজৰ সমালোচনা আশীৰ্ব্বাদ বুলি শিৰ পাতি ল'ম।

৺চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ মহান আত্মাৰ প্ৰতি অকুণ্ঠ শ্ৰদ্ধা নিবেদন কৰি ইমানতে আমাৰ বক্তব্য সামৰিছোঁ।

লক্ষ্মীকুটীৰ • নলবাৰী
২৮ নৱেম্বৰ, ১৯৬৭ চন

ইতি—
শ্ৰীশশী শৰ্ম্মা

সূচীপত্ৰ

	বিষয়	লেখক	পৃষ্ঠা
১।	স্বৰ্গত চন্দ্ৰকুমাৰ আগৰৱালা স্মৃতি	শ্ৰীমনোৰঞ্জন শাস্ত্ৰী	১
২।	প্ৰশস্তি	শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা	২
৩।	বংশ পৰিচয়	শ্ৰীমহাদেৱ শৰ্ম্মা	৩
৪।	চন্দ্ৰকুমাৰক যেনেকৈ জানে।	শ্ৰীপদ্মধৰ চলিহা	১১
৫।	চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ লগত কুৰি বছৰ	শ্ৰীসোণাৰাম বেজ	২১
৬।	ব্যৱসায়ী চন্দ্ৰকুমাৰ	শ্ৰীবিবেকানন্দ আগৰৱালা	৩১
৭।	আগৰৱালা মানুহ জন	শ্ৰীলক্ষ্মীনাথ ফুকন	৪৪
৮।	সাংবাদিক চন্দ্ৰকুমাৰ	শ্ৰীঅমিয়কুমাৰ দাস	৫৪
৯।	অসমীয়া সাংবাদিকতাৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালা	শ্ৰীবেনুধৰ শৰ্ম্মা	৯
১ ।	কৰ্ম্মযোগী চন্দ্ৰকুমাৰ	শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা	১০৫
১১।	চন্দ্ৰকুমাৰ আগৰবালাৰ কৱিতাৰ ধাৰা	শ্ৰীযতীন্দ্ৰনাথ গোস্বামী	১২৩
১২।	চন্দ্ৰকুমাৰ আগৰৱালাৰ কৱিতাত পাশ্চাত্যৰ প্ৰভাৱ	শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য্য	১২৯
১৩।	চন্দ্ৰকুমাৰ আগৰৱালাৰ কৱিতা আৰু তাৰ মানৱীয় আবেদন	শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী	১৪৩
১৪।	অসমীয়া সাহিত্য আৰু চন্দ্ৰকুমাৰ আগৰৱালা	শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা	১৫৫
১৫।	চন্দ্ৰকুমাৰৰ কৱিতাৰ অন্তৰালত	শ্ৰীঅতুলচন্দ্ৰ বৰুৱা	১৬৫
১৬।	চন্দ্ৰকুমাৰৰ সুন্দৰ	শ্ৰীযোগেশ দাস	১৮০
১৭।	আগৰৱালাৰ কাব্যত প্ৰকৃতি	শ্ৰীহৰিদত্ত শৰ্ম্মা	১৮৭
১৮।	চন্দ্ৰকুমাৰৰ মালিতা	শ্ৰীনন্দ তালুকদাৰ	১৯৫
১৯।	আগৰৱালাৰ কৱিতাত আশাবাদ	শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা	২১১
২ ।	চন্দ্ৰকুমাৰ আগৰৱালাৰ সাহিত্য প্ৰতিভা	শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য	২১৬
২১।	চন্দ্ৰকুমাৰৰ কৱি মানস	শ্ৰীহৰিপ্ৰসাদ নেওগ	২২৫
২২।	বীণ-বৰাগী	শ্ৰীমহেশ্বৰ নেওগ	২২৯
২৩।	আগৰৱালাৰ প্ৰতিমা	শ্ৰীশশী শৰ্ম্মা	২৩৭

চন্দ্ৰকুমাৰ আগৰৱালা

জন্ম ১৮ নবেম্বৰ, ১৮৬৭ মৃত্যু ২ মাৰ্চ, ১৯৩৮

स्वर्गत चन्द्रकुमार आग्रवालास्मृतिः

आचार्यश्रीमनोरञ्जन शास्त्रिविरचिता ।

अङ्काष्टसप्तेन्दुमिते शकाब्दे
प्रभाकरे वृश्चिकराशिसंस्थे ।
य आग्रवालोदधिबालचन्द्रो
जातोऽसमे चन्द्रकुमार नामा ॥१॥

जोनाकीं य प्रथम सम्पाद्य सम्पदमसमजनतायाः
समपादयदसमीयां साप्ताहिकीमथच दैनिकीम् ॥२॥

तस्य वीणावरागीति कविता जनमानसे ।
प्रतिमाऽप्रतिमा चाऽपि सुचिर प्रतितिष्ठतु ॥३॥

पाश्चात्यसाहित्यकलास्थ वैभव
सयोजयन् प्रागसमीयवाङ्मये ।
प्रावर्त्तयद् यो नवरागरञ्जितं
नवीकृत किञ्चन काव्यकौशलम् ॥४॥

चिरमसमेऽसमकीर्त्तिमूर्त्तिमान यो
जनहृदयेषु समेषु सङ्गत सन् ।
अमृतमित प्रतिभाप्रभा-प्रसारै
जयति स चन्द्रकुमार आग्रवाल ॥५॥

প্ৰশস্তি

— ৰিনন্দচন্দ্ৰ বৰুৱা

জোনাকী যুগৰ জোন সুধাৰ আধাৰ,
চন্দ্ৰ তুমি অন্তৰৰ সুধাৰ নিজৰা,
ৰোৱাই ৰচিলা কাব্য প্ৰতিমা সুন্দৰ,
সেযে তুমি খনিকৰ নিপুণ হাতৰ।
জাৱনত মানুহৰ ক'ত সুখ দুখ,
আশা ভাৰসাৰ কত সোণালী সপোন,
সৌন্দৰ্য্যৰ উপাসনা, জীৱন মাধুৰী,
জানি তুমি সকলোৰে শেষ পৰিণতি,
বীণৰ বৰাগী ৰূপে কাব্য জগতত,
সুন্দৰ এপাহি ফুলে বিলালা সৌৰভ।
মানুহৰ অহাযোৱা বিশ্ব ভাৱনাত,
নিজ প্ৰতিভাৰে তুমি জানা অভিনয়,
তাৰে তুমি গাঁথি মালা পবিত্ৰ নিৰ্ম্মল,
মোহিলা জননী ঢালি অমৃত কাব্যৰ।
লখিমীৰ হাত ধৰি পৃথিবী গচকি,
বাণীৰ চৰণ সেৱী ঘূৰিলা পুনৰ।
মানৱে বুজিলে জলে কমলাৰ জ্যোতি,
আমোদিত কৰে যদি বাণীৰ সৌৰভে।
সুধাৰ আধাৰ চন্দ্ৰ আকাশত জলি —
পবিত্ৰ নিৰ্ম্মল শান্তি ঢালে মৰতত,
চন্দ্ৰ তুমি অন্তৰত সুধা ভাণ্ড লই,
বিলালা পবিত্ৰ প্ৰেম মানৱ হিয়াত।

বংশ পৰিচয়

— শ্ৰীমহাদেৱ শৰ্ম্মা

আমাৰ দেশত গুণে, জ্ঞানে, ধনে, মান মৰ্য্যাদাৰে লেখত লবলগা এটা বংশতে কবিপ্ৰাণ চন্দ্ৰকুমাৰৰ জন্ম হৈছিল। ঋষিকল্প পুৰুষ হৰিবিলাস আগৰৱালাদেৱ এখেতৰে পিতৃ। এই বংশৰে লোক ৰায় বাহাদুৰ আনন্দচন্দ্ৰ আগৰৱালাদেৱ এজন খ্যাতনামা প্ৰত্নতাত্ত্বিক আৰু সাহিত্যিক। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰবালা এই চন্দ্ৰকুমাৰৰে ভতিজাক। চিৰ চেনেহী ভাষা জননীৰ সমৃদ্ধিত বিভিন্ন দিশত স্বকীয়াভাৱে অবদান যোগানত প্ৰত্যেকেই অপূৰ্ব্ব বৈপ্লবিক। যি কেজন বিশিষ্ট সাহিত্যসেৱীৰ নাম ইয়াত উল্লেখ কৰা হল ইয়াৰ প্ৰত্যেকজনৰে স্বকীয়া স্বকীয়া গুণত আমাৰ দেশবাসী অকল মুগ্ধই নহয় সিবিলাকৰ কৰ্ত্তব্য পৰায়ণতাৰ কাৰণে সকলোৰেই কৃতজ্ঞতাপূৰ্ণ অন্তৰেৰে শ্ৰদ্ধাশীল। বিশ্লেষণ কৰি চালে দেখা যায় সিবিলাকৰ কৰ্ত্তব্য পৰায়ণতাৰ গুৰি কথা হল, দেশৰ প্ৰতি প্ৰেম, ভাষা জননীৰ অপূৰ্ণতা দূৰীকৰণৰ বাবে প্ৰত্যেকেই নিজ ৰুচি আৰু শক্তিঅনুযায়ী অকপট ভাৱে অৰিহণাৰ যোগান। ইবিলাকেই এই গোটেই বংশৰে মৰ্য্যাদাদানকাৰী দ্যোতক স্বৰূপ।

এই বংশৰ আদি পুৰুষজনৰ নাম নওৰংৰাম আগৰৱালা বুলি জনা যায়। ঘৰ আছিল ৰাজপুতনাৰ জয়পুৰ ৰাজ্যৰ অন্তৰ্গত "টাইৰ" নামে এখন গাৱঁত। তেখেতৰ জন্ম ই. ১৮১১ চনত। জয়পুৰৰ পৰা গোটেই পৰিয়ালটো ই. ১৮২১ চনত বিকানীৰ ৰাজ্যৰ চুৰু নামে নগৰলৈ উঠি যায়। তেতিয়া

নওৰংৰাম নাবালক আছিল। তেওঁলোকৰ আৰ্থিক অৱস্থা তেতিয়া ভাল নাছিল। তেনে সময়তে তেওঁৰ পিতৃ হেমৰাজৰ মৃত্যু হয়।

তেতিয়া নওৰংৰামৰ বয়স মুঠে ১৬ কি ১৭ বছৰ। তেওঁৰ ভাযেক দুজন—এজনৰ নাম ৰামলাল আনজনৰ নাম গোলাপচন্দ। এই ভাযেক দুজনক দেশত এৰি থৈ মাকক লগত লৈ নওৰংৰামে ই, ১৮২৯ চনত বিকানীৰৰ চুৰু নগৰ এৰি পূৰ্ব্বদেশৰ ফালে গুচি আহি মুৰ্শিদাবাদ পালে। জনা যায় যে এই মুৰ্শিদাবাদৰ পৰা তেও নাৱৰ 'চাৰণকাৰ' হৈ তাৰেই উজাই আহি গোৱালপাড়া পাযহি। সেই সময়ত গোৱালপাড়া জিলা গোটেই অসম দেশৰে বাণিজ্যৰ কেন্দ্ৰ-স্থল আছিল। সেই সময়ত নামনি অসম ইংৰাজৰ দখললৈ গৈছিল। উজনি অসমত তেতিযাও আহোমৰ ৰাজত্ব চলি আছিল।

তেতিযাৰ দিনত উজনি অসমৰ শেষ সীমা আৰু নামনি অসমৰ সীমা আছিল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে পূবে কচুজান বা চেকেৰাজান আৰু বিহালী লে, দক্ষিণ পাৰে ধনশিৰি নৈ লৈকে। তেতিযা বিশ্বনাথত ইংৰাজৰ পল্টন ৰখা হেড কোৱাৰ্টাৰ (প্ৰধান ঠাই) আছিল।

অসমৰ বাণিজ্য-কেন্দ্ৰ গোৱালপাড়াত ৰতনগড়ৰ পৰা অহা ৰামদিযাল পোদ্দাৰৰ ফাৰ্ম অৰ্থাৎ ডাঙৰ দোকান আছিল। তাৰে এখন শাখা বিশ্বনাথতো পাতিছিল। গোৱালপাড়া পাই নওৰংৰামে সেই পোদ্দাৰৰ ফাৰ্মত গোমোস্তা হিচাবে সোমায আৰু সময়ত তেওক তাৰ পৰা বিশ্বনাথৰ দোকানলৈ পঠাই দিলে।

এই খিনিতে এটা কথা লিখা আশাকৰোঁ অবান্তৰ নহব। আমাৰ দেশ কলে-কৌশলে ইংৰাজসকলে অধিকাৰ কৰাৰ লগে লগে সিবিলাকৰ প্ৰযোজনত দুই শ্ৰেণীৰ লোকক আমাৰ

দেশলৈ আনিছিল। প্ৰথম বেপাৰীসকলক, সিবিলাকৰ প্ৰধান কৰ্ত্তব্য আছিল অস্ত্ৰধাৰী ফৌজক ৰচদ যোগোৱা। ক্ৰমে যিমান ঠাইত শাসন প্ৰবৰ্ত্তন কৰিবলৈ ধৰিলে সেই সেই ঠাইলৈকে এই ব্যৱসায়ী সম্প্ৰদায়ক লৈ গৈছিল। এই সকলৰ সৰহ ভাগেই আছিল মাৰোৱাৰী সম্প্ৰদায়ৰ। ইবিলাক আহি ইয়াত স্থায়ীভাবেই বসতি কৰিব লগা হৈছিল। দ্বিতীয়তে শাসন কাৰ্য্য চলাবলৈ লাগে ইংৰাজী ভাষাত শিক্ষিত লোক। ইয়াৰ বাবে প্ৰধানত আহিছিল বঙালীবন্ধুসকল। সিবিলাকৰ দেশ আমাতকৈ এশ বছৰৰো আগতে ইংৰাজৰ অধীনলৈ যোৱাত তাত ইংৰাজী শিক্ষাৰ বিস্তাৰ সহজে আমাতকৈ বহু আগতে হৈছিল। সেই লোকসকল আহিছিল মনতে মই বৰ ভাব লৈ। সেই সময়ত আমাৰ দেশ, মানবিলাকৰ অত্যাচাৰত একেবাৰে ধনে জনে জুৰুলা অৱস্থাত। ইয়াৰে সুযোগত সিবিলাকে আমাৰ দেশত শাসন বিষয়ত ওপৰ হাত পালেই, লগতে আমাৰ ভাষাৰ ওপৰতো মাধমাৰ সোধাবৰ সুযোগ গ্ৰহণ কৰি উপৰিৱালা ইংৰাজ কৰ্ম্মচাৰীক সহজে বুজালে যে অসমীয়া ভাষা এটা স্বকীয়া ভাষা নহয়, ই বঙ্গালী ভাষাৰ অপভ্ৰংশ মাথোন। গতিকে আমাৰ দেশত অবাধে বঙ্গলা ভাষা চলিল। বহু চেষ্টাৰ পিচত যানিবা ১৯০৪ চনৰ পৰাহে প্ৰকৃততে অসমীয়া ভাষাৰ প্ৰবৰ্ত্তন আমাৰ দেশত হবলৈ ধৰে। লিখা বাহুল্য যি সকললোকৰ আপ্ৰাণ চেষ্টাত আমাৰ ভাষাই স্বাধীকাৰ লাভ কৰিব পাৰিলে তাৰে অন্যতম আছিল এই চন্দ্ৰকুমাৰ আগৰৱালা।

ওপৰত উল্লেখ কৰামতে এই দুযো শ্ৰেণীৰ ভিতৰৰ কোনো কোনো লোকে স্থায়ী ভাবে ইয়াত বসতি কৰিবলৈ লয়। সিবিলাকে মনত কোনো খুবুৰি নৰখাকৈ এই দেশকে নিজৰ বুলি গ্ৰহণ কৰি ইয়াতে বিয়া-বাৰু কৰাই ঘৰ বাৰী স্থায়ী ভাবে কৰি লৈ বসতি কৰিছিল। স্থায়ী ভাবে বস বাস কৰিবলৈ লোৱা ব্যৱসায়ী সম্প্ৰদায়ৰ লোকৰ ভিতৰত আলোচ্য আগৰৱালা পৰিয়াল অগ্ৰণী আছিল।

নওৰংৰামে বিশ্বনাথত পোদ্দাৰৰ ফাৰ্মত কিছুদিন কাম কৰি ব্যৱসায়ৰ আও-ভাও বুজি ললে। লগতে বহুতো মানুহৰ লগতো চিনা পৰিচয় হোৱাত মনত বল পালে। তেওঁ কিছুদিন চাকৰি কৰাৰ পিচত কাম ইস্তফা দি নিজে এখন দোকান খুলিলে। বাহিৰৰ পৰা সিমান সহজ যেন দেখা পালেও, সকলোৰে পক্ষে সকলো কাম সমান নহয়। তেওঁ দোকানৰ ফেৰিযাফেৰিত সৰহদিন তিষ্ঠিব নোৱাৰি সেই দোকান তুলি একেবাৰে গমিৰিলৈ উঠি গল।

সেই সময়ত গমিৰি অঞ্চল আহোম স্বৰ্গদেৱসকলৰ ৰাজ্যৰ ভিতৰত। ইংৰাজসকলে তেতিযাও গোটেই অসমদেশ দখললৈ অনা নাছিল। সেই গমিৰিতে তেওঁ এখন দোকান খোলে। ই, ১৮৩৩ কি ৩৬ চনত এই দোকান খোলে। দোকানৰ হিচাব পত্ৰ ৰখা বহিৰ পৰা এই কথা জনা যায়। সেই ঠাইত আজিও আগৰৱালা পৰিয়ালৰ মাটি বাৰী আছে। এইবাৰ তেওঁ স্থায়ীভাবে বসতি কৰিবৰ মন মেলিলে আৰু ওচৰৰ ৰাজখোৱা বংশৰ এগৰাকী জীয়াৰীক বিয়া কৰালে। তেওঁৰ নাম আছিল সাদৰী। দেউতাকৰ নাম থুলুক ৰাজখোৱা।

সেই সময়ত অসম ৰজাৰ ৰাজধানী আছিল যোৰহাটত। ৰজাঘৰত মণিৰাম দেওয়ান বৰুৱাৰ প্ৰবল প্ৰতাপ। নওৰংৰামে সময় বুজি এই দেওয়ানৰ লগত চিনা পৰিচয় হল। তেওঁৰে সহায়ত নওৰংৰাম উত্তৰ পাৰৰ ছয় দুৱাৰৰ ছোৱাতল গড়ৰ পৰা কচুজান বিল আৰু বিহালী নদীলৈকে এই অঞ্চলটোৰ ৰজাৰ কৰ তোলা, হাটখোৱা আদি কামৰ কাৰণে চনদ লৈ এজন বিষয়া ৰূপে নিযুক্ত হয়।

ব্ৰহ্মদেশৰ লগত ইংৰাজৰ ১ম বাৰৰ যুদ্ধত ব্ৰহ্মদেশ হাৰিল। যাণ্ডাবুত সন্ধি পত্ৰ স্বাক্ষৰ হল। সেই সন্ধিমতে গাৰ বলেৰে অৰ্থাৎ আমাৰ দেশ তলতীয়া নথকাতো গোটেই অসম দেশকে ইংৰাজক এৰি দিয়ে। ইংৰাজে গতিকে তেতিয়াৰ

পৰা গোটেই ৰাজ্য লৈযো কিছুদিনৰ কাৰণে আহোম ৰাজ বংশৰ কেজনমানক বছৰি পেঞ্চন দিছিল। বুধিযক ইংৰাজে বুজিছিল যে হঠাতে যদি সম্পূৰ্ণ ৰাজক্ষমতা হাতত লয় হযতো কৰবাত কিবা গোলমাল কিম্বা বিদ্ৰোহো হব পাৰে। গতিকে পেঞ্চন দিযাৰ ছলতে ৰজাক যেন মান্য কৰাৰ ভাও দেখাইছিল। পিচত সেই পেঞ্চন একেবাৰে বন্ধ কৰি দিয়ে।

নতুন ধৰণৰ শাসন প্ৰবৰ্ত্তন কৰিবৰ কাৰণে তেতিয়া একোজন জিলা অধিপতি পাতি তেওঁৰ হাততে সকলো শাসন ক্ষমতা ন্যস্ত কৰি দিছিল। জিলাৰ অধিপতি বীট (Vetch) চাহাবে নওৰংৰামৰ কাম-কাজত উৎসাহ দেখি, পৰিপাটিৰূপে কাম কৰিব পৰা ক্ষমতাৰ গম পাই তেওঁক গমিৰি, ৰাংচালী আৰু বেঙ্গাবাৰী (বৰ্ত্তমান বৰঙ্গাবাৰী) এই তিনি খণ্ডৰ মৌজাদাৰ পাতিলে। মৌজাদাৰ হোৱাৰ পিচত তেও কলংপুৰৰ চাৰিখেলীযাৰ লক্ষ্মী শইকীয়াৰ ভনীযেক সোণপাহীক ২যা পত্নীৰূপে গ্ৰহণ কৰে। সেই সমযতে তেওঁ লক্ষীমপুৰ, ডিব্ৰুগড় আদি কেইবাঠাইতো দোকান খুলি তালৈ দেশৰ পৰা দুজন সৰু ভায়েকক আৰু কেইবাজনো আত্মীয় মানুহক অনাই সেই দোকানবোৰৰ কামত লগাই দিছিল। গতিকে এতিযা তেওৰ প্ৰতি ভাগ্য সুপ্ৰসন্নহৈ উঠিল। দেশত সকলো মানুহৰ মাজত খ্যাতি লাভ কৰিলে। এতিযা চৰকাৰ পক্ষৰো নজৰত পৰাত তেও গভৰ্ণমেণ্টৰ পল্টনবোৰৰ ৰচদ পাতি যোগাবৰো হুকুম পাইছিল। এই কাম বৰ লাভজনক আছিল।

নওৰংৰামৰ প্ৰথমা পত্নী গমিৰিৰ ৰাজখোৱা বংশৰ থুন্নুক ৰাজখোৱাৰ ভনীযেক ছাহুৰী বা সাদৰীৰ দুটি লৰা আৰু এজনী ছোৱালীৰ জন্ম হয। তেওঁৰ প্ৰথম লৰা বাপিৰাম বা হৰিবিলাস আগৰৱালা, দ্বিতীয় থানুৰাম আগৰৱালা। ছোৱালী জনীৰ নাম আছিল কেটেউ।

তেওঁৰে দ্বিতীয়া পত্নী নেওগৰ ঘৰৰ জীয়াৰী সোণপাহী। তেওঁৰ গৰ্ভত কাশীৰামৰ জন্ম হয় ইং ১৮৪৭ চনত বৰঙ্গাবাৰীৰ নিজ ঘৰত। তেওঁ কলংপুৰ মৌজাৰ মৌজাদাৰ আছিল। ১৮৯৯ চনত সেই বৰঙ্গাবাৰীতে তেওঁৰ মৃত্যু হয়। এই কাশীৰামৰো দুজনী ভাৰ্য্যা আছিল। প্ৰথম জনী ৰাধিযা। তেওঁৰ গৰ্ভত তিনজন লৰা জন্ম হয়,- ১ম মহেশ্বৰ, ২য় জন আনন্দচন্দ্ৰ আগৰৱালা, ৩য় জন কমল চন্দ্ৰ। এই আনন্দচন্দ্ৰ আগৰৱালা এজন খ্যাতিমান লোক আছিল। অসমীয়া ভাষা-সাহিত্যত তেওঁৰ অবদান প্ৰচুৰ। গোৱালপাড়া জিলাত অসমীয়া ভাষা চুনাই প্ৰবৰ্ত্তন কৰা কথাতো তেওঁৰ যত্ন প্ৰশংসনীয় আছিল। চৰকাৰৰ ঘৰতো ৰায় বাহাদুৰ উপাধী লাভ কৰিছিল। তেওঁ পুলিচ বিভাগত তলৰ থাপৰ চাকৰিত সোমাই ওপৰৰ সময়ত ৰায় বাহাদুৰ উপাধীৰে সৈতে পুলিচ চুপাৰিণ্টেণ্ডেণ্ট হিচাবে অবসৰ লাভ কৰে। তেতিয়াৰ দিনত এনে চাকৰি পোৱা বৰ টান আছিল।

দ্বিতীয়া গৰাকী ভাৰ্য্যাৰ নাম আছিল শয়নী। তেওঁৰ গৰ্ভত তিনি জনী ছোৱালী, ফুলেশ্বৰী, পদ্মেশ্বৰী আৰু তিলৰী আৰু তিনি পুত্ৰ, ধনেন্দ্ৰ, বীৰেন্দ্ৰ আৰু ৰাজেন্দ্ৰৰ জন্ম হয়।

আগতে উল্লেখ কৰা হৈছে যে নওৰংৰামৰ প্ৰথমা ভাৰ্য্যাৰ গৰ্ভত প্ৰথম লৰা হৰিবিলাসৰ জন্ম হয়। এওঁ সময়ত তেজপুৰত এজন আগ শাৰীত থাকি সকলো ৰাজহুৱা কামত আগভাগ লৈছিল। এই জনা পুৰুষৰ প্ৰেৰণাত মোৰ পিতৃদেৱে নৰ্ম্মাল স্কুলৰ পণ্ডিতৰ চাকৰি এৰি ব্যৱসায় ক্ষেত্ৰত ধৰি উন্নত হব পাৰিছিল। "অসম বন্তি" কাকতৰ যাবতীয় দায়িত্ব লৈ সম্পাদক পৰ্য্যন্ত হৈ কাম কৰিছিল আৰু শেহত যোগ্য পাত্ৰ স্বনামধন্য ৺পদ্মনাথ গোহাঁই বৰুৱাৰ হাতত "অসম বন্তি প্ৰেছ আৰু ঘৰ" স্বেচ্ছাই দান কৰি এটি মাথোন স্বৰ্ত্ত দিছিল যে "মোৰ জীৱিত কালত "বন্তি" জীয়াই থাকিব লাগিব।

তাৰ পিচত মোৰ উত্তৰাধিকাৰীৰ কোনো স্বত্ব নেথাকে।" এইদৰে পিতৃদেৱেই গোহাঁই বৰুৱাক চাকৰিৰ পৰা ইস্তফা দি ওলাই আহিবলৈ সহায় কৰিছিল। হৰিবিলাস আগৰৱালা-দেৱে নিজে শঙ্কৰ মাধৱদেৱৰ কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলী প্ৰভৃতি পুৰণি পুথিবোৰ ছপাই অসমীয়া সাহিত্যই নিজৰ ঠাই অধিকাৰ কৰাত সমল যোগাইছিল।

তেওঁৰে দ্বিতীয় পুত্ৰ চন্দ্ৰকুমাৰ আগৰৱালা। এই কবিপ্ৰাণ আগৰৱালা "জোনাকী" যুগ প্ৰবৰ্ত্তক ত্ৰিমূৰ্ত্তিৰ অন্যতম—আন দুজন হল অভিন্নহৃদয় ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু লগৰীয়া বন্ধু প্ৰত্নতাত্ত্বিক পণ্ডিত হেমচন্দ্ৰ গোস্বামী। "জোনাকী" খন আগৰৱালাদেৱৰ দায়িত্বত আৰু আৰ্থিক সাহায্যত প্ৰকাশিত হৈছিল। এইটো স্বীকাৰ কৰিব লাগিব যে সেই যুগৰ কৰ্ম্মীসকলৰ মুখপত্ৰ হিচাবে প্ৰকাশিত "জোনাকীৰ" প্ৰভাৱতে অসমীয়া ভাষা সাহিত্যৰ লুপ্ত গৌৰৱ পুনৰ উদ্ধাৰ পাইছিল।

হৰিবিলাস আগৰৱালাৰ ভাৰ্য্যা মলমাৰ গৰ্ভত প্ৰথম সন্তান বিষ্ণুপ্ৰসাদ আগৰৱালা, ২য় আগতে লিখা চন্দ্ৰকুমাৰ আগৰৱালা, ৩য়—পৰমানন্দ আগৰৱালা, ৪ৰ্থ—কৃষ্ণপ্ৰসাদ আগৰৱালা, ৫ম—যজ্ঞেশ্বৰী (কন্যা) ৬ষ্ঠ—গোপালচন্দ্ৰ আগৰৱালা।

থানুৰাম আগৰৱালাৰো ভাৰ্য্যা দুগৰাকী—প্ৰথমা পুনিতা ২য়া—জোনাকী। পুনিতাৰ গৰ্ভত—দিব্যেশ্বৰী, বানেশ্বৰ, দীনেশ্বৰ আৰু খগেশ্বৰ আগৰৱালাৰ জন্ম হয়। এই খগেশ্বৰ আগৰৱালাও কলংপুৰ মৌজাৰ মৌজাদাৰ আছিল। জোনাকীৰ গৰ্ভত—যজ্ঞেশ্বৰ আৰু সোণধনৰ জন্ম হয়।

চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ জন্ম হয় ই. ১৮৬৭ চনৰ, ২৮ নবেম্বৰত। তেখেতে গোলাঘাটৰ দণ্ডধৰ বৰুৱাদেৱৰ প্ৰথমা কন্যা মুক্তাপ্ৰভাক বিয়া কৰায়। তেখেতৰ লৰা তিনিজন জন্ম হয়:—(১) নবীনকুমাৰ আগৰৱালা (২) ৺অৰুণ কুমাৰ (৩) তৰুণ কুমাৰ আগৰৱালা।

শেষ বয়সতো এই চন্দ্ৰকুমাৰ আগৰৱালাদেৱেই পোনতে ডিব্ৰুগড়ৰ পৰা “অসমীয়া” সাপ্তাহিক কাকতখন প্ৰকাশ কৰে। তেতিয়া আমাৰ ভাষাত লেখত লবলগীয়া কাকত মাথোন এইখনেই আছিল। কি দৃঢ় মনোবলেৰে তেখেতে এই কাকত পৰিচালনা কৰিছিল ভাবিলে স্তম্ভিত হব লাগে।

গুৱাহাটীত চন্দ্ৰকুমাৰৰ নশ্বৰ দেহা ত্যাগ হয় ইং ১৯৩৮ চনৰ ২ মাৰ্চ্চ তাৰিখে।

স্মৰণ নকৰি নোৱাৰি যে এই বংশৰে আন এটি ৰত্ন ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ। তেওঁৰ সাহিত্য আৰু শিল্পকলাৰ অতুলনীয় অবদানেই অকল নহয়, ৰাজনীতি ক্ষেত্ৰতো তেওঁৰ অবদান যথেষ্ট আৰু অশেষ প্ৰশংসনীয়। তেওঁ পৰমানন্দ আগৰৱালাৰ পুত্ৰ- আছিল।

আচৰিত হব লগা কথা, দূৰ ৰাজস্থানৰ পৰা এই পৰিয়ালটো আহি একে পুৰুষতে আমাৰ মাজত মিলি গৈ সকলো ক্ষেত্ৰতে একেবাৰে আগ শাৰীত ঠাই পাবৰ যোগ্যতা লাভ কৰি চিৰকলীয়া খ্যাতি অৰ্জ্জন কৰিব পাৰিলে।

চন্দ্ৰকুমাৰক যেনেকৈ জানোঁ

পদ্মধৰ চলিহা

ভাটীৰ পৰা আহি অসমৰ জলবায়ু, ভাষা সংস্কৃতিৰ লগত একেবাৰে মিলি যোৱা পৰিয়ালৰ ভিতৰত আগৰৱালা পৰিয়ালে নিশ্চয় আগশাৰীত ঠাই পাব। অসমীয়া সম্ভ্ৰান্ত পৰিয়ালৰ জীয়াৰীৰ লগত বিবাহ সূত্ৰত আবদ্ধ হোৱাত সম্বন্ধ আৰু অধিক নিবিড় হৈ পৰিল। চন্দ্ৰকুমাৰৰ দেউতাক হৰিবিলাস আগৰৱালাই পোন প্ৰথমতে মহাপুৰুষ শঙ্কৰদেৱৰ অমৰ গ্ৰন্থ কীৰ্ত্তন পুথি প্ৰকাশ কৰি পোহৰলৈ উলিয়ায়। অসমীয়া সাহিত্যলৈ যোগোৱা আগৰৱালা পৰিয়ালৰ বৰঙণি বহুমূলীয়া। চন্দ্ৰকুমাৰৰ কবিতা পুথি 'প্ৰতিমা' আৰু 'বীণ বৰাগী'ত তেওঁৰ গভীৰ চিন্তাশীলতা, সূক্ষ্ম অনুভূতি আৰু জ্বলন্ত স্বদেশপ্ৰেম সুন্দৰকৈ ফুটি ওলাইছে। অসমীয়া নৱন্যাস যুগৰ লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী পদ্মনাথ গোহাঁইবৰুৱা, বেণুধৰ ৰাজখোৱা আদিৰ দৰে চন্দ্ৰকুমাৰো অন্যতম প্ৰৱৰ্ত্তক। কলিকতীয়া ছাত্ৰ হৈ থকা কালতে তেওঁ 'জোনাকী' আলোচনীৰ সম্পাদকৰ দায়িত্ব লৈ তাক সুচাৰুৰূপে পালন কৰে। বেজ-বৰুৱাৰ লগত তেওঁৰ যুগমীয়া বন্ধুত্ব স্থাপন হয়। দুয়ো যথাৰ্থতে আছিল হৰিহৰাত্মা। জাতীয়তাবাদী নিৰ্ভীক বাতৰি কাকতৰ অভাৱ পূৰণ কৰিলে চন্দ্ৰকুমাৰে। পুলিচ বিভাগৰ নীৰস কামত থাকিও ভাষা জননীৰ বেদীত অতি শুৱলা ভাব ভাষাৰ কবিতাৰ নৈবেদ্য যাচিলে আনন্দচন্দ্ৰ আগৰৱালাই। পৰমানন্দ আগৰৱালাও আছিল সাহিত্যানুৰাগী আৰু স্বদেশ প্ৰেমিক। তেওঁৰ ঔৰসত আৰু বলিয়াঘাটৰ তিৰু কাকতীৰ পৰিয়ালৰ জীয়ৰী কিৰণময়ী (ওৰফে বিমান)ৰ গৰ্ভত জন্ম হ'ল সঙ্গীত সংস্কৃতিৰ একনিষ্ঠ সাধক অমৰ শিল্পী জ্যোতি প্ৰসাদৰ।

চন্দ্ৰকুমাৰৰ নাম স্কুলীয়া ছাত্ৰাৱস্থাতে শুনিছিলোঁ। তেওঁৰ মাধুৰী, সীতা-সৰমা, মানৱ বন্দনা, বীণ বৰাগী আদি কবিতা গোটাদিয়েক পঢ়ি আৰু আবৃত্তি কৰিও বৰ সোৱাদ পাইছিলোঁ। মানুহজন চাবলৈ আৰু তেওঁৰ সান্নিধ্যত আহিবলৈ বৰ হেঁপাহ আছিল। যথাসময়ত সেই সোণাময় ছেগ মিলিল।

১৯২২ চনৰ পৰা মই ডিব্ৰুগড় আদালতত ওকালতী কৰিবলৈ আৰম্ভ কৰিলোঁ। ভাড়া কৰিলোঁ শান্তিপাৰাৰ এটি ঘৰ। তেতিয়া চন্দ্ৰকুমাৰ আছিল খলিহামাৰীৰ ডাঙৰ বঙলাত। তাৰ পৰাই আগৰবালা পৰিয়ালৰ তামোলবাৰী বাগিচা পৰিচালনা আৰু তত্বাবধান কৰিছিল। মাজেসময়ে তেওঁক দেখা কৰিবলৈ যাওঁ আৰু তেওঁৰ ঘনিষ্ঠ সান্নিধ্যত আহিবলৈ সুযোগ পাওঁ। শ্বেতকায়, চুটি চাপৰ, গহীন গম্ভীৰ সৌম্য মূৰ্ত্তিয়ে মনত দকৈ সাঁচ বহুৱাইছিল। তেওঁৰ লগত সাহিত্য, ৰাজনীতি আদিৰ আলোচনা কৰিও আনন্দ লভিছিলোঁ। ডিব্ৰুগড়তে তেওঁ স্থিৰ কৰিলে তাত বহুৱা ছপাশালৰ পৰা 'অসমীয়া' নামৰ সাদিনীয়া বাতৰি কাকত এখন উলিয়াবলৈ। পোন প্ৰথম সম্পাদকৰ বাব দিলে বয়োবৃদ্ধ শিক্ষাবিদ ৺ মহেশ্বৰ বৰুৱাক। কিন্তু চন্দ্ৰকুমাৰেই সকলো দিহা-পৰামৰ্শ দি আছিল। এদিন ৰাতিপুৱা শুনিলোঁ চন্দ্ৰকুমাৰৰ মাজিউ পুতেক অৰুণকুমাৰে কিবা গুপুত কাৰণত ডিঙিত চিপজৰী লগাই আত্মহত্যা কৰিলে। বাতৰিটো পাই বিনা মেঘে বজ্ৰাঘাতৰ নিচিনা লাগিল। বাইচাইকেল লৈ এজন বন্ধুৰে সৈতে ওলালোঁগৈ চন্দ্ৰকুমাৰৰ খলিহামাৰীৰ বাস ভৱনত। আমি ভাবিছিলোঁ বুঢ়া বয়সত এই দাৰুণ সন্তাপ পাই চন্দ্ৰকুমাৰ নিশ্চয় অতি বিহ্বল আৰু কাতৰ হৈছে। কিন্তু গৈ দেখোঁ তেওঁ বঙলাৰ বাৰান্দাত তহল দি নিৰ্ব্বিকাৰ চিত্তেৰে আছে। মোক দেখি 'অ' চলিহা আহাঁ' বুলি সাদৰে মাতিলে। আমি সমবেদনাসূচক কথা কবলৈ নৌপাওঁতেই তেওঁ শ্ৰীমদ ভাগৱত গীতাৰ স্তোত্ৰ কিছুমান গাই আমাক হে বুজনি দিবলৈ ধৰিলে। লগতে ক'লে, "সি যদি আমাক

এৰি গুচি যাবলৈ সঙ্কোচ বোধ নকৰিলে তাৰ কাৰণে বেজাৰ কৰিলে কি হ'ব?" মানুহজনৰ ধৈৰ্য্য, মনোবল আৰু আধ্যাত্মিক শক্তি দেখি বিস্মিত হলোঁ, আৰু ভক্তি ভাৱত শিৰ দোঁৱালোঁ। চন্দ্ৰকুমাৰৰ আৰু দুটি সন্তান জীৱিত থাকিল—নবীন আৰু তৰুণ। চন্দ্ৰকুমাৰ আছিল প্ৰকৃত স্থিতপ্ৰজ্ঞ। গীতাৰ মহৎ আদৰ্শ তেখেতৰ নিজ জীৱনতে প্ৰতিফলিত কৰিছিল।

চন্দ্ৰকুমাৰৰ লগতে আছিল তেওঁৰ ভতিজাক ধীৰেন আৰু মাজে সময়ে থাকেহি জ্যোতি প্ৰসাদ। তামোলবাৰী বাগিচাত কিছুকাল আছিল কৃষ্ণ আগৰৱালা। তামোলবাৰী বাগিচা অসমৰ ভিতৰত এখন লেখত লবলগীয়া চাহ বাগান। তাত প্ৰস্তুত হোৱা ভিন ভিন ধৰণৰ চাহৰ পেকট প্ৰচুৰ পৰিমাণে অসমৰ বাহিৰেও দূৰ দূৰণিত সমাদৃত হৈছিল। বাতৰি কাকতত তাৰ বিজ্ঞাপন চন্দ্ৰকুমাৰ আৰু বেজবৰুৱাৰ ভাষাৰে অতি আকৰ্ষণীয় ভাবে চাৰিউফালে প্ৰচাৰিত হৈছিল এইবুলি— "তামোলবাৰীৰ তামোল নহয়, তামোলবাৰীৰ চাহ। খাই সকলোৰে কৰে আ, আ আ।।"

ডিব্ৰুগড়ত থাকোঁতেই চন্দ্ৰকুমাৰে অসমৰ এটি ডাঙৰ অভাৱ মোচন কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈ আসাম প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিৰ্ছাছ নামেৰে এটি লিমিটেড কোম্পানী প্ৰতিষ্ঠা কৰি তাৰ জৰীয়তে "অসমীয়া" নামৰ এখনি সাদিনীয়া বাতৰি কাকত উলিয়াবলৈ স্থিৰ কৰিলে। ব্যৱসায় হিচাবেও যাতে উক্ত প্ৰতিষ্ঠানটো আৰু কাকতখনি সমৃদ্ধিশালী হয় তাৰ ব্যৱস্থাও উদ্ভাৱন কৰিলে তীক্ষ্ণবুদ্ধি সম্পন্ন চন্দ্ৰকুমাৰে। "অসমীয়া" নিয়মিত ভাবে সপ্তাহে সপ্তাহে ওলাই দেশত নৱজাগৰণৰ সৃষ্টি কৰিলে। ১৯২১ চনত মহাত্মা গান্ধীয়ে অসম ভ্ৰমণ কৰোঁতে ডিব্ৰুগড়ত চন্দ্ৰকুমাৰৰ খলিহামাৰীৰ ঘৰতে তেখেতক ৰাখি সেৱা শুশ্ৰূষা কৰাৰ যুগুত দিহা কৰা হ'ল। গান্ধীজীৰ সংস্পৰ্শত আহি চন্দ্ৰকুমাৰৰ ভাব গতি আৰু চিন্তা-

ধাৰাৰ আচৰিত পৰিবৰ্ত্তন ঘটিল। মহাত্মা প্ৰৱৰ্ত্তিত অসহযোগ আন্দোলন, স্বদেশী প্ৰচাৰ আদিৰ প্ৰতি চন্দ্ৰকুমাৰ খুব আকৃষ্ট হ'ল। তেওঁ বিদেশী বস্ত্ৰ আদি বৰ্জ্জন কৰি নিজেও নিয়মিত ভাবে নিভাঁজ খদ্দৰৰ কুৰ্ত্তা, পাইজামা পিন্ধিবলৈ আৰম্ভ কৰিলে। ঘৰৰ খিড়িকী দুৱাৰবোৰো সুশোভিত ক'ৰলে খদ্দৰৰ ধুনীয়া পৰ্দ্দাই। 'অসমীয়া' কাকতো পৰিণত হ'ল সম্পূৰ্ণ জাতীয়তাবাদী আৰু স্বাধীনতা সংগ্ৰামৰ বাণী প্ৰচাৰক কাকতত।

এইদৰে সময় টিপিকি মাৰি যাবলৈ ধৰিলে। ডিব্ৰুগড়ৰ পৰা প্ৰকাশ আৰু প্ৰচাৰ কৰাত অসুবিধা দেখি গুৱাহাটীলৈ ছপাশাল আৰু 'অসমীয়া' কাকত স্থানান্তৰিত কৰিবলৈ চন্দ্ৰকুমাৰে সিদ্ধান্ত কৰিলে। নগৰৰ পৰা প্ৰায় আঠ মাইল আঁতৰৰ হাবি-জঙ্ঘল বনৰীয়া জন্তুৰে পৰিপূৰ্ণ খাৰঘুলি পাহাৰত 'নিউ প্ৰেছ' নামাকৰণেৰে ছপাশাল থিতাপি কৰা হ'ল। তাৰ পৰাই 'সাদিনীয়া অসমীয়া' ওলাবলৈ ধৰিলে। লক্ষ্মী নাথ ফুকন, অমিয়কুমাৰ দাস, জ্যোতি আগৰৱালা, মোহন মহন্ত আদি এজন এজনকৈ সম্পাদক হ'ল। কিন্তু কোনো জনেই সৰহ দিন তিষ্ঠিব নোৱাৰিলে। সেই সময়ত বেজ বৰুৱাই সম্বলপুৰত কাঠৰ ব্যৱসায় কৰিছিল। আৰু তাৰ পৰাই তেওঁৰ জনপ্ৰিয় আলোচনী 'বাঁহী' প্ৰকাশিত হৈছিল। কিন্তু তাত বিশেষ আহুকাল পাই তেওঁৰ অন্তৰঙ্গ বন্ধু চন্দ্ৰকুমাৰ (মাজিউ) ক জনোৱাত চন্দ্ৰকুমাৰে নিউ প্ৰেছৰ পৰাই 'বাঁহী' প্ৰকাশ কৰিবলৈ গাত ল'লে।

১৯৩০।৩১ চনত আইন অমান্য আন্দোলন ভাৰতত তথা অসমত প্ৰৱল প্ৰকোপেৰে চলিছিল। হাজাৰ হাজাৰ নৰ-নাৰীয়ে মহাত্মাৰ আহ্বানত আন্দোলনত জঁপিয়াই পৰিছিল। ওকালতী ব্যৱসায় কৰা অনেকেই ওকালতী বৰ্জ্জন কৰি স্বাধীনতা যুদ্ধৰ সৈনিক শ্ৰেণীত ভুক্ত হৈছিল। মই তেতিয়া শিৱসাগৰত 'শিৱসাগৰ বিদ্যাপীঠ' নামৰ এটি জাতীয় শিক্ষা

প্ৰতিষ্ঠান খুলি তাৰ সম্পাদকৰ দায়িত্ব লৈ আছিলোঁ। প্ৰধান শিক্ষক আছিল স্বদেশ প্ৰাণ ডেকা সোণাৰাম দত্ত। তেনেতে এদিন ডাকত এখন চিঠি পাই খুলি দেখিলোঁ স্বনামধন্য চন্দ্ৰ কুমাৰ আগৰৱালাৰ চিঠি। অতি সন্তৰ্পণে পঢ়ি চালোঁ। পঢ়ি দেখিলোঁ সাদিনীয়া আৰু তিনদিনীয়া "অসমীয়া" কাকতৰ সম্পাদকৰ বাব লবলৈ এই অভাজনলৈ তেখেতৰ সাদৰ আহ্বান।

মই বিষম সমস্যাত পৰিলোঁ। তেতিয়া শিৱসাগৰত ওকালতী ব্যৱসায়ত আছো। তাতে অতি যত্নেৰে 'শিৱসাগৰ বিদ্যাপাঠ'খন প্ৰতিষ্ঠা কৰি পৰিচালনা আৰু শিক্ষকতা কৰি আছো। কিন্তু সাংবাদিকতাৰ প্ৰতিও আগৰ পৰা মোৰ এটা আছিল ডাঙৰ মোহ। গতিকে এনে এটা সোণময় ছেগ পাইও তাৰ সুযোগ নোলোৱাটো ভুল হ'ব বুলি ভাবিলোঁ। পিতৃদেৱতাৰ আবহনে কুলবৰ ককাইদেৱ আমাৰ পৰিয়ালটোৰ বৰ মুৰীয়া। গতিকে তেখেতৰ পৰামৰ্শ খুজি যোৰহাটলৈ চিঠি এখন দিলোঁ। তেখেতে এই বুলি উত্তৰ দিলে যে দেশত যেতিয়া তুমুল স্বাধীনতাৰ সংগ্ৰাম চলি আছে তেতিয়া ওকালতী কৰি অনাহকত সময় কটোৱাতকৈ এখন জাতীয়তাবাদী কাকতৰ সম্পাদক হৈ পৰিচালনা কৰাটোহে অধিক বাঞ্ছনীয়। আগৰৱালালৈ কামৰ চৰ্ত্ত আদি সুধি চিঠি দিলোঁ। তেখেতে লিখিলে তিনি বছৰৰ চুক্তি। দৰ্মহা প্ৰথমতে এশ টকা (সেই সময়ত এশ টকাৰ মূল্য আজি-কালিৰ পাঁচ শ টকাৰ সমান)। সৰু ককাইদেউৰ পৰামৰ্শ অনুসৰি মই সন্মতিসূচক চিঠি দিলোঁ—১৯৩১ চনৰ পৰা ৩৪ চনলৈকে সম্পাদকৰ কাম কৰবলৈ। ঘৰত লৰা-তিৰোতা এৰি, টালি-টোপোলা বান্ধি আৰু বিদ্যাপাঠখন সোণাৰাম দত্তক গতাই দি গুৱাহাটীলৈ ৰাওনা হলোঁ। উজানবজাৰত চন্দ্ৰকুমাৰ আগৰৱালাৰ ঘৰৰ কাষতে মহিবুদ্দিন আহ্মদ ই, এ, চি, ৰ ভাড়া ঘৰ এটাকে ঠিক কৰি লৰা-তিৰোতাও যথা সময়ত তালৈকে আনিলোঁ। আগৰৱালাক দেখা কৰি কামত ভৰ্ত্তি হলোঁ। তেখেতে আনন্দ প্ৰকাশ কৰিলে।

তেতিয়া নিউ প্ৰেছৰ মেনেজাৰ আছিল শ্ৰীখগেন্দ্ৰনাথ দত্ত প্ৰিণ্টাৰ আছিল পূৰ্ণকাকতি, আৰু কাকতৰ সহ-সম্পাদক আছিল কমাৰবুৰিৰ দক্ষ বৰুৱা, পিঠত যোগেন বৰকাকতী আৰু হৰেন বৰুৱা। তেওলোকৰ সহায সহযোগিতা মোৰ ঘাই সমল হ'ল। দক্ষ বৰুৱা প্ৰুফ আদি চোৱাত অতি সুদক্ষ আছিল। 'তিন দিনীযা অসমীযা'ৰ তেতিয়া গ্ৰাহকৰ সংখ্যা নিচেই তাকৰ আছিল, মাত্ৰ পাঁচ শ মান। মই সংকল্প কৰিলোঁ কাকতখন অধিক জনপ্ৰিয আৰু আকৰ্ষণীয কৰি গ্ৰাহক বঢ়াবলৈ। দুমাহমানৰ ভিতৰতে গ্ৰাহক প্ৰায তিনি চাৰি হেজাৰ হ'ল। আগৰৱালাই উজানবজাৰৰ ঘৰৰ পৰাই সকলো দিহা পৰামৰ্শ দি থাকে। তেখেত নিজে এদিনো প্ৰেছলৈ যোৱা নেদেখিলোঁ।

কাকতখনিৰ কাম কৰোঁতে যদিও অশেষ কষ্ট আৰু অসুবিধা ভোগ কৰিবলগীযা হৈছিল, সেই সকলো হেলাৰঙে মূৰপাতি কৰ্ত্তব্যত ৰত হলোঁ। পৰিযাল লৈ থকা মেলাৰ ভযানক অসুবিধা। কৰবাত ঘৰ এটা ভাড়া কৰিলেও কেদিনমানৰ পিছতে এৰি দিব লগা হয। ইটোৰ পৰা সিটো ঘৰলৈ বাগাৰ ফুৰোঁ। কোমল বযসীযা লৰা-তিৰোতা এৰি কোনো দিনা নিশা ১২।১ বজালৈকে ২½ মাইল দূৰৰ পাহাৰৰ মাজত কাম কৰি থাকিব লগা হয। সেই সমযত বাল্য-বন্ধু আৰু সহপাঠী ৺হৰনাথ বৰুৱা, অনুজপ্ৰতিম ৰাধানাথ হাজৰিকা আৰু সমাজ সেৱক সুহৃদবৰ সমুদ্ৰ পাঠকৰ সহায সহানুভূতি নোপোৱা হ'লে মই বিষম বিপদত পৰিলোঁ। হেতেন। এইদৰে দুখে কষ্টে কাকতৰ কাম কৰি আছো। এনেতে আগৰৱালা ডাঙৰীযাৰ পৰা এখন চিঠি পাই মূৰতে সৰগ পৰা দৰে পৰিল। তেখেতে লিখিলে, 'প্ৰেছৰ অৱস্থা ভাল নোহোৱা বাবে অহা মাহৰ পৰা তোমাৰ দৰ্মহা এশৰ ঠাইত ৭৫৲ কৰা হ'ল।' মই ভাবিলোঁ। এম এ, বি এল উপাধিধাৰী হৈও তেখেতৰ আমন্ত্ৰণক্ৰমে মাত্ৰ এশ টকা

দৰ্ম্মহাত তিনি বছৰৰ কাৰণে চুক্তি কৰি আনি, মই ইমান প্ৰাণপণে কাকতখনৰ উন্নতিৰ কাৰণে যত্নপৰ হোৱাতো, দৰ্ম্মহা বঢ়াওক ছাৰি কমোৱাটো নিতান্ত হৃদয়হীনতা আৰু অকৃতজ্ঞতাৰ চিন। গতিকে পদত্যাগ কৰাৰ বাহিৰে অন্য উপায় নাই। পিছদিনা ৺কুলধৰ ককাইদেউলৈ এখন চিঠি দিলোঁ মতামত বিচাৰি। তেখেতে উত্তৰ দি পঠালে বৰ্ত্তমান পৰিস্থিতিত কাম এৰা ভুল হব। গতিকে সম্প্ৰতি Stick কৰাই শ্ৰেয়। মইও কাকতখনৰ মায়া এৰিবলৈ টান পালোঁ। আকৌ ভাবিলোঁ আগৰৱালাৰ ব্যৱসায় বুদ্ধি অতি তীক্ষ্ণ, সি মায়া মমতাৰ বাহিৰ। মই আৰু ভাবিলোঁ মানৱতাৰ পূজাৰী 'মানৱ বন্দনা'ৰ ৰচক এজন কবিয়ে যি চৈতন্যদেৱৰ আহিৰে 'মানুহেই দেৱ মানুহেই সেৱ, মানুহ বিনে নাই কেৱ' আৰু 'জয় জয় মানৱদেৱ' বুলি লিখিব পাৰে, তেনে এজন লোকৰ পক্ষে এজন কৰ্ত্তব্য পৰায়ণ তলতীয়া কৰ্ম্মচাৰীৰ প্ৰতি তেনে আচৰণ কৰাটো কেনেকৈ সম্ভৱপৰ হ'ল। বহুত ভাবি-চিন্তি পালোঁগৈ - তেখেতৰ মৰমৰ কাকতখন জীয়াই ৰাখিবলৈকে তেখেতে নিৰ্ম্মম ইকনমি বা মিতব্যয়িতাৰ কঠোৰ পন্থা অৱলম্বন কৰিবলৈ বাধ্য হৈছে। ভাবিলোঁ— চন্দ্ৰকুমাৰৰ অন্তৰত কবি সুলভ কোমলতা আৰু ব্যৱসায়ী সুলভ কঠোৰতা দুয়োটা বিপৰীত গুণৰে প্ৰভাৱ আছে। তেখেতৰ ওচৰলৈ গৈ মোৰ আহুকালৰ কথা জনোৱাত তেখেতে হিচাব-পত্ৰ দেখুৱাই বুজাই ক'লে— কাকতখন মৰিবলৈ নিদিবা—তুমি স্বাৰ্থত্যাগ কৰি হলেও কাম কৰি থাকাঁ। অগত্যা কামত লাগি থাকিলোঁ। কিন্তু মোৰ উৎসাহ উদ্যম অলপো কমিবলৈ নিদিলোঁ।

সাহিত্যৰথী বেজবৰুৱাই সম্বলপুৰৰ পৰা 'বাঁহী' আলোচনীৰ প্ৰবন্ধাদি চাই চিতি সম্পাদনা কৰিবলৈ আহুকাল পাই তেওঁৰ বন্ধু চন্দ্ৰকুমাৰক জনালে এই অভাজনৰ সহায়-সহযোগিতা

লবলৈ। সেই নির্দ্দেশ অনুসৰি মোক 'বাঁহী'ৰ সহ-সম্পাদক বাবটোও দিলে। কিন্তু তাৰ বাবে স্বকীয়া একো বানচ দিবলৈ অপাৰগতা স্বীকাৰ কৰিলে। তথাপি আলোচনীখনৰ মোহত আৰু দুগৰাকী প্ৰবীণ সাহিত্যকৰ আদেশ পালনার্থে দায়িত্বটো কান্ধ পাতি ল'লোঁ। বেজবৰুৱাই প্ৰবন্ধবোৰ ডাক-যোগে মোলৈ পঠাই দিয়ে, মই ভুল চুক শুধৰাই নিয়মমতে পৰিবেশন কৰি ছপাবলৈ দিও।

এইদৰে দিন গৈ আছে। এনেতে গুৱাহাটীত সংক্ৰামক ব্যাধিৰূপে ব্যাপকভাবে 'বেছিলোৰ ডিছেন্ট্ৰি'ৰ প্ৰকোপ চৰিব'ল ধৰিলে। মোৰ উজানবজাৰৰ ভাড়াঘৰৰ সন্মুখেদি দিনে ৰাতিয়ে ইটোৰ পিছত সিটো মৃতদেহ লৈ যোৱাৰ করুণ দৃশ্য দেখিবলৈ ধৰিলোঁ। ঈশ্বৰৰ কি ইচ্ছা, মোৰ ৮ বছৰীয়া লৰা শ্ৰীমান পৰাগ (বনপোনা) ও সেই ৰোগত বেয়াকৈ আক্ৰান্ত হ'ল। আমাৰ উদ্বিগ্নতাৰ সীমা নোহোৱা হ'ল। আগৰৱালা দিনৌ আহি খা-খবৰ কৰেহি। এদিন পৰাগৰ অৱস্থা দেখি অতি বেজাৰেৰে ক'লে "আঐ দেহি! সেইহেন লৰাটো কেনেকৈ ক্ষীণালে"। তেখেত, অধ্যক্ষ জে, বৰুৱা আৰু ডা. ভুবনেশ্বৰ বৰুৱাই লৰাটিক বচাবলৈ খুব যত্ন কৰিলে আৰু সদায় চাই যায়হি। কেইদিনমানৰ পিছত তাৰ ৰোগ শাম কাটিলত হে আমাৰ মুখলৈ পানী আহিল।

তাৰ অলপদিনৰ পিছত মই 'সান্ধ্য সন্মিলনী' নামৰ এটি সাংস্কৃতিক অনুষ্ঠান খুলিবলৈ স্থিৰ কৰিলোঁ। তাৰ প্ৰথম অধিবেশন মোৰ বহাতে পাতিলোঁ। আগৰৱালা, জে, বৰুৱা, সূৰ্য্যভূঞা আদিয়ে আন্তৰিক সহযোগিতা আগবঢ়ালে। সেই সময়ত শিৱসাগৰ বিদ্যাপীঠৰ ছাত্ৰ জনাদিয়েক গুৱাহাটীলৈ গৈ মোৰ আলহী হৈ আছিল। দস্তুৰমতে কাৰ্য্যসূচী প্ৰস্তুত কৰি সেই ছাত্ৰসকলৰ হতুৱাই মোৰ "নিমন্ত্ৰণ" প্ৰহসনৰ দুটামান দৃশ্যৰ অভিনয় কৰালোঁ। ভূঞাই "প্ৰাগজ্যোতিষৰ পূৰণি কীৰিতি প্ৰতিষ্ঠিত আজি গানে" শীৰ্ষক এটি গীতৰচি

দিলে। তাকো গোৱালোঁ। আগৰৱালা যদিও দেখাত নীৰস ব্যৱসায়ী, সাহিত্যৰদৰে সঙ্গীততো তেখেতৰ বৰ ৰাপ আছিল। নহলেনো "অসমা সুষমা কামৰূপা" শীর্ষক সুললিত সংস্কৃত দেশ প্রেম মূলক গীত তেখেতে ৰচনা কৰিব আৰু "ন যযৌ ন তস্থৌ অগাপিচা ভৰিটি" বুলি মাধুৰীৰ ৰূপ লাৱণ্য বর্ণনা কৰিব পাৰিলেহেঁতেন নে? নহলেনো কবি তুৰবাৰ ৰচনাবিলাকে তেখেতক ইমান মুগ্ধ কৰিব পাৰিলেহেঁতেন নে?

আগতে কোৱা হৈছে যে চন্দ্রকুমাৰ আগৰৱালাই নিজ বাসভৱনৰ পৰাই সকলো দিহা পৰামর্শ, আদেশ নির্দ্দেশ দি প্রেছ আৰু বাতৰি কাকতৰ কাম চলায। তেখেতৰ ঘৰতে মোৰ লগত ভাষা সাহিত্যৰ বিষয়ে প্রায়েই আলোচনা কৰো। অসমীয়া যাতে নিখুঁতকৈ লিখা হয় তালৈ তেখেতে বিশেষ মনোযোগ দিছিল। মোক বুজাই দিছিল ইংৰাজী 'sh' টো অসমীয়াত 'শ্ব' বুলি লিখা উচিত। ইংৰাজী 'Committee' অসমীয়াত 'কমিটী' লিখিব লাগে, ইত্যাদি। তেখতৰ এনেকুৱা ভালেমান পৰামর্শত উপকৃত হলোঁ।

তেখেতে কোনো ৰাজহুৱা অনুষ্ঠান সভা-সমিতি আদিত কেতিয়াও যোগ দিয়া নেদেখিলোঁ। লোক দৃষ্টিৰ আঁতৰত থকাটোহে তেখেতে পছন্দ কৰিছিল। লাইম লাইট বা আত্ম প্রকাশৰ উজ্জ্বল পোহৰ তেখেতে বর্জ্জন কৰিছিল। তেখেতে কেতিযাবা কয়, সভা সমিতিত হাত চাপৰি শুনিলে তেখেতৰ গা জিকাৰ খাই উঠে। নীৰৱ কর্ম্মী হৈ গীতাৰ কর্ম্মযোগ আৰু জ্ঞানযোগৰ বিধান পালন কৰাটোৱেই আছিল তেখেতৰ বৈচিত্র্য-পূর্ণ জীৱনৰ আদর্শ। অসম সাহিত্য সভাৰ সভাপতিৰ পদ কেবা-বাৰো তেখেতক যাচিও কোনোমতে সম্মত কৰাব পৰা নহ'ল।

শাৰীৰিক শক্তি অলপ ক্ষীণ হোৱাত তেখেতৰ জীৱিত তাওৰ পুতেক নবীনকুমাৰকে মেনেজিং ডাইৰেক্টৰ স্বৰূপে কাম কৰাৰ ভাৰ দিলে। নবীন প্রায় সদায় প্রেছলৈ যায়

আৰু কাকতৰ কামো তত্ত্বাৱধান কৰে। ইতিমধ্যে মোৰ তিনিবছৰীয়া চুক্তিৰ কাল পাৰ হ'ল আৰু নতুন ডিৰেক্টৰ নবীন আগৰৱালাৰ লগতো অলপ মনোমালিন্য হ'ল। সেযে অসমীয়াৰ কাম ইস্তফা দি আকৌ ওকালতিত লাগিলোঁ। অৱশ্যে চন্দ্ৰকুমাৰৰ নিচিনা অসাধাৰণ ব্যক্তিত্ব সম্পন্ন প্ৰখ্যাত কবি-সাহিত্যিক ব্যৱসায়ী চাহ খেতিয়ক দেশ প্ৰেমিকৰ সংস্পৰ্শ আৰু সান্নিধ্যত আহিবলৈ ইমানদিনে সুযোগ পাই নিজকে ধন্য মানিলোঁ। সেই হেন আদৰণীয় কাকতখনি পিচত কিছুদিন সাদিনীয়াকৈ ওলাই অন্তৰ্দ্ধান হোৱাটো অসমীয়া জাতিৰ পক্ষে অতি দুৰ্ভাগ্য আৰু পৰিতাপৰ কথা।

চন্দ্ৰকুমাৰৰ গাত দেখা পাইছিলোঁ ভিন ভিন গুণৰ অপূৰ্ব্ব সমন্বয়, বিচিত্ৰ সমাবেশ। "বজ্ৰাদপি কঠোৰেণ কোমলেন কুসুমাদপি"। লাল বাহাদুৰ শাস্ত্ৰী সম্পৰ্কে প্ৰযোগ কৰা এই কথা চন্দ্ৰকুমাৰৰ ক্ষেত্ৰতো প্ৰযোজ্য। চন্দ্ৰকুমাৰ দৰাচলতে আছিল বজ্ৰতকৈও কঠোৰ অথচ কুসুমতকৈও কোমল। বাহিৰত দেখাত নীৰস, শুকান, গদ্যময়, কিন্তু অন্তৰখন আছিল ৰসাল, কবিতাময়। তেওঁৰ সাধনা আছিল অতন্দ্ৰিত, অথচ নীৰৱ, নিস্বাৰ্থ। তেওঁৰ ব্যক্তিত্বত আছিল প্ৰকৃত কবিসুলভ মানৱতাবোধ আৰু প্ৰকৃত ব্যৱসায়ী সুলভ কৰ্ম্মপটুতা। তেওৰ সকলো কাৰ্য্যৰ মূলতে আছিল জ্বলন্ত স্বদেশ প্ৰেমৰ উদ্দীপনা। দেশহিতকৰ অনুষ্ঠানত, বিশেষকৈ সাংবাদিকতাৰ ক্ষেত্ৰত, তেও আছিল আগৰণুৱা আৰু বাটকটীয়া। চন্দ্ৰকুমাৰৰ মহৎ আদৰ্শই দেশৰ উঠি অহা ডেকা-গাভৰুসকলক অসীম প্ৰেৰণা দিযক। কীৰ্ত্তিৰ্যস্য স জীৱতি।

চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ লগত বিশ বছৰ

সোণাৰাম বেজ

১৯১৯ চনৰ মে মাহৰ ১০ তাৰিখে তেতিয়া নতুনকৈ স্থাপিত হোৱা নিউপ্ৰেছত মই মোৰ কৰ্ম্ম জীৱন আৰম্ভ কৰোঁ। তেতিয়া ৰামচন্দ্ৰ ব্ৰহ্মচাৰী বুলি এজন গুজৰাটী বাবাজী নিউপ্ৰেছত মেনেজাৰ হৈ আছিল। তেওঁৰ কথামতে প্ৰেছত যি কৰিব লাগে একান্ত বাধ্যৰ দৰে কৰি গলোঁ। প্ৰেছৰ চাৰি সীমাৰ ভিতৰতে থকা সৰু ঘৰ এটাত মোৰ থকা মেলাৰ ব্যবস্থা কৰা হৈছিল।

জুন মাহৰ কোনোবা এটা ৰাতিপুৱা। পোহৰ ভাল-দৰে হোৱা নাছিল। বোধহয় চাৰিটামান বাজিছিল। ঘোঁৰাৰ গাড়ীৰ শব্দত টোপনি ভাঙি গ'ল। গাড়ীখন অফিচৰ মুখতে ৰ'ল আৰু গাড়ীৰ পৰা মানুহ নামি বঙলাত উঠা যেন পালোঁ। কৌতুহলী মনক দমাব নোৱাৰি উঠি আহি দেখিলোঁ যে এজন বগা, অতি ধুনীয়া মানুহ— চাহাবী পোচাক, কিন্তু মুগাৰ পাগুৰি মৰা,— বাৰান্দাখনত ইফাল সিফাল কৰি আছে। লগতে বিচনা পত্ৰ আৰু এটা চাকৰো আছে। মই দেখিয়েই নমস্কাৰ কৰিলোঁ আৰু কাক বিচাৰিছে সুধিলোঁ। মানুহজনে কিন্তু মোকহে সুধিলে, বঙলাত কোন আছে?

কলোঁ, বাবাজী আছে।

কেতিয়া উঠিব?

৭ মান বজাত উঠিব।

তুমি ইয়াত কি কৰা ?

মই প্ৰেছত কাম কৰোঁ।

কি নাম ? ইয়ালৈ অহা কিমান দিন হল ? কিমানলৈ পঢ়িছা ? ঘৰত কোন কোন আছে ? কোন ঠাইৰ ? – সকলো উত্তৰ দিয়া হল।

পুনৰ সুধিলে, প্ৰেছত কাম কৰিলে কাপোৰ কানি-বিলাক লেতেৰা নহবনে ?

লেতেৰা হলে ধুই লম বুলি উত্তৰ দিলোঁ।

তেখেতে কলে "কাপোৰ ধুই যেনেকৈ চাফা হবা, অন্তৰ-খনো তেনেকৈ ধুই নিকা কৰি লব লাগে, কৰ্ম্মপটু হবলৈ যত্ন কৰিব লাগে।" এই কথাষাৰৰ তেতিয়া অৰ্থ বুজা নাছিলোঁ। সেই অৰ্থ এতিয়াহে বুজিছো।

বিষয ক'ত ?

বিষয আজি দদায়েকৰ ঘৰত আছে। এতিয়াই আহিব। (বিষয় বাবাজীৰ আলপযচান ধৰা লৰা আছিল)।

মানুহজনে বাৰান্দাত থকা চকীখনত বহি এইবিলাক কথা কৈছিল। মই ওচৰৰ পৰা আহিবও নোৱাৰোঁ, অথচ ক'ৰ পৰা আহিল একো উত্তৰো নিদিলে—মই অলপ বিবুধিত পৰিলোঁ। পুনৰ মই সুধিলোঁ "আপুনি ক'ৰ পৰা আহিল ?"

"মই তেজপুৰৰ পৰা জাহাজত আহিলোঁ।" সেই সময়ত তেজপুৰৰ মেইল জাহাজ ৰাতিপুৱা তিনিটা বা চাৰিটা মান বজাৰ ভিতৰতে পাইছিলহি। মই তথাপি মানুহজনক চিনি পোৱা নাই। আকৌ সুধিলোঁ।—কিবা পানী চুনি লাগিব নেকি ? মানুহজন যেন এইবাৰ অলপ বিৰক্ত হল। বিশেষকৈ মোৰ ব্যস্ততা যেন মানুহজনে ভাল পোৱা নাই। ক'লে একো নেলাগে, তুমি তোমাৰ ঘৰলৈ যোৱা।

মই মোৰ বহালৈ আহিলোঁ। এনেতে বিষয়ও আহি পালে। মনত কিছু সাহ পালোঁ। বিষয় আহিয়েই বাবাজীক মাতিলে। দুৱাৰ ঘৰ খুলি দিলে। আটাইবোৰ ব্যস্ত হৈ পৰিল। মানুহজন ভিতৰত বহি বাবাজীৰ লগত কথাৰ মহলাত ব্যস্ত হৈ পৰিল। বিষয় এবাৰ বঙলাৰ পৰা ওলাই ৰান্ধনি ঘৰলৈ যাওতে মই বিষয়ক সুধিলোঁ—"এখেত কোন?" তেতিয়া বিষয়ে সকলো কলে। তেতিয়াহে জানিলোঁ এখেত প্ৰেছৰ মালিক স্বয়ং শ্ৰদ্ধেয় শ্ৰীচন্দ্ৰকুমাৰ আগৰৱালা। সেই দিনাই তেখেত ডিব্ৰুগড়লৈ ট্ৰেইনেৰে গ'ল। দুনাই সেইদিনা তেখেতক লগ নেপালো।

প্ৰেছত কাম কৰা পাঁচজন ল'ৰা। আখৰ বিলাক টিনত থোৱা আছিল। তাৰ পৰা আখৰবোৰ উলিয়াই ক, খ, গ আদি আখৰবোৰ বেলেগ বেলেগ কৰি বাছি কাগজৰ টোপোলা বান্ধি থোৱাই আমাৰ কাম আছিল।

আগৰৱালাদেৱ বেছিভাগ সময় গুৱাহাটী বা ডিব্ৰুগড়তে থাকিবলগীয়া হৈছিল। কাৰণ এই দুয়োঠাইতে তেখেতৰ দুটা প্ৰেছ আছিল। এমাহ মানৰ পিচত আগৰৱালাদেৱ পুনৰ ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ আহি বঙলাতে থাকি মাজে মাজে আমাৰ কাম কাজ চাইছিল। কেতিয়াবা আহি আখৰবিলাক কেনেকৈ ৰাখিব লাগে, কেনেকৈ মিলাব লাগে দেখুৱাই দিছিল। এদিন তেনেদৰে দেখুৱাই দি তেখেত বঙলালৈ গ'ল। তেখেতে দেখুৱামতে আমি আখৰ বাছি গেলিবিলাকত সাজি থৈছো। তাৰে চাৰিজন লৰাই গেলাবিলাক লৈ বঙলাৰ ওচৰত থকা পানীৰ কলটোত আখৰবিলাক ধুবলৈ ধৰিলে। তেখেতে আখৰবিলাক ধুবলৈ ধৰা দেখি সিহঁতক সুধিলে— আখৰবিলাক কোনে ধুবলৈ দিছে। সিহঁতে কোনেও দিয়া নাই বুলি উত্তৰ দিবলৈহে পালে, তেখেত খণ্ডত অগ্নিশৰ্ম্মা হৈ তৰ্জ্জন গৰ্জ্জন কৰিব ধৰিলে। সিহঁতে একো উপায় নেপাই গেলিবিলাক অফিচলৈ আনিব খোজোতে আনিব নিদি তাতে

থবলৈ দি সিহঁতক যাবলৈ দিলে। সিহঁতৰ কাপোৰ কানিবোৰ অফিচলৈ আনৰ যোৱাত, অফিচত সোমাবলৈ নিদি "সোণাৰাম, সোণাৰ ম" বুলি মাতিব ধৰিলে। মই গৈ পোৱাত কলে—'ইহঁতৰ কাপোৰ কানিবিলাক উলিযাই দিয়া, ইহত যাওক। তুমি অকলে কাম কৰি থাকা।" হুকুম পালন কৰা হ'ল আৰু সিহঁতো গ'ল। মনতে ভাবিলোঁ, আৰু অলপ পিচতে আখৰবিলাক ধুবলে মযো গলোহেতেন। ভগৱান নিশ্চয মোৰ প্ৰতি সুপ্ৰসন্ন আছিল।" প্ৰথম দিনা কোৱা কথাটো মনত পৰিল "ভিতৰখন ধুই কৰ্ম্মপটু হবলে যত্ন কৰিব লাগে।" তেওঁৰ আদেশ মানিচে মানিচে পালন কৰিম বুলি মনতে প্ৰতিজ্ঞা কৰি ললোঁ। গধুলি বঙলালৈ মোক মাতি নি কলে—"হেৰা সোণাৰাম, সিহঁত কাম কৰা লৰা নহয। সিহঁতৰ ধুনপেছ বৰ বেছি। গতিকে সিহঁতক ৰাখিলে বেযাহে আছে।" তুমি ভালদৰে কাম কৰিবা। অলপতে বঙালী কম্পাজিটৰ আহিব, সিহঁতৰ লগত ভালকৈ কাম শিকি-লোৱা। বাহিৰা সভা সমিতি চাব যাবা। বাহিৰা কিতাপ পঢ়িবা। আমি যোতখা লগ লাগি ইযাত কথা বতৰা হে থাকো, সেইবিলাক ইযালে আহি শুনিবা। জ্ঞান বাঢ়িব। বহুত কথা জানিবা।" মনতে ভাবিলোঁ, 'খ উঠিলে জুহত-কৈযো উত্তপ্ত আৰু খং নুঠিলে পানীতকৈও চেচা।" এনেকুৱা এজন মানুহৰ শ্ৰেষ্ঠত কাম কৰিবলৈ পায, আৰু তেখেতৰ প্ৰিযপাত্ৰ হে পৰাত নিজকে ভাগ্যৱান বুলি ভাবিলোঁ। ভক্তি আহিল কৰ্ম্মগুৰু বুলি।

এদিন এটা বিহাৰী লৰাই হাতত এটা লোটা আৰু এখন থৈলাৰ মোনা লৈ খুজিব আহিল। সেইদিনা দেওবাৰ আছিল। লৰাজনক আগৰৱালাদেৱে ক'লে—'তুমি যে খুজি ফুৰা, কাম কৰিব নোৱাৰানে? লৰাজনে কলে—'হুজুৰ কাম পালে কৰিব পাৰো। কিন্তু মই খোৰা মানুহ হাত দুটাৰে যি পাৰোঁ কৰিব পাৰোঁ।" তেতিয়া সেই দূৰদৰ্শিতা সম্পন্ন

আগৰৱালাদেৱে কলে—"এই 'অফিচ কম্পাউণ্ডৰ' ভিতৰত যে বনবিলাক আছে এইবিলাক উভালি চাফা কৰাচোন। তোমাৰ কাম চাওঁ।" সেই খোৰা বিহাৰী লৰাজনে পুৱা ৮ মান বজাৰ পৰা চাৰিমান বজালৈ কম্পাউণ্ডটো যে কি ধুনীয়া কৰি দিলে, নেদেখিলে লিখি প্ৰকাশ কৰা টান। তেতিয়া মোক মাতিলে -"সোণাৰাম, সোণাৰাম, চোৱাচোন, কি সুন্দৰ কৰি বনবিলাক উভালি চাফা কৰিলে। ইয়াক ৰখা যাওক। মেচিনৰ লোহাবিলাক চাফা কৰিব পাৰিব।" লগে লগে লৰাজনৰ চাকৰি হৈ গ'ল। তেতিয়াৰ পৰা সেই লৰাজনে নিউ প্ৰেছত নানা ৰকমৰ ভাল ভাল কাম কৰি সকলোৰে বিশ্বাসী হৈ পৰিছে। আচল নাম আলাউদ্দিনৰ পৰা ৰাম সিং নামেৰে সেই লৰাজন নিউ প্ৰেছত বুঢ়া হৈ এতিয়াও আছে।

আগৰৱালাদেৱৰ ডিব্ৰুগড়ৰ অসমীয়া কাকতৰ অফিচৰ কৰ্ম্মীবিলাকে ধৰ্ম্মঘট কৰাত গুৱাহাটীৰ নিউ প্ৰেছলৈ টেলিগ্ৰাম কৰি আমাৰ তিনিওজনক মাতিলে, কম্পজিটৰ সোণাৰাম, মেচিনমেন বিষয দাস আৰু দপ্তৰী শ্ৰীলক্ষীৰাম কলিতা। টেলিগ্ৰাম পাযে নিউপ্ৰেছৰ মেনেজাৰে আমাক ডিব্ৰুগড়লৈ পঠালে। যথা সময়ত ডিব্ৰুগড় পালো। গৈ পোৱাৰ লগে লগে খোৱা লোৱা থকা ঘৰ আদিৰ সুন্দৰ বন্দৱস্ত কৰি দি কি যে যত্নত ৰাখিছিল তাক পাহৰা টান। সেই সময়তে মহামানৱ মহাত্মা গান্ধী প্ৰথম ডিব্ৰুগড়লৈ আহে। আগৰৱালাদেৱৰ বঙলাৰ আগতে ৰেলৰ লাইন। বহুত দূৰৰ পৰা জয়ধ্বনি শুনা গ'ল। প্ৰেছ ছুটী দিলে। সকলো ময়দানত থিয় হৈ চাই থাকিলোঁ। মহাত্মা অহা গাড়ীখনলৈ। খন্তেক পিচতে গাড়ী আহিল। গাড়ীখনৰ দুয়োফালে কেৱল কলগছ বন্ধা, তলে ওপৰে মানুহ। মহাত্মাৰ গাড়ীগ'ল ডিব্ৰুগড় চহৰলৈ। চাৰি বজাত মিটিং আৰম্ভ হোৱাৰ কথা। মিটিং চাবলৈ আগৰৱালাদেৱে আমাক তিনিজোৰা খদ্দৰৰ কাপোৰ

কিনি দি ক'লে-"এই কাপোৰ পিন্ধি মিটিঙলৈ যাবা। বিলাতী কাপোৰ নিনিবা।" মিটিঙৰ পৰা আহি গধূলি বঙলাৰ পৰা বহুত বিলাতী কাপোৰ উলিযাই আনি তেখেতৰ নুমলীয়া লৰা আঠবছৰ বয়সৰ শ্ৰীতৰুণ কুমাৰ আগৰৱালাৰ দ্বাৰা বঙলাৰ আগতে জুই লগাই জ্বলাই দিয়ালে। সেইদিনাৰ পৰা তেখেতে বিলাতী কাপোৰৰ পৰিবৰ্ত্তে খদ্দৰৰ পাযজামা, পাঞ্জাবী আৰু এৰীয়াৰ কোট পিন্ধিবলৈ আৰম্ভ কৰিলে। সেয়ে আছিল গান্ধীবাদী দেশপ্ৰেমিক চন্দ্ৰকুমাৰ আগৰৱালা।

গুৱাহাটীত এদিন সন্ধিযা সময়ত সাহিত্যৰথী বেজবৰুৱা, সত্যনাথ বড়া, হেমচন্দ্ৰ গোস্বামী, জে, বৰুৱা, ৰঘুনাথ চৌধাৰী, কমলাকান্ত ভট্টাচাৰ্য্য আদি লগ লাগি জোনাকী যুগৰ পৰা আৰম্ভ কৰি নানা কথা কে আটাইবিলাকে হাঁহি-ধেমালি কৰিব ধৰিলে। সেইদিনাৰ দৰে হাঁহি আৰু দেখা নাই। কাৰোবাৰ দোষ কাৰোবাৰ গুণ নানা ধৰণৰ কথা ওলাইছিল সিদিনা। কমলাকান্ত ভট্টাচায্যক সকলোৱে ঠাট্টা কৰি নানা ধৰণে কয। ভট্টাচাৰ্য্যই মাজে মাজে গালিও পাৰে আৰু হাঁহে। তাৰে ভিতৰৰে এজনে আগৰৱালাদেৱৰ বিষয়ে কৈছিল—"ভাগ্যৰ গুণত আগৰবালাৰ ছোৱালী নহল। যদি ছোৱালী থাকিলহেতেন তেন্তে বিয়া দিয়া টান আছিল। কাৰণ এটা নহয এটা সকলো লৰাৰে দোষ আছেই। দোষ নথকা মানুহ ক'ত আছে।' তেতিযা কমলাকান্ত ভট্টাচাৰ্য্যই কৈছিল—"মাজু বৰ ভযাতুৰ' (৺চন্দ্ৰকুমাৰ আগৰৱালাদেৱক মাজু বুলি মাতিছিল)। তেতিয়া আগৰবালাদেৱে কৈছিল —"মই তিনিটাক বৰ ভয কৰোঁ—প্ৰথম মিছা কথা, দ্বিতীয পৰনিন্দা, তৃতীয় লিখনিৰ ভুল হোৱা।"

খাৰঘুলিত যেতিযাৰ পৰা বঙলা সাজি থকা কৰিলে তেতিযাৰ পৰা কাম কৰা কৰ্ম্মীবিলাকৰ লগত থাকিব লগা হ'ল। তেখেত থাকে পাহাৰৰ টিলাৰ ওপৰৰ বঙলাত, আমি থাকোঁ তলৰ ঘৰবিলাকত। ওপৰত থাকিও তেখেতে কৰ্ম্মীবিলাকৰ

নানা ধৰণে তত্ত্বাৱধান লৈছিল। বেমাৰ আজাৰ হলে তৎক্ষণাৎ ডাক্তৰ অনাই দেখুৱাইছিল। কেতিযাবা কেতিযাবা নিজৰ ঘৰতে পথ্যকৰাই ৰাজা নামে চাকৰটোৰ হাতত দি পঠাইছিল। এনেদৰে কৰ্ম্মীবিলাকক মৰমৰ চকুৰে চাইছিল। কিন্তু খং উঠিলে চাৰখাৰ কৰি দিব খোজে। বেযাটোও সাৰে, ভালটোও পৰে। চাৰিটা বজাৰ পিচত গৰমৰদিনত আমি আটায়ে খাৰঘুলিৰ কাষেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ পাৰত বহি নানা ধৰণৰ কথা পাতোঁ। কেতিযাবা তেখেত নামি আহি আমাৰ ওচৰ পায। লগে লগে আমাৰ কথা বতৰা বন্ধ হৈ যায। আমি বোবা হৈ যাওঁ। তেতিযা তেখেতে কয - "তোমালোকৰ কথা আমি শুনিব নাপায নেকি ?" আমি আটায়ে সেমেনা সেমেনি কৰি থাকোঁ। তেখেতে আমাক কৈছিল—"ৰাতি হলে তোমালোকৰ নাম গোৱা, খনজৰী বজোৱা শুনি মই বৰ ভাল পাওঁ। তোমালোকে মোৰ ওচৰ পোৱা, কাৰণ মই ডাঙৰ ডাঙৰ কৰি চিঞৰি কথা কও, নহয জানোঁ ? মোৰ যেতিযা খং উঠে তোমালোক মোৰ আগলৈ নাহিবা। নিজৰ নিজৰ ঠাইত কাম কৰি থাকিবা। কামেই হ'ল ধৰ্ম্ম আৰু ধৰ্ম্মই হ'ল কাম।" ভাল সমযত এনেদৰে আমাক বুজনি দিছিল। কিন্তু তেখেতৰ খং ইমান বেছি আছিল যে তাৰপৰা তেখেতৰ লাভ হোৱা নাছিল, বৰং লোকচান হে হৈছিল। কাৰণ খং কৰি এটা মানুহ খেদিব লগাহলে তাক তেতিযাই মাহদিনৰ দৰ্ম্মহা দি বিদায় দিছিল। এনেকৈ যে কিমান মানুহক বিদায দিছিল তাৰ অন্ত নাই। কিন্তু বিদায দিযা মানুহবোৰে পাব লগা পইচাতকৈ বেছিহে পাইছিল। খং কৰিলেও তেখেতৰ মুখত বেযা গালি শুনা নাছিলোঁ। কেৱল কৈছিল "নিমখহাৰাম, ঠগবাজী" ইত্যাদি।

আগৰৱালাৰ ধৰ্ম্মৰ প্ৰতি বৰ আগ্ৰহ আছিল। তেখেতৰ বঙলাত মাজে মাজে নামকীৰ্ত্তন হৈছিল। মনৰ আশা পূৰাবলৈ তেখেত জগন্নাথলৈও গৈছিল। সদায গীতা পাঠ কৰিছিল।

খোৱা লোৱা আৰু পৰিষ্কাৰকৈ থকাত তেখেতৰ যত্ন আছিল বেচি। মাছ মাংস তেখেতৰ প্ৰিয় আছিল। বঙলাত চাকৰ নাকৰবোৰে তেখেতক বৰ ভয় আৰু ভক্তি কৰিছিল। বেয়া পথলৈ কোনো যাব নোৱাৰিছিল।

১৯২৬ চনৰ কংগ্ৰেছ মহাসভাত দৈনিক কাকত উলিযাই ৰাইজৰ সুবিধাৰ বাবে পাণ্ডুত বিলি কৰিছিল। কিছুমান বিনা পইচাত আৰু কিছুমান খনে ছুপইচাত বিক্ৰী কৰা হৈছিল। জাতীয় ভাবাপন্ন আগৰৱালাদেৱে ৰাইজৰ সেৱা কৰি ধন লাভৰ আশা কৰা নাছিল কিন্তু।

কংগ্ৰেছৰ যিবিলাক কাম সেইবোৰ আগতে কৰিবলৈ অফিচত নিৰ্দ্দেশ দিছিল কংগ্ৰেছৰ কোনো কাম পেলাই থব নোৱাৰিব বুলি। ধৰ্ম্মমূলক কিতাপ ছপাবলৈ তেখেতৰ সদায় ধাউতি। কীৰ্ত্তন, ভাগৱত, নামঘোষা এইবিলাক তেখেতে বৰ যত্ন কৰি ছপা কৰাইছিল। দুখীয়া মানুহে যাতে কম পইচাতে ধৰ্ম্মীয় কিতাপ পঢ়িব পাৰে, তাৰ চেষ্টা কৰা আমি দেখিবলৈ পাইছিলোঁ।

কোনোবা বাগিচা এখনত এজন ইউৰোপীযান মেনেজাৰে তেহলু নামে কুলী এটাক গোৰমাৰি মাৰি পেলাইছিল। সেই তেহলুৰ ফলীযা হৈ অসমীযা কাকতে বহুত টকা খৰচ কৰি মোকৰ্দ্দমাৰ ৰায আনি কাকতত ছপা কৰিছিল। তাৰ বাবে তেখেতে সম্পাদকক কৈছিল, "যিমান খৰচ হয হব। ধাৰা বাহিক ভাবে খবৰটো ওলাব লাগে।" এযা দুখীযাৰ প্ৰতি মৰমৰ আৰু—অন্যাযৰ বিৰুদ্ধে সংগ্ৰামৰ চিন।

স্বৰ্গীয ডিম্বেশ্বৰ নেওগ যেতিযা গুৱাহাটীৰ কলেজত পঢ়ে, তেতিযা আগৰৱালাদেৱৰ লগত চিনা জনা হৈ বাঁহী আৰু আন আন কিতাপ আদিৰ আৰ্হি চোৱা হৈ নিউ প্ৰেছত সোমায। সেই সমযত তেখেতৰ মাত বৰকৈ বজি ছিল। এবাৰ কথা কোৱাত বহুত সময লাগে আৰু ভালকৈ

বুজাও টান হয়। তেতিয়া মই অকলে বাঁহীৰ কাম কৰিছিলোঁ। এদিন আগৰৱালাদেৱক মই কলোঁ যে “তেখেতৰ লগত কথা-বতৰা কোৱা বৰ টান।” তেতিয়া আগৰৱালাদেৱে কৈছিল—“লৰাজন বৰ বুধিযক আৰু বহুত কথা জানে। অসমীয়া বানান ভুল নহয়। মাতটো ভাল হলে তেওঁ এজন নামজ্বলা মানুহ হব পাৰিলেহেঁতেন।” আগৰৱালাদেৱক নেওগে বৰ ভাল পাইছিল আৰু পঢ়া শুনাতো নেওগক টকা পইচাৰে যথেষ্ট সহায় কৰিছিল। আগৰবালাদেৱে অসমীয়া ভাষা আৰু এই ভাষাৰ মূল্য যিদৰে অনুভৱ কৰিছিল তেনেদৰে মানুহো চিনিব পাৰিছিল।

আমাৰ অফিচৰে এজন মানুহে কৰ্ম্মীবিলাকৰ বিষয নানা কথা সঁচাই মিছাই লগাই থাকে। এই কথা কাম কৰা মানুহবিলাকে বিস্তু জনা নাছিল। কিন্তু সেই মানুহজনৰ এটা ডাঙৰ দোষ আগৰবালাদেৱে দেখা পাই অফিচৰ ভিতৰতে সকলো মানুহৰ আগত তেওক মাতি আনি কলে “যি মানুহে কাম কাজ নকৰে, সদায ফাঁকি দি থাকি নানাৰকমৰ বেযা কাম কৰি ফুৰে, সেইজন মানুহেহে নিজৰ দোষ ঢাকি ৰাখিবলৈ আনৰ দোষ খুচৰি ফুৰে।” এইদৰে ইঙ্গিতেৰে মানুহজনৰ নিজৰ দোষৰ বিষযে সকীযাই দিছিল। আগৰৱালাদেৱে নিজে নেদেখা বা নজনা কথাত কেতিযাও বিশ্বাস নকৰিছিল।

নগাৱঁৰ ৺কনক শৰ্ম্মাই “গান্ধী চৰিত” নামে এখন কিতাপ নিউ প্ৰেছত ছপা কৰিব দিছিল। কিতাপখন ১২ ফৰ্ম্মা মানৰ হব। কিতাপ ছপা প্ৰায শেষ হৈছিল, অলপ কিতাপ বন্ধাও হৈছিল। এনে সময়তে পুলিচ আহি কিতাপখন বাজেযাপ্ত কৰি শৰ্ম্মাৰ আগতে আটাইবোৰ কিতাপ পুলিচে লৈ গ’ল। সেই কিতাপখনৰ ছপা খৰচ আদিৰ বাবে এটা পইচাও নলৈ আগৰৱালাদেৱে শৰ্ম্মাক ৰেহাই দিছিল।

সাতদিনীযা অসমীয়া কাকত ছপা কৰাত যদি কিবা ভুল হয তাত তেখেতে বৰ বেজাৰ পাইছিল। অসমীয়া

কাকতখন তেখেতে নিজে আদিৰ পৰা অন্তলৈ খৰচী মাৰি পঢ়ি ক'ত ভুল হৈছে চাই ৰঙা চিয়াহীৰে কাটি অফিচলৈ পঠিয়াই দিযে। যাতে তেনে ভুল দ্বিতীয়বাৰ নহয় তাৰ বাবে সম্পাদকক কয়। অসমীয়া কাকতখনত ভুল হোৱা আৰু পলমকৈ প্ৰকাশ হোৱা বাবে অসমীয়াৰ সম্পাদক সকলৰ লগত মাজে মাজে তেখেতৰ মনোমালিন্য হোৱা দেখা গৈছিল।

আগৰৱালাদেৱৰ মাজু লৰা অৰুণকুমাৰ আগৰৱালা ডিব্ৰুগড়ৰ বঙলাত আত্মঘাতী হৈ মৰাৰ পিচৰে পৰা তেখেতৰ মনোবল ভাঙি গ'ল। প্ৰেছৰ ওচৰত থকা খাৰঘুলিৰ বঙলাটো নিউপ্ৰেছৰ মেনেজাৰ শ্ৰীখগেন্দ্ৰনাথ দত্ত ভূঞাক দান দি তেখেতে উজানবজাৰত বঙলা সাজি থকা আৰম্ভ কৰিলে। তেখেতৰ ডাঙৰ লৰা শ্ৰীনবীনকুমাৰ আগৰৱালাৰ ১৯২২ চনত ডিৰেক্টৰ পাতি আগৰৱালাদেৱে জিৰণি লৈ গুৱাহাটীতে থাকিল। ১৯৩৮ চনৰ ফাগুন মাহত তেখেতে ইহলীলা সম্বৰণ কৰে।

ব্যৱসায়ী চন্দ্ৰকুমাৰ

—বিবেকানন্দ আগৰৱালা

প্ৰায় এশ বছৰৰ আগৰ কথা। সাহিত্য, দৰ্শন অধ্যয়ন ইযাৰে জীৱন জোৰা আচনি লৈ ওলাইছিল তেজপুৰৰ গমিৰি গাৱঁৰ লৰা চন্দ্ৰকুমাৰ— সুদূৰ পথ অতিক্ৰম কৰি কলিকতালৈ। বিধাতাৰ কিন্তু ইচ্ছা আছিল অন্যৰূপ। কলেজীযা জীৱনৰ অৱসান হলনে নৌ এনেতে আহিবলগীয়া হল চাহ বাগিচাৰ এক বৈচিত্ৰ্যময় কৰ্ম্ম জীৱনলৈ বৈজ্ঞানিকৰ মন লৈ কবি দাৰ্শনিক চন্দ্ৰকুমাৰ। হিযাভৰা হেঁপাহ হাবি-যাস জলাঞ্জলি দি নতুন সাচত জীৱন গঢিবলগীযা হল। জীৱনৰ অমূল্য কালছোৱা তিল তিলকৈ ক্ষয কৰি অহৰ্নিশি বোকা পানীৰ লগত তযামযা যুঁজ দি কোনো এক শাৰদী পুৱাৰ মাহেন্দ্ৰক্ষণত "গৌৰৱ ৰাগ ৰঞ্জিত ৰঙা জবা"ৰে পৰিপূৰ্ণ সাৰ্থক জীৱনৰ পূৰ্ণাহুতি দিব পাৰিছিল চন্দ্ৰকুমাৰে। এই কথাকে আমি আজি সুঁৱৰিছো জন্মৰ ঠিক এশ বছৰৰ পিচত। ক্ষণভঙ্গুৰ জীৱনৰ ক্ষুদ্ৰ কালতে বিভিন্নমুখী দুটি জীৱন একেটি ডালৰে যেন দুপাহি প্ৰস্ফুটিত ফুল কিন্তু ই সম্ভৱ হব পাৰিছিল কিদৰে?

প্ৰাত স্মৰণীয চন্দ্ৰকুমাৰ আগৰৱালাদেৱে কৰ্ম্মৰ লগত সংযোগ কৰিছিল আধ্যাত্মিকতাৰ। গীতাই আছিল চন্দ্ৰকুমাৰৰ সাৰথি—জীৱন দৰ্শন। কঠোৰ কৰ্ত্তব্যৰ আহ্বানত ভোগ-বিলাস, সুখ স্বাচ্ছন্দ্য সকলোকে ত্যাগ কৰিব পাৰিছিল একমাত্ৰ গীতাৰ বাণীকে সাৰোগত কৰি।

সুখ দুখলৈ ভয নকৰি, লাভ লোকচানলৈ আওকাণ কৰি, জয-পৰাজয তুচ্ছজ্ঞান কৰি কেৱল কৰ্ম্ম কৰি যোৱা, কৰ্ম্মতহে তোমাৰ অধিকাৰ, ফলাফলত নহয়— এই মহামন্ত্ৰ

সাৰোগত কৰি কৰ্ত্তব্যৰ আহ্বানত বাগিচাৰ কৰ্ম্মসাগৰত বুৰ মাৰি ওলাই আহিল চন্দ্ৰকুমাৰ—সগৌৰৱে সাফল্যৰ মুকুট পিন্ধি—পৃথিৱীৰ শ্ৰেষ্ঠ বটা লাভ কৰি।

এইকথা বহুতে হয়তো নেজানে প্ৰতিকূল অৱস্থাৰ সতে পদে পদে যুঁজ কৰি, পৰ্ব্বতপ্ৰমাণ নানা বাধাবিঘিনি অতিক্ৰম কৰি লাভ কৰিছিল সেই কালৰ উৎকৃষ্ট সৰ্ব্বশ্ৰেষ্ঠ চাহৰ বিশ্বজনীন স্বীকৃতি—আন্তৰাষ্ট্ৰীয় পুৰস্কাৰ। অলপ সময়ৰ ভিতৰতে ইমান চমকপ্ৰদ সাফল্য সঁচাকৈয়ে অভাৱনীয়। কিন্তু এয়ে আছিল চন্দ্ৰকুমাৰৰ ব্যৱসায়ী প্ৰতিভাৰ বিশেষত্ব। যি কামকেই নকৰক আটকধুনীয়া আৰু পৰিপাটিকৈ কৰাই আছিল তেওঁৰ সকলো প্ৰচেষ্টাৰ মূলকথা আৰু ব্যৱসায়ৰ প্ৰধান বৈশিষ্ট্য।

ব্যৱসায় ক্ষেত্ৰত চন্দ্ৰকুমাৰৰ প্ৰতিভাৰ প্ৰকৃত মূল্যাঙ্কণ কৰিবলৈ হলে এশবছৰৰ আগৰ অসমৰ বাণিজ্যিক পৰিস্থিতি আৰু পুঁজি বিনিয়োগৰ অৱস্থা সম্পৰ্কে বহলাই আলোচনা কৰা আৱশ্যক। দেশৰ বেহা-বেপাৰ আৰু বাণিজ্য ঘাইকৈ নিৰ্ভৰ কৰে সেই দেশৰ আভ্যন্তৰীণ আৰু বহিৰ্জগতৰ লগত যাতায়তৰ সুচল আৰু কুশল যোগাযোগত আৰু বহুপৰিমাণে প্ৰতিষ্ঠিত সমাজ ব্যৱস্থাৰ ওপৰত। সেইকালত অসমৰ যাতায়তৰ অৱস্থা আহুকলীয়া, বিপদজনক আৰু কষ্টকৰ আছিল আৰু সামাজিক ক্ষেত্ৰতো ঐতিহাসিক পৰিৱৰ্ত্তনৰ পিচত অসম এক সম্পূৰ্ণ নতুন আৰু আচহুৱা সামাজিক ব্যৱস্থাৰ সন্মুখীন হবলগীয়া হৈছিল।

পুঁজি বিনিয়োগৰ ক্ষেত্ৰতো অসমৰ ব্যৱসায়িক ব্যৱস্থা আছিল ভাৰতৰ আন আন প্ৰদেশতকৈ সম্পূৰ্ণ সুকীয়া। পাইক প্ৰণালীৰ ওপৰত প্ৰতিষ্ঠিত ডা-ডাঙৰীয়াক লৈ এক অৰ্দ্ধসামৰিক সামাজিক ব্যৱস্থাই আছিল কৃষিৰ ওপৰত নিৰ্ভৰশীল। মানুহৰ শ্ৰমেই আছিল একক আৰু সৰ্ব্বপ্ৰধান। সেইহেতুকে পৰিৱৰ্ত্তিত অৱস্থাত বিনিয়োগৰ বাবে পুঁজিৰ অভাৱেই আছিল অসমীয়া ব্যৱসায়ীৰ প্ৰথম আৰু প্ৰধান

হেঙ্গাৰ। চন্দ্ৰকুমাৰো ইয়াৰ পৰা হাত সাৰিব পৰা নাছিল।

ইংৰাজ শাসন প্ৰবৰ্ত্তন হোৱাৰ লগে লগে অসমত অৰ্থনৈতিক পৰিবৰ্ত্তন ইমান দ্ৰুত গতিত হব ধৰিছিল যে ইয়াক একপ্ৰকাৰ বৈপ্লৱিক বুলিব পাৰি। বিশেষকৈ চাহ খেতিত ইংৰাজসকলে বিৰাট পুঁজি বিনিযোগ কৰিবলৈ আৰম্ভ কৰে। ইংৰাজে অসম লোৱাৰ মাত্ৰ দহ বছৰৰ ভিতৰতে অনুমান ১৮৩৫ খৃ ত অসমৰ চাহ নতুন হিচাবে পোনপ্ৰথমে বিলাতত প্ৰদৰ্শিত হয়। তাৰ পিচৰ পৰাই বছৰি বৰ্দ্ধিত হাৰে চাহ ৰপ্তানি হবলৈ আৰম্ভ কৰে। এই ঘটনালৈয়ে অসমত এটা সৰু সুৰা শিল্প বিপ্লৱ আৰম্ভ হয় বুলি ধৰিব পাৰি। পৰবৰ্ত্তি পঞ্চাশ বছৰৰ ভিতৰত অসমৰ অৰ্থনৈতিক আৰু তাৰ লগে লগে সামাজিক দৃষ্টিকোণৰ এক বিৰাট পৰিবৰ্ত্তন সংসাধিত হৈছিল।

এইছোৱা কালেই আছিল আগৰৱালা পৰিয়ালৰ অসমত সম্প্ৰসাৰণৰ কাল। ১৮৩২ চনত স্বৰ্গীয় নৱৰঙ্গৰাম আগৰৱালাই গমিৰি গাওঁত খিলঞ্জীয়াকৈ বসতি আৰম্ভ কৰে। ১৮৪২ খৃ অত পুণ্যাত্মা হৰিবিলাস আগৰৱালাৰ জন্ম হয়। নিচেই কম বয়সতে তেখেতে ব্যৱসায়ত লাগে আৰু অতি অলপ সময়ৰ ভিতৰতে এই বিষয়ত খ্যাতি আৰ্জ্জন কৰে। কলিকতাত নিজাকৈ "গদী" খোলাৰ উপৰিও তেজপুৰ, উত্তৰ লক্ষীমপুৰ আৰু ডিব্ৰুগডত বহুতো মাটি বাৰীলৈ ব্যৱসায়ৰ শাখা প্ৰশাখা বিস্তাৰ কৰে। পৰম্পৰাগত ব্যৱসায়তকৈ তেখেতে ৰবৰ আৰু লোণ আমদানি-ৰপ্তানি ব্যৱসায়তহে চাঞ্চল্যকৰ সাফল্য লাভ কৰিছিল।

ৰূপৰ চামুচ মুখতলৈ ১৮৬৭ খৃ অ ত চন্দ্ৰকুমাৰৰ জন্ম হয় আৰু পিতৃ হৰিবিলাসৰ দৰে চন্দ্ৰকুমাৰেও কমবয়সতে ব্যৱসায়ত হাত দিবলগীয়াত পৰিল। কলিকতাৰ বিখ্যাত প্ৰেচিডেন্সি কলেজত এফ, এ পঢ়িথকাৰ সময়তে তেওঁ "লালকুঠীত" থাকি ব্যৱসায় চোৱাচিতা কৰিছিল। ১৮৯১

বছৰীয়া ডেকা লৰাৰ কাৰণে ই কম কথা নহয়, তাকো কলিকতাহেন চহৰত। এই সময় ছোৱাতে ১৮৮৮ খৃ. অ. (১৮১০ শকৰ মাঘ মাহত) "জোনাকী"ৰ সমস্ত দায়িত্বলৈ নিজ স্বত্বাধিকাৰিত্বত সেই ঐতিহাসিক মাহেকীয়া আলোচনীখনি প্ৰকাশ কৰিছিল। মন কৰিবলগীয়া যে ৺হৰিবিলাস আগৰৱালাই যিদৰে মহাপুৰুষ শঙ্কৰদেৱৰ কীৰ্ত্তনঘোষা, বৰগীত আদি ছপা কৰি অসমীয়া ভাষাক জীপ দিছিল, ঠিক সেই দৰেই পিতৃদেৱৰ পদানুসৰণ কৰি চন্দ্ৰকুমাৰে "জোনাকী" উলিয়াই অসমীয়া জাতীয় জীৱনৰ নৱউন্মেষণত বিপুল অৰিহণা যোগাইছিল। ইয়াৰ দুবছৰ পিচত বি, এ পৰীক্ষা দি চন্দ্ৰকুমাৰ হয়'তো সাহিত্য সেৱাতেই একাণপতীয়াকৈ-লাগিব পাৰিলেহেঁতেন, কিন্তু নিয়তিৰ নিষ্ঠুৰ পৰিহাসত আৰু বিদেশী শাসকৰ কুচক্ৰান্তত ৺হৰিবিলাস আগৰৱালা এক মহা বিপৰ্য্যয়ৰ সন্মুখীন হবলগীয়া হয়। অশেষ মা-মোকৰ্দ্দমা খৰচপাতি কৰি সেই যাত্ৰাত কোনোমতে ৰক্ষা পৰে। কলিকতাৰ গদী বন্ধ হবলগীয়া হয়। "লালকুঠী" এৰিব লগাত পৰে। বৰপুত্ৰ বিষ্ণু প্ৰসাদক অকালতে হেৰুৱায়। দেউতাকৰ এনে বিপৰ্য্যয়ৰ সময়তে কলেজীয়া শিক্ষা বিসৰ্জ্জন দি চন্দ্ৰকুমাৰ কৰ্ত্তব্যৰ আহ্বানত তামোলবাৰী চাহবাগিচালৈ আহে ১৮৯০ চনত।

চাহবাগিচাৰ জীৱন এক আচৰিত আৰু শলঠেকৰ একুৱীয়া জীৱন। বিশেষকৈ যেতিয়া অসমীয়া চাহখেতিয়ক আঙুলি-মূৰত লেখিব পৰা আছিল। প্ৰবল প্ৰতাপী "ইংৰাজ-টি প্লানটাৰ" বিলাকৰ মাজত অকলশৰীয়া নিঃসঙ্গ জীৱন। নতুন মাটিভঙা আৰু নতুন দিশ-আবিষ্কাৰক (Pioneer) হোৱাটো বৰ টান কথা। প্ৰতিকূল অৱস্থাৰ লগত সততে যুঁজ কৰিবলগীয়া হৈছিল কোমলমতীয়া চন্দ্ৰকুমাৰে কলেজৰ দেওনা পাৰ হৈয়েই। তীক্ষ্ণবুদ্ধি, কৰ্ত্তব্যপৰায়ণতা আৰু উপযুক্ত শিক্ষাসম্পন্ন হোৱা গতিকে এনে আহুকলীয়া পৰিবেশৰ

মাজতো চন্দ্ৰকুমাৰে দক্ষতাৰে দৃঢ়ভাৱে কামত লাগি থাকিল। কোমলমতীয়া যদিও চন্দ্ৰকুমাৰৰ লোহ মন আৰু ভীষ্মপ্ৰতিম প্ৰতিভাৰ চিনাকি তেতিয়াই পোৱা গৈছিল।

বাগিচা চলাবলৈ আৰু নকৈ বাগিচা খুলিবলৈ বহু নতুন নতুন সমস্যাৰ সন্মুখীন হব লগাত পৰিছিল যুৱক চন্দ্ৰকুমাৰ। যি কেইটা মূল সমস্যাৰ আউল মাৰিব লগীয়া হৈছিল - সেইকেইটা আছিল পুঁজিৰ অভাৱৰ উপৰিও মজদুৰৰ অভাৱ, ডাক্তৰী ব্যৱস্থা আৰু যন্ত্ৰপাতিৰ অভাৱ। সেইকালত আজিকালিৰ দৰে বেঙ্ক বা তেনে সংস্থা নাছিল বাবে ধনবিনিয়োগৰ সুবিধা নাছিল। চৰকাৰও আজিৰ দৰে আগবাঢ়ি অহা নাছিল। নিজৰ গাঁঠিৰ ধন ভাঙি ব্যৱসায়ত লাগিবলগীয়া হৈছিল বা মাৰোৱাৰী মহাজনৰ পৰা বেছি সুদত ধন ধাৰলৈ আনি বাগিচা বা তেনে আন আন ব্যৱসায়ত খটুৱাব লগীয়া হৈছিল। আগতেই উন্নুকিয়াইছো যে অসমীয়া মানুহৰ হাতত কেচাটকাৰ মজুদ পুঁজিৰ সদায় অভাৱ আৰু তাৰ কাৰণো সমাজ ব্যৱস্থাৰ ভিতৰত নিহিত আছিল। নতুন আমোলত ধনেই আছিল প্ৰধান কথা। গতিকে অসমীয়া মানুহে হয় ব্যৱসায় এৰিবলগীয়া হৈছিল নাইবা মাৰোৱাৰী মহাজনৰ শৰণাপন্ন হবলগীয়াত পৰিছিল। এই-বিলাক কাৰণতেই বহুতো অসমীয়া ব্যৱসায়ী শলঠেকত পৰিছিল। প্ৰতিপত্তি থকা কিছু অসমীয়া চাহখেতিয়কে মাৰো-ৱাৰী মহাজনৰ পৰা অতিৰিক্ত সুতহাৰত টকা ধাৰলৈ আনি শেষত সৰ্ব্বস্বান্ত হোৱাৰ উদাহৰণো বহুতো আছে। গাইগুটীয়া ভাৱে অসমীয়া মানুহ এলেহুৱা নাছিল— পৰিৱৰ্ত্তিত সমাজ ব্যৱস্থাৰ গূঢ় তত্ত্ব উপলব্ধি কৰিব নোৱাৰাৰ ফলতহে আহু-কালত পৰিছিল। অসমীয়া ব্যৱসায়ী আৰু খেতিয়কসকল আহুকালত পৰাৰ অন্যতম প্ৰধান কাৰণ হল আক্ৰমণ আৰু শোষণ। মাৰোৱাৰী মহাজনসকল প্ৰকৃত পুঁজি বিনিয়োগ-কাৰী (financier) নাছিল। তেওঁলোকৰ মূল উদ্দেশ্য আছিল

শোষণ। বাগিচা গঢ়ি উঠাৰ লগে লগে আয়াসতে তাক গ্ৰাস কৰাই আছিল তেওঁলোকৰ মুখ্য উদ্দেশ্য। এনেকৈয়ে বহু অসমীয়াই খোলা বাগিচা পিচত মাৰোৱাৰীৰ হস্তগত হয়। চন্দ্ৰকুমাৰে তেওঁৰ বুদ্ধি, কৌশল আৰু বন্ধুজনৰ সহায়ত এই মহাবিপদৰ পৰা আঁতৰি থাকিব পাৰিছিল।

চাহ খেতিৰ কাৰণে অসমত মজদুৰ পোৱা দুৰুহ সমস্যা আছিল। ইযাৰ অভাৱ পূৰণ কৰিবৰ বাবে ব্যাপক ভাৱে 'কুলী' আমদানী কৰা প্ৰথা তাহানি ইংৰাজ অহাৰ লগে লগে অসমতো প্ৰৱৰ্ত্তন কৰা হয। ইংৰাজসকল এই বিষযে ইতিমধ্যে সিদ্ধহস্ত হৈ উঠিছিল। দেশীয ৰাজ্যৰ ৰজাবোৰক গা ধন দি বহু ভাৰতীয 'কুলী' দক্ষিণ আফ্ৰিকা, কেনিযা, মাদাগস্ক'ৰ, নিউগিনী ওৱেষ্টইণ্ডিজ, মালয, জাভা, আদি বিদেশলৈ ৰপ্তানি কৰা হৈছিল। ই এটা সুকীযা আৰু লাভজনক ব্যৱসায হৈ উঠিছিল। ক্ৰমে এই কাৰবাৰ ইমান নিৰ্ম্মম আৰু নিষ্ঠুৰ হৈ পৰিছিল যে চৰকাৰে জন মতৰ খাটিৰত ইযাৰ বাবে নানা আইন কানুন বান্ধি দিব লগাত পৰিছিল। এই ব্যৱস্থা অনুসৰিযেই লাখ লাখ কুলী 'অজান্তিমূলুক' অসমলৈ আমদানী হৈ আহিছিল। প্ৰথম ডোখৰত কিছু চীন দেশীয লোককো অনা হৈছিল। 'চীনামৰা' আদি ঠাযে এই কথাকে সূচায। তামোলবাৰীলৈ এইদৰে বহু 'গিৰমিটীযা' কুলী আমদানী কৰা হৈছিল। এইদৰে কুলী আমদানীৰ ব্যৱস্থা বৰব্যয় বহুল আছিল। স্বাস্থ্য আৰু ডাক্তৰী ব্যৱস্থাৰ অভাৱত ই আৰু অধিক ব্যযবহুল হৈ পৰিছিল।

আইনৰ ব্যৱস্থা নথকাত স্বাস্থ্যৰক্ষা আৰু চিকিৎসাৰ সুবিধা একেবাৰে নোহোৱাৰ নিচিনাই। দুৰ্গম বাট পথেদি আহোঁতে আৰু অস্বাস্থ্যকৰ ভিতৰুৱা চাহ বাগিচাত থকাৰ কাৰণে বেমাৰ আজাৰত অসংখ্য কুলীৰ প্ৰাণহানী হোৱাটো এটা সাধাৰণ ঘটনা আছিল। চন্দ্ৰকুমাৰো এনেবোৰ সমস্যাৰ

সন্মুখীন হ'বলগীয়া হৈছিল। অক্লান্ত পৰিশ্ৰম আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি তীক্ষ্ণ নজৰ থকাত বহু ৰোগৰ পৰা তেওঁ বাগিচাখনক ৰক্ষা কৰিব পাৰিছিল। ৰোগীৰ সেৱা শুশ্ৰূষা কৰাটোও চন্দ্ৰকুমাৰৰ আন এটা মহৎ গুণ। স্বভাৱতে এনে ধৰণৰ একাধিক গুণৰ তেওঁ অধিকাৰী আছিল। এনে গুণৰ বৰঙণিও তামোলবাৰীৰ সফলতাৰ আন এটি কাৰণ। চাহ শিল্পৰ তেতিয়া চালুকীয়া অৱস্থা। কাৰিকৰী বিদ্যাৰ অভাৱ, বৈজ্ঞানিক সা-সজুলিৰ, যন্ত্ৰপাতিৰ অভাৱ পৰিলক্ষিত হৈছিল। নানা অনুসন্ধান পৰীক্ষা নিৰীক্ষাৰ পাচতহে এটা যন্ত্ৰৰ আবিষ্কাৰ হৈছিল। এইবিলাক বিষয়ত চন্দ্ৰকুমাৰ সদায় আগৰণুৱা আছিল। চাহ খেতিৰ ক্ষেত্ৰত তেওঁৰ অনুসন্ধানী মনে নানা যন্ত্ৰ পাতি আৰু বহু তথ্যপাতি আবিষ্কাৰ কৰিছিল। কেবাটাও চাহ শিল্পৰ যন্ত্ৰ তেখেতৰ আঁচনি আৰু পৰামৰ্শত হে গঢ লৈ উঠিছিল। চাহ শিল্প যি দৰে এটা বিজ্ঞান সন্মত শিল্প সেইদৰে ইযাক এবিধ কলা বুলিও ধৰিব পাৰি। আন সকলো বাদ দিও ভাল চাহ উৎপাদন কৰিবলৈ হলে বতৰৰ ওপৰতো সজাগ দৃষ্টি ৰাখিব লাগে। বতৰ সেমেকা বা খৰা, হলে তাপ উত্তাপৰ সাল সলনিৰ লগে লগে কেঁচাপাত শুকোৱা মেলা, ঘানীত দিয়া, গাপত দিয়া আদি কামৰ ভালেমান কথাত সা সময় সলনি কৰিব লগীয়া হয। উন্নত যন্ত্ৰপাতি আবিষ্কাৰ হোৱাৰ পিচত অৱশ্যে এইবোৰৰ এতিযা বন্ধাধৰা নিযম আছে। কিন্তু সেই সময়ত নিজৰ অভিজ্ঞতা-দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰিহে ভাল চাহ তৈযাৰ কৰিব লগা হৈছিল। চন্দ্ৰকুমাৰে নিজে সকলোবোৰ কাম কাজ চাইচিতি উপদেশ-নিৰ্দ্দেশ দি চাহ তৈয়াৰ কৰিছিল আৰু লগে লগে কাৰিকৰী প্ৰশিক্ষণ দি সক্ষম লোক গঢি তুলিছিল— ইও তেওঁৰ এটি বৈশিষ্ট্য।

এইদৰে নেৰানেপেৰা চেষ্টা আৰু কঠোৰ অধ্যৱসায়েৰে চন্দ্ৰকুমাৰে চাহ বাগিচা গঢি তুলিলে সেই দুপতীয়াৰে পৰা। অলপ দিনৰ ভিতৰতে নদন বদন হৈ তামোলবাৰীৰ নাম

চৌদিশে ৰজনজনাই গ'ল। তামোলবাৰী দোপতদোপে বাটি জাকত জিলিকা হল। ১৮৯৬ চনত আমেৰিকাৰ চিকাগো চহৰত অনুষ্ঠিত আন্ত ৰাষ্ট্ৰীয় চাহপ্ৰদৰ্শনীত তামোল-বাৰীৰ উৎকৃষ্ট চাহৰ বাবে প্ৰথম পুৰস্কাৰ লাভ কৰে চন্দ্ৰকুমাৰে। এখন তেনেই নতুন আৰু সম্পূৰ্ণ ভাৰতীয় চাহবাগিচাৰ বাবে এনে সমান পোৱাটো সঁচাকৈয়ে গৌৰবৰ কথা। কলিকতাৰ বজাৰতো তামোলবাৰীৰ চাহে ক্ৰমান্বয়ে প্ৰথম স্থান অধিকাৰ কৰি আহিছিল। চাহবাগিচাখন চাবলৈ সেই সময়ৰ বহুতো ইংৰাজ প্লেণ্টাৰ দূৰদূৰণিৰ পৰা তামোল-বাৰীলৈ আহিছিল।

ব্যৱসায় ক্ষেত্ৰত চন্দ্ৰকুমাৰে হিচাবপত্ৰক বিশেষ গুৰুত্ব দিছিল। পৰিষ্কাৰ হিচাবৰ অভাৱৰ কাৰণেই যে আমাৰ বহু ব্যৱসায়ী বিফল হয় আৰু উন্নতি কৰিব নোৱাৰে তাক তেওঁ সদায় কৈছিল। তেওঁ নিজেও যেনে হিচাবপত্ৰত পৰিপাটি আছিল কেৰাণী মহৰীকো তেওঁ নিজে হিচাবপত্ৰ শুদ্ধকৈ ৰাখিবলৈ হাতেকামে শিকনি দিছিল।

যৌথ কাৰবাৰ হিচাবে বাগিচাখন এটা দৃঢ় আৰু স্থায়ী ভেটিত প্ৰতিষ্ঠা কৰিবলৈ তেওঁ মনস্থ কৰিছিল। সেইবাবেই সকলো আইনকানুন নিজে অধ্যয়ন কৰি চাহবাগিচাখনক যৌথ কোম্পানীলৈ ৰূপান্তৰিত কৰে। কেউজন ভাযেক-ককাযে-কক অংশীদাৰ স্বৰূপে লৈ এই কোম্পানী গঠিত হয়। অনুমান এইটোৱেই প্ৰথম অসমীয়া 'প্ৰাইভেট কোম্পানী'। কোম্পানীৰ নিয়মাবলী, মেম'ৰেণ্ডাম আদি যাৱতীয় নথিপত্ৰ তেওঁ নিজেই ৰচনা কৰিছিল। সেই সময়ত কোম্পানীত অন্য অভিজ্ঞলোক বেছি নাছিল—প্ৰায় নাই বুলিলেও অত্যুক্তি কৰা নহয়। গতিকে বাগিচাত থকা কালছোৱাত চন্দ্ৰকুমাৰ চাহব্যৱসায়ী হোৱাৰ উপৰিও একাধাৰে খেতিয়ক, বৈজ্ঞানিক ইঞ্জিনীয়াৰ, ডাক্তৰ, আইনজ্ঞ আনকি স্থপতিও হব লগাত পৰিছিল।

চাহবাগিচাৰ কথা সামৰাৰ আগতে ব্যৱসায়ী হিচাবে চন্দ্ৰকুমাৰৰ অন্যতম অৱদান "তামোলবাৰী ষ্টেণ্ডাৰ্ড টি"ৰ চাহপেকেট ব্যবসায়ৰ কথা নকলে কথাখিনি অসম্পূৰ্ণ হৈ ৰব। অসমৰ বজাৰত তামোলবাৰীৰ এই পেকেটচাহে যথেষ্ট সুনাম আৰ্জ্জন কৰিছিল। এই ব্যৱসায় সম্পূৰ্ণৰূপে চন্দ্ৰকুমাৰৰ অধীনত আৰু তেওৰ আঁচনিমতে গঢ়ি উঠিছিল। পেকেট কৰা আহিলাপাতি আৰু লেবেল আদি আৰু বিভিন্ন আকাৰৰ পেকেট তৈয়াৰ কৰাৰ অভিনব উপায় তেও উদ্ভাৱনা কৰিছিল। তাহানিৰ বাতৰি কাকত সাদিনীয়া অসমীয়াত তামোলবাৰীৰ চাহৰ বিজ্ঞাপন—

"তামোলবাৰীৰ তামোল নহয়,
তামোলবাৰীৰ চাহ

খাই সকলোৱে কৰে আ আ আ"—প্ৰচাৰৰ লগে লগে অসমীয়াৰ মুখে মুখে সেই একে কথাকে হৈছিল।

অসমীয়া মানুহক আৰ্থিক হিচাবে টনকিয়াল কৰিবৰ বাবে তেওঁৰ বহুমুখী প্ৰতিভাৰ চানেকী বহু অনুষ্ঠানত পোৱা যায়। 'তামোলবাৰী কো-অ'পাৰেটিভ ষ্টোৰ্চ' ও সেইবিলাকৰ অন্যতম। তামোলবাৰীৰ সকলো কৰ্ম্মচাৰী, মালিক আৰু মজদুৰকলৈ খোলা এইখন "কো-অ'পাৰেটিভ ষ্টোৰ্চ" অসমত আজিও চলিথকা অতি পুৰণি সমবায় অনুষ্ঠানৰ ভিতৰৰে এখন।

চাহবাগিচাখন গজগজীয়াকৈ প্ৰতিষ্ঠা কৰাৰ পিচত চিৰ-গতিশীল চন্দ্ৰকুমাৰৰ সাহিত্যানুৰাগী মনটোৱে ঢাপলি মেলিলে তেখেতৰ আদৰ্শৰ সপান বাস্তবত ৰূপায়িত কৰিবলৈ। ১৯১৮ চনত স্বৰ্গীয় সদানন্দ দুৱৰা, শ্ৰীনীলমণি ফুকন প্ৰমুখ্যে গণ্যমান্য লোকসকলক অংশীদাৰ স্বৰূপে লৈ যৌথ কাৰবাৰী সংস্থা "আসাম প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিছাৰ্ছ লি" নাম দি এটা ছপাশাল প্ৰতিষ্ঠা কৰে। ইয়াৰ পৰাই সেই বছৰেই ২৮ আগষ্টত "সাদিনীয়া অসমীয়া" ৰাইজৰ আগলৈ ভুমুকি মাৰে। কোৱা বাহুল্য যে এই যৌথ কাৰবাৰ আৰম্ভ কৰোতেও আগৰদৰে যাৱতীয় সকলো কাম তেখেতে নিজেই কৰিছিল।

ডিব্ৰুগড়ৰ ঘৰৰ চৌহদৰ ভিতৰতে এই প্ৰেছ প্ৰতিষ্ঠা কৰি সকলো কামৰ তদাৰক নিজে কৰিছিল। বাগিচাৰ কামত সৰ্ব্বতো প্ৰকাৰে নিজক ব্যস্ত ৰাখিও প্ৰেছখোলাৰ কথা ভবাটোও অভাৱনীয়। এনে অৱস্থাত সকলো কামৰ ওপৰত চকু দি কম্পজিটাৰৰ পৰা আৰম্ভ কৰি কাকত ডাকত দিয়ালৈকে সকলো কামৰ কাৰিকৰী বিদ্যা তেওঁ যে ক'ত আৰ্জ্জন কৰিছিল তাক ভাবি আচৰিত হব লাগে। ডেৰকুৰি বছৰ আগৰ কলিকতাত 'জোনাকী যুগ'ৰ অভিজ্ঞতা তেওঁ নিশ্চয় পাহৰা নাছিল। অসমৰ বিখ্যাত সাংবাদিক শ্ৰীলক্ষ্মীনাথ ফুকন ডাঙৰীয়াই ২৯ আগষ্ট ১৯৬৫ চনৰ 'অসম বাতৰিত' চন্দ্ৰকুমাৰৰ বিষয়ে এইদৰে লিখিছিল—"ডেকাবয়সত তামোলবাৰী চাহবাগিচাত থাকোতে আগৰৱালাই কি ভীষণ খাটিব পাৰিছিল তাৰকথা মই মানুহৰ মুখে শুনিছিলোঁ, কিন্তু নিজে দেখা নাছিলোঁ। বুঢ়াবয়সতো তেওঁ কিদৰে খাটিব পাৰিছিল আৰু দৰকাৰ পৰিলে কিদৰে খাটিছিল তাক হলে নিজ চকুৰেই দেখিলো।"

ক্ৰমান্বয়ে কেবা বছৰো লোকচান দিয়াত আসাম প্ৰিণ্টাৰ্ছৰ বহু অংশীদাৰ হতাশ হৈছিল আৰু বহুতে গা এৰা দিছিল। তথাপি চন্দ্ৰকুমাৰে হতাশ নহৈ কামত আকোৰ গোজালি দি লাগি থাকিল। অংশীদাৰৰ সংখ্যাও বঢ়াবলৈ যত্ন কৰিলে। অসমৰ গাৱেঁ-ভূঞে মানুহ পাচি গাৱঁলীয়া মানুহকো এই ব্যৱসায়ৰ প্ৰতি আকৃষ্ট কৰিবলৈ চেষ্টা চলাইছিল। ইয়াক এটা জাতীয় প্ৰতিষ্ঠান হিচাবে আদৰ্শ স্থানীয় কৰি গঢ়ি তুলিবলৈ তেওঁ যৎপৰোনাস্তি দেহে কেহে খাটিছিল। সেইবাবে কামত লেহেম বা সামান্য ভুল দেখিলেও অতিপাত খং উঠা তেওঁৰ এটা স্বভাৱত পৰিণত হৈছিল। দৰাচলতে কিন্তু তেওঁৰ প্ৰকৃতি তাৰ সম্পূৰ্ণ বিপৰীত আছিল। কোনো মানুহে কিবা কথা নুবুজিলে তাক বুজাবৰ বাবে অশেষ চেষ্টা কৰিছিল। কিন্তু জানি শুনি ভুল কৰা কিম্বা কামত এলাহ

কৰা তেওঁ সহিব নোৱাৰিছিল। জীৱনৰ শেষ ছোৱালৈকে চন্দ্ৰকুমাৰ এই কামত একাণপতীয়াকৈ লাগি আছিল। ইয়াৰ নিয়মাৱলী আৰু সংবিধান ইমান নিখুঁত আৰু কটকটীয়াকৈ বান্ধি দিছিল যাতে তেওৰ অবিহনেও কোম্পানী সুচল ভাৱে চলি থাকিব পাৰে। সুখৰ কথা যে এই কোম্পানী এতিয়াও চলি আছে আৰু চলি থাকিব বুলি আশা কৰিব পাৰি। ইতিমধ্যে দুবাৰ কি তিনিবাৰ এই কোম্পানীৰ অংশীদাৰসকলৰ মাজত লভ্যাংশও বিতৰণ কৰিছে।

চন্দ্ৰকুমাৰৰ ব্যৱসায় আৰু সংগঠন প্ৰতিভাৰ উজ্জ্বল চানেকী হিচাবে এই প্ৰতিষ্ঠান সদায় জিলিকি থাকিব। অনুমান এইটোৱেই অসমত এটা ৰাজহুৱা কোম্পানী যিটো আজিও জীৱিত হৈ আছে।

ডিব্ৰুগড়ৰ পৰা এখনি বাতৰি কাকত চলোৱাত নানা আলৈ আহুকাল পাই কাকতখন গুৱাহাটীলৈ স্থানান্তৰিত কৰাৰ কথা বহুদিনৰ পৰাই চন্দ্ৰকুমাৰে মনত আলচি আছিল। আৰু এতিয়া বাগিচাৰ কামৰ পৰা কিছু ৰেহায পাব পৰা যাব বুলি গুৱাহাটীত প্ৰেছ খুলিবলৈ মনস্থ কৰে। এই উদ্দেশ্যে গুৱাহাটীৰ বিখ্যাত সদাগৰ শ্ৰীযুত মাণিক চৌধাৰীৰ পৰা খাৰঘুলিত প্ৰায ৫০ বিঘা মান মাটি লীজ লৈ "নিউপ্ৰেছ" আৰম্ভ কৰে। ১৯২০।১৯২১ চনত নিউপ্ৰেছৰ বাবে যাৱতীয় সা সৰঞ্জাম আৰু ছপাশাল নিজে কলিকতালৈ গৈ কিনা-কুটা কৰিছিল।

নিউপ্ৰেছ সম্পূৰ্ণ হৈ উঠাত অসমীয়াৰ কাৰ্য্যালয় ডিবৰুৰ পৰা গুৱাহাটীলৈ আনিলে। এইবাৰকাম সহজ-সাধ্য যেন লাগিলেও সকলো হেঙ্গাৰ চন্দ্ৰকুমাৰৰ সংগঠন শক্তিৰ দ্বাৰা পৰিচালিত হোৱা বাবে উজু হৈ পৰিছিল। ৺ডিম্বেশ্বৰ নেওগ, শ্ৰীঅমিয়কুমাৰ দাস, স্বৰ্গীয় জ্যোতি প্ৰসাদকে আদি কৰি স্বনাম ধন্য দেশপ্ৰেমিকসকল নিউপ্ৰেছত আছিল। বাঁহী, মিলন, কীৰ্ত্তন, দশম আদি পুৰণি পুথি আৰু আলোচনীসমূহো

এই সময়তে ইযাৰ পৰা প্ৰকাশ হৈছিল। খাৰঘুলি সেই সময়ত অটব্য অৰণ্যৰ মাজত, আলি-পদূলিও প্ৰায় দুৰ্গম অৱস্থাত আছিল। গতিকেই ব্যৱসাযৰ সুবিধাৰ কাৰণে চহৰৰ ভিতৰলৈ প্ৰেছটো অনাৰ কথা চন্দ্ৰকুমাৰে নকৈ চিন্তা কৰে।

সেই উদ্দেশ্যেই গুৱাহাটীৰ বিভিন্ন ঠাইত কেবাডোখৰো মাটি কিনিছিল। বৰ্ত্তমান শিখমন্দিৰ থকা ঠাইৰ ওচৰতো এবিঘা মাটি কিনা হৈছিল। কিন্তু নাগৰিকৰ আপত্তিৰ বাবে সেই ঠাইত প্ৰেছ নহল। বৰ্ত্তমান থকা ঠাইতে নিউপ্ৰেছক নতুনকৈ প্ৰতিষ্ঠা কৰা হল। সাদিনীযা অসমীযাক তিনদিনীযা কৰা হল।

চন্দ্ৰকুমাৰে সৃষ্টিশীল মনটোক কৱিতাৰ পৰা উৰামাৰি শিল্প উদ্যোগৰ পিনে ঢাল খুৱাইছিল সংযমৰ দ্বাৰা। চাহ-উদ্যোগ, মুদ্ৰণ শিল্প প্ৰতিষ্ঠা কৰাৰ উপৰিও তেও জুইশলা আৰু নলীনাদ খনন আদি উদ্যোগৰ প্ৰতিও মনোনিবেশ কৰিছিল। যৌথ ব্যৱসাযৰ প্ৰাথমিক কামো বহুদূৰ অগ্ৰসৰ হৈছিল। কিন্তু ৰাইজৰ পৰা উপযুক্ত সঁহাৰি নোপোৱাত আৰু বযস ভাটী দিযাৰ লগে লগে এইবোৰ আঁচনিৰ ওৰ পৰে। যৌথ কাৰবাৰত নেতৃস্থানীযলোকৰ, উপযুক্ত সহায নাপালে অকল ৰাইজৰ ওপৰতে নিৰ্ভৰ কাৰ যৌথ কাৰবাৰ গঢ়ি তোলা প্ৰায় অসম্ভৱ। তদুপৰি শীঘ্ৰে লাভজনক নহলে সাধাৰণ ৰাইজক আকৃষ্ট কৰাও টান কথা।

এনেবোৰ কাম কৰোঁতে চন্দ্ৰকুমাৰে যথেষ্ট ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিবলগীযা হৈছিল। কাৰণ তেওৰ প্ৰধান হেঙ্গাৰ হৈছিল পুঁজিৰ অভাৱ। আগতেই উল্লেখ কৰিছো সেইকালত আজিকালিৰ দৰে বেঙ্ক বা চৰকাৰৰ পৰা কোনো সহায় পোৱাৰ সুবিধা নাছিল। গতিকে ই মাত্ৰ এখন চাহবাগিচাৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হৈছিল।

বতাহ বলিলেহে চিলা উৰাৰ দৰে চন্দ্ৰকুমাৰ ক্ষীপ্ৰগতিৰে আগবঢ়াৰ বাবেই বহুকাম সম্ভৱ হৈছিল। চন্দ্ৰকুমাৰৰ গতিতেই

আছিল নিৰাপত্তা। কিন্তু ক্ষণভঙ্গুৰ সীমিত জীৱনত চন্দ্ৰকুমাৰে বিভিন্ন ক্ষেত্ৰত আৰু কেতিযাবা পৰস্পৰ বিৰোধী ক্ষেত্ৰত যি প্ৰতিভা আৰু দক্ষতা দেখুৱালে সি সঁচাকৈয়ে আনত বিৰল। কোনে জানে অনুকূল পৰিবেশ আৰু স্বচ্ছল পুঁজিৰ সুচল পোৱা হলে কি বিৰাট শিল্পসোঁথ তেওঁ গঢ়িব পাৰিলেহেঁতেন। তেওঁৰ জুইশলা কোম্পানী আদি সকু শিল্পপ্ৰচেষ্টাও তুপতীযাতে মৰহি নগলহেঁতেন।

স্বৰ্গীয চন্দ্ৰকুমাৰ আগৰৱালাক ব্যৱসায়ীতকৈ শিল্পউদ্যোগী বোলাহে অধিক সমীচিন হব। তেখেতৰ দৰে নিৰঙ্কুশ কৰ্ম্মীলোকৰ বৰ্ত্তমান কালত অনেক সা-সুবিধা ওলাইছে। আজি উপযুক্ত লোকক পুঁজি যোগাবলৈ চৰকাৰ আগবাঢ়ি আহিছে। ইযাৰ উপৰিও বেঙ্ক আৰু আন আন অনুষ্ঠানেও লাগতিযাল পুঁজি আগবঢ়াইছে। সেইহে চন্দ্ৰকুমাৰৰ দৰে কৰ্ম্মী, দৃঢ়প্ৰতিজ্ঞ, উদ্যোগী পুৰুষৰ অভাৱ আজি বৰকৈ অনুভৱ কৰিছো। যুটীযা কাৰবাৰত বিশ্বাসী চন্দ্ৰকুমাৰে বহল আৰু দূৰ দৃষ্টিৰে সময়ৰ আগলি বাট ধৰি যি পথৰ দিগদৰ্শক আছিল সেই পথেই নিশ্চয আমাৰ গন্তব্য স্থানৰ লক্ষ্য হব লাগিব।

আগৰৱালা মানুহজন

লক্ষ্মীনাথ ফুকন

সাহিত্যৰথী বেজবৰুৱাই তেওঁৰ 'জীৱন-সোঁৱৰণ'ত লিখিছে কলিকতাৰ কলেজত পঢ়োঁতে কিদৰে তেওঁ, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামী তিনিজন গুচি এজন হৈ পৰিছিল আৰু আগৰৱালাৰ মুখৰ হাঁহিয়ে কিদৰে তেওঁক আকৃষ্ট কৰিছিল।

কলেজীয়া বা ছাত্ৰজীৱনৰ হাঁহি মুখ সাধাৰণতে পিছৰ জীৱনত নাথাকে,— থকা সম্ভৱপৰো নহয়। চিন্তা-ভাৱনা নথকা ছাত্ৰজীবনো এক আৰু কৰ্ত্তব্যৰ গধুৰ বোজা আৰু চিন্তাভাবনাৰে ভৰা জীবনো এক। কলেজীয়া ছাত্ৰ-জীৱনৰ পৰিসমাপ্তি ঘটাই তামোলবাৰী চাহবাগিচাৰ কামত ধৰাৰ লগে লগে স্বাভাৱিকতে আগৰবালাৰো আগৰ প্ৰশস্ত হাঁহি-মুখ নেথাকিল। সেই সময়তে আগৰৱালাই লিখিছিল,— "কৰ্ম্মদেৱ, শিলেৰে বন্ধালোঁ আজি হিয়া।" শিলেৰে বন্ধোৱা হিয়াৰ পৰা হাঁহি মুখৰ উজ্জ্বল ৰেঙণি প্ৰকাশ পোৱা সহজ নহয়। তেওঁ মুখ আৰু মন কঠোৰ কৰি লৈ বাগিচাৰ বনুৱাক শাসন কৰিছিল। তেওঁৰ খঙো আছিল অতি উগ্ৰ। আজি-কালিৰ দৰে বনুৱা-সংঘ থকাহেঁতেন সময়ে সময়ে বনুৱা আৰু আগৰৱালাৰ মাজত কি যে অঘটন নঘটিলহেঁতেন।

তেওঁ চাহ-বাগিচা এৰি 'অসমীয়া' উলিওৱাৰ পিছতো পূৰ্ব্বৰ সেই খং লোপ হোৱা নাছিল। খঙৰ ইমান উগ্ৰতা যে বেয়া তাকো তেওঁ উপলব্ধি কৰিছিল আৰু বয়সত বহু-পৰিমাণে সংযত হৈছিলোঁ। কিন্তু সময়ে সময়ে ব্যতিক্ৰম নঘটাকৈ নাছিল। প্ৰেছৰ কৰ্ম্মচাৰীবিলাকৰ লগত আগৰ-

ৱালাৰ সম্পৰ্ক আছিল অতি মধুৰ। কৰ্ম্মচাৰীবিলাকৰ আগত প্ৰেছৰ মালিক বা প্ৰভু বুলি তেওঁ যেন একো আঁৰ বেৰ নেৰাখিছিলেই। কিন্তু কামত গাফিলি কৰিলে আৰু ৰক্ষা নাই। এবাৰ এজন কম্পজিটৰৰ ওপৰত কিবা কথাত এনেদৰে উগ্ৰ আচৰণ কৰি দেখুৱালে যে শেষত কৰ্ম্মচাৰী-বিলাকে ধৰ্ম্মঘট কৰিলে। এসপ্তাহ কাকত নোলাল। পিছত কলিকতাৰপৰা কম্পজিটৰ অনাইহে কাম চলোৱা হ'ল।

বাহিৰৰ মানুহৰ লগত আগৰৱালাৰ ব্যৱহাৰ আছিল মধুৰ আৰু ভদ্ৰজনোচিত। তেওঁক বহুতেই জানিছিল, কিন্তু তেওঁৰ হলে বহুতৰ লগত সংশ্ৰৱ নাছিল। কিন্তু ঘনিষ্ঠ সম্পৰ্ক থকা বন্ধুকেইজনৰ লগত কথা পাতোঁতে আৰু আলাপ আলোচনা কৰোঁতে কলিকতীয়া ছাত্ৰ-জীৱনৰ সেই হাঁহি মুখ প্ৰকাশ নোপোৱাকৈ থকা নাছিল। উজান বজাৰত ঘৰ সাজি থাকিবলৈ লোৱা সময়ত আগৰৱালাৰ জীৱনৰ বিয়লিবেলা। যৌৱনৰ পূৰ্ৱঠ মুখৰ সেই হটঙা মানুহজন ক্ষীণকায বুঢা হৈ পৰিল, গাল-মুখ শুকান, মুখমণ্ডলো কিছুপৰিমাণে নিষ্প্ৰভ হ'ল। এনে অৱস্থাতো হেম গোস্বামী, কমলাকান্ত ভট্টাচাৰ্য্য আৰু জ্ঞানদাভিৰাম বৰুৱা এই তিনিওজনক বা এওঁলোকৰ যি কোনো এজনক লগ পালেও যেন আগৰৱালাই পুৰণি দিনবোৰ ঘূৰাইহে পাইছিল। বেজবৰুৱাক পালেতো কথাই নাই। জীবনৰ ভাটী কালত বেজবৰুৱাও ৱাৰ্ডকোম্পানীৰ কামৰ সম্পৰ্কত কিছুদিন আগৰবালাৰ ওচৰতে ঘৰভাড়া কৰি থাকিছিলহি। তেতিয়া দুই "অভিন্ন হৃদয" বন্ধু লগহলে দুযোৰো মুখ কলিকতীয়া জীৱনৰ সৌৰৰণত উৎফুল্লিত হৈ উঠিছিল।

'জোনাকী'ক আগৰবালাৰ যৌৱনৰ প্ৰেয়সী আছিল বুলি ধৰিলে 'অসমীযা'ক আদহীয়া আৰু বাৰ্দ্ধক্যৰ সুহৃদ আছিল বুলিব পাৰি।

"আশা দিযে ভাষা দিযে
তাহে ভালবাসা দিযে
গঢ়ে ভুলি মানসী প্ৰতিমা।"

তেনেদৰেই আগৰৱালাই 'অসমীয়া'খন গঢ়ি তুলিছিল। অসমীয়া উলিওৱাৰ উদ্দেশ্য আছিল তেওঁৰ দুটা। প্ৰথম আৰু প্ৰধান হ'ল বাতৰি কাকত বুলি গণ্য কৰিব পৰা অসমীয়া বাতৰি কাকতৰ অভাৱ পূৰণ আৰু দ্বিতীয় হ'ল যুটীয়াভাৱে ব্যৱসায় কৰিবলৈ অসমীয়া ৰাইজক উৎসাহিত কৰা। তেওঁ কৈছিল আৰু বিশ্বাসো কৰিছিল,—"সংহতি কাৰ্য্যসাধিকা"। সেইসময়তে তেওঁ এদিন মোক (প্ৰবন্ধ লেখকক) কোৱা মনত আছে—"অসমীয়া মানুহে ব্যৱসায় কৰিব লাগে, এজনে নোৱাৰিলে দহজনে মিলি কৰিব লাগে।" আগৰৱালাই ইচ্ছা কৰাহলে 'অসমীয়া'খন তেওঁৰ বা তেওঁৰ পৰিয়ালৰ ব্যক্তিগত সম্পত্তি হিচাবেই প্ৰকাশ কৰিব পাৰিলেহেঁতেন। পিছলৈ যদিও সেয়েই হ'ল তথাপি পোনতে কেইবাগৰাকীও অসমীয়া লোকক 'আসাম প্ৰিণ্টাছ এণ্ড পাব্লিছাৰ্ছৰ' অংশীদাৰ কৰা হৈছিল। এই কোম্পানীৰ পৰাই অসমীয়া প্ৰকাশ পাইছিল। অসমীয়া মানুহেৰে যুটীয়াকৈ ব্যবসায় কৰাৰ সপোন তেওঁৰ দিঠকত স্থায়ীভাবে পৰিণত নহ'ল। অংশীদাৰসকলে অংশৰ টকা দিবলৈ টান পালে। দুই এজনে কিস্তিৰ টকা সম্পূৰ্ণকৈ দিছিল যদিও শেষলৈ লোকচান ভৰা কোম্পানীৰ পৰা আঁতৰি যাবলৈ ধৰিলে। প্ৰথম কেইবছৰমান 'অসমীয়া' লোকচানতে চলিছিল। আগৰৱালা আৰু তেওঁৰ পৰিয়ালে এই কাকতৰ গুৰি নধৰাহেঁতেন 'অসমীয়া' কেতিয়াবাই বন্ধহৈ গ'লহেঁতেন আৰু ডিব্ৰুগড়ৰপৰা কাকতখনে গুৱাহাটী নাপালেহিহেঁতেন।

এই অসমীয়া প্ৰতিষ্ঠানটো যাতে শক্তিশালী হয় আৰু কাকতখনেও দোপতদোপে উন্নতি কৰে তাৰকাৰণে আগৰৱালাই যত্ন আৰু উৎসাহৰ ত্ৰুটী কৰা নাছিল। দায়িত্ববহন কৰিবলৈ দেহেকেহে খটা আৰু সকলোচিন্তা পৰিহাৰ কৰি কেৱল কামকৰি আনন্দপোৱা যেনে মানুহ তেওঁ পাবলৈ বিচাৰিছিল তেনে মানুহপোৱা এক প্ৰকাৰ অসম্ভৱো আছিল। তেওঁ

নিজে কিন্তু কঠোৰ শ্ৰম কৰিব পাৰিছিল। অন্যান্য কৰ্ম্মীও তেওঁৰদৰে শ্ৰম কৰাকে তেওঁ কামনা কৰিছিল। এই প্ৰতিষ্ঠানটোক মোৰবুলি ভাবি কামকৰা কৰ্ম্মীক সকলো প্ৰকাৰে সুবিধা আৰু উৎসাহ দিবলৈও তেওঁ সাজু আছিল। স্বৰ্গীয় ডিম্বেশ্বৰ নেওগে তেওঁৰ 'জীৱন ৰহস্য'ত লিখি গৈছে বোলে আগৰৱালাই হেনো তেওঁক ব্যৱসায়ত সহযোগী হিচাপে পাবলৈ বিচাৰিছিল। "আনহে নালাগে প্ৰথম খোপনি লবৰ কাৰণে তেখেতে আসাম প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিছাছৰ তেখেতৰ অংশৰূপৰা দহহেজাৰ টকাৰ অংশ মোৰ নামে দানৰূপে লিখি দিয়াৰ দিহাও কৰিছিল।" নেওগে মাক-দেউতাকৰ ইচ্ছামতে চৰকৰী চাকৰি লোৱাতহে হেনো সি হৈ নুঠিল। কিন্তু আগৰৱালাই গুৱাহাটীৰ ৺নিধিৰাম দাসক এই কোম্পানীৰ এজন ডাইৰেক্টৰ কৰি সুমুৱাই লৈছিল আৰু দাসক তেও (আগৰৱালাই) নিজৰ অংশৰ পৰা কিছু টকা দান কৰিও দিছিল।

আগৰৱালাৰ দিনত যে অসমীয়া ব্যৱসায়ীলোক নাছিল তেনে নহয়, অৱশ্যে এতিয়া সংখ্যা বাঢ়িছে। কিন্তু আগৰৱালাৰ দৰে আন অসমীয়া ব্যৱসায়ীয়ে নিজৰ অংশৰপৰা এনেকৈ ধন দি মানুহক ব্যৱসায়ত সুমুৱাই লোৱাৰ নিদৰ্শন নাই বুলিবই পাৰি। আনৰ ক্ষেত্ৰত ইয়াৰ বিপৰীতহে দেখা যায়। এটা জনা ঘটনা এজন অসমীয়া ব্যৱসায়ীয়ে এটা নতুন ব্যৱসায় আৰম্ভ কৰিবলৈ ইচ্ছা কৰি এগৰাকী অভিজ্ঞ লোকক দায়িত্বপূৰ্ণ পদত নিযুক্ত কৰিলে। ব্যৱসায়ীজনে তেওঁক অংশীদাৰ কৰি লব বুলি কথাও দিলে। অভিজ্ঞ-ব্যক্তি গৰাকীয়ে পৰম উৎসাহেৰে দিনে-ৰাতি খাটি খুটি প্ৰতিষ্ঠানটো টনকিয়াল কৰি তুলিলে। কিন্তু যেতিয়া পূৰ্ব্ব প্ৰতিশ্ৰুতি সোঁৱৰাই দিয়া হ'ল তেতিয়া বিনা দ্বিধাই ব্যৱসায়ীজনে প্ৰতিশ্ৰুতি অস্বীকাৰ কৰিলে। ব্যৱসায় যেতিয়া সুপ্ৰতিষ্ঠিত হৈ উঠিল তেতিয়া আৰু অভিজ্ঞলোকৰেই বা

আৱশ্যকতা ক'ত আৰু প্ৰতিশ্ৰুতিয়ে বা ৰক্ষা কৰিব কিয়? ব্যৱসায়ীজনে অভিজ্ঞব্যক্তি গৰাকীক এনেদৰে কথা শুনাই দিলে যে তেওঁ ইচ্ছা কৰিলে কাম এৰিও যাব পাৰে।

কিন্তু আগৰৱালা আছিল ইযাৰ ব্যতিক্ৰম। তেও কাৰোবাক কিবা কথা দিলে তাক ৰক্ষা কৰিবলৈ অহো-পুৰুষাৰ্থ কৰিছিল। আগৰৱালাই সম্ভৱত. তেওঁৰ দেউতাক হৰিবিলাস আগৰৱালাৰপৰা এই গুণটো লাভ কৰিছিল। এসময়ত হৰিবিলাস আগৰৱালাৰ আৰ্থিক অৱস্থা বেযালৈ ঢাল লোৱাত কলিকতাৰ আৰ্মেনিযান ষ্ট্ৰিটত থকা তেওঁ-লোকৰ ঘৰটো ষাঠী নে আশী হেজাৰ টকাত বেচিবলৈ স্থিৰ কৰিলে। মুখে মুখে এজনৰ লগত বন্দোবস্ত হৈ যোৱাৰ পিছত আন এজনে হেনো পাঁচ নে ছ হেজাৰ টকা বেচিকৈ দিবলৈ ওলাইছিল। সেই কালত পাঁচ-ছ হেজাৰ টকা বহুত টকা আৰু হৰিবিলাস আগৰৱালাৰ অভাৱো আছিল খুব বেচি। হৰিবিলাস আগৰৱালাই কিন্তু কথা নুঘূৰালে। আগতে কথা দিয়া জনতে ঘৰটো বেচিলে। চন্দ্ৰকুমাৰে দেউতাকৰ পৰা নিশ্চয এনে গুণৰ অধিকাৰী হবলৈ সক্ষম হৈছিল।

চন্দ্ৰকুমাৰ আগৰৱালাই মানুহক বিশ্বাস কৰিছিল আৰু যাক বিশ্বাস কৰিছিল তাক গভীৰ ভাবেই বিশ্বাস কৰিছিল। কিন্তু বিশ্বাস ভাঙিলে তেও সহজে ক্ষমা নকৰিছিল। এবাৰ এজন প্ৰিয়পাত্ৰ ডেকাক কামত সুমাই ললে। টকা-পই-চাৰ দাযিত্বও ডেকাজনৰ ওপৰতে অৰ্পণ কৰিলে। কিন্তু ডেকাজনে বুজন ধৰণৰে কিছু টকা নিজৰ ৰবীযাকৈ খৰচ কৰি পেলালে। অৱশ্যে ডেকাজন অসৎ নাছিল, কিন্তু কেইবাজনকো পোহপাল দিবলগা হোৱাত তৰ্কিব নোৱাৰাকৈ কোম্পানীৰ কিছুটকা খৰচ হৈ গ'ল। আগৰৱালাই কথাটো সহিব নোৱাৰিলে, আৰু সহিবপৰা কথাও নাছিল। ডেকাজনে

কাম এৰিদিবলৈ বাধ্য হ'ল, কিন্তু তেওঁক কোনো জুলুমত নেপেলালে। আনকি তেওঁ অন্যায়ভাবে খৰচকৰা টকাখিনি উলিয়াবলৈও কোনো ব্যৱস্থা লোৱা নহ'ল।

আগৰৱালাই যাক ভাল পায় আৰু বিশ্বাসকৰে তাৰ কাৰণে যিমানপাৰে সিমান কৰিবলৈ সাজু, কিন্তু তাৰো এটা সীমা আছে। প্ৰশংসাক ভাল'পোৱা দুৰ্ব্বলতাও তেওঁৰ নোহোৱা নহয়। কিন্তু প্ৰশংসা বা ভালৰি লগাই যে কোনোবাই অন্যায়ভাবে তেওঁৰ পৰা কিবা সুবিধা আদায় কৰিব পাৰিছিল সেই নহয়। তেতিয়া মই 'অসমীয়া'ৰ সম্পাদক। কিন্তু আন এজন ডেকা তেওঁৰ ইমান প্ৰিয়পাত্ৰ হৈ উঠিল যে তেওঁ সম্পাদক হবলৈ ইচ্ছা প্ৰকাশ কৰিলে আৰু আগৰৱালাইও পাতিবলৈ স্থিৰ কৰিলে। মোতকৈ তেওক বেচি দৰমহা দিয়াৰো বন্দবস্ত হ'ল। সকলো ঠিকঠাক, কেৱল মোক 'নোটিচ' দিবলৈ আৰু মোৰ ঠাইত তেও আহি বহিবলৈ বাকী। সময়বুজি ডেকাজনে তেওক দহবছৰ কামত ৰাখিব লাগিব বুলি লিখি দিবলৈ আগৰৱালাক ধৰিলে। ডেকাজনে তেতিয়া অস্থায়ীভাবে চৰকাৰী কাম কৰি আছিল। তেতিয়া সকলো চেষ্টা ব্যৰ্থ হ'ল। এবছৰমান পিছত মই এৰা পৰিলত 'অসমীয়া'-ৰ সম্পাদক হ'ল কাশীৰপৰা পঢা সাংকৰি ঘৰলৈ ওভটা বৰ্ত্তমান অসম বিখ্যাত বকুলবনৰ কবি শ্ৰীআনন্দ চন্দ্ৰ বৰুৱাহে।

১ম সংখ্যা 'জোনাকী'ৰ সম্পাদকীয়ত আগৰৱালাই লিখিছিল যে পৰাধীন জাতিৰ ৰাজনীতি নাই। সেই কথা সাৰোগত কৰিযেই নে কি তেওঁ ৰাজনীতিত যোগ দিয়াও নাছিল। মহাত্মাগান্ধীয়ে প্ৰচলন কৰা অসহযোগ আন্দোলন লৈ অসমত কংগ্ৰেছ নাছিল। তেতিয়াৰ অসমত একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান আছিল 'আসাম এছোচিয়েচন'। আৰম্ভণিতে ইয়াৰ গুৰিধৰিছিল গৌৰীপুৰৰ ৰজা প্ৰভাতচন্দ্ৰ বৰুৱা আৰু যোৰহাটৰ জগন্নাথ বৰুৱাই। ১৯১৫ চনত ইয়াৰ বাৰ্ষিক অধিবেশন কৰ্ম্মবাৰ নবীন চন্দ্ৰ বৰদলৈৰ সভাপতিত্বত বহিছিল।

তাত আগৰৱালা উপস্থিত আছিল, কিন্তু কোনো সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল। তাৰ আগৰবছৰ যোৰহাটত আৰু পিছৰবছৰ গুৱাহাটীত বহা অধিবেশনত আগৰৱালাই যোগ দিয়া নাছিল। অৱশ্যে 'অসমীয়া' প্ৰকাশনৰ দায়িত্ব লোৱাৰ-পৰাহে তেওঁ ৰাজনীতিত লেটি লবলগা হ'ল। ৰাওলাট আইনৰ প্ৰতিবাদকল্পে ডিব্ৰুগড়ত যি প্ৰতিবাদসভা হ'ল তাত আগৰৱালা কেৱল উপস্থিতেই নাছিল, প্ৰস্তাৱ এটা উত্থাপন কৰি বক্তৃতাও দিছিল। আৰু সম্ভৱত ৰাজনীতি বিষযক সভাত বক্তৃতা দিয়া তেওঁৰ এযে আদি আৰু অন্তও। এই সভাখন তেওঁৰ নিজৰ উদ্যোগত অনুষ্ঠিত হোৱা নাছিল আৰু স্বেচ্ছাই গৈ সক্ৰিয় অংশও গ্ৰহণ কৰা নাছিল। তেওঁৰ বন্ধু ৺দুৰ্গাদাস চাংকাকতি প্ৰমুখ্যে লোকসকলৰ অনুৰোধক্ৰমেহে তেওঁ গৈ তাত সক্ৰিয় অংশ লৈছিল।

কিন্তু মহাত্মা গান্ধীৰ প্ৰতি আগৰৱালাৰ অসীম শ্ৰদ্ধা আছিল। তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি এটি কবিতাও ৰচনা কৰিছিল। মহাত্মাৰ দ্বাৰা পৰিচালিত অসহযোগ আন্দোলনৰ লগতো আগৰৱালাই অসহযোগেই কৰিছিল। কিন্তু ভাৰতীয় জনসাধাৰণৰ উন্নতিৰ কাৰণে সূচনা কৰা গান্ধীজীৰ কিছুমান কাৰ্য্যকলাপৰ প্ৰতি তেওঁৰ সমৰ্থন আছিল। তেওঁৰ সাজ-পাৰতো গান্ধীৰ প্ৰভাৱ পৰিল। আগৰৱালাই আগতে চাহাবী পোছাক পৰিধান কৰিলেও মূৰত হলে পাগুৰি মাৰিছিল। অৱশ্যে তেওঁৰ পাগুৰি আছিল অসমৰ মহাজনীয়া পাগুৰি। কিন্তু মহাত্মা গান্ধীৰ সংস্পৰ্শত অহাৰ পিছৰপৰা পাগুৰিৰ ঠাইত মূৰত উঠিল গান্ধী টুপী। আগতে তেওঁ ঘৰত পায়জামা আৰু কামিজ বা পাঞ্জাবী পিন্ধিছিল, এতিয়া বাহিৰলৈ যাওঁতেও প্ৰায় তাকেই পিন্ধা কৰিলে। আৰু সিও হ'ল খদ্দৰ বা এৰীযাৰহে। তেওঁ পিন্ধন-উৰণত সম্পূৰ্ণকৈ গান্ধীবাদী হৈ পৰিল।

মহাত্মাৰ মৰ্ম্মস্পৰ্শী আৰু নিৰ্ভীকবাণীৰ প্ৰেৰণাত আগৰৱালাৰ স্বাধীনচেতামন আৰু স্বাধীনচেতা হৈ উঠিল। "ৰজা আৰু ৰাইজলৈ সেৱা জনাই" যি 'অসমীয়া'ই জন্ম লৈছিল সেই 'অসমীয়া'ত ৰজা আৰু ৰজাঘৰৰ সুৰ নাবাজি বাজিবলৈ ধৰিলে ৰাইজৰ সুৰ। আগৰৱালাই যেন নতুন বল আৰু প্ৰেৰণা লাভ কৰিলে। ইংৰাজ পুলিচ এজনে বৰপেটাৰ সুন্দৰীদিয়া সত্ৰত অপকৰ্ম্ম কৰাৰ বাতৰি 'অসমীয়া'ত প্ৰকাশ কৰাৰ পিছত যেতিয়া অসম চৰকাৰৰ ৰোষ-দৃষ্টি কাকত-খনৰ ওপৰত পৰিল তেতিয়া বুঢ়া বয়সৰ সম্পাদক মহেশ্বৰ বৰুৱাই ক্ষমা মাগি আৰু দুখ প্ৰকাশ কৰি লেঠা মাৰি থবলৈ বৰকৈ ধৰাতো আগৰৱালা মান্তি নহ'ল। চৰকাৰৰ তৰফৰ পৰা 'অসমীয়া'ৰ বিৰুদ্ধে মানহানি মোকৰ্দ্দমা তৰা হ'ল আৰু সেই মোকৰ্দ্দমাত 'অসমীয়া' হাৰিলেঁ।। সম্পাদকৰ পোন্ধৰশ টকা জৰিমনা আৰু অনাদায়ে দহমাহমানৰ ফাটেকৰ হুকুম হ'ল। ইয়াৰ আগতে কোনো বাতৰি কাকত মানহানি মোকৰ্দ্দমাৰ সন্মুখীন হোৱা নাছিল।

কিন্তু বক্তৃতা-সৰ্ব্বস্ব সভা-সমিতিৰ প্ৰতি আগৰৱালাৰ বিৰাগ আগৰদৰেই থাকিল। ৰাজনৈতিক সভা সমিতিৰ কথা এৰিলেও আন সভা-সমিতিতো তেওক যোগ দিয়া দেখা নগ'ল। অসমীয়া ভাষা আৰু সাহিত্যই আছিল কেৱল তেওঁৰ বুকুৰ বান্ধৈ, আপোনতকৈও অতি আপোন।

বৃটিছ আমোলৰ প্ৰথম পাঁচজন কবিৰ ভিতৰত তেৰেঁ। এজন প্ৰধান। আগৰৱালাই—

"ফুটোঁ। নে নুফুটোঁ। কৈ
কুমলীয়া কলিটি
ওঠত লাজেৰে লৈ
মিচিকিয়া হাঁহিটি।"

এই ৰীতিৰে "সুন্দৰৰ আৰাধনা" কৰি অসমীয়া সাহিত্যত মাধুৰী ফুলাইছিল। অসমীয়া ভাষা আৰু সাহিত্যৰ অনুষ্ঠান

অসম সাহিত্যসভাৰ লগত তেওঁৰ তেনে একো ঘনিষ্ঠ সম্পৰ্কই নাছিল। বৰং তেওঁ সাহিত্যসভাৰ পৰা আলেঙে আলেঙেহে থাকিছিল। এবাৰ নহয় দুবাৰো তেওঁক সাহিত্যসভাৰ সভাপতিৰ পদ যচা হৈছিল। কিন্তু দুয়ো বাৰেই তেওঁ এই সম্মান প্ৰত্যাখ্যান কৰিলে। তেওঁ আছিল কামৰ মানুহ। কামতকৈ কথাৰ ওপৰত য'ত বেচি প্ৰাধান্য দিয়া হয় তেনে কথা আৰু অনুষ্ঠানত তেওঁৰ আস্থা নাছিল।

সংস্কৃত ভাষা আৰু সাহিত্যৰ ওপৰত তেওঁৰ বুৎপত্তি আছিল। "অসমা সুষমা কামৰূপা" এই সংস্কৃত গাথিকাটোৱেই ইয়াৰ উজ্জ্বল নিদৰ্শন, এইটো চন্দ্ৰকুমাৰৰেই ৰচনা। ডিব্ৰুগড়ত তেওঁৰ মাজু লৰাজনে ডিঙিত চিপজৰী লৈ আত্মহত্যা কৰাৰ পিছদিনা তেওঁক সমবেদনা জনাবলৈ যোৱা সকলক নশ্বৰ জীৱন সম্বন্ধে গীতাৰ শ্লোক মাতি শুনাইছিল। তেওঁৰ অন্তৰ শোকত দহিব লাগিছে অথচ মুখত সেই আগৰ প্ৰশান্ত ভাব। হৰতাল শব্দটো যে সংস্কৃত 'হৰিতালিকা' শব্দৰপৰাহে আহিছে তাক তেওঁ সংস্কৃতৰ বচন ম'তি আমাৰ আগত প্ৰমাণ কৰি দিছিল। অসমীয়া ইংৰাজী সংস্কৃত আৰু অসমীয়া কিতাপৰ সংগ্ৰহো তেওঁৰ বেচি নাছিল। গীতা, উপনিষদ প্ৰভৃতি কেইখন মান কিতাপ প্ৰায়েই তেওঁৰ লগত দেখিছিলোঁ আৰু সেই কিতাপ কেইখন তেওঁ খুব মনোযোগেৰে পঢ়িছিলোঁ।

আগৰৱালা মানুহজন প্ৰতিপদক্ষেপতে হিচাপী আছিল। খোৱা বোৱা আৰু থকা মিলাত তেওঁ যথেষ্ট খৰচ কৰিছিল। তেওঁ ভাল খাইছিল আৰু ভাল লৈছিল, কিন্তু কেতিয়াও সীমা অতিক্ৰম কৰিবলৈ নিদিছিল। বিলাসিতাও তেওঁৰ নাছিল। তেওঁ তেনে দানীও নাছিল, কিন্তু ৰাজহুৱা কামৰ কাৰণে ধৰঙণি বিচাৰি আহিলে নিদিয়াকৈও নেথাকিছিল। ১৯২৬ চনত গুৱাহাটীত কংগ্ৰেছ মহাসভা পাতোতে অভ্যৰ্থনা সমিতিয়ে তেওঁৰপৰা দহহেজাৰ টকা ধাৰলৈ লৈছিল। অভ্যৰ্থনা

সমিতিয়ে সেই টকা তেওঁক ঘূৰাই দিব নোৱাৰিলে আৰু তেৰোঁ আনৰ দৰে অভ্যৰ্থনা সমিতিক একো জুলুম নকৰিলে। অন্যান্যলোককো তেও তেনেকৈ সহায় কৰিছিল, কিন্তু টকা ঘূৰাই পাবলৈ নিবিচাৰিছিল। আগৰৱালাৰ জীৱনত এনে কাৰ্য্যৰ ভালেমান নিদৰ্শন আমি নিজে জানোঁ।

এইজনেই আছিল 'প্ৰতিমা'ৰ খনিকৰ 'বীণ-ব'ৰাগী'ৰ কবি, 'জোনাকী' আৰু 'অসমীয়া'ৰ কাণ্ডাৰী চন্দ্ৰকুমাৰ আগৰৱালা।

সাংবাদিক চন্দ্ৰকুমাৰ

—অমিয়কুমাৰ দাস

"আপুনি নাভাবিব আপোনাৰ পেন্সন গৱৰ্ণমেণ্টে বন্ধ কৰিলে, মই আপোনাৰ পেন্সনৰ টকা দি থাকিবলৈ গাত লৈছো। বিচাৰত আপোনাৰ কাৰাদণ্ড হলে মই আপোনাৰ পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব লম। আপুনি চিন্তা নকৰিব।" এই কথাখিনি কলে সাপ্তাহিক অসমীয়াৰ স্বত্বাধিকাৰী আসাম প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিছাৰ্ছ কোম্পানীৰ মেনেজিং ডিৰেক্টৰ স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালাই।

কাকতখনৰ সম্পাদক স্বৰ্গগত মহেশ্বৰ বৰুৱা দোধোৰ মোধোৰত পৰিছে। 'অসমীয়া'ৰ ওপৰত হোৱা মোকৰ্দ্দমাত কি কৰে? কামৰূপ জিলাৰ পুলিচ চুপাৰিণ্টেণ্ডেণ্ট স্বৰ্গগত আনন্দচন্দ্ৰ আগৰৱালাই (চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পৰ্কীয় ভায়েক) বুজাইছে 'আপুনি ক্ষমা প্ৰাৰ্থনা কৰক"। আনফালে স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালাই বুজাইছে মোকৰ্দ্দমাৰ সন্মুখীন হবলৈ। এনে এটা অৱস্থাত সম্পাদক মহেশ্বৰ বৰুৱা চিন্তিত।

এই ঘটনা হৈছিল ১৯২২ চনত অসহযোগ আন্দোলন চলি থাকোতে। অসহযোগ আন্দোলন দমন কৰিবলৈ সেই সময়ত বৃটিছ চৰকাৰে সশস্ত্ৰ চিপাহীৰ দল গাঁৱে গাঁৱে লৈ ফুৰাই গাঁৱলীয়া ৰাইজৰ মনত ভয় দেখুৱাবলৈ ব্যৱস্থা লৈছিল। এই বাবে ১৯২২ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত বৰপেটা নগৰৰ পৰা এছিষ্টেণ্ট পুলিচ চুপাৰিণ্টেণ্ডেণ্ট সশস্ত্ৰ পুলিচ বাহিনী লৈ ওলাল। সুন্দৰীদিয়া সত্ৰৰ ওচৰ পোৱাত পুলিচ বাহিনী থিয় হল। গাঁৱৰ বাহিৰত বাটৰ

পশ্চিমকাষে এটা ওখ ঢিপত এটা সৰু নামঘৰ আছে। মহাপুৰুষ মাধৱদেৱ আহি সেই ঠাইতে হেনো জিৰণি লৈছিল। এয়ে জনশ্ৰুতি। ৰাইজে তাত এটা নামঘৰ সাজি মহাপুৰুষৰ জিৰণি লোৱা ঠাই ডোখৰৰ স্মৃতি ৰাখিছে।

সহকাৰী পুলিচ চাহাব নতুনকৈ অহা ইংৰাজ ডেকাই এই ঠাই ডোখৰৰ মাহাত্ম্য একো নাজানে। তেওঁ ওখ ঠাই দেখি তালৈ উঠি গল। জোতাৰে সৈতে নামঘৰত সোমাই কৰিবনলগীয়া কাম এটা কৰিলে। চাহাবৰ এনে কাৰ্য্যত ৰাইজে দুখ পালে। বৰপেটা জিলা কংগ্ৰেছৰ সম্পাদক স্বৰ্গগত জনাৰ্দ্দন দাসে এই কথা বাতৰি-কাকতলৈ পঠালে। মহাত্মা গান্ধীৰ দ্বাৰা সম্পাদিত 'ইয়ং ইণ্ডিয়া'কে লৈ ভাৰতৰ বহুতো কাকতে এই বাতৰি প্ৰকাশ কৰিলে।

ধৰ্ম্মৰ স্থান অপবিত্ৰ কৰ' বুলি সাম্ৰাজ্যবাদী চৰকাৰৰ ওপৰত চেকা পৰিল। সেইবাবে "অসমীয়া" কাকতৰ ওপৰত মোকৰ্দ্দমাৰ অৱতাৰণা কৰা হল। ঘটনাৰ সত্যাসত্য অনুসন্ধান কৰি কাকতৰ কৰ্ত্তৃপক্ষ মোকৰ্দ্দমাৰ সন্মুখীন হ'ল। চৰকাৰে ভৱা নাছিল অসমীয়া কাকতৰ কৰ্ত্তৃপক্ষ মোকৰ্দ্দমাৰ সন্মুখীন হব। তেওঁলোকে ভাবিছিল মোকৰ্দ্দমাৰ জাননী পোৱা মাত্ৰে কাকত-খনৰ কৰ্ত্তৃপক্ষ সেও হৈ আঁঠু লব। কিন্তু তেনে নোহোৱাত মানুহৰ স্বাভাবিক দুৰ্ব্বলতাৰ ওপৰত ভিত্তি কৰি কিছুমানে সম্পাদকৰ মন ভাঙিবলৈ যত্ন কৰিছিল। এনে সময়ত চন্দ্ৰকুমাৰ আগৰৱালাৰ দৃঢ় আশ্বাসে সম্পাদকৰ মনলৈ সাহ আনিলে।

আজি চন্দ্ৰকুমাৰ আগৰৱালাৰ শতবাৰ্ষিকী জন্মতিথি। এশ বছৰ আগতে এনে এটা সময়ত ৺চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম হৈছিল। সেই সময়ত অসমৰ অৱস্থা কি আছিল, বিশেষকৈ ৺চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্মস্থান কলংপুৰৰ অৱস্থা কি আছিল তাকে মনলৈ আহে। ৺চন্দ্ৰকুমাৰ আগৰৱালাৰ দেউতাকৰ ডায়েৰীত পোৱা যায় যে সেই সময়ত কলংপুৰ

বৃটিছৰ শাসনৰ তললৈ অহাটো সৰহ দিন হোৱা নাছিল। উত্তৰ পাৰত বিশ্বনাথতেই বৃটিছ ৰাজ্যৰ সীমা আছিল আৰু উজনি অসম আহোম ৰজাৰ শাসনৰ তলত আছিল। তাৰ লগতে কলংপুৰ অঞ্চলটোও বৃটিছৰ শাসনৰ বাহিৰত আছিল।

"এই বছৰতে (১৮৪৯ চন) চৰকাৰী আলি (North Trunk Road) বন্ধোৱা আৰম্ভ হয়। ৰাংছালিৰ বিহালী নৈৰ পৰা গহপুৰৰ বৰপুখুৰীলৈকে আলি বন্ধোৱা পিতাৰ (৺নৰবঙ্গ ৰাম) জিম্মা আছিল। বনুৱাৰ মজুৰী দৈনিক / এক অনা হিচাপে আছিল। ৰাযতবিলাক বৰ দুখীয়া আছিল প্ৰতি ঘৰৰ খাজানা বাৰ্ষিক ।৵ ছ অনাৰ পৰা ১৲ পৰ্য্যন্ত। তাকে দিব নোৱাৰাত দিনটো ৰ'দত বন্দীকৈ ৰাখে। গধূলি বেতেৰে কোবাই কাণ মোহোৰাই জামিন লৈ এৰি দিয়ে। ৰাযতে ধান, চাউল, মাহ, সৰিযহ আদি উৎপন্ন বস্তু বেচি ধন ঘটাৰ সুবিধা একেবাৰেই নাছিল। বেপাৰী, বাট-ঘাট, নাও-গাড়ী চলাচল একো নাছিল। ২/৩ খন গাঁৱৰ মত্তা মানুহে গোটখাই চাউলৰ ভাৰ লৈ বামে বিশ্বনাথলৈ গৈ চাউল বেচি লোণ, কাপোৰ কানি আদি অতি লাগতিযাল বস্তু আনি ব্যৱহাৰ কৰিছিল।

* * * "বাৰিষা (বেঙ্গল প্ৰেছিডেন্সীৰ) লেফটেনাণ্ট গৱৰ্ণৰ ছিছিল বীডন চাহাব প্ৰথমে আসামলৈ উজাই আহি ডিবৰুত দৰবাৰ কৰাত মই উপস্থিত হৈছিলোঁ। (১৮৬০ চন)। * * * গোসাই বৰমুৰীযা ডাঙৰীযাসকলে কবলৈ একো নাপাই আফু খেতিৰ হুকুম দিয়ক বুলি প্ৰাৰ্থনা কৰিলে। * * * কলংপুৰত ধান, চাউল অতিশয সস্তা আছিল। ধান দোণে এপইচা, চাউল প্ৰতি দোণে তিনি পইচা দৰত কিনা হৈছিল। * * *

"১৮৬৬ চন। শীতকালত ডিবৰুগড়ৰ পৰা ডেপুটী কমিশ্যনাৰ ষ্টুযাট চাহাব আহি গমিৰি ঘাটত নামি বামে উজাই গল। কলাবাৰী, গহপুৰ, কলংপুৰ, গমিৰি এই চাৰি

মৌজা ডিবৰু জিলাৰ পৰা থাৰিজ কৰি তেজপুৰ জিলাত চামিল কৰিবলৈ ৰিপোর্ট কৰাত ১৮৬৭ চনত তেজপুৰ চামিল হল। * * *

"দক্ষিণপাট সত্ৰৰ অধিকাৰ বাসুদেৱ গোসাঁইৰ নিমন্ত্ৰণ পাই ৰাস যাত্ৰা চালোগৈ। মই ঘৰত নথকাত মোৰ দ্বিতীয় সন্তান জন্ম হ'ল নাম চন্দ্ৰকুমাৰ।" * * *

"১৮৭৩ চনত গমিৰি এৰি তেজপুৰৰ নতুন ঘৰলৈ আহিলোঁ। গমিৰি এৰি তেজপুৰলৈ উঠি অহাৰ প্ৰধান কাৰণ এই ল'ৰাহঁতক শিক্ষা দিবৰ তেজপুৰ বিনা ভিন্ন গতি নাছিল। * * *

"বিষ্ণু, চন্দ্ৰ, কণ কলিকতাতে থাকি চিটী স্কুলত পঢ়িছিল।" এইখিনি স্বৰ্গীয হৰিবিলাস আগৰৱালাৰ ডায়েৰীত পোৱা যায়।

আজি এশ বছৰৰ পাছত সেই সময়ৰ কথাই মনলৈ আহিছে। বৃটিছ অসমলৈ আহিবৰ আগতেও আহোম ৰজা-সকলে আধুনিকতাৰ গ্ৰহণ কৰিবলৈকো মনৰ খিড়িকীখন মেলি দিবলৈ দিহা কৰি, সেই সময়ত প্ৰচলন হোৱা যুদ্ধৰ অস্ত্ৰ শস্ত্ৰ কিছুমান আৰু সৈন্য বাহিনীৰ সংগঠনতো নতুন প্ৰণালী সুমুৱা কথা আমি পাও। তেন্তে কিয সোতৰ শতাব্দীত পৃথিৱীলৈ অহা নতুন পোহৰত উন্নতিৰ বাটত খোজ দিবলৈ দিহা কৰিও স্বাধীনতা হেৰুৱাবলগীযা হল আৰু সকলো কথাতে জুৰুলা হবলগীয়া হল ? ইয়াৰ উত্তৰ ৺চন্দ্ৰকুমাৰৰ ভাষাত কবলৈ হলে—

"এক শতাব্দীৰ পূৰ্ব্বে স্বাৰ্থান্ধ কূট মন্ত্ৰণাৰ অবিচাৰ অত্যাচাৰে অসমীযাক জুৰুলা কৰি ভয-ভ্ৰান্তি সংশয় অবিশ্বাসত পেলাই দি মানৰ পিশাচ খেলত অসমীযাৰ ভৰি ভাঙি থৈছে। মানৰ দিনত অসমীয়াৰ জাতীয় জীৱনে কি অধোনতি পাইছিল গৈ সেইদিনৰ বল বুদ্ধি আৰু সাহেই চিনাকি দিছে। তেতিয়াৰ পৰা অসমীযাৰ সমাজ ভাঙিল, অসমদেশ বকৰাণি হল।

বাকৰিত দুই এজোপা গুৰলা গছ পাব পাৰা, কিন্তু অধি কাংশই দুৰ্ব্বল, নিস্তেজ আওকঠীয়া গছ। দেশৰ শতকৰা ৯০ জনৰ অৱস্থা শোচনীয়। সেই পতনৰ শিক্ষাকে সাৰোগত কৰি লৈ এতিয়া আগবাঢিব লাগিব।" এইদৰে এশ বছৰ আগৰ অসমৰ কথা বৰ্ণাই ৺চন্দ্ৰকুমাৰে "সাদিনীয়া অসমীয়া" উলিৱা আৰম্ভ কৰোতে "সঙ্কল্প" বোলা প্ৰবন্ধত (১৯১৮ চনৰ আগষ্টত) লিখিছিল।

আহোম ৰজাঘৰৰ বৰমূৰীয়া বিষয় ববীযাসকলে নিজৰ ভিতৰত শাসনৰ ক্ষমতা লৈ কাজিয়া কৰি মান মাতি আনিলে আৰু পাছত ইংৰাজে মানক খেদি অসমত সোমাল। পোনতে উজনি খণ্ড আহোম ৰাজবংশলৈ এৰি থলেও লাহে লাহে সেই খণ্ডও ইংৰাজৰ তললৈ যাবলগীয়া হল। ইংৰাজে বেপাৰ কৰিবলৈ অহাৰ কাৰণেই শাসনৰ প্ৰকৃত উদ্দেশ্যলৈ মন নিদি বেপাৰ বহলোৱাৰ কথালৈকে মন দিছিল। কোম্পানীৰ কৰ্ম্মচাৰীসকলে কি দৰে ধন ঘটাত লগা বাবে ৰাইজ জুৰুলা হবলগীয়া হৈছিল, সেইটো বুৰঞ্জীৰ কথা।

অসম মানৰ অত্যাচাৰৰ পৰা ৰক্ষা পৰিল সঁচা কিন্তু ঊনবিংশ শতাব্দীৰ পৃথিৱীয়ে যি পোহৰৰ মুখ দেখা পাবলৈ সুযোগ পালে, সেই পোহৰৰ সুবিধা আমি পাওঁতে বহুত দিন লাগিল।

কলংপুৰৰ দৰে এখন আওহতীয়া ঠাইত চন্দ্ৰকুমাৰৰ এশ বছৰ আগতে ১৮৬৭ চনৰ নৱেম্বৰ মাহৰ এনে এটা দিনত জন্ম হল। শিক্ষাৰ অনুষ্ঠানত অসম ভাৰতৰ ভিতৰত বহুতো পাছত থাকিলেও তেওঁ পিতাকৰ যত্নৰ ফলত শিক্ষাৰ সুবিধা পালে। কলিকতাৰ চিটী স্কুল আৰু শেষত প্ৰেছিডেন্সী কলেজত পঢ়িবলৈ সুবিধা পালে। সেই সময়ত দেউতাক আছিল অসমৰ এজন ডাঙৰ সদাগৰ। বেহা বেপাৰত প্ৰতিষ্ঠা লাভ কৰি ধন ঐশ্বৰ্য্যৰ মাজত সচৰাচৰে পোৱা আত্ম সন্তুষ্টিত

তেওঁৰ মনে শান্তি নাপালে। মানুহৰ আধ্যাত্মিক অন্তৰে যিটো বিচাৰে, দেশ আৰু সমাজৰ সেৱা, তালৈকো তেওঁৰ মন বিয়াকুল হৈ উঠিল। তেওঁৰ এই ব্যাকুলতাই তেওঁক নিছিল অসমীয়া পুৰণি সাহিত্য প্ৰকাশৰ আৰু সংগঠনৰ কৰ্ম্মক্ষেত্ৰলৈ।

সেই যুগটো ভাৰতবৰ্ষৰ কাৰণেই এটা এন্ধাৰৰ যুগ আছিল বুলি কব পাৰি। অসম ভাৰতবৰ্ষৰ ভিতৰত তাতোকৈ বেছি এন্ধাৰত আছিল বুলি কলে ভুল কোৱা নহব। ইংৰাজৰ এজন চিন্তাশীল লোকে লিখিছিল—"যিসকলে শিক্ষা পাইছে, তেওঁলোক ইমান স্বাৰ্থান্ধ, তেওঁলোকে নিজৰ স্বাৰ্থত ইমান মগ্ন যে, তেওঁলোকে ব্যক্তিগত স্বাৰ্থ এৰি সমজুৱা স্বাৰ্থৰ বাবে কিবা যত্ন কৰিবলৈ নোলায। দেশৰ মানুহ যেনে বিধৰ শাসনৰ বাবে যোগ্য, তাকে পায।" লিখক জনাই ভাৰতবৰ্ষৰ পৰিস্থিতিলৈ চাযেই ভাৰতৰ শিক্ষিত শ্ৰেণীলৈকে আঙুলিযাই এনে এটা কথা লিখিবলগীযা হৈছিল।

অসমত শিক্ষিত শ্ৰেণী বুলি বৰ সৰহলোকে উচ্চ শিক্ষাৰ পোহৰৰ সুবিধা সেই সমযত পোৱা নাছিল। এফালে স্বাধীনতা হেৰুৱাবলগীযা হল, আনফালে দেশলৈ ইংৰাজৰ লগতে কোম্পানীৰ কৰ্ম্মচাৰী হিচাপে বঙ্গদেশৰো কিছুমান কৰ্ম্মচাৰী আহিল। শাসনৰ কামত সহাযকাৰী হিচাপে আহি তেওঁলোকে অসমীযা ভাষাকো অসমৰ পৰা আঁতৰাবলৈ যত্ন কৰাত লাগিল। ভাৰতৰ খ্যাতনামা বাগ্মীপুৰুষ ছাৰ সুৰেন্দ্ৰ নাথ বানাৰ্জ্জীয়ে "এটা জাতি গঠনৰ বাটত" (A Nation in the making) বুলি লিখা কিতাপখনত ভাৰতীয সংহতিৰ যিবিলাক কথালৈ আঙুলিয়াইছে, সেই সংহতিৰ ভাৱ বঙ্গদেশৰ পৰা অহা সেইসকল লোকৰ অন্তৰলৈ অহা নাছিল। সংকীৰ্ণ প্ৰাদেশিকতাই ভাৰতীয সংহতিৰ উচিত দৃষ্টিভঙ্গী লোৱাত তেওঁলোকক বাধা দিছিল আৰু সেইবাবে ইংৰাজ শাসকৰ লগ হৈ আসামত তেওঁলোকে নিজৰ প্ৰভুত্ব বিস্তাৰত মন দিছিল।

অসমৰ কাৰণে সেইবাবে সেই সময়টো এটা ডাঙৰ বিপদৰ দিন বুলি কব পাৰি। এনে এটা বিপদৰ সময়ত যি কেইগৰাকী লোকে অসমীয়া সাহিত্যৰ বৈশিষ্ট্য পুৰণি অসমীয়া সাহিত্য উদ্ধাৰ কৰি ৰাইজৰ মনলৈ নতুন প্ৰেৰণা আনিবলৈ যত্ন কৰিছিল, সেইসকল লোকৰ ভিতৰত ৺চন্দ্ৰকুমাৰৰ দেউতাকো এজনা আছিল।

দেউতাক ৺হৰিবিলাস আগৰৱালাই ৰাইজৰ সংগঠনৰ কামত মন দিয়াৰ লগতে পুৰণি সাহিত্যৰ উদ্ধাৰত ব্ৰতী হোৱাৰ পৰা পুতেক চন্দ্ৰকুমাৰে প্ৰেৰণা নোপোৱাকৈ নাছিল।

ওপৰত উল্লিখিত ইংৰাজ মনীষী গৰাকীয়ে ১৮৮৫ চনত ভাৰতীয় পৰিস্থিতিৰ কথা আলোচনা কৰি লিখিছিল —"মানুহে জানে কেনেকৈ কাম কৰিব লাগে। ইংৰাজে আঁহি সকলো কামত সোমাই পৰিছে এই অভিযোগ যেন আৰু আপোনালোকে নকৰে। আপোনালোকক নেবাছি ইংৰাজক বাছি কামত লোৱা হৈছে বুলি যেন অভিযোগ নকৰে। কাৰণ আপোনালোকৰ যদি ৰাইজক সেৱা কৰিবলৈ ভাৱৰ অভাৱ হয়, নিজৰ ব্যক্তিগত স্বাৰ্থক তল পেলাই ৰাইজৰ সেৱা কৰিবলৈ ভাৱ নহয়, যি স্বদেশ প্ৰেমৰ ভাৱে ইংৰাজৰ অন্তৰলৈ প্ৰেৰণা আনিছে, যি প্ৰেৰণাই ইংৰাজক ইংৰাজ বুলি চিনাকি দিবলৈ সমল যোগাইছে, সেই প্ৰেৰণা যদি আপোনালোকৰ নাহে, তেন্তে ইংৰাজ আপোনালোকৰ দেশৰ শাসনকৰ্ত্তা অপৰিহাৰ্য্যভাৱে হবলগীয়া হব। আৰু তেওঁলোকে শাসনত অধিষ্ঠিত থাকি আপোনালোকক চলাব-লগীয়া হব। আত্মত্যাগ আৰু নিস্বাৰ্থ সেৱাই হে মুক্তি আৰু আনন্দৰ সন্ধান দিয়ে বুলি সেই চিৰন্তন সত্য উপলব্ধি কৰি যেতিয়ালৈকে কামত নালাগে, তেতিয়ালৈকে পৰাধীনতাৰ শিকলিডালে আপোনালোকৰ ডিঙিত দুখ দিবই।" এইজনা, ইংৰাজ আন কোনো নহয় ভাৰতত জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাতা মহামতি হিউম। ১৮৮৫ চনত মহামতি হিউমে এনে মৰ্ম্মে

ভাৰতীয় শিক্ষিত লোক সকললৈ উদ্দেশ্য কৰি লিখিছিল। আৰু কলিকতাত ছাত্ৰ হিচাপে শিক্ষানুষ্ঠানত চন্দ্ৰকুমাৰৰ অন্তৰতো এইবিলাক কথাই নিশ্চয় প্ৰেৰণা যোগাইছিল। স্বৰ্গগত ডেভিড হেযাৰ, ডিৰোজিও প্ৰভৃতিৰ প্ৰেৰণাত গঢ়ি উঠা প্ৰেছিডেন্সী কলেজৰ পৰিবেশৰ মাজত ৺চন্দ্ৰকুমাৰে দেশ সেৱাৰ প্ৰেৰণা নোপোৱাকৈ কেনেকৈ থাকে ?

সেই সময়ত সমগ্ৰ ভাৰতলৈ এটা জাগৃতিৰ ভাৱ আহিল। দেশ সেৱা, সাহিত্য সেৱা, সমাজ সেৱাৰ কৰ্ম্মক্ষেত্ৰলৈ নানান মানুহ আহিবলৈ ধৰিলে। ভাৰতত যে জাগৰণ আহিল, জাতীয় সংহতিৰ বাবে প্ৰেৰণা শিক্ষিত ভাৰতে পালে, তাৰ কাৰণ কেৱল যে, ৰাজনৈতিক শক্তিবিলাক আৰু পৰাধীনতাৰ বোধেই নহয়। একোটা জাতিৰ জীৱনত একোটা সময়, একোটা মুহূৰ্ত্ত আছে, যি সময়ত সমগ্ৰ জাতিৰ চেতনা উদ্বুদ্ধ হবলৈ ধৰে। প্ৰতীচ্যৰ জাগৰণৰ কথাবিলাক খুঁচৰিলে দেখা পোৱা যায়, প্ৰতীচ্যই পঞ্চদশ শতাব্দীৰ শেহত প্ৰাচ্যৰ ওচৰত পৰাস্ত হৈ নিজক আবিষ্কাৰ কৰিছিল। নিজক আবিষ্কাৰ কৰি শিল্প কলা বিজ্ঞান সকলোতে আগবাঢ়িবলৈ ধৰিলে। ঊনবিংশ শতাব্দীৰ শেহৰ ফালে ভাৰতেও লাহে লাহে নিজক আবিষ্কাৰ কৰিব পাৰিলে। জাতীয় লাঞ্ছনাৰ মাজত বুৰঞ্জীৰ শক্তিয়ে জাতীয় চেতনাক উদ্বুদ্ধ কৰিলে। ৺আনন্দৰাম ঢেকিয়ালফুকন প্ৰভৃতিৰ দৰে মহাপুৰুষসকলে সেই উদ্বোধনক কিছুদিনৰ আগতে আদৰি আনিছিল।

এনে এটা সময়ত অসমে ভাৰতীয় জাতীয় কংগ্ৰেছৰ লগত খোজ লবলৈ যত্ন কৰিলে। কেনেকৈ অসমে ভাৰতৰ ৰাজনীতিত যোগ্য আসন লব পাৰে, তাকে চিন্তিবলৈ ধৰিলে। আনহাতে সাহিত্যৰ উন্নতিকল্পে শিক্ষিত অসমীয়া ডেকাদল ব্ৰতী হল। এই সময়তেই ছাত্ৰাৱস্থাত চন্দ্ৰকুমাৰেও "জোনাকী" নামেৰে এখন মাহেকীয়া কাকত কলিকতাৰ পৰা উলিযায়। জোনাকীৰ "আত্মকথাত" এইদৰে পোৱা যায়,—

"সকলো কথাৰে আৰম্ভণ আছে আমাৰো আত্মকথা আছে। আমাৰ কবলগীয়া বহুত আছে, লাহে লাহে কৈ থাকিম, এই নিমিত্তেই আমি ওলাইছোহি। যেই কামতেই যি হওঁক হাত দিবলৈ গলেই আগেযে নিজৰ পৰিচয় দিব লাগিব এযে সংসাৰৰ নিয়ম। পাঠকক আমাৰ চিনাকি দিবই লাগিব। কিন্তু অনেকে আমাক দেখিযেই চিনিব আৰু কোনোৱেবা আমাৰ নিবুৰ্দ্ধিতাৰ সাহ দেখি হাঁহিব, সন্দেহ নাই। আমি যে, এই বিপদ সাগৰত ভুৰ বান্ধি ল'ৰাৰ দৰে পাৰ হবলৈ ওলাইছো তাক আমি জানোঁ।। অসমত কাকতৰ গতি কচুপাতৰ পানীটুপিৰ দৰে। মানুহৰ চেষ্টা 'অজৰ অমৰ' বুলি জানিহে আমাৰ সাহ, উদ্যোগীযে মৰণ কি কব নোৱাৰে। জীৱনেই হৈছে কাৰ্য্যশীল। কৰিবলগীয়া আমি কৰিমু। ফল লাভ পাছৰ কথা। কামৰ চকৰিৰ তলত বহু মৰেও জীযেও, মৰি জীহে সংসাৰৰ কাৰ্য্য সাধিব পাৰি।

"আমাৰ উদ্দেশ্য কি অনেকেই সুধিব। সম্প্ৰতি ইযাকে কলেই হব যে আমাৰ কাৰ্য্য দেখি আমাক সকলোৱে বুজিব পাৰিব, আমাৰ কামটি বুজিব নোৱাৰা সাথৰ নহয। ৰাজনীতি আমাৰ 'ৰাজ্যৰ' বাহিৰ। এই পৰাধীন দেশত "প্ৰজানীতি" হে ধৰিবলগীযা, সাহিত্য, বিজ্ঞান, সমাজ ইত্যাদি আমাৰ আলোচনাৰ বিষয। এইবিলাক সাধ্যমতে বুজিবলৈ আৰু প্ৰকাশ কৰিবলৈ যত্ন কৰিম। "বাদ" "প্ৰতিবাদ" আমি আদৰেৰে আমাৰ কোলাত ঠাই দিম। সেই বুলি ব্যক্তিগত নিন্দাক ওচৰ চাপিবলৈ নিদিও। ভাষালৈ আমাৰ বিশেষ চকু থাকিব। অসমৰ আটাই শ্ৰেণীৰ মানুহে যেন আমাক মৰম কৰে তালৈ আমি যত্ন কৰিম।

"ন কৈ উঠি অহা অসমৰ নিমিত্তে আমাৰ আটাই শক্তি ব্যয কৰিম। এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ "জোনাক" সুমুৱাব নোৱাৰিলেও যদি নিজে নিজেও যত্নৰ ফিৰিঙতিৰ পোহৰত বাট পাওঁ, তেনে আমাৰ শক্তিৰ

মিছা ব্যয হোৱা নাই বুলি ভাবিম। আমি জানো আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানত ভিক্ষাৰী, ধনত দুখীয়া, সংখ্যা বলত শক্তিহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা আৰু পৰাধীন—কিন্তু আমি নিজ শক্তি অনুযায়ী চাইহে কামত হাত দিব পাৰোঁ। আমি যুক্তিবলৈ ওলাইছো আন্ধাৰৰ বিপক্ষে—উদ্দেশ্য দেশৰ উন্নতি—"জোনাক"। কিমানলৈ আগবাঢ়িব পাৰোঁ সেইটো নিজৰ শক্তি চালনা আৰু সুযোগৰ ওপৰতহে বৈ আছে। আটায়ে উঠি পৰি লাগোহঁক, সুযোগ আপুনি ওলাবহি। পাটীত পৰি দিন গণিবৰ সময নাই। চাৰিওফালে হুৰহুৰাই কাম চলিছে। অসমীযা বহি থাকিবনে? এই ভাপ নাও, ভাপ ৰথ, বিজুলী ডাকৰ দিনতো যদি হাত ভৰি কোচাই বহি থাকোহঁক, তেনে আৰু আগবাঢ়ি যোৱা সকলৰ লগ ধৰাৰ আশা কৰিব নোৱাৰি। আমি নিজকে নিজে যোগ্য নকৰিলে অন্যে কৰি নিদিযেহি। এই সংসাৰেই হৈছে যোগ্যৰ ঘৰ, অযোগ্য অধ পতনলৈ যাব Survival of the Fittest। পাঠকে দায নধৰিব এই খিনিতে সুন্দৰ ইংৰাজী কথা এফাকি তুলি দিলোঁ। তাৰ অৰ্থ ওপৰতে দিযা হৈছে। তুঁহ জুইৰ দৰে অসমীযাৰ তেজ আৰু উৎসাহ এতিযা ভাগ্যৰ জাপৰ তলত লুকাই আছে এবাৰ ভমকাই উঠিবই উঠিব।"

—(জোনাকী ১ম সংখ্যা ১ম বছৰ ১৮১০ শকাব্দ ১৮৮৯ চন)

এইদৰে কলিকতাৰ পৰা চন্দ্ৰকুমাৰে ছাত্ৰ অৱস্থাতেই "জোনাকী" চলোৱাত লাগিল।

কিন্তু সমগ্ৰ ভাৰতত শিক্ষিত সম্প্ৰদাযৰ মাজত যিটো অভাৱ হৈছিল অৰ্থাৎ ব্যক্তিগত সুখ সম্ভোগ ত্যাগ কৰি জাতীয় স্বাৰ্থৰ হকে কাম কৰাটো, সেই ভাৱৰ অভাৱ বোধ কৰোঁ অসমত বেছিকৈযে হৈছিল।

অসমীযা ভাষাত কাকত লাগে ৰাইজৰ অভাৱ অভিযোগ জনাবলৈ লাগে। ৰাহুৰ গ্ৰাসৰ পৰা অসমীয়া ভাষাক মুক্ত কৰি সাহিত্যলৈ জোনাক আনিব লাগে। শিক্ষিত অসমীযা মাত্ৰৰে

এ'ন এটা আকাঙ্ক্ষা আৰু এনে এটা আকাঙ্ক্ষা পূৰণ কৰিবলৈ ৺চন্দ্ৰকুমাৰে "জোনাকী" কলিকতাৰ পৰা উলিয়ালে, কিন্তু সেই কাকত সৰহ দিনলৈ ৰক্ষা কৰিব নোৱাৰিলে। ইয়াৰ পাছত ৺বেজবৰুৱাই "বাঁহী" কলিকতাৰ পৰা উলিওযাতে, অসমীয়া পঢ়ুৱৈ শ্ৰেণীৰ মনোভাৱ ব্যঙ্গ চিত্ৰৰে প্ৰকাশ কৰিবলগীযা হৈছিল "জুগুলী" কাকত মৰিল কিয ?" এইদৰে জোনাকী, বিজুলী, আলোচনী, আসাম বান্ধৱকে আদি কৰি বহুতো কাকতে ক্ষন্তেকলৈ পোহৰ দি নুমাবলগীযা হল।

অসমৰ ৰাযতে অন্তৰৰ দুখ প্ৰকাশ কৰিবলৈ ভাষা নাপাই হাতত টাঙোন লৈ ওলাল গৱৰ্ণমেণ্টৰ বিৰুদ্ধে (উত্তৰ কামৰূপ আৰু দৰঙত)। চাহ বাগিচাৰ বনুৱাই নিমাত হৈ নিৰ্য্যাতন সহি থাকি অসহনীয হওতে হাতত টাঙোন ললে চাহ বাগিচাৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে। অসমীযাৰ অন্তৰত গোট খাই থকা দুখ অসমীযাত প্ৰকাশ কৰিব নোৱাৰিলে। কলিকতাত 'বেঙ্গলী', সঞ্জীৱনী, বসুমতী আদি কাকতে অসমীযাৰ দুখৰ কথা প্ৰকাশ কৰিবলগীযা হল। অসমীযাত বাতৰি কাকত নোহোৱাত ডেকা অসমে কেনেকৈ অসমীযা কাকত উলিযাব পাৰি তাকেই চিন্তা কৰিবলৈ ধৰিলে। এই সমযছোৱা যে অসমৰ কাৰণে কি আছিল, তাকেই আজি মোৰ মনলৈ আহে। যোৱা শতাব্দীৰ শেহৰ ফালে অসমত চীফ কমিশ্যনাৰ হিচাপে থকা ছাৰ হেনৰী কটনে নিজৰ সোঁৱৰণিত লিখিছিল "অসমক ভাৰতৰ (Cindrella) এলাগী ছোৱালী বুলি কোৱা হৈছিল। মোৰ বেজাৰ হয এই প্ৰদেশখনে এতিযাও এই অৱস্থাতেই আছে। দুখুনী ছোৱালী এজনীযে লেতেৰা কাপোৰ কানি পিন্ধি উপকথাৰ কোঁৱৰলৈ বাট চাই আছে। সেই ৰূপকোঁৱৰ জানিবা লৰ্ড কাৰ্জনৰ গাতেই ওলাওক বুলি মই আশা কৰিছিলোঁ। কিন্তু মোৰ সেই আশা পূৰণ নহল। ইমান দিনৰ পৰা বাট চাই থকা কাৰ্জনৰ অসমলৈ আগমন জানিবা ১৯০০ চনৰ মাৰ্চ্চত হ'ল।

"এই দুখুনী ছোৱালীজনীক মৰমৰ মাত দিবলৈ লৰ্ড কাৰ্জনে অলপো যত্ন নকৰিলে। বৰঞ্চ অভিনন্দনৰ উত্তৰত কলে—ভাৰত গৱৰ্ণমেণ্টে আপোনালোকক আওহেলা কৰিছে বুলি আপোনালোকে কোৱাটো ভাল নহয়। আচলতে ভাৰত গৱৰ্ণমেণ্টে আপোনালোকৰ উন্নতিৰ বাবে বৰ যত্ন কৰিছে। কিন্তু অসমৰ দুখৰ আচল কাৰণ হৈছে মি ডিছৰেলীয়ে (বিলাতৰ প্ৰধান মন্ত্ৰী) আযাৰলেণ্ডৰ দুখৰ কাৰণ সম্পৰ্কে কোৱাৰ দৰে, আযাৰলেণ্ড সদায় চকুলো বৈ থকা আকাশ এখনৰ তলত থাকিবলগীয়া হৈছে আৰু আযাৰলেণ্ডৰ চাৰিওকাষে এখন বেজাৰৰ সাগৰ। * * * অসমৰ জলবায়ুই হৈছে অসমৰ উন্নতিৰ বাটত বাধা। ভাৰত-গৱৰ্ণমেণ্টৰ পৰা আৰ্থিক সহায়ৰ অভাৱ হোৱা বুলি আপোনালোকে আপত্তি কৰিছে, কিন্তু মই বছৰেকীয়া হিচাপ পৰীক্ষা কৰিলে পাওঁ যে, প্ৰকৃততে ইয়াৰ বিপৰীত। তেওঁ আসাম বেঙ্গল ৰেলৱেত যিটো খৰচ হল আৰু বাটটো বান্ধোতে বসতি নথকা অঞ্চলৰ মাজেদি নিনি আনফালে নিয়া বাবে বছৰি যিটো লোকচান হব ধৰিছে তালৈকে আঙুলিয়ালে। আসাম বেঙ্গল ৰেলৱে হৈছে এটা উচ্চ পৰ্য্যায়ৰ ৰাজনৈতিক কাম। ইয়াত স্থানীয় স্বাৰ্থৰ বিচাৰ অতি সামান্য। যিয়েই হওঁক, জীৱনৰ এটা অৱসাদৰ মুহূৰ্ত্তত এই দুখুনী ছোৱালীজনীলৈ উৎসাহপূৰ্ণ এটা আশাৰ বাণী তেওঁৰ নাছিল।"

লৰ্ড কাৰ্জন অসমলৈ অহাৰ সময়ত ছাৰ হেনৰী কটন অসমৰ চীফ কমিশ্যনাৰ আছিল। তেওঁ বৰ আশা কৰিছিল যে লৰ্ড কাৰ্জনে অসমক সহায় কৰি উন্নতিৰ বাটত আগবঢ়াই নিব। কিন্তু সেই আশা পূৰণ নহল। সোঁৱৰণীত (২৪৪ পৃষ্ঠা) তেওঁ বেজাৰ কৰি আৰু কৈছে "মই নভবা নিচিন্তাকৈ অসমক বুজাইছিলো উপকথাৰ বুঢ়ী আই আহিব লাগিছে। মোৰ ভুল হল, কিন্তু তাতোকৈ এইটো মোৰ দুৰ্ভাগ্য যে, অসমক উপকথাৰ কোঁৱৰৰ সমুখলৈ আগবঢ়াই নিব নোৱাৰিলোঁ।"

লৰ্ড ৰোনাল্ডশ্বেই লিখা লৰ্ড কাৰ্জনৰ জীৱনীত পোৱা যায় যে ডিব্ৰুগড়ত চাহ খেতিয়কসকলৈ কাৰ্জনৰ শলাগ আৰু অসমীয়াই এৰো নকৰা বুলি অসমীয়াৰ সম্পৰ্কে মন্তব্য।

ছাৰ হেনৰী কটনে তেওঁৰ গৌৰৱণত আৰু এটা কথা লিখিছে—"অসমৰ শাসনৰ আঁৰত এটা ডাঙৰ আৰু স্বতন্ত্ৰীয়া প্ৰশ্ন ভূতৰ দৰে ভুমুকি মাৰি আছে। প্ৰশ্নটো হৈছে আন প্ৰদেশৰ পৰা অনা হেজাৰ হেজাৰ অসহায় বনুৱা তেওঁলোকে চাহ বাগিচাবিলাকত কাম কৰিবলৈ হাজাৰ মাইল দূৰৰ পৰা ৰেল জাহাজ কত ৰকমৰ যান বাহনত আহিবলগীয়া হৈও প্ৰয়োজনৰ জোখাই মজুৰী নাপায়। ৩০ বছৰ আগতে বঙ্গদেশৰ শাসনকৰ্তা ছাৰ জৰ্জ্জ কেম্পবেলে প্ৰাদেশিক কাউন্সিলৰ সভাপতি হিচাবে কবলগীয়া হৈছিল যে, এই বনুৱাবিলাকক ক্ৰীত দাসৰ দৰে কামত লগোৱা হৈছে।" এইদৰে ছাৰ হেনৰী কটনে জীৱন গৌৰৱণত আলোচনা কৰিছিল।

লৰ্ড কাৰ্জনৰ বঙ্গ বিভাজন ভাৰতৰ ৰাজনীতিত সেই সময়ত এটা ডাঙৰ ঘটনা। পূৰ্ব্ব বঙ্গৰ লগত অসমক সাঙুৰি দিয়াত অসমীয়াৰ মনলৈ নানান প্ৰতিক্ৰিয়াৰ ভাৱ নহা নহয়। কিছুমানৰ মনলৈ ভাব আহিল পূৰ্ব্ব বঙ্গৰ লগতে অসমেও উন্নতিৰ বাবে আৰ্থিক সহায় পাব। কিছুমানৰ মনলৈ ভাৱ আহিল এনেযে অসমীয়াই চাকৰি বাকৰিত ন্যাৰ্য্য অংশ পোৱা নাই, তাতেই পূৰ্ব্ব বঙ্গ জাপি দিয়াৰ ফলত জানোচা আৰু বেয়া হয়। যিয়েই নহওঁক পূৰ্ব্ব বঙ্গৰ লগত অসমক লগ লগোৱাৰ ফলত এটা কথা হল যে অসমে এই ছেগতে কাউন্সিল পৰ্য্যায়ৰ এটা ৰাজনৈতিক অনুষ্ঠান পালে আৰু এনেবিধৰ কাউন্সিলত অসমৰ প্ৰতিনিধি কেইজনমানে মনৰ কথা প্ৰকাশ কৰিবলৈ সুযোগ পালে। চন্দ্ৰকুমাৰৰ দিনত এয়ে অসমৰ অৱস্থা আছিল।

ভাৰতবৰ্ষৰ বুৰঞ্জীৰ নানান ঘটনাৱলীৰ মাজেদি অসমে ১৯১৭ চনত ভৰি দিলে। বৃটিছ সাম্ৰাজ্য বিশ্ব মহাযুদ্ধত বিপন্ন ভাৰতৰ আন প্ৰদেশৰ দৰে অসমেও বৃটিছ সাম্ৰাজ্যক সহায় কৰিবলৈ আগবাঢ়িল। কমন্স সভাত মণ্টেগুৰ ভাৰতত দায়িত্বপূৰ্ণ শাসন প্ৰতিষ্ঠাৰ ঘোষণাই এটা নতুন যুগৰ ইঙ্গিত দিলে। দায়িত্বপূৰ্ণ শাসন প্ৰতিষ্ঠাৰ এই আশ্বাসত অসমৰ মনলৈকো নতুন আশা আহিল।

১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাতা হিউমে শিক্ষিত ভাৰতীয়লৈ লক্ষ্য কৰি যিবিলাক মানসিক ভাৱৰ অভাৱলৈ আঙুলিয়াইছিল আৰু দেশখন গঢ়িবলৈ যিবিলাক ভাৱৰ প্ৰযোজন বুলি কৈছিল তেনে ভাৱ তেতিয়া-লৈকে অসমীযাৰ প্ৰাণলৈ বৰকৈ অহা নাছিল। অসমীযাক লাগে—দেশখনক ভাল কৰিবলৈ লাগে, উন্নতিৰ বাটত আগ-বঢ়াই নিব লাগে, এইবিলাক কাম কৰে কোনে? সৰহ ভাগ শিক্ষিত অসমীযাৰ সমুখত লক্ষ্য চৰকাৰী চাকৰি, দেশ গঢ়িবলৈ যি ত্যাগ লাগে, সেই ত্যাগৰ ভাৱৰ অভাৱ।

৺চন্দ্ৰনাথ শৰ্ম্মা আৰু ৺অম্বিকাগিৰী ৰাযচৌধুৰীযে লগ লাগি গুৱাহাটীৰ পৰা 'চেতনা' নাম দি এখন মাহেকীযা কাকত উলিযালে। 'চেতনা'ই ডেকা অসমীযাৰ প্ৰাণলৈ চেতনা আনিবলৈ ব্ৰতী হ'ল। যোৰহাটৰ পৰাও ৺কৃষ্ণকান্ত ভট্টাচাৰ্য্যদেৱৰ পৰিচালনাত "আসাম বিলাসিনী" ওলাল। চাকৰি বাকৰিত অসমীযাৰ দুখৰ কথা প্ৰকাশ কৰিবলৈ ধৰিলে। কিন্তু এইবিলাক কাকত ধন আৰু সংগঠনৰ অভাৱত সৰহ দিন জীযাই থাকিব নোৱাৰিলে।

এনে পৰিস্থিতিত ডিব্ৰুগড়ত চন্দ্ৰকুমাৰৰ উদ্যোগত আসাম প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিছাৰ্চ নামৰ এটা কোম্পানী গঠিত হল,— উদ্দেশ্য অসমত বাতৰি কাকত চলোৱা। অসমৰ ৰাজনীতিত ইংৰাজ চাহ খেতিযকসকলৰে প্ৰতিপত্তি। চাৰ জন হেনৰী কটনৰ দৰে লোক এজনেও এই বাবে চীফ, কমিশ্যনাৰৰ

বাবৰ পৰা পদত্যাগ কৰিবলগীয়া হৈছিল। দায়িত্বপূৰ্ণ শাসন প্ৰতিষ্ঠাৰ সময়ত ইংৰাজ চাহ খেতিয়কৰ সংগঠিত শক্তিৰ লগতে পক্ষপাতী ৰাজশক্তিৰ প্ৰভাৱৰ মাজত কেনেকৈ ৰাইজৰ সেৱা কৰিব পাৰি, কেনেকৈ অসমীয়াৰ মনলৈ নতুন উদ্দীপনা আনিব পাৰি, এযে সকলোৰে মনলৈ আহিছিল। ইংৰাজ চাহ খেতিযকৰ চিন্তা আছিল অসমক কেনেকৈ কাউন্সিল পৰ্য্যাযৰ এটা ৰাজনৈতিক অনুষ্ঠানৰ পৰা আঁতৰত ৰাখে।

কেইবাখনো বাতৰি কাকত জন্ম দি ডিব্ৰুগড়ে ৺চন্দ্ৰ-কুমাৰৰ নেতৃত্বত সাদিনীয়া অসমীয়াৰ জন্ম দিলে (১৯১৮ চন, আগষ্ট)। ৺চন্দ্ৰকুমাৰে লিখিলে—“বিশ্ব নিযন্তাক প্ৰণিপাত কৰি, অসম দেশৰ সমূহ ৰাইজলৈ নমস্কাৰ জনাই অসম মাতৃৰ সেৱা মূৰত তুলি লৈ সাধ্য অনুসৰি ৰজা আৰু ৰাইজৰ প্ৰতি কৰ্ত্তব্য সাধিবলৈ আজি অসমীযাই সঙ্কল্প কৰিছে।

“কৰ্ত্তব্য সাধনলৈ বল লাগে। অসমীয়া যেনে নিশকতীয়া হৈ পৰিছে, যি দুৰৱস্থাত পোত গৈ আছে অসমীযাই ভুলতো ভাবিব পৰা নাই এই জাতিৰ গাত কিবা গুণ আছে নে? অলপ আগৰ কথা। এই জাতিযেই দিল্লীৰ সম্ৰাটৰ সেনাপতিৰ পৰা একো একোজনেই দহজনৰ কাম কৰিব জানে বুলি সুখ্যাতি পাইছিল। এতিযাও গাঁৱে গাঁৱে অসমীয়া গৃহস্থ দেখিবলৈ পাওঁ সকলো কাম নিজ হাতে কৰি সংসাৰ চলাইছে। কামৰ মৰ্য্যাদা বুজা মানুহ এই দেশত এতিযাও নোহোৱা নহয। কিন্তু অসমীয়াৰ কৃতিত্ব এতিযা তল পৰিছে।

“হে অসমীযা, ভাব সংশয দূৰ কৰা। তোমালোকৰ এজন দুজনে মৰুভূমিৰ মাজত জীপ লৈ ঠন ধৰি কেইদিন জীযাই থাকিব পাৰিবা? অকলে মূৰ দাঙি জিলিকি কেইদিন থাকিব পাৰিবা? লগে লগে সমাজক উন্নত কৰি ললেহে স্থাযী হৈ তিষ্ঠিব পাৰিবা। দকৈ ভাবি চোৱা, দেশৰ মঙ্গল,

জাতিৰ মঙ্গল হে তোমাৰ মঙ্গল। তোমাৰ নিজা জাতিৰ সেৱাৰ বাহিৰেনো তোমাৰ জীৱনত আৰু অধিক কি কৰিব-লগীয়া আছে? তোমাৰ চেষ্টাৰ ওপৰতে তোমাৰ দেশৰ জীৱন, নতুবা দেশ মৰা। জীৱনৰ লক্ষণ হৈছে চেষ্টা। চেষ্টাক জীয়াই ৰাখি আত্মশক্তিৰ বিকাশ হবলৈ দিয়া। আত্মশক্তিৰ ওচৰত সকলো পদানত হব, ঘটনাচক্ৰ হাতলৈ আহিব। তোমাৰ দেশ সুখ স্বচ্ছন্দতাৰ ঠাই হব, প্ৰীতি বিশ্বাসৰ ঠাই হব। দেশবাসীৰ মনৰ দুখ কষ্ট দূৰ হব দেশত পুৰুষ উপজিব, আওকঠীয়া হাবি বনৰ লাহে লাহে ওৰ পৰিব। তোমাৰ মাতৃভূমি বাস্তৱিকতে স্বৰ্গতকৈও অধিক হব। সকলোৰে কায বাক্য মন, সকলোৰে হিতৰ অৰ্থে, সমূহৰ সেৱালৈ উছৰ্গা হওঁক। 'অসমীয়া'ই অসমীয়াৰ সেৱালৈকে জন্ম ধৰিছে। অসমীয়াই নিজে নিজৰ কাম কৰিব লাগিব।

"এতিয়াও বাতৰি কাকত অসমত ন বস্তু। পূৰ্ব্বে দেশৰ বাতৰি ই মূৰৰ পৰা সি মূৰলৈ 'কিংবদন্তি' ৰূপেহে উৰাও মাৰি ফুৰিছিল। জনৰবৰ ওপৰত বিশ্বাস কৰাৰ বাহিৰে সাধাৰণ লোকৰ আৰু আন কোনো বুজ বাতৰিৰ উপায়েই নাছিল। দেশত শিক্ষা বিস্তাৰৰ লগে লগে বাতৰি কাকতেও ভুমুকা ভুমুকি কৰিছেহি। আকৌ বাতৰি কাকতৰ লগে লগে দেশত শিক্ষা বিস্তাৰ আৰু আলোচনাৰ উপায় ওলাইছে। বাতৰি কাকত সাহিত্যৰ বাহন স্বৰূপ। জাতীয় জীৱনৰে সৈতে বাতৰি কাকতৰ অটুট সম্বন্ধ। দেশৰ অৱস্থাৰ ভূ ভা বুজ বাতৰিৰ গঢ় লগাই দি ৰাইজৰ কৰাই বাতৰি কাকতৰ কাম। সভ্য দেশত বাতৰি কাকতসমূহ বৰ লাগতিয়াল অঙ্গ। ইংলণ্ডত "টাইমছে" আজি যি ভাৱে, ইংলণ্ডে কালিলৈ তাকে ভাবিব। সেয়ে দেশৰ ভাব। 'টাইমছে' আজি যি কয়, ইংলণ্ডে কালিলৈ তাকে কব সেয়ে দেশৰ মত। 'টাইমছে' আজি যি কামলৈ উদগায়, ইংলণ্ডে কালিলৈ তাকে কৰিব সেয়ে দেশৰ কাম।

"ৰাইজৰ দূত স্বৰূপে সদায় সচেতন থাকি, অন্যায় অত্যাচাৰৰ আসোঁৱাহ-অভাৱ অসুবিধা উলিয়াই দি দুখ দুৰ্দ্দশাৰ কাৰণ ঘুকটি প্ৰকাশ কৰি উচিত বিধি ব্যৱস্থাৰ আলোচনা কৰি দেশ বিদেশৰ নানা কথা বিচাৰি, দেশক মঙ্গলৰ বাটত আগবঢ়াবলৈ বাতৰি কাকতৰ চেষ্টা। সমাজৰ কামলৈ, ৰাইজৰ হিতৰ কাৰণে সমূহৰ আদেশ প্ৰচাৰৰ অৰ্থে বাতৰি কাকত লাগে। দেশৰ ভাৱ আৰু মত প্ৰকাশৰ সুবিধা লগাই দি সকলোৰে যত্ন চেষ্টা লগ লগাবলৈ আৰু সমূহীয়া কামৰ এটা গঢ় দিবলৈ আমাৰ সদায় চেষ্টা থাকিব।

"চেষ্টাৰ বাটত অনেক বিঘিনি। চেষ্টাৰে গুচাবলৈকে বাধা বিঘিনি আছে। চেষ্টা নাথাকিলে বিঘিনিৰ হাতত গুড়ি হব লাগিব। এই বিপদৰ পৰা উদ্ধাৰেই সেৱা। সমিধান নোপোৱাকৈও সেৱক আগবাঢ়িছে। দেশৰ মানুহ একে সেৱাৰ সেৱক হওঁক এয়ে আমাৰ প্ৰাৰ্থনা"।

এই সঙ্কল্প লৈ ৺চন্দ্ৰকুমাৰে সাদিনীয়া অসমীয়া দেশ-বাসীৰ সন্মুখলৈ আগবঢ়ালে। আসাম প্ৰিণ্টাৰ্ছ কোম্পানীৰ ডিৰেক্টৰসকলে খ্যাতনামা উকীল ৺সদানন্দ দুৱৰাক সম্পাদকৰ পদত নিযুক্ত কৰিলেও প্ৰথম সংখ্যাৰ সম্পাদকীয় স্তম্ভত কবি ৺চন্দ্ৰকুমাৰ আগৰৱালাই লিখিবলগীয়া হৈছিল। সেই সময়ৰ ডেকা কৰ্ম্মী বাগ্মীবৰ নীলমণি ফুকনো তেওঁৰ সহায় হল।

"অসমীয়া" নাম দি সাদিনীয়া বাতৰি কাকত উলিওৱাত সম্বলপুৰৰ পৰা ৺বেজবৰুৱাই লিখিলে—

"কাকত খনৰ নামেই প্ৰাণ আকুল কৰে * * আজি কত বছৰ কালৰ বুকুত মাৰ গল। এই 'অসমীয়া' নাম দি এখন অসমীয়া সাদিনীয়া বাতৰি কাকত উলিয়'বলৈ আমি কত আলচিছিলোঁহঁক, কত পাঙিছিলোঁহঁক, সময়ৰ সোঁতত আমি কোন কেনি উটি গলোঁহক। পাৰিপাৰ্শ্বিক অৱস্থাৰ পচোৱা বতাহত আমি কেনি ছেদেলি ভেদেলি হৈ পৰিলোঁহঁক। মনৰ আশা মনতে বৈগল। * * *

সেই অসমীয়া আজি চকুৰ আগত। কি আনন্দ! কি সন্তোষ! কি জয় জয়কাৰ! অসমীয়াৰ গুৰিত, হাতত গুৰি বঠা লৈ সেই আমাৰ 'জোনাকীৰ' গুৰিয়াল। "অসমীয়া" ভয় নাই পাৰি দিয়া। তোমাৰ গুৰিত পৈণত মাঝী"

এইদৰে বেজবৰুৱাই প্ৰবাসৰ পৰা 'অসমীয়া' লৈ আশীৰ্ব্বাদ পঠালে।

ভাৰতৰ বুৰঞ্জীত এই কেইবছৰ অৰ্থাৎ অসহযোগ আন্দোলন আৰম্ভ হবৰ পূৰ্ব্বৰ বছৰ কেইটা ভাৰতবাসীৰ ওচৰত সদায় মনত থাকিব। ভাৰতবাসী এটা নতুন যুগৰ দুৱাৰ দলিত থিয় দিবলৈ ওলাইছে। ভাৰতৰ জাতীয় কংগ্ৰেছে ১৮৮৫ চনৰ পৰা অতদিন এন্ধাৰৰ মাজেদি বাট খেপিযাই এটা নতুন বাটৰ সন্ধান পাব ধৰিছে।

ভিকহুৰ মনোবৃত্তিৰে কংগ্ৰেছৰ বছৰেকীয়া অধিবেশনত কিছুমান প্ৰস্তাৱ গ্ৰহণৰে আগবাঢ়িব নোৱাৰি বুলি এটা ভাৱ ভাৰতবাসীৰ মনলৈ আহিব ধৰিছে। এনেতে মহাত্মা গান্ধী দক্ষিণ আফ্ৰিকাৰ পৰা ভাৰতলৈ আহিল। ভাৰত বাসীয়ে পোহৰ দেখা পালে। আৰু তেওঁ অসমলৈকো আহিল। এনে ধৰাৰ পৰিবৰ্ত্তনৰ দুৱাৰ দলিত থিয় দিওঁতে কবি চন্দ্ৰকুমাৰৰ অন্তৰলৈ এটা নতুন প্ৰেৰণা আহিল। 'সাদিনীয়া অসমীয়া'ত কবিতাৰে লিখিলে—

"এন্ধাৰ কুঞ্জত নামে স্বৰ্গৰ ৰহণ
উদ্দীপ্ত পৰাণ মোৰ নৱ পৰশত
ছিগিল হৃদয় গ্ৰন্থি গুচিল সংশয
নতুন বলেৰে বলী মুকলি বিশ্বত
নি কিন সেৱক মই নতকৰোঁ শিৰ
পূণ্যাত্মা মহাত্মা গান্ধী ভক্ত কৰ্ম্মবীৰ।"

এইদৰে ১৯২১ চনত 'সাদিনীয়া অসমীয়া'ই অসহযোগ আন্দোলনৰ সকলো বাতৰি প্ৰচাৰ কৰি অসমীয়া ৰাইজক সেৱা কৰিবলৈ ধৰিলে। মহাত্মাৰ অসম ভ্ৰমণ, ৰাইজৰ অভুত-

পূৰ্ব্ব জাগৰণ, মহাত্মাৰ বাণী, দেশভক্ত ফুকন, কৰ্ম্মবীৰ বৰদলৈ প্ৰভৃতিৰ মাজুলী ভ্ৰমণ, বকোত ৰেবষ্টাৰ চাহাবৰ বিপত্তি, চাহবাগিচাৰ হাটত ৰাইজৰ লগত চাহ খেতিয়কৰ সংঘৰ্ষ, সকলো বাতৰি প্ৰচাৰ কৰি অসমৰ জন জাগৰণত অসমীয়াই সহায় কৰিবলৈ ধৰিলে।

১৯২২ চনৰ জানুৱাৰী মাহ। গৱৰ্ণমেণ্টৰ নিষ্ঠুৰ দমন নীতিত অসমৰ নেতৃস্থানীয় লোকসকল কাৰাগাৰত বন্দী। মহাত্মাৰ প্ৰেৰণাত এই নিষ্ঠুৰ নিৰ্য্যাতনৰ মাজতো অসমৰ জাগ্ৰত জনতাই বুকুত বল বান্ধি থিয় দিছে। এনে এটা পৰিস্থিতিত অসমীয়াৰ মনত ভীতি সঞ্চাৰ কৰিবলৈ অসমৰ গাঁৱে গাঁৱে সশস্ত্ৰ সৈন্য বাহিনীৰ 'মাচঁৰ' দিহা হল। এই দমন নীতিৰ ফলত আগ ত উল্লেখ কৰা সুন্দৰীদিয়াৰ ঘটনা হল আৰু 'সাদিনীয়া অসমীয়া ৰ ওপৰত মোকৰ্দ্দমাৰ অৱতাৰণা কৰা হল। গৱৰ্ণমেণ্টে ভাবিছিল মোকৰ্দ্দমাৰ নোটিছ পালেই 'সাদিনীয়া অসমীয়া' দেৱ খাব আৰু ক্ষমা প্ৰাৰ্থনা কৰিব। কিন্তু আসাম প্ৰিণ্টাছ কোম্পানীৰ মেনেজিং ডিৰেক্টৰ ৺চন্দ্ৰকুমাৰে প্ৰকাশিত বাতৰিৰ সত্যতা সম্পৰ্কে অনুসন্ধান কৰি আদালতৰ সন্মুখীন হবলৈকে স্থিৰ কৰিলে। অসমীয়া কাকতৰ সম্পাদক আছিল ৺মহেশ্বৰ বৰুৱা আৰু প্ৰিণ্টাৰ আছিল তুলসী গগৈ।

এনে এটা পৰিস্থিতিত ভাৰতীয় বাতৰি কাকতৰ যি হয়, সাদিনীয়া অসমীয়াৰো সেযে হল—অৰ্থাৎ দণ্ড। যি সঙ্কল্প লৈ 'সাদিনীয়া অসমীয়া' উলিবা হৈছিল, ৺চন্দ্ৰকুমাৰে সেই সঙ্কল্প পৰিহাৰ কৰি আন বাট নললে। ইয়াৰ বাবে তেওঁ যথেষ্ট ক্ষতি স্বীকাৰ কৰিবলগীয়া হল।

বাতৰি কাকত, ছপাখানা অসমত ভালকৈ সুপ্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰাটো যেন তেওঁৰ জীৱনৰ এটা 'মিশ্যন' আছিল। তেওঁ ডিব্ৰুগড়ত আসাম প্ৰিণ্টাৰ্ছ আৰু পাব্লিছাৰ্ছ কোম্পানী গঠন কৰাৰ পাছত মহাৰাষ্ট্ৰৰ পৰা আহি ৺ৰামচন্দ্ৰ

ব্ৰহ্মচাৰী নামৰ এগৰাকী কৰ্ম্মী আছি তেওঁৰ লগ ললেহি। পুনাত ৺লোকমান্য তিলকৰ লগত 'কেশৰী' বোলা কাকতত তেওঁ কাম কৰিছিল।

"সাদিনীযা অসমীযা" ছপা হৈছিল 'হেণ্ড' প্ৰেছত। এনেজাৰ কাকত ছপা কৰি উলিওৱাতে বহুতো সময লাগে। সেই বাবে কেনেকৈ যন্ত্ৰেৰে চলাব পৰা ছপাখানা আনি বহুৱাব পাৰি এযে তেওঁৰ চিন্তা হল। এই সমযত কলিকতাত "ইংলিছমেন" বোলা কাকতখনৰ ছপাখানা বিক্ৰী হোৱাৰ সম্ভেদ পাই এই ছপাখানা নিজৰ হিচাপে কিনি আনি গুৱাহাটীৰ খাৰঘুলিত বহুৱালে। ইযাৰ আগতে ৺বেজবৰুৱাই কলিকতা এৰি সম্বলপুৰলৈ যাবলগীযা হৈছিল আৰু সেইবাবে কলিকতাৰ পৰা মাহেকীযা 'বাঁহী'খন চলোৱাত বৰ অসুবিধা হৈছিল। সেইবাবে "বাঁহী"ৰ আৰ্থিক দাযিত্বকে আদি কৰি সকলো দাযিত্ব ৺চন্দ্ৰকুমাৰেই ললে আৰু এইদৰে ১৯২১ চনৰ পৰা ১৯৩৩ চনলৈকে চলালে। এই প্ৰবন্ধ লিখকে বাঁহীৰ দাযিত্ব লবলৈ ওলোৱাত গতাই দিলে।

ডিব্ৰুগড়ত আসাম প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিছাৰ্ছ কোম্পানী সংগঠন কৰি সাদিনীযা অসমীযা প্ৰকাশ কৰি থাকিলেও কাকতখনে গ্ৰাহকৰ সংখ্যা বঢ়োৱাত বৰ আগবাঢ়িব পৰা নাছিল। তালিকাত নাম বহুতৰে আছে অথচ বছৰেকীযা বৰঙণি দিযাত আগ্ৰহ নাই। ভি, পি কৰি বৰঙণি আদায কৰিবলৈ যত্ন কৰিলেও ভি, পি গ্ৰহণ নকৰি বাতৰি কাকতৰ আৰ্থিক সমলৰ হানি কৰে। এই অৱস্থাত কি কৰিলে এই কাকতখনৰ উন্নতি কৰিব পাৰি এযে চন্দ্ৰকুমাৰৰ চিন্তা হল। এফালে পঢ়ুৱৈ শ্ৰেণীৰ এনে এটা মনোভাৱ, আনহাতে চৰকাৰৰ কোপ দৃষ্টি আছেই। কিবা সুবিধা পালেই যেন, আইনৰ জাল পেলায। চাহ বাগিচা খুলিবলৈ মাটি দিযালৈ ইংৰাজ চাহ খেতিযকলৈ চৰকাৰৰ পক্ষপাতিত্বত 'সাদিনীযা অসমীয়া'ই সমালোচনা কৰি মন্তব্য কৰিলে "তেজ ধুলে

উটে, মঙ্গহ ধুলে মুটে।” লক্ষীমপুৰ জিলাৰ ডেপুটী কমিশ্যনাৰ ফিলিপছন চাহাবে এনে এটা অসমীয়া ফকৰা মুবুজি সম্পাদকক মাতি পঠালে। সম্পাদকে অসমীয়া ফকৰাৰ তাৎপৰ্য্য বুজাই দিয়াতহে জানিবা নিৰুত্তৰ হল।

ডিব্ৰুগড়ৰ তিলৈজান বাগিচাৰ মাটি সংক্ৰান্ত এটা বাতৰি প্ৰকাশ হোৱাত অসম গৱৰ্ণমেণ্টৰ চীফ চেক্ৰেটাৰীয়ে সম্পাদকক মাতিলে। গৱৰ্ণমেণ্টৰ প্ৰতিবাদ প্ৰকাশ কৰা হব নে সুধিলত সম্পাদকেও উত্তৰ দিলে বাতৰিৰ অসত্যতা থাকিলে নিশ্চয় কৰিব। কিন্তু এই বাতৰিৰ প্ৰতিবাদ গৱৰ্ণমেণ্টৰ ফালৰ পৰা দিয়া নহল। বাগিচাৰ মাটি পত্তনত পক্ষপাতিতাই এই বাতৰিৰ বিষয় বস্তু আছিল। যোৰহাটত ৰাজহুৱা ৰজাদিনীয়া আলি লৈ চাহ বাগিচাৰ কৰ্ত্তৃপক্ষৰ লগত গাঁৱলীয়া ৰাইজৰ মনোবাদ আৰু অৱশেষত আদালতত মোকৰ্দ্দমা হোৱাত সাদিনীয়া অসমীয়াই নিজস্ব সংবাদ দাতা পঠাই এই বাতৰিৰে অসমীয়া ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিলে। গোলাঘাটৰ বালিজান বাগিচাৰ এজন বনুৱাই (নাম তেহলু) উখা বাগিচালৈ মিতিৰ কুটুমৰ ঘৰলৈ যাওঁতে বাটত মেনেজাৰৰ লগত দেখা হল আৰু মেনেজাৰে (বেটী চাহাব) ঘোঁৰাৰ ওপৰত উঠি থকা অৱস্থাৰ পৰাই তেহলুক গোৰ মাৰিলে। গোৰ পৰিল তেহলুৰ পেটত। তেহলুৰ প্লীহা ফাটি যোৱাত মৃত্যু হল। ততালিকে এই বাতৰি ‘অসমীয়া’লৈ আহিল আৰু এই ঘটনাৰ সকলো কথা প্ৰচাৰ কৰাত ‘অসমীয়া’ই যত্ন কৰিলে। কলিকতাৰ ৺দেশবন্ধু চিত্তৰঞ্জন দাসে প্ৰতিষ্ঠিত কৰা দৈনিক ‘ফৰৱাৰ্ডে’ও সম্পাদকীয় স্তম্ভত তেহলু শিৰোনামাত প্ৰবন্ধ লিখিলে। যি হওক পূৰ্ব্বৰ দৰে এই বিচাৰ দূষিত নহল, কাৰণ ‘অসমীয়া’ৰ জৰীয়তে ভাৰতৰ ৰাইজৰ চকু এই বিচাৰৰ ওপৰত আছিল। আদালতত ‘অসমীয়া’ই সংবাদ দাতা নিযুক্ত কৰাত সকলো কথা প্ৰকাশ হৈ আছিল। বিচাৰকে জানিবা বেটী চাহাবক আঠে বছৰৰ সশ্ৰম কাৰাদণ্ড দিবলগীয়া হ’ল।

১৯২৬ চনৰ ডিচেম্বৰ মাহ। গুৱাহাটীত কংগ্ৰেছৰ অধিবেশন বহিল। গোটেই অসমৰ মানুহ গুৱাহাটীত উবুৰি খাই পৰিল। সকলোকে কংগ্ৰেছৰ বাতৰি লাগে। এই চাৰিদিন "অসমীয়া" দৈনিক হিচাবে ওলাই কংগ্ৰেছৰ বাতৰি জানিবলৈ দি অসমৰ ৰাইজৰ হেঁপাহ পূৰালে।

১৯৩০ চনৰ ১ জানুৱাৰীৰ আগদিনা নিশা লাহোৰত বহা কংগ্ৰেছে স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। গুৱাহাটীত সাদিনীয়া অসমীয়াই তিনদিনীয়া হৈ 'বন্দে মাতৰম্' শীৰ্ষক প্ৰবন্ধৰে এই নতুন বছৰ সাদৰি আনিলে।

"আজি অমৃতৰ সন্ধান মিলিছে সেই অমৃতৰ সন্ধানত তীৰ্থ যাত্ৰী হৈ ওলাওঁতে তিনদিনীয়া অসমীয়াই বিচাৰিছে ৰাইজৰ মঙ্গল আশীৰ্ব্বাদ, ৰাইজেই ৰজা, ৰাইজৰ সেৱা প্ৰকৃত সেৱা বুলি ৰাইজলৈ মূৰ দোঁৱাই কাৰ্য্যক্ষেত্ৰত আমি আগবাঢ়িলোঁ। "বন্দে মাতৰম" এয়ে তিনদিনীয়া অসমীয়াৰ নিবেদন আছিল।

এইদৰে তিনদিনীয়া অসমীয়াই ভাৰতৰ পূৰ্ব্ব প্ৰান্তত থকা অসমৰ জনতাক মুক্তি আন্দোলনলৈ আগবঢ়াই নিয়াত লাগিল। অসমৰ ৰাজনীতিত সেই সময়ত এটা শিথিলতা আহিছিল। ৺দেশভক্ত ফুকন প্ৰমুখ্যে কিছুমানৰ ভাৱ আছিল অসম এই আন্দোলনৰ পৰা আঁতৰি থকাৰ প্ৰয়োজন। কাৰণ অসমৰ সমস্যা সুকীয়া। কেই বছৰ মান আগতে গুৱাহাটীৰ পাণ্ডুত পতা কংগ্ৰেছ অধিবেশনৰ খৰচ যোগাবলৈ অসমৰ্থ হোৱাত নেতাসকল জুৰুলা হৈছিল। এই অৱস্থাত মুক্তি আন্দোলনৰ বাবে প্ৰযোজনীয় ত্যাগ কৰিবলৈ তেওঁলোক অসমৰ্থ হল। এনে এটা সঙ্কটজনক মুহূৰ্ত্তত তিনদিনীয়া অসমীযাই সাহেৰে সৈতে এই মুক্তি আন্দোলনত সমৰ্থন জনোৱাটো ডাঙৰ কথা আছিল। এফালে অসমৰ নেতাসকলৰ মনোভাৱত দ্বিধা, আনহাতে কিছুমান ইংৰাজী কাকতৰ অপপ্ৰচাৰৰ বিৰুদ্ধে তিনদিনীয়া অসমীয়া থিয় হল সাহেৰে সৈতে আৰু লিখিলে—

"এইবাৰ লাহোৰত বহা ভাৰতীয় কংগ্ৰেছ মহাসভাৰ সভাপতি পণ্ডিত জৱহৰলাল নেহৰু আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি ডাক্তৰ ছৈফউদ্দিন কীচলুৰ অভিভাষণত স্পষ্ট আৰু খোলোচাকৈ কোৱা হৈছে যে ভাৰতবৰ্ষক পূৰ্ণ স্বাধীনতা লাগে আৰু পূৰ্ণ স্বাধীনতা লাভ কৰিবলৈ অসহযোগ আন্দোলনেই প্ৰশস্ত উপায়। ইংৰাজে চলোৱা বাতৰিকাকত বিলাকে এই কথাত বিষম পোৱাটো স্বাভাৱিক, কিন্তু এখন বাতৰি কাকতে কি যুক্তিৰে যে ভাৰতবাসীয়ে স্বাধীনতা বিচৰাটো জোনলৈ হাত মেলাৰ লগত তুলনা কৰিছে তাক হে আমি বুজিব পৰা নাই। ইংৰাজ গৱৰ্ণমেণ্টৰ অনুগ্ৰহত ভাৰতবৰ্ষত স্বৰাজ প্ৰতিষ্ঠা কৰিবলৈ বিচৰাটোহে জোনলৈ হাত মেলাৰ নিচিনা কথা, ইংৰাজ গৱৰ্ণমেণ্টলৈ আশা নেপালি নিজৰ বলৰ ওপৰতে ভৰ দি ভাৰতবাসীয়ে স্বাধীনতা লাভ কৰিবলৈ বিচৰাটো জোনলৈ হাত মেলাৰ নিচিনা কথা কেতিয়াও নহয়। পৰাধীনতাৰ গোলামি বান্ধ চিঙি যিবিলাক জাতি স্বাধীন হৈছে সেইবিলাক এনেকৈহে হৈছে, এনে স্থলত ভাৰতবাসীয়ে নিজৰ বলৰ ওপৰত ভৰ দি স্বাধীন হব নোৱাৰাৰ কোনো কাৰণ নাই।

"পণ্ডিত জৱহৰলাল নেহৰুৱে কৈছে যে এতিয়া গুপুত ষড়যন্ত্ৰৰ সময় নাই, এতিয়া বিদেশী শাসনৰ পৰা দেশক মুক্ত কৰিবৰ কাৰণে প্ৰকাশ্য ষড়যন্ত্ৰ কৰাৰহে সময়। অহিংস অসহযোগৰেই তেওঁ অৱশ্যে পক্ষপাতী, স্বাধীনতা লাভ কৰাৰ অৰ্থে শান্তিপূৰ্ণ উপায় অৱলম্বন কৰাই তেওঁৰ অৱশ্যে ইচ্ছা, কিন্তু ভৱিষ্যতত আৱশ্যক যেন দেখিলে তেওঁ হিংসামূলক উপায় অৱলম্বন কৰাৰ বিৰুদ্ধ নহয়। তেওঁ কৈছে—"এই কথা সঁচা যে, সঙ্ঘবদ্ধ হিংসাই পৃথিৱীত প্ৰাধান্য লাভ কৰিছে আৰু হয়তো তাৰ দ্বাৰা আমিও উপকাৰ পাব পাৰোঁ কিন্তু সঙ্ঘবদ্ধ হৈ হিংসামূলক কাৰ্য্য কৰিবৰ

উপকৰণ আমাৰ নাই আৰু ব্যক্তিগত ভাৱে কৰা হিংসা-মূলক কাৰ্য্য নিৰাশাৰ অভিব্যক্তি মাথোন। কিন্তু ভৱিষ্যতত কেতিযাবা যদি ভাৰতবাসীয়ে অথবা এই কংগ্ৰেছে বিবেচনা কৰে যে, হিংসাৰ দ্বাৰা আমি মুক্তি লাভ কৰিব পাৰিম; তেনেহলে কংগ্ৰেছে নিশ্চয় হিংসাৰ পথকে গ্ৰহণ কৰিব। হিংসা বেযা, কিন্তু দাসত্ব যে তাতকৈও বেযা।" পণ্ডিত জৱহৰলাল নেহৰুৰ এই কথাখিনি ভাবি চাবলগীয়া,—ৰজা ঘৰেও ভাবি চাবলগীয়া, প্ৰজা ঘৰেও ভাবি চাবলগীয়া। কিন্তু ভৱিষ্যতত হিংসামূলক কাৰ্য্য পদ্ধতি অৱলম্বন কৰিবৰ একো আৱশ্যক নকৰিব যদি মহাত্মা গান্ধীয়ে সূচাই দিয়া মতে অসহযোগ আন্দোলনৰ কাম হয।

"স্বাধীনতা লাভৰ কাৰণে পণ্ডিত জৱহৰলাল নেহৰুৱে তেওঁৰ অভিভাষণত যি কাৰ্য্য পদ্ধতি অৱলম্বন কৰিবলৈ কৈছে সি হৈছে এই,—কোনো ঠাইত সঙ্ঘবদ্ধ ভাৱে খাজনা দিযা বন্ধ, বনুৱাৰ পূৰ্ণ ধৰ্ম্মঘট আৰু ব্যৱস্থাপক সভাবিলাক একেবাৰে বৰ্জ্জন। আদালত আৰু স্কুল কলেজবিলাক বৰ্জ্জন কৰিব নালাগে বুলি আৰু অকল ব্যৱস্থাপক সভাবিলাকহে বৰ্জ্জন কৰিব লাগে বুলি তেওঁ যি কাৰ্য্য পদ্ধতি দিছে সি স্বাধীনতা লাভ কৰাই ভাৰতবাসীৰ ৰাজনৈতিক লক্ষ্য বুলি মহাত্মা গান্ধীয়ে ৰচনা কৰা প্ৰস্তাৱটোত থকা কাৰ্য্য পদ্ধতিৰে সৈতে একেবাৰেই একে। কংগ্ৰেছ দলৰ লোক ব্যৱস্থাপক সভাবিলাকৰ সভ্য হোৱাত গৱৰ্ণমেণ্টে এই ব্যৱস্থাপক সভাবিলাকৰ ভিতৰেদি দেশৰ আৰু ৰাইজৰ অনিষ্ট সাধন কৰাত তেওঁলোকৰ পৰা যে ভালবৈযে হকাবধা পাইছে সেই কথা স্বীকাৰ্য্য, কিন্তু তেওঁলোকে ব্যৱস্থাপক সভাৰ ভিতৰত বহি গৱৰ্ণমেণ্টৰ লগত দ্বন্দ খৰিয়াল পাতি থকাতকৈ তাৰ পৰা ওলাই আহি সেইখিনি সময় আৰু পৰিশ্ৰম ভাৰতত স্বৰাজ স্থাপনৰ অৰ্থে সূচনা কৰা এই সংগ্ৰামত খটোৱাটোৱেই এতিয়া তেওঁলোকৰ কৰ্ত্তব্য। প্ৰধান কথা হৈছে কৃষকসকলক আৰু বনুৱাসকলক সঙ্ঘবদ্ধ কৰা,

কাৰণ তেওঁলোকক লগত লৈ যুদ্ধ ক্ষেত্ৰত নামিব পাৰিলেহে আমাৰ জয় অৱশ্যম্ভাবী। পণ্ডিত জৱহৰলাল আৰু ডাঃ ছৈফউদ্দিন কীচলুৱে তেওঁলোকৰ অভিভাষণত কৃষক আৰু বনুৱাসকলক সঙ্ঘবদ্ধ কৰাৰ কথা বিশেষ ভাৱে কৈছে আৰু স্বাধীনতা লাভৰ অৰ্থে সংগ্ৰামত তেওঁলোকৰ সম্পূৰ্ণ সহযোগ নহলেই নহয়। অসহযোগ আন্দোলনৰ মূলতে হৈছে এই আন্দোলনত ভাৰতীয় জনসাধাৰণৰ পূৰ্ণ সহযোগ।”

লাহোৰ প্ৰস্তাৱমতে কাউন্সিলৰ পৰা স্বৰাজিষ্ট সদস্য সকল ওলাই অহাৰ নিৰ্দ্দেশ আছিল। কিন্তু কাউন্সিলৰ পৰা কিছুমানে ওলাই নাহিবলৈ নানান কথা কোৱাত লাগিল। অসমতো কংগ্ৰেছীসকলৰ দ্বিধা ভাৱ। এনে অৱস্থাত তিনদিনীয়া অসমীয়াই সমালোচনা কৰিলে —

“এতিয়া সমস্যা হৈছে কাউন্সিল বৰ্জ্জন লৈ। ভাৰতীয় কংগ্ৰেছ মহাসভাই যদিও কেন্দ্ৰীয় আৰু প্ৰাদেশিক ব্যৱস্থাপক সভাবিলাক বৰ্জ্জন কৰিব লাগে বুলি সিদ্ধান্ত কৰিলে, তথাপি কংগ্ৰেছৰ এদল লোক যে, এই বৰ্জ্জনৰ পক্ষপাতী নহয় তাক অস্বীকাৰ কৰিবৰ উপায় নাই। সদৌ ভাৰত কংগ্ৰেছ কমিটীত যি পাচজন অসমীয়া সদস্য আছে, তাৰ ভিতৰৰ অন্তত তিনিজন কাউন্সিল বৰ্জ্জনৰ বিৰোধী। শ্ৰীযুত তৰুণ ৰাম ফুকন, শ্ৰীযুত ৰোহিনীকুমাৰ চৌধুৰী আৰু শ্ৰীযুত গোপীনাথ বৰদলৈয়ে এই সম্বন্ধে তেওঁলোকৰ ব্যক্তিগত অভিমত প্ৰকাশ কৰি যিখিনি কথা কৈছে সেইখিনি ভাবি চাবলগীয়া। স্বৰ্গীয় দেশবন্ধু চিত্তৰঞ্জন দাসে গৱৰ্ণমেণ্টৰ এই কাউন্সিল ৰূপী দুৰ্গৰ ভিতৰত সোমাই স্বৰাজ লাভৰ অৰ্থে গৱৰ্ণমেণ্টৰ লগত যুজিবলৈ স্বৰাজ্য দল গঠন কৰাৰ পাটন দি তেওঁলোকে সেই দুৰ্গৰ পৰা কংগ্ৰেছ দলৰ লোক ওলাই অহাটো অনুচিত বুলি ভাবে। কিন্তু দেশবন্ধু চিত্তৰঞ্জন দাসৰ পাটন দিয়াটো যেনে সহজ, এতিয়া তেওঁ জীয়াই থকা হলে কি কৰিলেহেঁতেন, সেইটো ঘপৰাই কৈ দিয়াটো সিমান সহজ নহয়। কংগ্ৰেছ

মহাসভাই ভাৰতবাসীৰ পৰম লক্ষ্য স্বাধীনতা লাভ কৰা বুলি যেতিয়া সিদ্ধান্ত কৰিছে আৰু ইংৰাজৰ লগত সম্বন্ধ চিঙিবলৈকে যেতিয়া মন মেলিছে তেতিয়া কাউন্সিলৰ লগত সম্বন্ধ ৰখাটো আৰু কোনো মতেই শোভা নাপায়। কংগ্ৰেছ দলৰ সভ্যসকলে কাউন্সিলত ইংৰাজ গৱৰ্ণমেণ্টৰ বৰ্ত্তমান শাসন প্ৰণালী যে, তেনেই প্ৰজা বিৰোধী সেই কথা প্ৰতিপন্ন হয়তো কৰিবগৈ পাৰে, কিন্তু কংগ্ৰেছে যেতিয়া ইংৰাজ গৱৰ্ণমেণ্টকে নেলাগে বুলিছে, তেতিয়া আৰু সেই শাসন প্ৰণালী শুধৰাবলৈ যত্ন কৰাৰ বা সেই শাসন প্ৰণালী চলোৱাত আওপকীয়াকৈ হলেও সহায় স্বৰূপ হোৱাৰ একো আৱশ্যক নাই।

"এইটো কথা ঠিক যে, কংগ্ৰেছ দলৰ সভ্যসকলে বৰ্জ্জন কৰিলেও কেন্দ্ৰীয় আৰু ব্যৱস্থাপক সভাবিলাক কেতিযাও খালী পৰি নাথাকে, কিন্তু আন দলৰ লোকে সেই সভাবিলাক পূৰণ কৰি নিৰ্ব্বিবাদে গৱৰ্ণমেণ্টক যি ইচ্ছা কৰি থাকিবলৈ সুবিধা দিব বুলিযেই কিয় যে সেই সভাবিলাক খামোচ মাৰি ধৰি থাকিব লাগিব তাক আমাৰ বুদ্ধিৰে ঢুকি নেপাওঁ। মহাত্মা গান্ধীযে কোৱাৰ দৰে এইটো একৰকম কানি পাণৰ খোলাত যোগ দিয়া মানুহৰ অভাৱ নাই বুলি তাৰ লগত সংশ্ৰৱ পৰিত্যাগ কৰিবলৈ মন নেমেলাৰ কথা। কংগ্ৰেছ দলৰ লোকৰ ওপৰত এতিয়া যি কাৰ্য্যৰ ভাৰ পৰিছে সি অতি গুৰুতৰ, আৰু কোহ্ঁামুঠিযাকৈ সেই কাৰ্য্যত নধৰি লাপিলুপা কৰিলে নিশ্চয একো পিনে একোটো নহয়। যেতিয়ালৈকে নিষ্ক্ৰীয প্ৰতিৰোধ আচৰণ কৰিবলৈ দেশ উপযুক্ত নহয তেতিযালৈকে কংগ্ৰেছ দলৰ লোকে কাউন্সিলত কৰিবলৈ কাম আছে বুলি শ্ৰীযুত তৰুণৰাম ফুকনে মত প্ৰকাশ কৰিছে, আৰু তেওঁ কৈছে যে প্ৰকৃতপক্ষে মন আৰু ইচ্ছা থাকিলে কাউন্সিলত যিখিনি সময় যায সেইখিনি সময়ে কাউন্সিলৰ বাহিৰত কংগ্ৰেছৰ কাম কৰাত কাকো

একো হকাবধা নকৰে। কিন্তু কংগ্ৰেছৰ কাম কৰিবলৈ 'প্ৰকৃত পক্ষে মন আৰু ইচ্ছা থাকিলে' আৰু নিষ্ক্ৰীয় প্ৰতিৰোধ আচৰণ কৰিবৰ কাৰণে দেশক উপযুক্ত কৰি তুলিবলৈ 'প্ৰকৃতপক্ষে মন আৰু ইচ্ছা থাকিলে' আৰু তাৰোপাৰ স্বাধীনতা লাভ কৰিবৰ অৰ্থে প্ৰকৃতপক্ষে মন আৰু ইচ্ছা থাকিলে কাউন্সিলৰ কাৰ্য্যত নিযোগ কৰা সময়খিনিও কংগ্ৰেছৰ কাৰ্য্যতহে লগোৱা উচিত। অসম দেশৰ বিষয়ে এই কথা বিশেষকৈ খাটে। কংগ্ৰেছ আৰু কাউন্সিল দুযোকো সামৰি ৰাখিবৰ উপায নাই। কংগ্ৰেছৰ লগত সম্বন্ধ ৰাখিবলৈ হলে কাউন্সিল বৰ্জ্জন কৰাটো কংগ্ৰেছ পন্থী লোকৰ অৱশ্য কৰ্ত্তব্য।" এইদৰে তিনদিনীযা অসমীযাই মন্তব্য কৰিলে।

অসমত চাহ বনুৱাৰ সমস্যা লৈ কিছুমান উদাৰ মনৰ ইংৰাজ শাসকেও আলোচনা নকৰা নহয। অসম বেঙ্গল প্ৰেছিডেন্সীৰ লগত ছামিল হৈ থকা কালতে লেফটেনাণ্ট গৱৰ্ণৰে বঙ্গীয কাউন্সিলত এই সমস্যাটোলৈ আঙুলিযাইছিল। তেওঁ কৈছিল যে, "অসমৰ চাহ বাগিচাত বনুৱা ক্ৰীতদাসৰ দৰে"। অসমৰ চীফ কমিশ্যনাৰ ছাৰ হেনৰী কটনেও এই সম্পৰ্কে কি মন্তব্য কৰিছিল এই প্ৰবন্ধত আগতে উল্লেখ কৰা হৈছে।

অসমৰ চাহ বনুৱাৰ কথা দেশে বিদেশে জনাজাত হলত বৃটিছ ট্ৰেড ইউনিযন কংগ্ৰেছ পক্ষৰ পৰা পাছেল আৰু হলছৱাৰ্থ নামৰ দুগৰাকী ব্ৰিটিছ পাৰ্লামেণ্টৰ সদস্যয়ো সাদিনীযা অসমীযাৰ সম্পাদকৰ লগত এসপ্তাহ উজনি অসমৰ চাহ বাগিচাত ফুৰি ১৯২৮ চনত এখন ৰিপোৰ্ট দাখিল কৰিছিল। তাতো তেওঁলোকে কঠোৰ মন্তব্য কৰিবলগীয়া হৈছিল। এনে এটা পৰিস্থিতিত গৱৰ্ণমেণ্টে হুইটলী কমিশ্যন পতা স্থিৰ কৰিলে, আৰু এই কমিশ্যন অহাত 'তিনদিনীযা অসমীয়া'ই কি মন্তব্য কৰিছিল সিও মনলৈ আহে।

এবাৰ আহিল ছাইমন কমিশ্যন। এবাৰ আহিল লীগ অৱ নেশ্যন্সৰ মেলেৰিয়েন কমিশ্যন, আৰু এইবাৰ আহিছে হুইটলী কমিশ্যন। অসমৰ চাহ বাগিচাৰ বনুৱাবিলাকৰ অৱস্থাৰ বিষয়ে অনুসন্ধান কৰাই হুইটলী কমিশ্যনৰ উদ্দেশ্য, কিন্তু যদিওবা হুইটলী কমিশ্যনে ঠিক মাঘ বিহুৰ সময়তে উজনি অসমত ভ্ৰমণ কৰি ফুৰিছেহি, তথাপি এই কথা ঠিক যে, তেওঁলোকৰ টোপোলাত চাহ বাগিচাৰ দুখীয়া নিছলা বনুৱাবিলাকৰ কাৰণে সান্দহ চিৰা বা পিঠাপনা একোটো নাই। হুইটলী কমিশ্যন আহিব বুলি জানি অসমৰ ইংৰাজ চাহ খেতিযকসকলে আগৰে পৰা সকলো ঠিকঠাক কৰি থৈছেই আৰু তেওঁলোকৰ কাৰণে পিঠা পনাৰো যে আয়োজন হৈছে তাক কোৱা বাহুল্য মাথোন। ইংৰাজ চাহ খেতিযকসকলে নিজেই বনুৱাবিলাকৰ প্ৰতিনিধি স্বৰূপে ৰেভাৰেণ্ড তনুৰাম শইকীযাক মনোনীত কৰি দিছে আৰু তেওঁ হুইটলী কমিশ্যনক বনুৱাবিলাকৰ বিষয়ে বুজ বাতৰি দিওঁতে চাহ খেতিযকসকলৰ বিৰুদ্ধে যে নেযায, সেইটো একেবাৰেই খাতাং কথা। ৰেভাৰেণ্ড শইকীযাৰ মুখেদি যিখিনি কথা ওলাব সেইখিনিত যে, বনুৱাবিলাকৰ দুখ দুৰ্দ্দশাৰ কথা কেতিযাও ভালকৈ প্ৰকাশ নেপায তাক আৰু নকলেও হয।

"অসমৰ চাহ বাগিচাৰ বনুৱাবিলাকৰ অৱস্থাৰ বিষয়ে সকলো কথা নিৰ্ভুলকৈ আৰু খোলোচাকৈ হুইটলী কমিশ্যনে জানিবৰ অলপো আশা নাই। কিন্তু যদি কেনেবাকৈ তেওঁলোকে বনুৱাবিলাকৰ প্ৰকৃত অৱস্থাৰ সম্ভেদ লব পাৰে, তেনেহলে হুইটলী কমিশ্যনে নিশ্চয উপলব্ধি কৰিব পাৰিব যে, মিষ্টাৰ পাৰ্ছেল আৰু হলছৱাৰ্থে কবৰ দৰে অসমৰ চাহ বাগিচাবিলাক 'শ্লেভ প্লেণ্টেছন্স' অৰ্থাৎ গোলামি খানাৰ বাহিৰে আন একো নহয়। হুইটলী কমিশ্যনে ইযাকো নিশ্চয উপলব্ধি কৰিব পাৰিব যে, অসমৰ সুৰদি গোন্ধৰ চাহ টোপাৰ প্ৰত্যেক

বিন্দুতে সোমাই আছে লাখ বিলাখ বনুৱাৰ ভোক, ভাগৰ আৰু হা হুতাহ। অসমৰ চাহ খেতিয়কসকলে নানা সুখ সম্ভোগৰ মাজত দিন নিযায, বিতোপন পকী ঘৰত তেওঁলোক থাকে, নানাবিধ ব্যঞ্জনৰে তিনি-তেলনি মাৰি তেওঁলোকে আহাৰ কৰে, তেওঁলোকৰ মটৰ গাড়ীৰ কোবত আলিবাট ধুৰঁলিকুঁৱলী হৈ উঠে, কিন্তু যাৰ জহত তেওঁলোকে এই বিনন্দ বিলাস জীৱন যাপন কৰিবলৈ সমৰ্থ হয় সেই বনুৱাবিলাকে কি খোৱা বোৱা, কি পিন্ধা উৰা, কি থকা মেলা সকলোতে নানা ৰকম অভাৱ অসুবিধা সহি অতি কষ্টেৰে দিন কটায। ইংৰাজ চাহ খেতিযকৰ ঘোঁৰা বা কুকুৰটোৰো যিমানখিনি সুবিধা বেচেৰা বনুৱাবিলাকৰ ভাগ্যত সিমানখিনি সুবিধাও যে নাই।

"অসমত ইংৰাজ শাসনৰ লগে লগেই চাহ খেতিৰ আঁৰম্ভ আৰু তাৰ লগে লগেই চাহ বাগিচাৰ বনুৱাবিলাকৰ প্ৰতি চাহ খেতিযকসকলৰ অন্যায অবিচাৰৰ সূচনা। এই এশ বছৰৰ ভিতৰত জগতত অনেক পৰিবৰ্ত্তন ঘটিল। ইংৰাজ চাহ খেতিযকসকলে হাবিৰ মাজত চাহ বাগিচাৰ ভিতৰতে একোখন সৰু সৰু ইংলণ্ড পাতি ললে, কিন্তু বনুৱাবিলাকৰ দুখৰ নিশা নুপুৱাল, বেচেৰাহঁতৰ অন্ধকাৰময জীৱন পোহৰ হৈ নুঠিল। অভাৱ অনাটন বনুৱাবিলাকৰ আগতকৈ বাঢ়িছে, টকাৰ মূল্য আগতকৈ কমিছে, কিন্তু সেই অনুপাতে বঢ়া নাই তেওঁলোকৰ আৰ্জ্জন আৰু চাহ খেতিযকসকলে লাভৰ উপৰি লাভ কৰিছে যদিও বনুৱা-বিলাকে পোৱা নাই সেই লাভৰ অকণিমানো অংশ। আজি কালিৰ এই উন্নত ডাক্তৰী চিকিৎসাৰ দিনতো তেওঁ-বিলাকৰ কাৰণে কিছুমান চাহ বাগিচাত আধাখুন্দা ডাক্তৰৰহে ব্যৱস্থা আৰু স্বাস্থ্যবিজ্ঞানৰ সকলো নীতি নিয়ম উলঙ্ঘা কৰি তেওঁবিলাকৰ কাৰণে গাহৰিৰ গৰালৰ দৰে একোটা সৰু ঘৰতে গোটেই ঘৰ মানুহ থকাৰে দিহা। বেলিৰ পোহৰৰ

পৰা বস্তুবিলাকৰ ঘৰৰ ভিতৰখন একেবাৰেই বঞ্চিত নহব পাৰে, কিন্তু জ্ঞানৰ পোহৰৰ পৰা তেওঁবিলাকৰ মনৰ ভিতৰখন হলে একেবাৰেই বঞ্চিত।" এয়ে তিনদিনীয়া অসমীয়াৰ সমালোচনা।

ভাৰতৰ সকলো ঠাইতে মুক্তি আন্দোলনৰ বাবে জনতা জাগ্ৰত হৈ আছে। হিংসাত্মক কাৰ্য্যত বিশ্বাস থকা বিপ্লৱ পন্থী দলে মহাত্মাৰ আন্দোলনক সমালোচনা কৰি আছে। মহাত্মাযো এই আন্দোলনটো কিদৰে চলাব এই সম্পৰ্কে স্পষ্টকৈ তেতিয়ালৈকে জনোৱা নাছিল। এজন ডেকা ইংৰাজ সাংবাদিকৰ জৰীযতে ভাৰতৰ ৰাজপ্ৰতিনিধি লৰ্ড আৰৱিনলৈ চিঠিৰ আদান প্ৰদান কৰি শেহত ১২ মাৰ্চ্চ তাৰিখে (১৯৩০ চন) লোণ আইন অমান্য কৰিবলৈ ডাণ্ডীলৈ যাত্ৰা আৰম্ভ কৰিম বুলি মহাত্মাই জনালে। তিনদিনীয়া অসমীয়াই সম্পাদকীয় স্তম্ভৰ পৰা অসমীয়াক মহাত্মাৰ পাছ লবলৈ এইদৰে আহ্বান জনালে।—

"ভাৰতবাসীৰ নতুন দিনৰ পুৱতী উষাত, লক্ষ্যহীন ৰাজনীতিৰ যুগৰ অন্ত পেলাই, ভাৰতবাসীৰ মুক্তিৰ অৰ্থে, জগতৰ মুক্তিৰ অৰ্থে, যুগ মানৱ মহাত্মা গান্ধীযে, স্বাধীনতা যুদ্ধৰ প্ৰথম সেনা বাহিনীৰ সেনাপতি হৈ, লক্ষ লক্ষ ভাৰতৰ নৰ নাৰীৰ প্ৰাৰ্থনা আৰু শুভ আশীৰ্ব্বাদৰ উৰুলি জোকাৰত ইতিহাস প্ৰসিদ্ধ ১২ মাৰ্চ্চ তাৰিখে জযযাত্ৰা কৰি'ল। এই যাত্ৰাত হিংসা নাই, দ্বেষ নাই, মানুহক উজাৰ কৰিবলৈ বিজ্ঞানৰ বলত আবিষ্কাৰ কৰা কোনো যন্ত্ৰৰ সম্বল নাই, আছে মাত্ৰ অপাৰ কৰুণা, অপাৰ প্ৰেম। তেখেতে আজি যাত্ৰা কৰিছে জগতত নোহোৱা নোপোজা কাম কৰিবলৈ— বলক প্ৰেমেৰে জয কৰিবলৈ। আজি তেখেত ভাৰতৰ হকে, দুবেলা দুমুঠি ভোক পলাই খাবলৈ নোপোৱা জন সাধাৰণৰ হকে এই স্বাধীনতাৰ জীৱন মৰণ সংগ্ৰাম আৰম্ভ কৰিছে। হিংসা নীতিযে ক্ৰমাৎ প্ৰচাৰ লাভ কৰাত আৰু এই যুদ্ধ

ঘোষণা কৰিবলৈ ইমান দিনে সুবিধা নোহোৱাত মহাত্মা অধীৰ হৈ আছিল। মনে মনে আৰু ৰখি থাকিলে হিংসা নীতিক প্ৰশ্ৰয় দিয়া হব বুলি ভাবি আৰু অহিংসাৰ কৃতকাৰ্য্যতাৰ ওপৰত তেখেতৰ অচল অটল বিশ্বাস থকাত তেখেতে আৰু কাল বিলম্ব নকৰি জীৱন মৰণ পণ কৰি এই যুদ্ধ ঘোষণা কৰিছে।

"ভাৰতৰ স্বাধীনতা যুদ্ধৰ প্ৰথম সেনাবাহিনীত যোগ দি নিজক ধন্য কৰিবলৈ ভাৰতৰ মৰণ মাতাল তৰুণৰ দলে হেতা ওপৰা লগাইছিল। কিন্তু মহাত্মাই বাছি বাছি আশ্ৰমত শিক্ষা পোৱা সত্যাগ্ৰহ ব্ৰতত দীক্ষিত, অহিংসা যাৰ ধৰ্ম্ম এনে ৭৯ জন ডেকাক লগত লৈ হাঁহি মুখে যুদ্ধ যাত্ৰা কৰিলে। এই যাত্ৰাৰ আগতে হাজাৰ হাজাৰ মানুহে মহাত্মাৰ দৰ্শন লাভ কৰিবলৈ আশ্ৰমত উপস্থিত হৈছিল। সমবেত জনমণ্ডলীৰ আগত মহাত্মাই বজ্ৰগম্ভীৰ স্বৰে কৈছিল "আমাৰ উদ্দেশ্য মহৎ, আমাৰ উদ্দেশ্য লাভৰ উপাযও পবিত্ৰ, ঈশ্বৰ আমাৰ সঙ্গী। সত্যা-গ্ৰহীযে যেতিযালৈকে সত্য ত্যাগ নকৰে তেতিযালৈকে সত্যাগ্ৰহীৰ পৰাজয় নাই।" এই আশাৰ এই উদ্দীপনাৰ বাণী প্ৰচাৰ কৰি এই কৌপিন পিন্ধা, চুটি চাপৰ, অকণমান মানুহজনে জগতত নতুন সত্য, নতুন ৰাজ্য স্থাপন কৰিবলৈ সদলবলে আগবাঢ়ি গৈছে। তেখেতৰ সেনাসকলো সেই একে ভাবেই একে মন্ত্ৰতে অনুপ্ৰাণিত। মৃত্যু তেওঁলোকৰ পক্ষে সাধাৰণ কথা, স্বাধীনতা তেওঁলোকৰ কাম্য বস্তু। এই জয় যাত্ৰা পৰাধীন পৰপদদলিত জাতিৰ মুক্তিপথৰ জয় যাত্ৰা। এই জয় যাত্ৰা বিজয় মাল্যৰে বিভূষিত কৰিবলৈ কত নৰ-নাৰীয়ে অতি আদৰৰ নিজ প্ৰাণ বিসৰ্জ্জন দিব লাগিব, কত নিৰ্য্যাতন অম্লান বদনে সহিব লাগিব। তাক ভাষাৰে বৰ্ণাব নোৱাৰি। মহাত্মাই মুকলি আকাশৰ মুকলি বতাহৰ তলত ছাউনী পাতি, আশ্লালী (গুজ্ৰৰাট) গাঁৱত গোট খোৱা হাজাৰ হাজাৰ মানুহক মৰ্ম্মস্পৰ্শী ভাষাত কৈছিল "জেললৈ যাবলৈ

ভয় কৰিলে নচলিব। যদি অকল গুজৰাটৰ পৰাই ৩০ লাখ নৰনাৰী জেললৈ যায় তেন্তে তেওঁলোকৰ ঠাই চৰকাৰৰ জেলত নহব, লোণকৰ যেনে তেনে তুলি দিবই লাগিব। 'হয় মই জয়ী হম, নহয় মই জেললৈ গৈ মৰিম' মোক আৰু একো নালাগে। মই মোৰ আশ্রমলৈ বা আশ্লালী গাঁৱলৈ ঘূৰি নাহোঁ। মই সুনির্দ্দিষ্ট পন্থা অৱলম্বন কৰিছোঁ, মই আৰু পিছুৱাই নাহোঁ। মোৰ পিছত ভাৰ আপোনালোকৰ ওপৰতে। কিন্তু ভাৰ লোৱাৰ আগতে ভাবি চিন্তি কাম কৰিব। কাৰণ এবাৰ যুদ্ধত যোগ দিলে আৰু ঘূৰিব নোৱাৰিব।" মহাত্মাৰ এই আদেশে ইংৰাজ সেনাপতি উলফে কুইবেকৰ যুদ্ধ ক্ষেত্রত আসন্ন মৃত্যুৰ আগত থিয় দি দোধোৰ মোধোৰত পৰা সৈন্যসকলৰ আগত কোৱা উপদেশলৈ মনত পেলাই দিছে। সেনাপতি উলফে কৈছিল—The paths of glory lead but to the grave— বিজয়ী হবলৈ হলে মৃত্যু অনিবার্য্য। সেই যুদ্ধত ইংৰাজ সৈন্যই হৃদয়ৰ তেজ দি বিজয় লক্ষ্মীক বৰণ কৰি লৈছিল। আজিও ভাৰতবাসীৰ আগত সেই একে কৰ্ত্তব্য উপস্থিত। ভাৰতবাসীয়ে এই নিৰুপদ্রৱ যুদ্ধত যোগ দি হিয়াৰ তেজ দিও বোলক প্রেমেৰে জয় কৰি বিজয় লক্ষ্মীক বৰণ কৰি লব লাগিব। জীৱনৰ ওপৰত মমতা ৰখা কোনো জাতিয়ে উন্নতিৰ সোপানত উঠিব পৰা নাই। মানুহৰ দৰে জীয়াই থাকিবলৈ হলে মৃত্যু ভয় পৰিহাৰ কৰিব লাগিব। মৰিব নজনা জাতিৰ পক্ষে স্বাধীনতা সদায় সপোন হৈয়েই থাকিব। ভাৰতৰ এই স্বাধীনতাৰ স্বপ্ন বাস্তৱত পৰিণত কৰাৰ ভাৰ ভাৰতৰ সকলো নৰনাৰীৰ ওপৰতে। মহাত্মাই আজি যি মুক্তিৰ ৰণভেৰী বজাইছে, সেই ৰণভেৰীৰ সুৰত মতলীয়া হৈ ভাৰতৰ নৰনাৰীয়ে নিৰুপদ্রৱ মুক্তিৰ যুদ্ধত জাপ দিয়াৰ বাহিৰে আন কৰ্ত্তব্য নাই। প্রত্যেক ভাৰতবাসীৰ দেশ প্রীতিৰ, স্বার্থত্যাগৰ, দেশৰ উন্নতিৰ অৰ্থে আত্মবলিদানৰ আকাঙ্ক্ষাৰ ওপৰত বিশ্বাস স্থাপন কৰি মহাত্মাই আজি আত্মাহুতি দিবলৈ ওলাইছে। এই যুদ্ধত যোগ নিদি হাত

সাৰুটি বহি থাকিলে ভাৰতবাসীক বিশ্বাসঘাতকতাৰ পাপে চুব। অসমীয়া, তুমি আজি স্বদেশ প্ৰীতিৰ, স্বাৰ্থত্যাগৰ আদৰ্শ দেখুৱাই মহাত্মাৰ আহ্বানত খোজ নলবানে?” অসমীয়ালৈ এয়ে তিনদিনীয়া অসমীয়াৰ আহ্বান আছিল।

১৯৩০ চনত কংগ্ৰেছৰ নেতৃত্বত শিথিলতা অহা সত্বেও ১৯৩০ চনত অসমত কেনেকৈ এটা ডাঙৰ জন জাগৰণ হোৱাটো সম্ভৱ হৈছিল, সকলো কথা বিশ্লেষণ কৰিলে তিনদিনীয়া অসমীয়াই যে, এটা ডাঙৰ বৰঙণি যোগাইছিল এইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰিব।

তিনদিনীয়া অসমীয়াৰ সম্পাদকীয় স্তম্ভৰ পৰা তিনি দিনে তিনি দিনে মুক্তি আন্দোলনৰ বাবে প্ৰকাশ্য সমৰ্থনে জাতীয় আন্দোলনত ডাঙৰ সহায় কৰিছিল।

৺চন্দ্ৰকুমাৰ আগৰৱালাৰ মৃত্যুৰ ৩০ বছৰ পাছত আজি আমাৰ মনলৈ আহিছে অসমত বাতৰি কাকত প্ৰতিষ্ঠা কৰি ভেখেতে অসমৰ জাতীয় জীৱন গঠনত কিমান মহৎ সহায় কৰিছিল।

মুক্তি আন্দোলনৰ বাতৰি ভাৰতৰ সকলো কাকতে প্ৰচাৰ কৰা দেখি গৱৰ্ণমেণ্টে ১৮২৩ চনৰ প্ৰেছ অৰ্ডিনান্স আইন খন পুনৰ উলিযালে। ১৮২৩ চনৰ মাৰ্চ্চ মাহত কিছুদিনলৈ এজন চিভিলিযান (নাম মি জন এডাম) ৰাজপ্ৰতিনিধিৰ আসনত বহিযেই বৃটিছ শাসনৰ সমালোচনা কৰাত এই আইনখন ততালিকে অৰ্ডিন্যান্স হিচাপে ৰচনা কৰি দুজন ইংৰাজ সাংবাদিককেই ভাৰতৰ পৰা নিৰ্ব্বাসিত কৰিছিল। ভাৰতৰ সংবাদ পত্ৰৰ বুৰঞ্জীত তেওঁলোকৰ নাম যুগমীযা হৈ থাকিব। তেওঁলোক হৈছে—The Calcutta Journal (দি কেলকাতা জাৰ্ণাল)ৰ সম্পাদক মি বাকিংহাম আৰু তেওঁৰ সহকাৰী মি ছেনফোৰ্ড আৰ্নটক এই আইন খনকেই ১৯১০ চনত পুনৰ শুধৰাই লোৱা হৈছিল। এতিযা তাকেই প্ৰায়োগ কৰা হল। এই পৰিস্থিতিত ‘তিনদিনীযা অসমীযাই’ সম্পাদকীয় স্তম্ভৰ পৰা লিখিলেঃ—

২০ বহাগ ১৮৫২ শক, ইং ৩মেই ১৯৩০ চন। লেখিম কি ? বৰলাটে বিশেষ ক্ষমতাৰ বলত বাতৰি কাকতক দমন কৰিবলৈ ১৯১০ চনৰ মুদ্ৰাযন্ত্ৰ আইন আকৌ জাৰি কৰিলে। বৰলাটে এই আইন জাৰিৰ কাৰণ দেখুৱাইছে যে, কিছুদিনৰ পৰা ভাৰতীয় বাতৰি কাকত বিলাক বৰ অসংযত হৈ পৰিছে আৰু বাতৰি কাকত বোৰে ৰাজদ্ৰোহ প্ৰচাৰ কৰিছে। বহুতো বাতৰি কাকতে "ভায়লেঞ্চ" বা হিংসামূলক বিপ্লৱবাদ প্ৰচাৰ কৰিছে, এতেকে এইবিলাকক দমন কৰিবলৈ "প্ৰেছ এক্ট" একান্ত প্ৰয়োজন। সঁচাকৈয়ে যদি বাতৰি কাকত বিলাকে ওপৰত কোৱাৰ দৰে কাম কৰিছে, তেন্তে তাৰ বিধান কৰিবলৈ মামৰে ধৰা অতি পুৰণি এই অস্ত্ৰপাত অস্ত্ৰ ভঁৰালৰ পৰা উলিযাই তেল টেঙা ঘঁহি চকুচকীযাকৈ নতুন শানত শান দি খুৰ যেন কৰি ভাৰতৰ জনমতৰ টেঁটুত ৰেপ দিবৰ প্ৰয়োজন নাছিল। ভাৰতৰ দণ্ডবিধি আইন জালৰ পাহি ইমান ঘন যে, বৌ বৰালিৰ কথাই নাই, পুঠী খলিহাও সৰকিব নোৱাৰে। ওপৰত কোৱা অপৰাধ কৰিলে বাতৰি কাকতবিলাক এই জালৰ ১২০ ২১, ১২৪(ক), ১৫৩(ক), ১৩১, ১৩২, ১৩৩ ধাৰাত খেওখাই পৰিলহেঁতেন। কিন্তু কথা বা ক'ত ? ভেকুৰীৰ তলত। ডেৰশ বছৰ বৃটিছ গৱৰ্ণমেণ্টে ভাৰত শাসন কৰাৰ ফলত আজি ভাৰতত শতকৰা ৫ ২ জন মতা শিক্ষিত আৰু মাইকী শতকৰা ১ ৫ জনী শিক্ষিতা। এই শিক্ষা মানে ক,খ পঢ়িব পৰাকহে বুজায়। ভাৰতৰ নিমাত নিৰক্ষৰ গাঁৱলীয়াক মাতৃ ভাষাত প্ৰকাশ হোৱা বাতৰি কাকতে অভাব অভিযোগৰ কথা ফুটাই কবলৈ বাট দেখুৱাই এটা ৰাজনৈতিক শিক্ষা দিবলৈ চেষ্টা কৰি আহিছে। ভাৰতৰ ৰাজনৈতিক মতামত কংগ্ৰেছে প্ৰকাশ কৰি আহিছে আৰু বাতৰি কাকতত এই মতামত কোনো বাট পথ নোহোৱা, কোনো নোযোৱা গাঁৱলৈকো কঢ়িয়াই ভাৰতত এটা ৰাজনৈতিক চেতনা দিবলৈ যত্ন কৰি আহিছে। বাতৰি কাকতবিলাক এই কাৰ্য্যত বিমান দূৰ কৃতকাৰ্য্য হৈছে তাৰ প্ৰমাণ বৰ্ত্তমান

ৰাইজৰ মাজত ৰাজহুৱা আন্দোলন। মহাত্মা গান্ধীয়ে আজি ৰাইজৰ হকে সত্যাগ্ৰহ সংগ্ৰাম আৰম্ভ কৰিছে আৰু বাতৰি কাকতৰ জৰিযতে ৰাইজে উমঘাম পাই এই আন্দোলনক সহায় কৰিছে।

ভাৰতীয বাতৰি কাকতৰ এই কৃতকাৰ্য্যতা দেখি ভাৰতৰ ফিৰিঙ্গী বাতৰি কাকতবিলাকৰ চকুত টোপনি নোহোৱা হৈছে, ভাৰতৰ বাতৰি কাকত বিলাতৰ সাম্ৰাজ্যবাদীসকলৰ পক্ষে চকুৰ কুটা দাঁতৰ শূল আৰু বাতৰি কাকতবিলাক আইনৰ গৰাহলৈ নহাত খণ্ডত টিকচি বিকচি এদলে গৱৰ্ণমেণ্টক খুচিযাব লাগিছে। এনেই বুঢ়ী নাচনী আকৌ তাতে নাতিনীযেকৰ বিযা। মহাত্মাৰ আন্দোলনত গৱৰ্ণমেণ্টে চকখাইছে তাতে এই উদগনিযে জুইত ঘিঁউহে ঢালিলে। বৰলাটে অৰ্ডিনেন্সৰ বলেৰে ১৯১০ চনৰ প্ৰেছ আইন পুনৰ প্ৰণয়ন কৰিলে। অকল ১৯১০ চনৰ আইন প্ৰণযন কৰিযেই এৰা নাই। তাৰ লগতে নতুনকৈ আৰু কেইটামান ধাৰা যোগ দিছে। বৰ্ত্তমান ১৯১০ চনৰ আইনতকৈও মাৰাত্মক। আইনৰ ধাৰা কেইটা চালেই বিশষকৈ নতুনকৈ যোগ দিযা ধাৰা কিটা চালেই বুজিব পাৰি যে, মহাত্মাৰ বৰ্ত্তমান সত্যাগ্ৰহ আন্দোলনটো গুলিপিহি মাৰিবলৈ এইপাট শৰ চৰকাৰে তোণৰ পৰা বাছি লৈ নতুনকৈ সলাই লৈছে। এই আইনৰ পাছত বাতৰি কাকতৰ কবলৈ বা লেখিবলৈ একো নাথাকিল। আকাৰ, ইঙ্গিত, উপমা, উল্লেখ, অৰ্থ প্ৰভৃতিৰ দ্বাৰাইও যদি সন্দেহ হয যে, কোনো বাতৰি কাকতে আইনত দিযা অপৰাধ কৰিছে, তেতিযাই জামিন স্বৰূপে টকা জমা লোৱা হব আৰু টকা বাজেযাপ্ত হলে আকৌ বেছিকৈ জামিন খোজা হব। আন কি ছপা যন্ত্ৰও বাজেযাপ্ত হব। মুঠৰ ওপৰত এই আইনে ভাৰতীয বাতৰি কাকতৰ কণ্ঠৰোধ কৰিলে। জামিন দিব নোৱাৰিলে বা নিদিলে বাতৰি কাকতৰ প্ৰকাশ বন্ধ হব। এই আইনৰ কৃপাত ৰাইজে জাতীয বাতৰি কাকত একেবাৰেই নোপোৱাটো একো আচৰিত কথা নহয়।" এইদৰে তিনদিনীয়া অসমীয়াই সমালোচনা কৰিলে।

এই আইন জাৰি হোৱাৰ ফলত ভাৰতীয বাতৰি কাকতৰ পৰা ২ লাখ ৪০ হেজাৰ টকা জামিন দাবী কৰা হৈছিল। ১৩১খন কাকতে জামিন দিছিল। ৯ খন কাকতে জামিন নিদি কাকতৰ প্ৰকাশ বন্ধ ৰাখিবলগীযা হৈছিল। ইযাৰ ভিতৰত তিনদিনীযা অসমীযাও আছিল। আঠৈ মাহ কাল বন্ধ ৰাখি পুনৰ ১৯ জুলাই তাৰিখৰ পৰা কাকত চলাবলৈ আৰম্ভ কৰা হয।

(শনিবাৰ ৩ শাওণ ১৮৫২ শক ই, ১৯ জুলাই ১৯৩০চন)

আগেয়ে জাননী দিযা মতেই প্ৰায আঠৈ মাহ বন্ধ ৰাখি আজি আমি 'অসমীযা'ক আকৌ ৰাইজৰ আগলৈ উলিয়ালো। আশা কৰো ৰাইজে আমাৰ সকলো ক্ৰুটী মাৰ্জ্জনা কৰিব আৰু "প্ৰেছ অৰ্ডিনান্স" ৰূপী মহাকাল অস্ত্ৰ মূৰৰ ওপৰত ওলমি থকাতো ৰাইজৰ সেৱা কৰিবলৈ ওলোৱাত ৰাইজে "অসমীযা"ক আগতকৈও বেছিকৈ মৰমৰ চকুৰে চাব।"

নিয়মানুবৰ্ত্তিতা আৰু শৃঙ্খলালৈ তেওঁৰ মন শ্ৰদ্ধাশীল হোৱাত বাহিৰৰ পৰা মানুহে তেওঁক কঠিন হৃদযৰ মানুহ বুলি ভাৱে কিন্তু যি সকল তেওৰ সান্নিধ্যলৈ আহিবলৈ পাইছে তেওঁলোকে জানে যে, এই শিলৰ দৰে টান হিয়াৰ আঁৰত এখন অতি কোমল দেশপ্ৰেমী হিযা লুকাই আছিল।

অসমৰ ৰাজনৈতিক জীৱনত প্ৰকাশ্য অংশ নললেও অসমৰ ৰাজনৈতিক জীৱন গঠনত তেওঁ যি অংশ লৈছিল, তালৈ বৰ্ত্তমানৰ আৰু ভৱিষ্যতৰ অসমে শ্ৰদ্ধা জ্ঞাপন নকৰাকৈ থাকিব নোৱাৰে।

অসমীয়া সাংবাদিকতাৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালা

—বেণুধৰ শৰ্ম্মা

চন্দ্ৰকুমাৰ আগৰৱালা যে "ৰমণীয় কমনীয় মাধুৰী মধুৰ" 'প্ৰতিমাৰ' 'খনিকৰেই' আছিল, এনে নহয়, আধুনিক সভ্যতাৰ নহলে-নোহোৱা-আনুষঙ্গিক উপকৰণ বাতৰি-কাকত বা সাংবাদিকতাৰো খনিকৰ। নিমাতী কৱিতাৰ প্ৰতীক প্ৰতিমা এখন গঢ়িবলৈ সুন্দৰৰ কল্পনা, কল্পনানুসৰি ঠগ বা গঢ়, তাকে চাই ধাতু বা খেৰৰ জুমুঠি নতুবা কুমাৰ মাটি, তাৰ ওপৰত হেঙ্গুল-হাইতালৰ বোল— এইবোৰ সঁজুলি তিল-তৰ্জুৰূপে ব্যৱহাৰ কৰাত সৌন্দৰ্য্যজ্ঞান, কলাজ্ঞান, ভাস্কৰ্য্যজ্ঞান আৰু বিচাৰ-বুদ্ধিৰ প্ৰযোজন। সেইদৰে, বাতৰি-কাকত এখন উলিযাই আদৰ্শমূলক যশোৰাশিৰে প্ৰতিষ্ঠিত হবলৈও প্ৰযোজন— জনসাধাৰণৰ হিতৈষণা, সমাজৰ নাড়ী-নক্ষত্ৰ জ্ঞান আৰু ভাষাৰ ওপৰত আধিপত্য। তাৰ উপৰিও লাগিব সম্পাদকীয় দাযিত্ববোধ, কাকতীয়া সৌন্দৰ্য্যবোধ— অৰ্থাৎ কাকতখনৰ কোন ঠাইত কেনেকুৱা ঠগ, আয়তন আৰু আকৃতিৰ আখৰ বহুৱালে কাকতখন দেখিবলৈ ধুনীয়া হয়, কোন বাতৰিটো কেনেকৈ লিখি, কেনেকৈ তাৰ শিৰোনামা দিব লাগে, জাননী এখন চকুত পৰাকৈ দিবলৈ কেনেকৈ লিখিব লাগে ইত্যাদি কাকত পৰিচালনাৰ ব্যৱসায়ী বুদ্ধি।

ৰাজকীয় বা প্ৰশাসনীয় ক্ষমতা নথকা ৰাষ্ট্ৰীয় নায়ক বুলিব লাগে বাতৰি-কাকতকে। স্বাধীনতাৰ মোল বুজা-দেশত বাতৰি-কাকতেই ৰাষ্ট্ৰীয় শান্তি-সংহতি স্থাপন কৰাৰ

আদি মূল। উচ্চখাপৰ বাতৰি বা একে পৰ্য্যায়ৰে আলোচনী কাকত এখন প্ৰতিষ্ঠা কৰি সকলোৰে সমাদৰ লাভ কৰিব পৰাকৈ চলোৱা নিচেই উজু আৰু যাবে-তাবে কাম নহয়। চন্দ্ৰকুমাৰ আগৰৱালাই কিন্তু, সেই দুযোটা বৰ-টোকোলা চৰাই একেপাত কাঁড়েৰেই মাৰিব পাৰিছিল। এই কেৰা সামৰ্থ্যৰ অধিকাৰী হব পাৰিছিল এই বাবেই যে তেওঁৰ অন্তৰখন আছিল স্বদেশ-প্ৰেমেৰে উপচি থোৱা আৰু ব্যৱসায়ী বুদ্ধি আছিল আগ পাচ গুণি আহিলাপাতি যুগুতাই লোৱা সততা-তৎপৰতাৰ। সেই গুণে হে, সুন্দৰৰ 'প্ৰতিমা' গঢ়াত তেওঁ যেনেকৈ "খনিকৰ," দেশোন্নতিৰ বাহন সাংবাদিকতাৰ প্ৰকৃত আৰ্হি প্ৰতিষ্ঠা কৰাতও তেওঁ তেনেকৈ নিপুণ বাট-কটীয়া খনিকৰ।

১৮১০ শকৰ ভাদ মাহৰ ২৫ তাৰিখে শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ দিনা, কলিকতা প্ৰবসুৱা অসমীয়া ছাত্ৰৰ উদ্যোগত কলিকতা-অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ জন্ম হয়। সভাই সঙ্কল্প লৈছিল—অসমীয়া ভাষাৰ সৰ্ব্বাঙ্গীন উন্নতি সাধন কৰিবলৈ। সঙ্কল্প মুখেৰেহে হল হাতে-কামে লাগিবলৈ কোনো হাঁফি ওলাব পৰা নহল। কলিকতাত মত্তা "টোঁৱা-টোঁৱা" মাতষাৰৰ প্ৰতিধ্বনি তুলি গোটেই অসম ঝন-ঝনাই থোৱা কৰিবলৈ লগা হল এখন কাকত, অন্ততঃ এখন আলোচনী কাকত। তাকে সকলোৰে মনে মুখে আছে, মৰসাহ আৰু ধনৰ, মহৰ গাখীৰ আৰু হাতীখুজীয়া বাটিহে নাই। সকলোৱেই ছাত্ৰ-অভিভাৱকৰ পৰা নিয়া বন্ধা টকা কেইটাৰেই কোনোমতে শিঙীমূৰিজোৰা দি পেট প্ৰৱৰ্ত্তাই আছে। এনে স্থলত, খৰচহে আছে—লাভ নাই—এনে এটা দেৱলীয়া হবলগীয়া আলোচনী কাকত হেন এখন কাকত উলিয়াবলৈ সাহ কৰি আগ বাঢ়ি ওলায় কোন? অকল সাহ হলেই হব নে নাইবা ধন হলেই হব? এই দুযোটাৰে সমৰ্থবান হলেও লাগিব সময়ৰ শৰ বাছকবনীয়া প্ৰবন্ধ আৰু সেই প্ৰবন্ধাদি নিৰ্ব্বাচনৰ ক্ষমতা।

অ, ভা, উ, সা সভাৰ সভ্যসকল এনে তুই-নাও-তুই ভৰি অৱস্থাত থাকোতেই ওলাল এজন দ্বিতীয় বাৰ্ষিক এফ, এ, শ্ৰেণীৰ ছাত্ৰ – যাৰ ককা'দেউতাক নাওবং আছিল সুৰদি অসমীয়া ভাষাৰে উজনিত কল, গমিবিৰ মৌজাদাৰ আৰু দেউতাক আছিল মহীশুৰ পৰ্য্যন্ত বৰৰ এঠাৰ ব্যৱসায় প্ৰসাৰ কৰোঁতা হৰিগৰাষণ মাতৃভাষানুৰাগী হৰিবিলাস গুপ্ত বা আগৰৱালা। এইজন তু সাহসিক ছাত্ৰই হল চন্দ্ৰকুমাৰ আগৰৱালা। উপৰিপুৰুষৰ ঐতিহ্যেৰে উদ্বুদ্ধ হৈ এৱেঁই ১৮১০ শকৰ মাঘত, এন্ধাৰত জঁাপ মাৰি নিজৰ পেৰাৰ ধনেৰে দিলে উলিযাই “জোনাকী” কাকত। অকল উলিযাই দিয়েই ক্ষান্ত নেথাকিল, তেৱেঁই একাধাৰে “সম্পাদক, কাৰ্য্যাধ্যক্ষ আৰু স্বত্বাধিকাৰীও হল।” এই “জোনাকী তেই চন্দ্ৰকুমাৰৰ সাংবাদিক জীৱনৰ প্ৰথম চন্দ্ৰোদয। ইযাতেই, “অাঁঠুৰাচাই ঠেংমেলা” নীতি অনুসৰণ কৰি তেওঁ ‘আত্মকথাত’ এইবুলি আত্মপ্ৰকাশ কৰি পোনেই লেখিছিল,—

“অসমত কাকতৰ গতি কচুপাতত পানীটুপিৰ দৰে। মানুহৰ চেষ্টা অজৰ অমৰ বুলি জানিহে আমাৰ সাহ, উদ্যোগীয়ে মৰণ কি কব নোৱাৰে। জীৱনেই হৈছে কাৰ্য্যশীল— কৰিব-লগীয়া আমি কৰিম ফল লাভ পাছৰ কথা। কামৰ চকৰিৰ তলত বহু মৰেও জীযেও মৰি জীহে সংসাৰৰ কাৰ্য্য সাধিব পাৰি। আমাৰ উদ্দেশ্য কি অনেকে সুধিব। সম্প্ৰতি ইয়াকে কলেই হব যে আমাৰ কাৰ্য্য দেখি আমাক সকলোৱে বুজিব পাৰিব – আমাৰ কামটী বুজিব-নোৱাৰা সাঁথৰ নহয। ৰাজনীতি আমাৰ “ৰাজ্যৰ” বাহিৰ, এই পৰাধীন দেশত “প্ৰজানীতি” হে ধৰিবলগীযা। সাহিত্য, বিজ্ঞান, সমাজ ইত্যাদি আমাৰ আলোচনাৰ বিষয-এইবিলাক সাধ্যমতে বুজিবলৈ আৰু প্ৰকাশ কৰিবলৈ যত্ন কৰিম। “বাদ” “প্ৰতিবাদ” আমি আদৰেৰে কোলাত ঠাই দিম। সেই বুলি ব্যক্তিগত নিন্দাক ওচৰ চাপিবলৈ নিদিওঁ। ভাষালৈ আমাৰ বিশেষ চকু থাকিব।

অসমৰ আটাই শ্ৰেণীৰ মানুহে যেন আমাক মৰম কৰে তালৈ আমি যত্ন কৰিম। মকৈ উঠিঅহা অসমৰ নিমিত্তে আমাৰ আটাই শক্তি ব্যয় কৰিম। এই পাছ পৰি থকা আন্ধাৰ দেশলৈ "জোনাক" সুমুৱাব নোৱাৰিলেও, যদি নিজে নিজেও যত্নৰ ফিৰিঙ্গটিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম। আমি জানো আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানত ভিখাৰী, ধনত দুখীয়া, সংখ্যাবলত শক্তিহান, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা আৰু পৰাধীন - কিন্তু আমি নিজশক্তি অনুযায়ী হইহে কামত হাত দিব পাৰোঁ। আমি যুঁজিবলৈ ওলাইছোঁ "আন্ধাৰৰ" বিপক্ষে। উদ্দেশ্য— দেশৰ উন্নতি "জোনাক"। কিমানলৈ আগবাঢিব পাৰিমহঁক সেইটো নিজৰ শক্তিচালনা আৰু সুযোগৰ ওপৰত হে ৰই আছে। আটাইযে উঠি-পৰি লাগোঁহঁক, সুযোগও আপুনি ওলাবহি, পাটীত পৰি দিন গণিবৰ সময় নাই। চাৰিওফালে হুৰহুৰাই "কাম" চলিছে— অসমীযা বহি থাকিব নে?

এই ভাপনাও, ভাপৰথ, বিজুলী ডাকৰ দিনতো যদি হাত-ভৰি কোঁচাই বহি থাকোঁহঁক, তেনে আৰু আগ বাঢি যোৱা সকলৰ লগ ধৰিবলৈ আশা কৰিব নোৱাৰি। আমি নিজকে নিজে "যোগ্য" নকৰিলে অন্যে কৰি নিদিযেহি। এই সংসাৰেই হইছে যোগ্যৰ ঘৰ, অযোগ্য অধ পাতলৈ যাব—Survival of the fittest—পাঠকে দায নধৰিব, এই খিনিতে সুন্দৰ ইংৰাজী কথা এফাঁকি তুলি দিলোঁ, তাৰ অৰ্থ ওপৰত দিযা হৈছে। তুঁহৰ জুইৰ দৰে অসমীযাৰ 'তেজ" আৰু উৎসাহ এতিযা ভাগ্যৰ জাপৰ তলত লুকাই আছে এবাৰ ভমকাই উঠিবই উঠিব।"

আজিকালি ৰাজনীতিবিনে কোনো বাতৰি কাকতৰ সত্তা নাই। সেই কালত ৰাজনীতি-চৰ্চ্চাতকৈও বেছি আৱশ্যক আছিল শিক্ষা, বেহাবেপাৰ আৰু বিদ্যাবুদ্ধিৰ চৰ্চ্চা। সাহিত্যই জাতীয উন্নতিৰ সিংহদুৱাৰ। সেই গুণে, অসাঠন, এলেহুৱা,

আন্ধাৰত পৰি থকা অসমীয়া জাতিক অনুপ্ৰাণিত কৰিবলৈকে সাহিত্য চৰ্চ্চাৰ যোগেদি সম্পাদক আগৰৱালাই ডচাই-ডচাই কৈছিল—"যোগ্য ভোগ্য বসুন্ধৰা, আগেযে যোগ্য হোৱাঁ, তাৰ পিছত জীৱন যাত্ৰাৰ সুখ ভোগ কৰাঁ।"

বিদেশত সুখ্যাতি আৰ্জ্জন কৰা অসমীয়া সদাগৰ ভোলানাথ বৰুৱাই অসমীয়া মানুহৰ গতিগোত্ৰ বুজি উপদেশ দিছিল—জুতি লগাই অন্ন-ব্যঞ্জন ভোজন কৰিবলৈ হলে ৰান্ধনীৰে-সৈতে ভালে থাকিবা। ৰাজনীতি চৰ্চ্চা কৰিলে বিদেশী শাসকৰ পৰা পাবলগীয়া সু৲বধাখিনিৰ পৰাও আমি বঞ্চিত হব পাৰোঁ। এনেকুৱা বিবেচনাৰ বশৱৰ্ত্তী হৈযেই সম্পাদকৰ কাপ হাতত লৈ কবলগীয়া হৈছিল, "পৰাধীন জাতিৰ ৰাজনীতি নাই।" আজি এই ফাঁকি বচনৰ একো মূল্য নাই। কিন্তু, যি সময়ত ইযাক উচ্চৰা হৈছিল, সেই সময়ত আন হে নেলাগে, কেউপিনে উন্নত বঙ্গদেশৰ ৰাজনীতিজ্ঞসকলেও এই ডাকৰ বচনহেন বাণীষাৰৰ তাৎপৰ্য্য মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিছিল—অৱশ্যে, বৰ আনন্দৰ কথা যে আগৰৱালাই লেখাৰ বছ-বছৰৰ পাছত হে।

আত্মবিশ্বাসৰ ওপৰত ভৰ দি চন্দ্ৰকুমাৰে কলিকতা এৰি অসমলৈ গুচি আহিবলগীয়া হয়। এশ-এটা আশা আকাঙ্ক্ষা বুকুত বান্ধি পাৰিদিযা 'জোনাকী' নাওখনি, তেওঁৰ অবিহনে হঠাতে গুৰিযাল নোহোৱা হৈ বুৰি থাকিবলগীয়া হৈছিল। লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীযে গুৰি-'বঠাপাত' ধৰি জানিবা কোনোমতে ৰক্ষা কৰিলে। কৰিলে হে কৰিলে, 'জোনাকীৰ' অৱস্থা কিন্তু কাহিল হল। দঁতাল হাতী মৰিলেহে যেনেকৈ দাঁতজোৰ কিমান দলৈকে সোমাই আছিল বুজিব পাৰি, চন্দ্ৰকুমাৰ আঁতৰি গলতহে তেনেকৈ বুজিব পৰা হল 'জোনাকী' চলোৱাত চন্দ্ৰকুমাৰে কি দু সাহসিক ভূমিকা গ্ৰহণ কৰিছিল আৰু সেই ভূমিকাৰ পোতনেই বা কিমান দ আছিল।

আগৰৱালাই "জোনাকী" প্ৰকাশৰ সকলো ব্যয়ভাৰ নিজেই বহন কৰিছিল। তেওঁ নো ক'ত কি খৰচ কৰি সাতোটা জোৰা মাৰি কাকত চলাইছিল, অ, ভা, উ, সা, সভাৰ সৰহভাগ সভ্যেই তাৰ বুজ পোৱা নাছিল বা লোৱা নাছিল। তেওঁ কলিকতা এৰাৰ পিছত জহৰ বন্ধ হল; সকলো ছাত্ৰ ঘৰাঘৰি গল। হেমচন্দ্ৰ গোস্বামীও ঘৰ পালেহি। ধন যোগাওঁতা মানুহো নোহোৱা হল। সেই সময়ত, অঠাইসাগৰত পৰি, বেজবৰুৱাই হেম গোসাঁইলৈ দুখ কৰি যি চিঠি দিছিল, তাতে চন্দ্ৰকুমাৰ নোহোৱাত "জোনাকীৰ" কি শোচনীয় অৱস্থা হৈছিল, তাৰ আভাস এটি পোৱা যাব। বেজবৰুৱাই লেখিছিল,

"তোমাৰ 'জোনাকী' দেখোন জঠৰ হল। কণকলাল বৰুৱা, দ্বাৰিকেশ্বৰ শৰ্ম্মা, ৰজনী বৰদলৈ গলগৈ। তোমালোকে টকা নপঠিয়ালে "অকণমান" বস্তুটি (জোনাকী) এই সংখ্যাৰ পাছতে মৰি থাকিব। আজীৱন সভ্যসকলেও গা-এৰা দিলে, বৰঙণি নিদিয়া হল। * * অধৰ বাবুক ৪৪ টকা দিব লাগে। অন্নপমান নেপালে তেওঁ আৰু ছপা নকৰোঁ বুলিছে। তুমি যোৱাৰ পিছত আমি আৰু তেওঁক এটা পইচাও দিয়া নাই। নকৈ কি, কাগজৰ দাম ৬ ছয় টকা তাকো দিব পৰা নাই। কাকতখন মৰিব বুলি ভাবিলে বৰ দুখ লাগে। খুজি মাগি হলেও জোনাকীখন জীয়াই ৰাখা, অসমীয়া ভাষাৰ মান ৰাখাঁ।"

ছাত্ৰ গুচি, তামোলবাৰী চাহবাগিচাৰ স্বত্বাধিকাৰীৰূপে বাগিচা চলাই থাকোতেও আগৰৱালাই সঘনে 'জোনাকীৰ' ভু-ভা লৈ আছিল। কাকতখন চলাবলৈ সময় বুজি ৩৫, টকা ৪০ টকাকৈ সাহায্যও দি আছিল। কিন্তু ১৯০১ চনৰ পৰা অৰ্থ আৰু দিহা বুধি দিওঁতা ব্যৱসায়ী বুদ্ধিৰ সাহিত্য সেৱী নোহোৱাত কলিকতাৰ পৰা 'জোনাকী' ওলোৱা বন্ধ হৈ গল।

ঘৰ সোমোৱাৰ পিছত, সাংবাদিকতাৰ চিন্তাভাবনা আৰু কৰিব নলগীয়া হল। ইতিমধ্যে, 'জোনাকীৰ' কাৰ্য্যালয়ো

গুৱাহাটী পালেহি। "আসাম", "এডভকেট অৱ আসাম" আৰু "আসাম বন্তি" আদি বাতৰি কাকতো ওলাল। কিন্তু সেইবিলাক কেৱল বাতৰিৰ কাকত হোৱা বাবে চন্দ্ৰকুমাৰৰ পৰিকল্পিত উদ্দেশ্য আৰু আশা আকাঙ্ক্ষা পৰিপূৰ্ণ কৰিব পৰা নাছিল। পূৰ্ব্বে 'জোনাকী' উলিযাওঁতে, দেশৰ আৰু দেশ-বাসীৰ যি পৰিস্থিতি আৰু মনোভাব আছিল, সেই এটাই-বোৰ ক্ৰমান্বয়ে লুটি খাই আহিল। আগেযে যে কৈছিল, "পৰাধীন জাতিৰ ৰাজনীতি" নাই বুলি, সেই কথা প্ৰথম মহাসমৰৰ পাছত মূল্যহীন হৈ পৰিল। বৃটিছ শাসনৰ তলতে থাকি স্বায়ত্ত শাসন লাভ কৰাৰ ধাউতি সকলোৰে অন্তৰত জাগিবলৈ ধৰিলে। গতিকে, দেশৰ চিন্তা আকাঙ্ক্ষাৰ সোঁতটো এতিয়া নতুন বাটেদি বোৱাবৰ প্ৰযোজন হল। ডেকা কালৰ পৰা ফল্গু নদীৰ দৰে, সংবাদিকতাৰ দ্বাৰাই দেশ সেৱা কৰা মহান ব্ৰতৰ লক্ষ্যটি চন্দ্ৰকুমাৰৰ অন্তৰত অন্ত সলিলা হৈ বৈ আছিল, এতিযা সেই সলিলৰ সোঁত ওপৰলৈ উঠিল আৰু সমযোপযোগী কৰি তেও বাতৰি কাকত এখন উলিয়া-বলৈ মনস্থ কৰিলে। সাংবাদিকতাৰ পৰ্য্যাযত পৰিছিল যদিও আগেয়ে, 'জোনাকী'যে আধুনিক বাতৰি কাকতৰ কৃত্য সম্পাদন কৰা নাছিল—কৰিবলৈ তেতিযা সিমান আৱশ্যকো নাছিল। এতিয়া সংবাদ বা বাতৰিৰ নামে গাৱেঁ মিলাই কাকত এখনৰ নিতান্ত প্ৰযোজন হোৱাত চন্দ্ৰকুমাৰ আগৰৱালাই সদানন্দ দুৱৰা, গঙ্গাৰাম চৌধুৰী আৰু জনদিযেক বিশিষ্ট অংশীদাৰ লৈ ৫০০০ টকা মূল ধনেৰে "আসাম প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিছাৰ্ছ লিমিটেড" কোম্পানী প্ৰতিষ্ঠা কৰি অসমীয়া প্ৰেছত "অসমীযা" নামৰ নতুন সাপ্তাহিক কাকতখন উলিয়াই দিলে। এই 'অসমীযা' কাকতেই চন্দ্ৰকুমাৰ আগৰৱালাৰ সাংবাদিকতাৰ কীৰ্ত্তিস্তম্ভ।

১৮৪০ শকৰ ভাদৰ ৯ দিন যাওঁতে, সোমবাৰে (১৯১৮ চনৰ ২৬ আগষ্টৰ দিনা) সাদিনীয়া অসমীয়া বাতৰি-কাকত "অসমীয়াই" "বিশ্বনিয়ন্তাক প্ৰণিপাত কৰি, অসম

দেশৰ সমূহ ৰাইজলৈ নিমন্ত্ৰণ জনাই, অসম-মাতৃৰ সেৱা মূৰত তুলি লৈ, সাধ্য অনুসৰি বজা আৰু ৰাইজৰ প্ৰতি কৰ্ত্তব্য সাধন কৰিবলৈ আজি সংকল্প কৰিছে”—এইবুলি—“স্বৰ্গতো অধিক জনমভূমি”ৰে শিৰোনামা লৈ “কাৰো সন্নিধান নোলোৱাকৈয়ে” চন্দ্ৰকুমাৰৰ ‘অসমীয়া’ কাকতে ৰাইজৰ আগত দেখা দিলে। ‘জোনাকীৰ’ প্ৰথম লগৰীয়া “অভিন্ন হৃদয়”ৰ বান্ধৱ লক্ষ্মীনাথ বেজবৰুৱাৰপৰাও আশীৰ্ব্বাদ আহিল—

“অসমীয়াৰ’ গুৰিত হাতত গুৰি-ব’ঠা লৈ, সেই আমাৰ ‘জোনাকীৰ’ গুৰিযাল। অসমীয়া। ভয় নাই, পাৰি দিয়াঁ। তোমাৰ গুৰিত পৈণত মাজী।”

সেই “পৈণত মাজী” আগৰৱালাই প্ৰথম সংখ্যা কাকতত্ত এই কেইটা টোপানীতিকে (মউ) অসমীয়া জাতিলৈ মূলমন্ত্ৰৰূপে আগবঢাইছিল৹—

(১) কামৰ মৰ্য্যাদা নুবুজিলে এই সংসাৰত কোনোৱেই কৃতিত্ব লাভ কৰিব নোৱাৰে।

(২) ঠেংভগা অসমীয়া জাতিযে কাৰ লগত যুঁজ কৰিব? যুঁজ কৰিবৰ সামৰ্থ্য নাই। যুঁজিবলৈ হলে, ভৰি পোন হব লাগিব, হাত বজ্ৰময় হব লাগিব, হৃদয় সাহসেৰে ভৰি পৰিব লাগিব।

(৩) বিবাদ কৰিলে দুখ-দুৰ্দ্দশা নুগুচে। এন্ধাৰ নেভাগে। সুন্দৰ জীৱনৰ পোহৰ লাগে, তেহে অসমীয়াৰ চৰিত্ৰ পুনৰ গঠিত হব পাৰিব।

(৪) অকলে একো কৰিব নোৱাৰি। সমাজক উন্নত কৰিললে হে, স্থায়ী হৈ তিষ্ঠিব পাৰি।

(৫) ৰাইজে নখ জোকাৰিলেই নদী বৈ যায়।

(৬) তেতিযাও বাতৰি-কাকত অসমৰ নিমিত্তে ন বস্তু। সাহিত্যৰ বাহন স্বৰূপে জাতীয জীৱনৰ লগত ইযাৰ অটুট সম্বন্ধ।

(৭) বাতৰি-কাকত বাইজৰ দূত। যাৰ যি কওঁতা আছে সকলোৰে ইয়াৰ স্তম্ভত থিয় হৈয়ে মাত দিব পাৰে।

উল্লিখিত নীতি কেইটিকে অনুসৰণ কৰি আগৰৱালাই ১৯১৮ চনৰপৰা "অসমীয়াৰ" মৃত্যুৰ আগমুহূৰ্ত্ত আৰু মৃত্যুৰ পিছতো ১৯৫৮ চনৰ ১২ এপ্ৰিললৈকে একেৰাহে খুটিপোতা সম্বন্ধেৰে যি ভাবে "অসমীয়া"খনৰ সম্পাদনা আৰু পৰিচালনা কৰি গল, তাক দেখি, তেওঁৰ তলত কাম কৰি যোৱা সম্পাদক আৰু ধাৰী পাখি-সম্পাদক সকলোৱেই—আন কি, তলতীয়া সামান্য কৰ্ম্মচাৰী একোজনেও মুক্তকণ্ঠে স্বীকাৰ নকৰি নোৱাৰিলে যে কবিসুলভ খিংখিঙীয়া স্বভাৱৰ আছিল যদিও, কাকত-খন চলোৱাত আগৰৱালা ডাঙৰীয়া জয়ে জয়ে পাঙ্গিলোৱা নীতিৰপৰা এজুলেমানো আঁতৰা নাছিল। তদুপৰি, তেওঁ আছিল কড়া ক্ৰান্তি পৰ্য্যন্ত চকুৰখা মিতব্যয়ী। দুপাশলীয়া বুদ্ধি-বৃত্তি, সাংবাদিক ভাবাজ্ঞান, সমাজৰ মঙ্গল চিন্তা আৰু হাতধৰিচলা মিতব্যয়িতাৰ ফলত সেই কল্পনাতীত সাংবাদিকতাই "অসমীয়া" কাকতত সম্পূৰ্ণ সাফল্য লাভ কৰিলে।

সৰ্ব্বসাধাৰণৰ মাজত এটা ধাৰণা আছে যে বাতৰি-কাকতত কি সম্পাদকীয়, কি ৰম্যৰচনা, কি বা-বাতৰি – সকলো লেখাই ক্ষণিকৰ নিমিত্তে লেখা বাবে সাহিত্যৰ পৰ্য্যায়ত নপৰে। সংবাদ-সাহিত্য স্থায়ী নহয় আৰু বাতৰি-কাকতৰ সকলো কথা সাহিত্যময় কৰিবলৈ গলে, বাতৰি-কাকতীয়া ভাষাৰ কাঁড়ডাল যি উদ্দেশ্যলৈ মৰা হয়, সেই উদ্দেশ্যত নালাগেগৈ আৰু লাগিলেও ভোটা হয়। কিন্তু, বহিৰ্জ্জগতৰ অনুক্ষণ পৰিবৰ্ত্তনশীলতাই অন্তৰ্জ্জগতত একো-একোটা নতুন-নতুন ৰূপৰ বা দৃশ্যৰ মোহৰ মাৰি থৈ যায়। সেই মোহৰবোৰ ভাষাৰে প্ৰকাশ কৰিবলৈ একোটা-একোটা নতুন নতুন শব্দৰ প্ৰয়োজন হয়। সেই শব্দবাজি নতুনকৈ সাজিয়েই হওক বা পুৰণিকে ন ৰূপ দিয়েই হওক, বাতৰি-কাকতে সততে ব্যৱহাৰ কৰি সাহিত্য-ভঁৰাল চহকী কৰে। সাহত্যি-সম্পদ বৃদ্ধি কৰাত

"অসমীয়াৰ" অৱদান নিচেই নগণ্য বুলি কব নোৱাৰি। বিদেশী শব্দ একোটা জীণ নিয়াই অসমীয়াৰ জাতত তুলি লবলৈ আগৰৱালা ভাণ্ডৰীয়া সদায় সচেষ্ট আছিল। খিংখিঙীয়া আচৰণত, কোনো-কোনো সময়ত কোনো কোনো কৰ্ম্মচাৰী বিৰুষ্ট হৈছিল সঁচা, কিন্তু তেওঁৰ ব্যৱসায় বুধীয়া মিতব্যয়িতাৰ কামত হাৰ মানি তেওঁবিলাক পাছত সন্তুষ্ট হবলৈ বাধ্য হৈছিল।

কাকতৰ সম্পাদকীয় প্ৰবন্ধ-নিৰ্ব্বন্ধ যে সদায় আগৰৱালা-য়েই নিজেই লেখিছিল, এনে নহয়। আগছোৱাত ভালেমান কৃতী বিষয় আৰু তেওঁৰ বন্ধু-বান্ধৱেও সম্পাদকীয় লেখি কাকতৰ মৰ্য্যাদা বঢ়াইছিল, কিন্তু, আগৰৱালাই চকুফুৰাই চাই হে সেই প্ৰবন্ধ প্ৰকাশ কৰিবলৈ দিছিল। যদি ক'ৰবাত তেওঁৰ অজ্ঞাত কোনো প্ৰবন্ধ প্ৰকাশিত হৈছিল আৰু তাত যদি কিবা আঁসোৱাহমূলক কথাই ঠাই পাইছিল, তেন্তে তেওঁ সেই লেখকজনক সংশোধন কৰি দিছিল। পাখি-সম্পাদক বা চাব-ইডিটৰৰ কামটো সোণৰেহে জুখিব পাৰি বুলি এষাৰ কথা আছে। সেই সুনীয়া কাম সম্পাদন কৰোঁতা পাখি-সম্পাদক, গঢ়ি লৈছিল ঘাই-সম্পাদক চন্দ্ৰকুমাৰ আগৰৱালাই। ছকুৰি বছৰ আগৰৱালাই নিজৰ তত্বাৱধানত ৰাখি "অসমীয়া" চলাই বাতৰি কাকতীয়া বুৰঞ্জীত এটি উজ্জল আৰ্হিৰ অধ্যায় সৃষ্টি কৰি গল। "কচুপাতৰ পানীৰ নিচিনা বাতৰি-কাকতীয়া ক্ষণস্থায়ী জীৱন এটা যে ইমান দীঘলীয়াকৈ জীয়াই থাকিব, তাক আগেয়ে কোনেও ভাবিব পৰা নাছিল।

আগৰৱালাৰ এবাৰ এজন সহকাৰী সম্পাদকে 'উপবাসৰ' সলনি বঙলা শব্দ "অনশন" ব্যৱহাৰ কৰাত 'অসমীয়া' জন্মদাতাই "কচ" ব্যৱহাৰ কৰিবলৈ বাধ্য হৈছিল। সেই বাবে জন্মদাতা গৰাকীয়ে সেইজন সম্পাদকৰ সহায় নোলোৱাকৈয়ে আন এজন সম্পাদক নিযোগ কৰা পৰ্য্যন্ত নিজেই কাকতৰ সকলো

কাম চলাইছিল। আগৰৱালাই কৈছিল—সংবাদ-পত্ৰত ভুল শব্দ একোটা ব্যৱহাৰ কৰি থাকিলে, সেয়ে পাছত শুদ্ধ হৈ চলিযায। সেই কাৰণে, কাকত চলাওঁতাসকলে সদায় সতৰ্কভাৱে শব্দ প্ৰয়োগ কৰিব লাগে।

পোনৰ কেই বছৰমান 'অসমীযা'খন ডিবুৰুৰপৰা ওলাইছিল। তেতিযা শ্ৰীযুত নীলমণি ফুকন, ৺সদানন্দ দুৱৰা, ৺মহেশচন্দ্ৰ বৰুৱা প্ৰভৃতি ভালেমান কৃতবিদ্য চিন্তাশীললোকে সময়ে সমযে 'অসমীযাৰ' সম্পাদকীয প্ৰবন্ধাদি লেখিছিল। -আগৰৱালা গুৰিত আছিল। সেই সমযত, সম্পাদকীয প্ৰবন্ধবিলাকত অকল বাতৰি কাকতীযা ভাষাকেই প্ৰয়োগ কৰা নহৈছিল, বৈজ্ঞানিক শিক্ষাদানৰ প্ৰযোজনীযতা দেখুৱাই লেখা নিবন্ধ একোটিতো সৰল সাহিত্যৰ ছাট মৰা হৈছিল। দুকুৰি ছয-সাত বছৰৰ আগেযেই লেখা এই আজিও পুৰণি নোহোৱা প্ৰবন্ধটোৰ এছোৱা "অসমীযা সম্পাদকীযৰ" চানেকীস্বৰূপে তলত তুলি দিযা হল –

"শিক্ষাৰ অভাৱত পেপুৱা লাগি থকা আমাৰ মানুহে উন্নত বৈজ্ঞানিক প্ৰণালীৰ মোৰ ধৰিব নোৱাৰাত আচৰিত হবলগীযা একো নাই। যুৰোপ আমেৰিকা আদি ঠাইত সাধাৰণৰ মাজত প্ৰথম ছোৱা শিক্ষা বাধ্যতামূলক। এই শিক্ষাৰ ঘাই উদ্দেশ্য হৈছে—জনসাধাৰণৰ বুদ্ধি বৃত্তি অলপ চোকা কৰি দিযা। তেনে সমাজত বৈজ্ঞানিক কৌশল তিষ্ঠিব পাৰিছে। তদুপৰি সেইবিলাক দেশত বিজ্ঞান চৰ্চাৰ খেল আছে। সেইবিলাক ঠাইত লৰাই মাত ফুটা কালৰেপৰা একৰকম কল কাৰখানাৰ কথা পাতে আৰু আমাৰ দেশত উপযুক্ত টেক্সট বুকৰ অভাৱত সেই বিষয়ে একো উত্থাপনেই হব নোৱাৰে। সেইবিলাক দেশত যিবিলাক জ্ঞানবিজ্ঞানৰ কথা—ওঁঠ চেপিলে পিযাহ ওলোৱা লৰাই লাৰিচাৰি ঘটমটাই লৈ ফুৰাইছে, আমাৰ দেশৰ লৰাই ডাটিযে গোঁফে ভোবোকাৰ হৈ হে কলেজৰ দুৱাৰ মুখত

ভয়ে ভয়ে তাৰ ওচৰ চাপেগৈ। এই কাৰণেই আমাৰ দেশত বৈজ্ঞানিক প্ৰণালীয়েও কৃষি-শিল্পৰ বিশেষ উন্নতি কৰিব পৰা নাই। এই বিলাক বিষয় জনসাধাৰণৰ মাজত ভাত মাছৰ দৰে হৈ পৰিব লাগিব। নহলে সি গলগ্ৰহ হে হব। আমাৰ দেশত স্কুল পঢাশালিত বৈজ্ঞানিক বিষয়ৰ কোনো শিক্ষাকেই দিয়া নহয়। নামত যি চুটা এটা পাঠ দিয়া হৈছে তাক কণা কুকুৰাক পতান ধান দি ভঁৰাৰ দৰে, কামত অহা নাই।

আমি দেখি আহিছোঁ, শিক্ষা বিষয়টো জগতত সময় সাপেক্ষ। * * * বৰ্ত্তমান পৃথিৱী জুৰি বৈজ্ঞানিক শিক্ষা চলিছে। এই যুগত সেই শিক্ষা থায় নে-কাণত পিন্ধে এনে অৱস্থাত আমাৰ দেশত থকাটোও অতি হাঁহিযাতৰ কথা হৈছে। বৈজ্ঞানিক শিক্ষাত সাহিত্যৰ সৌন্দৰ্য্য বিকাশ নেপালেও চলে। বৈজ্ঞানিক তথ্যবিলাক লো-হাতুৰি-বটালিত হে বেছিকৈ সোমাই আছে, কিতাপত নহয। ইঞ্জিন ড্ৰাইভাৰ, টেলিগ্ৰাফ, কোম্পানী, ৰেল, স্কুল, কলেজ এইবিলাক শব্দৰ ঘৰুৱা অসমীয়া প্ৰতিশব্দলৈ বাট চাই থকা হলে আজিও অসমীয়া মানুহৰ ওচৰত ধুবুৰী কোনোবা ধুবুৰীয়েই হৈ থাকিলহেঁতেন। ভাষা সম্বন্ধে জাপান কুলীন হোৱা হলে আজি জগতত শ্ৰেষ্ঠ বৈজ্ঞানিকসকলৰ জাতত উঠিব নোৱাৰিলেহেঁতেন। জাপানে প্ৰথম জাহাজখন হাঁ কৈ চাই থকাৰ কিমান দিন হৈছে? সেই জাপানে আজি সাগৰ খলকনি লগাই থকা নাই নে? জাপানে জাপানী ভাষাত টেক্সট বুক নোহোৱাকৈয়ে বিদেশী ভাষাত লিখা বৈজ্ঞানিক কিতাপৰপৰা তথ্যবিলাক লৈ নিজ মাতৃভাষাৰে শুধে-অশুধে হৃদয়ঙ্গম কৰি কাৰ্য্যত সেই জ্ঞান খটোৱা নাছিল নে? বৈজ্ঞানিক ভাষাৰ লালিত্যৰপৰা সম্প্ৰতি বঞ্চিত হলেও কোনো আক্ষেপ নাই। এই বিষয়ে দেশবাসীৰ চৈতন্য হোৱা উচিত।"

'অসমীযা' জন্ম হোৱাৰপৰা, জন্মদাতাৰ মৃত্যু হোৱালৈকে সহযোগী কাকত দুই-চাৰিখন ওলালও মৰিলও। সন্ধিৰ

বাহ বুলিয়েই জাতি 'অসমীয়াই" যাট বুলাত বাঙালীৰ উগ্ৰপন্থী হৈও ১৯৫৮ চনলৈকে জীয়াই থাকিল। সোণাৰ তীব্ৰিত কালত, আঁকোৰগজালি ভাবে খুঁটি ধৰি থকা চৰকাৰী নিগ্ৰহো হেলাৰঙে অতিক্ৰম কৰি "অসমীয়াই" গান্ধী-যুগৰ আৰম্ভণিৰেপৰা একেবাৰে যুগবাণী প্ৰচাৰ কৰি জাতীয় চৈতন্য সঞ্চাৰ কৰিলে। এই চৈতন্যৰ ভাব-ভাষা সকলো অসমীয়া। সেই হে "অসমীয়া'খনে সকলোৰে অন্তৰ স্পৰ্শ কৰিব পাৰিছিল। এইটোৱেই আগৰৱালা-সম্পাদিত 'অসমীয়াৰ' গৌৰব।

এসময়ত, 'অসমীয়াত" সহকাৰী সম্পাদক হিচাপে কাম কৰা শ্ৰীযুত মোহনচন্দ্ৰ মহন্তই কোৱা কথা এবাৰি ইয়াতে উনুকিয়াই থোৱা হল। মহন্তই কৈছিল—"চন্দ্ৰকুমাৰ আগৰৱালাই "অসমীয়া" কাকতৰ প্ৰতিটো শব্দতেই চকু ৰাখিছিল। কাকতখন হাতত লৈযে তেখেতে তাত ৰঙা-নীলা পেন্সিলেৰে দাগি যায়। পিছত, আমাৰ আগত কাকতখন দি কয়, "মহন্ত, চাবাচোন, দাগ দিয়া শব্দ আৰু আখৰ জোটনিবোৰ মোৰ মতে শুদ্ধ হোৱা নাই যেন লাগে।" তেখেতৰ এটি বিশেষ গুণ আছিল যে তেখেতে 'অসমীয়া' বা নিউ প্ৰেছত কাম কৰা লোকসকলক তলতীয়া মানুহৰ দৰে ব্যৱহাৰ নকৰি বন্ধু ভাবেহে কৰিছিল। তেখেতৰ সাদৰি আৰু কথাই সকলোকে মোহ লগাইছিল—(যদিও কেতিয়াবা খং কৰিছিল)।

চন্দ্ৰকুমাৰ "নিজে এজন ধনী চাহবাগানৱালা আছিল যদিও, সমাজতন্ত্ৰী, সাহিত্য তেওঁ পঢ়িছিল আৰু ইন্‌টেলিজেন্ট ৱেমেন্স গাইড টু চছিয়েলিজোম" নামৰ এখন বিখ্যাত কিতাপ কিনি 'অসমীয়াৰ' কৰ্ম্মচাৰীসকলক পঢ়িবলৈ বুলি তাৰ পুথিভঁড়ালত দিছিল। 'অসমীয়াৰ' পৰা তেখেতৰ একো আৰ্থিক লাভ হোৱা নাছিল, গান্ধীজীয়ে কোৱামতে দেশ সেৱাই আছিল এই কাকতৰ উদ্দেশ্য। এই উদ্দেশ্য আগত ৰাখি

লোকচান্দৰ লাভলোকচানেল নেচাই কাকতখনিয়ে অসমৰ জাতীয় আগমণৰ ভৱিষ্যত স্বৰূপে কাৰ্য্য কৰিব পৰাকৈ ইয়াকে সকলো প্ৰকাৰৰ চেষ্টা কৰি জীয়াই ৰাখিছিল।”

“আনৰ আন “ইজোম” (মতবাদ), মোৰ হলে “জৰ্ণেলিজোম” (সাংবাদিকতা) হে সাৰ বস্তু,”—এই নীতি অনুসৰণ কৰি, কুৰি বছৰে একেৰাহে শক্তিশালী “অসমীয়া” কাকতখন চলাই চন্দ্ৰকুমাৰ আগৰৱালাই যি আদৰ্শ এৰি থৈ গৈল সেয়ে তেওঁক আজিও অসমীয়া সাংবাদিক জগতত শীৰ্ষস্থানত বহুৱাই থৈছে।

“অসমীয়া”ৰ জন্ম হয় ১৯১৮ চনত। ১৯২১ চনৰ পৰা গুৱাহাটীৰ খাৰঘুলিত “নিউ প্ৰেছ” পাতি, তাৰ পৰা নিয়মিত ভাৱে কাকতখন প্ৰকাশ কৰা হয়। ১৯৩৮ চনৰ ২ মাৰ্চ্চ তাৰিখে আগৰৱালা ডাঙৰীয়া পৰলোকপ্ৰাপ্ত হয়। তাৰ পিছতো সেই কাকত চলি থাকে। কিন্তু কাজুৱা ভৱিয়াল নথকাত, কাকতৰ অৱস্থা লাহে লাহে পৰি আহে আৰু শেষত ৪০ বছৰ বয়স পাই ১৯৫৮ চনৰ ১২ এপ্ৰিল তাৰিখে একেবাৰেই বন্ধ হৈ যায়।

এই চল্লিছ বছৰৰ ভিতৰতে হয় সম্পাদকতা কৰি, নহয় কৰ্ম্মচাৰী ৰূপে বঙ্গলুৱা উচ্চাৰণেৰে মাতকথা কোৱা উদ্যোগী ডেকা একোজনো ‘অসমীয়া’ কাকতৰ চাকত পৰি সৰসৰীয়া অসমীয়া কব পৰা হল আৰু সাহিত্য সেৱা কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰি ভাল সাহিত্যিক পৰ্য্যায়লৈও উন্নীত হল। আগৰৱালাই পাতি থৈ যোৱা এই খন সাংবাদিক-কমাৰশালতে ভালেমান ডেকা সুসাহিত্যিক, সুব্যৱসায়ী আৰু সুদক্ষ মুদ্ৰাকৰ হৈ সুখ্যাতিৰে ভৱিষ্যত জীৱন সুগম কৰিব পৰা হল। আগৰৱালা নোহোৱা হলে, সাংবাদিকতাৰ ইমান বহল ৰাজ্য এখন আজি দেখিবলৈ পোৱা নহলহেঁতেন আৰু অসমীয়া ভাষানুৰাগীও নোলালহেঁতেন।

"সুকবি চন্দ্ৰকুমাৰ আগৰৱালা সিপুৰীলৈ যোৱাত" অসম সাহিত্য সভা পত্ৰিকাই তেওঁৰ আত্মাৰ সদগতি কামনা কৰি শোক কৰিছিল :—

"আধুনিক অসমীয়া সাহিত্য মন্দিৰৰ এগছি পবিত্ৰ সলিতা নুমাল। অসমীয়া সাহিত্যৰ এক আন্ধৰ কালত পোনৰ পোহৰ বিলাওঁতা এটি "জোনাকী" আজি মাটিত পৰিল। * * *

অসমীয়া কাকত চলোৱা ব্যৱসায়বো চন্দ্ৰকুমাৰ এজন আগশাৰীৰ আগৰণুৱা আৰু কৃতী ব্যৱসায়ী।

"জোনাকী" আৰু "অসমীযা" কাকত তাৰ দুটি জলন্ত জীৱন্ত প্ৰমাণ। "বাঁহী"ৰো শেষৰ পোন্ধৰ ষোল বছৰ কালৰ গৰাকী এৱেঁই। অসমীয়া সাহিত্য আৰু জাতীয় জীৱনত এইকেখন কাকতৰ প্ৰভাৱ নিৰ্ণয কৰাটো ভবিষ্যত বুৰঞ্জী লেখকৰ কাম। তথাপি এই একোখন কাকতেই অসমৰ জাতীয় জীৱনৰ একো অধ্যাযৰ একোটি চমু ইতিহাস বুলি কলেও বৰ বঢাই কোৱা নহয। অথচ, প্ৰায আজিলৈকে এইবোৰৰ জনকৰ নাম বহুতৰ কাৰণেই এটি বাতৰি।"

কৰ্ম্মযোগী চন্দ্ৰকুমাৰ

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

জোনাকী যুগৰ 'চন্দ্ৰ', 'প্ৰতিমা'ৰ খনিকৰ
হাতত 'বৰাগী বীণ', দাৰ্শনিক কৱিবৰ।
বংশগত ব্যৱসায—চাহখেতি, চেপাকল,
সমূলি নেপায ভাল বাহিৰৰ কোলাহল।
নিজানৰ কৰ্ম্মযোগী, মহাত্মাৰ উপাসক
প্ৰাচীন কীৰ্ত্তন-ঘোষা, ভাগৱত প্ৰকাশক।
'লক্ষ্মী', 'হেম' জীৱনৰ অভিন লগৰী
আনন্দ-তীৰ্থৰ যাত্ৰী মানবপূজাৰী।

চমু কথাত এইজনেই আছিল কৰ্ম্মযোগী চন্দ্ৰকুমাৰ আগৰৱালা—যিজন আছিল আধুনিক অসম নিৰ্ম্মাতাসকলৰ অন্যতম, যিজন আছিল বৰ্ত্তমান অসমীয়া সাহিত্য চহকী কৰোঁতাসকলৰ অন্যতম। অসমহিতৈষী আগৰৱালা পৰিয়ালৰ কথা মনত পেলালে, অসমীয়া সাহিত্যৰ জোনাকী যুগৰ কথা মনত পেলালে, বেজবৰুৱাৰ 'বাঁহী' আৰু গুৱাহাটীৰ নিউ প্ৰেছৰ 'অসমীয়া'ৰ কথা মনত পেলালে চন্দ্ৰকুমাৰৰ ছবিখনি আপোনা-আপুনি চকুৰ আগলৈ ভাহি আহে।

অসমৰ সুবিখ্যাত আগৰৱালা পৰিযালৰ প্ৰতিষ্ঠাতাজনৰ নাম নৱৰঙ্গৰাম। এওঁ আছিল ৰাজস্থানৰ এটি আঢ্যৱন্ত পৰিযালৰ সন্তান। অসমৰ ভাগ্যৰ কাৰণেই নিশ্চয এক আৰ্থিক বিপৰ্য্যযৰ সম্মুখীন হৈ ভাগ্যদেৱীৰ অন্বেষণত সেই নৱৰঙ্গৰাম এদিন মৰুভূমিৰ দেশৰ ৰাজস্থান এৰি সুজলা সুফলা অসমৰ গোৱালপাৰা জিলাত উপস্থিত হলহি। চকা পাটত বহিবৰ উপক্ৰম হৈছিল যদিও তেতিযাও অসমৰ স্বাধীনতা বেলি

মাৰ যোৱা নাছিল। তেতিয়া উত্তৰ পাৰৰ দৰং বিশ্বনাথ পৰ্য্যন্ত বৃটিছ কোম্পানীৰ শাসনে হেপা মেলি আছিছিল। নৱবঙ্গৰাম গোৱালপাৰাৰ পৰা ব্যৱসায় সংক্ৰান্তত গৈ গৈ বিশ্বনাথ পালেগৈ আৰু অৱশেষত বৃটিছ অঞ্চলত অৱস্থাৰ বিশেষ উন্নতি কৰিব নোৱাৰি তেতিয়াও আহোম ৰজাৰ শাসনৰ তলত থকা গমিৰিত নিজৰ অৱস্থা টনকিয়াল কৰি লৈ আত্ম-প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হল। সেই গমিৰিতে তেওঁ পুৰণি ৰাজখোৱা পৰিয়ালৰ জীয়ৰী সাদৰীক বিয়া কৰাই অসমৰ বুকুত অসমীয়া হৈ জাহ গল।

এই নৱবঙ্গৰামে প্ৰতিষ্ঠা কৰা আগৰৱালা পৰিয়ালে অসমৰ উন্নতিত কেনেদৰে আগভাগ লৈ আছিছে সেই কথা আজি জলজল পটপট। এই আগৰৱালা বংশতে একেটি থোপাতে ফুলাৰ নিচিনাকৈ এদিন বিকশিত হৈ উঠিছিল তিনিপাহ আমোলমোলীয়া পাৰিজাত —'প্ৰতিমা'ৰ খনিকৰ, 'বীণবৰাগীৰ বৰাগী চন্দ্ৰকুমাৰ, ভাওনি-কোঁৱৰ আনন্দচন্দ্ৰ আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ। এইসকলৰ এজনৰ কথা বাদ দিলেও অসমীয়া ভাষা-সংস্কৃতিৰ কথা সম্পূৰ্ণ নহব। এই তিনিগৰাকীৰ উপৰিও কৃষ্ণপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ আগৰৱালা প্ৰভৃতিৰো সাহিত্যিক অৱিহণা স্মৰণযোগ্য। চন্দ্ৰকুমাৰৰ ভাতৃ সঙ্গীতজ্ঞ পৰমানন্দই তেওঁৰ পুতেক ৰূপকোঁৱৰৰ সন্মুখত কেনেকৈ অসমীয়া সঙ্গীতৰ নতুন আৰ্হিপট এখনি তুলি ধৰিছিল তাৰ স্বীকৃতি জ্যোতিপ্ৰসাদৰ ৰচনাতে আছে।

নৱবঙ্গৰামৰ পুত্ৰ হৰিবিলাস আগৰৱালা। এওঁৱেই আমাৰ আজিৰ এই আলচৰ নায়ক চন্দ্ৰকুমাৰৰ পিতৃ। হৰিবিলাসে পিতৃৰ ব্যৱসায়তে মনপুতি লাগি অসমৰ ভিতৰতে তাক সীমাবদ্ধ নেৰাখি সুদূৰ ওৰেষা ৰাজ্যলৈকে বেপাৰৰ পৰিসৰ বঢাই তুলিছিল আৰু নিজৰ পৰিয়ালটোৰ অৱস্থা ধনে-মানে এটা জাকত জিলিকা অসমীয়া পৰিয়াল কৰি তুলিবলৈ সমৰ্থ হৈছিল। হৰিবিলাসৰ একেটা মাথোঁন কন্যা যজ্ঞেশ্বৰীয়েও

জোনাকী কাকতত সাহিত্য-সাধনাৰ পাতনি মেলি অকালতে স্বৰ্গী হল। ভনীয়েক যজ্ঞেশ্বৰীক উদ্দেশ্য কৰি চন্দ্ৰকুমাৰে 'আশীৰ্ব্বাদ' কৱিতাত লিখি গৈছে—

আকাশ তলত মোৰ খেমালিৰ ঘৰ—
বিশ্বৰ ছোৱালী-লৰা সঙ্গী,
ভাই-ভনী লই মোৰ সংসাৰৰ খেল
কোনে চাব মোৰ ভাওভঙ্গী।

অসমৰ পুৰণি সাহিত্যৰ প্ৰতি বিশেষ অনুৰাগী হৰিবিলাসে খোঁৱাচাঙৰ পৰা বুটলি ১৮৭৬ চনতে মহাপুৰুষৰ কীৰ্ত্তন-ঘোষা গ্ৰন্থ মণিকূটৰ টিমিকচামাক পোহৰৰ পৰা আনি ছপাৰ পোহৰত বাইজৰ ৰৰচ'ৰালৈ উলিযায়। তাৰ উপৰিও তেওঁ ভাগৱতৰ ১ম, ২য আৰু ৩য স্কন্ধ, গুণমালা, সীতা-সয়ম্বৰ আদি পুৰণি পুথিবোৰ ছপাই অসমীয়া পুথি-প্ৰকাশকৰ আগত সজ আদৰ্শ দাঙি ধৰে। চন্দ্ৰকুমাৰে তেওঁৰ জীৱনত পিতৃৰ এই আদৰ্শও নিষ্ঠাৰে ৰূপায়িত কৰিছিল।

অ জিৰ পৰা প্ৰায এশ বছৰ পূৰ্ব্বে অৰ্থাৎ ১৮৬৭ চনৰ নৱেম্বৰ মাহত কল্‌পুৰ মৌজাৰ ব্ৰহ্মাজানৰ পাৰত চন্দ্ৰকুমাৰে জন্মগ্ৰহণ কৰে। এই ঠাইখন হৰিবিলাসৰ ঘাই ঘৰ গমিৰিৰ পৰা ছমাইল নিলগত। এই ব্ৰহ্মাজানতে আৰু গমিৰিতে চন্দ্ৰকুমাৰৰ বাল্যজীৱন অতিবাহিত হয়। তাৰ পিছত হৰি-বিলাসে ব্যৱসায সম্প্ৰসাৰণ আৰু লৰা-ছো'ৱালীৰ শিক্ষাৰ সুচলৰ বাবে তেজপুৰলৈ উঠি আহি নিগাজীকৈ থাকিবলৈ লয। তাৰ পিছত তেওঁলোক সপৰিয়ালে কলিকতালৈ যায় আৰু তাত চন্দ্ৰকুমাৰক হেয়াৰ স্কুলত নাম লগাই দিয়া হয়। পিছে এণ্ট্ৰেন্স মহলা দিযাৰ আগে আগে চন্দ্ৰকুমাৰক আকৌ তেজপুৰ হাইস্কুলত পঢ়িবলৈ দিয়া হৈছিল। আনন্দচন্দ্ৰ আৰু লম্বোদৰ বৰায়ো তেতিয়া তেজপুৰ হাইস্কুলত পঢ়িছিল। তেতি-য়াই তিনিওৰে হৃদযত অসমীযা সাহিত্য, চৰ্চ্চাই গজালি মেলি-ছিল। এণ্টেন্স মহলাত উত্তীৰ্ণ হোৱাত চন্দ্ৰকুমাৰে কলিকতাৰ

প্ৰেছিডেন্সী কলেজত পঢ়িবলৈ সুবিধা পালে। তেওঁৰ কলেজীয়া সহপাঠীসকলৰ ভিতৰত দেশবন্ধু চিত্তৰঞ্জন দাসদেৱো আছিল। কলেজীয়া শিক্ষাৰ এই কালছোৱাই চন্দ্ৰকুমাৰৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। এফ এ মহলাত উঠি তেওঁ বিলাতলৈ যাবলৈ মন মেলিছিল কিন্তু দেউতাকৰ বাধা পাই সেই ইচ্ছা পূৰ্ণ কৰিব নোৱাৰিলে। উচ্চ শিক্ষাৰ বাবে তেওঁৰ মন ভাগি পৰিল। সেই কাৰণেই কলেজীয়া বি এ মহলাত উত্তীৰ্ণ হৈ চন্দ্ৰকুমাৰ হাকিম মুন্সুফ নহল যদিও প্ৰকৃত মানুহ হল, বিখ্যাত জোনাকী যুগৰ অন্যতম প্ৰৱৰ্ত্তক হল।

শঙ্কৰমাধৱৰ মিলনত যেনেকৈ মণি কাঞ্চনৰ সংযোগ ঘটিছিল সেইদৰে চন্দ্ৰকুমাৰ আৰু লক্ষ্মীনাথৰ মিলনো অসমীয়া ভাষা-সাহিত্যৰ পক্ষে সোণ সুৱগাৰ মিলন হৈছিল বুলি কব পাৰি। চন্দ্ৰকুমাৰে তেওঁৰ বন্ধু বেজক কোনো দিনেই এৰা দিয়া নাছিল আৰু যেতিয়াই আৱশ্যক তেতিয়াই সজ নিৰ্ভীক পৰামৰ্শ দিবলৈকো সঙ্কোচবোধ কৰা নাছিল। তেওঁলোকৰ মাজত চলাচল হোৱা পত্ৰবোৰ আজি সংৰক্ষিত হৈ থকা হলে সিও আমাৰ সাহিত্যৰ অমূল্য সম্পদ হলহেঁতেন। খুহুটীয়া প্ৰবৃত্তিৰ 'বেজে' কিন্তু সুবিধা পালেই 'মাজু'ক জোকাবলৈ কৃপাবৰক উচটাই দি আনন্দ উপভোগ কৰিছিল। বিয়া নকৰাও বুলি বছৰবোৰ বগৰাই দি থকা চন্দ্ৰকুমাৰে যেতিয়া বিয়াৰ বান্ধত সোমাল তেতিয়া কৃপাবৰে লিখিলে —

কেৰ্কোচ কেৰ্কোচ বৰাগী ভটীয়াই গল
ধনশিৰীমুখতে ৰল,
বৰাগিনী লগ পাই আমাৰ বৰাগী ভাই
ষোল কণীয়াটো হল।

এই বৰাগীজন হৈছে উজনিৰ তামোলবাৰী বাগিচাত থকা চন্দ্ৰকুমাৰ আৰু বৰাগিনী হৈছে নামনিৰ ধনশিৰিমুখ গোলাঘাটৰ স্বৰ্গীয় দণ্ডধৰ বৰুৱা ডাঙৰীয়াৰ এটী কন্যা চন্দ্ৰ-কুমাৰৰ সহধৰ্ম্মিণী।

লক্ষ্মীনাথ আৰু চন্দ্ৰকুমাৰৰ লগতে যোগ দিছিল পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে। এই ত্ৰিমূৰ্ত্তি অসমীয়া সাহিত্যৰ তিনিখন বিশিষ্ট আসনত অধিষ্ঠিত হৈ আছে। স্বয়ং বেজবৰুৱাই লিখি গৈছে এইদৰে—"ডাঙৰীয়া হৰিবিলাস আগৰৱালাৰ পৰিয়ালেৰে সৈতে আমাৰ ঘনিষ্ঠ বন্ধুত্ব আছিল। সুখৰ বিষয়, আজিও আছে। আগৰৱালা ডাঙৰীয়াৰে সৈতে এসময়ত মোৰ বৰ ককাইদেও গোবিন্দ বেজবৰুৱাই মহীশূৰ পৰ্য্যন্ত প্ৰায় গোটেই ভাৰতত ভ্ৰমণ কৰিছিল, আৰু সম্ভৱতঃ আগৰৱালা ডাঙৰীয়াৰ খৰচতে। মই কলিকতালৈ অহাৰ পিছতে, তেখেতৰ মাজু পুতেক, মোৰ সমান বয়সীয়া শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰে সৈতে মোৰ এনে বন্ধুত্ব হয় যে তাত এটোপাও পানী সৰকিব নোৱাৰিছিল। আজি আমি দুয়ো বুঢ়াৰ নিচিনা বুঢ়া হলোঁ-হক, তাত ফাকটি নাই, দুয়োৰো জীৱনত অলেখ পৰিবৰ্ত্তন ঘটিল, কিন্তু ঈশ্বৰৰ কৃপাত সেই বন্ধুত্বৰ পৰিবৰ্ত্তন আজিলৈকে চুলি এডালৰ সমানো ঘটা নাই, আৰু ঘটিবৰ ভয়ো মোৰ মনত নাই। কেতিয়াবা ঘটে যদিও, সি আৰু গোটহে মাৰিব বুলি মোৰ বিশ্বাস। ইংৰাজী সাহিত্য চৰ্চ্চা, সংস্কৃত সাহিত্য চৰ্চ্চা, আৰু ঘাইকৈ অসমীয়া ভাষা আৰু সাহিত্যক উন্নতিৰ হাবিলাসেই, জযজযতে আমাৰ ভিতৰত বন্ধুতাৰ সূত্ৰপাত কৰে। তাৰ ফলত জোনাকী নামৰ মাহেকীয়া কাকতৰ জন্ম আৰু বৃদ্ধি হল। কিছুকালৰ পিছত তাৰ যি ক্ষয়টো হৈছিল সি আমাৰ হাতৰ পৰা গৈ। মিষ্টভাষী হাঁহিমুখীয়া চন্দ্ৰকুমাৰে প্ৰথম দৰ্শনতে মোৰ মন অধিকাৰ কৰি পেলালে।

চন্দ্ৰকুমাৰ হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ মাজু পুতেক, সেইদেখি তেওঁলোকৰ ঘৰৰ সকলোৱে তেওঁক 'মাজিউ' বুলি মাতে। মযো সেই মাতকে ললোঁ। আজি পৰিমিত মোৰ মুখত সেই মাত, আৰু তেওঁৰ মুখত মোৰ প্ৰতি ওলোৱা 'বেজ' মাতে দেনা পাওনা সমান কৰি থৈছে। মই আহৰি পালেই ১০ নং আৰ্ম্মেনিযান ষ্ট্ৰীটলৈ তিক্ তিক্ কৰে লৰ

থকোঁ; আৰু তেওঁ আহৰি পালেই মই থকা ঠাইত ওলায়হি। মুঠতে আমি দুইৰো ভিতৰত বন্ধুতাৰ বাণিজ্যত 'বিলাত বাকী' পৰিবলৈ নিদিছিলো। মাজিউৰ ঘৰত আমাৰ মুখত সাহিত্য-চৰ্চ্চা, পেটত নানাবিধ আহাৰ-চৰ্চ্চা, আৰু মই থকা ঠাইত অকল শুকান সাহিত্য-চৰ্চ্চা চলিছিল, এই মাথোন প্ৰভেদ। কিছুদিনৰ পিছত বন্ধুবৰ (পণ্ডিত) হেমচন্দ্ৰ গোস্বামীও আমাৰ ভিতৰত সোমাল আৰু আমি নিৰহ নিপানীকৈ "ত্ৰিনিটি" হলোঁহক,—অৰ্থাৎ একেই তিনি, তিনিয়েই এক।"

চন্দ্ৰকুমাৰে বি এ পাছ নকৰিলে, চৰকাৰী চাকৰি নকৰিলে কিন্তু পিতৃ ব্যৱসায়তে মনপ্ৰতি লাগি কঠোৰ পৰিশ্ৰমৰ ফলত একেলগে লক্ষ্মী আৰু সৰস্বতীৰ বৰপুত্ৰ হৈ অসমী আইৰ মুখ উজ্জ্বল কৰি গৈছিল। অৱশ্যে চন্দ্ৰকুমাৰে কলেজীয়া শিক্ষা সমাপ্ত কৰি বিলাতলৈ গৈ তাৰপৰা বাৰিষ্টাৰ হৈ আহি কলিকতাতে থাকি অসমীযা সাহিত্যৰ বিবিধ উন্নয়নত মনোনিবেশ কৰিবলৈ পা৲ পাতিছিল, তেওঁৰ সেই সপোন বাস্তৱত ৰূপায়িত নহল। যি ৰবৰৰ খেতিত হৰিবিলা'স লাখ লাখ টকা উপাৰ্জ্জন কৰিছিল সেই ৰবৰৰ বেপাৰ পৰি অহাত চন্দ্ৰকুমাৰে নানা বাধা বিঘিনি আৰু হেঙাৰ পাৰ হৈ কৰ্ম্ম দেৱতাক আৰাধনা কৰি অৱশেষত ডিব্ৰুগড়ৰ তামোলবাৰী চাহবাগিচাখনতে সোণ-ৰূপৰ গছ গজালে। ইয়াৰ বাবে তেওঁ কেনেদৰে দৃঢ় সঙ্কল্প লৈ কৰ্ত্তব্যত আগবাঢ়িছিল তাৰ আভাস পোৱা হয় 'কৰ্ম্মদেৱ' নামৰ কৱিতাটোত।

কি দেখিছা? শিলেৰে বন্ধালোঁ এই হিয়া,
সাধনাৰ অসি হাতে ওলালোঁ এতিয়া।
কৰ্ম্মফল উছৰ্গিলোঁ কৰ্ম্মদেৱলৈ—
শৰীৰৰ ভস্মৰাশি দশ দিগলৈ।
কি ভয় মৰণে ৰণে, নাই, ভয় নাই,
কৰ্ত্তব্য মুকুট শিৰে পিন্ধালে গোসাঁই।

পুণ্যময় তেজকণ উঠক উছাহি—
তেজ-পুঞ্জে প্লাৱিত কৰোক শৰবাশি।
শক্তিৰ মন্ত্ৰেৰে আৰাধিলোঁ ইষ্টদেৱ,
শক্তিৰ সন্তান মই নোহোঁ আৰু কেওঁ।

ই যেন একভীষ্ম-প্ৰতিজ্ঞা। এই কৰ্ম্মদেৱতাই চন্দ্ৰকুমাৰক কথাই-কামে এক হবলৈ শিকালে, একালে ফুলৰ দৰে কোমল আৰু আনকালে বজ্ৰৰ দৰে কঠোৰ হবলৈ শিকালে। এয়েই তেওঁক লৌহমানৱ কৰি গঢ়ি তুলিলে। কৰ্ম্মদেৱকে জীৱনৰ আৰাধ্য দেৱতা কৰি লৈ চন্দ্ৰকুমাৰে ওৰে জীৱনে নানা দেশহিতকৰ কাম কৰি গ'ল— যিবোৰ কামলৈ চাই তেওঁক নিঃসন্দেহে কৰ্ম্মযোগী আখ্যা দিব পৰা যায়। ব্যক্তিৰ জীৱনত আৰু জাতিৰ জীৱনত কৰ্ম্মৰ প্ৰভাৱ চন্দ্ৰকুমাৰে কেনেদৰে উপলব্ধি কৰিছিল সেই বিষয়ে তেওঁ প্ৰতিষ্ঠা কৰা জোনাকী কাকতৰ আত্মকথাত এইদৰে লিখি থৈ গৈছে—"চাৰিওফালে হুৰহুৰাই 'কাম' চলিছে— অসমীয়া বহি থাকিব নে? এই ভাপনাও, ভাপৰথ, বিজুলীডাকৰ দিনতো যদি হাত ভৰি কোঁচাই বহি থাকোঁহক, তেনে আৰু আগবাঢ়ি যোৱাসকলৰ লগ ধৰিবলৈ আশা কৰিব নোৱাৰি। আমি নিজকে নিজে 'যোগ্য' নকৰিলে অন্যে কৰি নিদিযেহি। এই সংসাৰেই হৈছে যোগ্যৰ ঘৰ। অযোগ্য অধ পাতলৈ যাব —Survival of the fittest— পাঠকে দায় নধৰিব, এইখিনিতে সুন্দৰ ইংৰাজী কথা এফাকি তুলি দিলোঁ, তাৰ অৰ্থ ওপৰত দিয়া হৈছে। তুহৰ জুইৰ দৰে অসমীয়াৰ 'তেজ' আৰু উৎসাহ এতিয়া ভাগ্যৰ জাপৰ তলত লুকাই আছে এবাৰ ভমকাই উঠিবই উঠিব।"

কৰ্ম্মবিমুখ আৰু লাপিলুপা চৰকাৰী চাকৰিলৈ হামৰাও কাঢ়ি ফুৰা অসমীয়া ডেকাসকলক তেওঁ ভাল নেপাইছিল। তাৰ প্ৰমাণ চাকৰি স্তোত্ৰ নামৰ কৱিতা—

মূৰ্খ কুলি মাৰিকে, বাবু কুল পালিকে,
গৃহস্থালি নাশিকে, প্ৰৱস্থৰা তাৰিকে,
নমামি চাকৰিকে।

সম বঙ্গ ভেদিকে, লোটা ঘটি ধাৰিকে,
কলম চালিকে, পৰীক্ষা দাযিকে
সুসভ্য কাৰিকে, অসভ্য হানিকে,
নমামি চাকৰিকে।

পুৰাতন ঘাতিকে, ডাঙৰীযা লোপিকে,
বিষযীযা পাতিকে, ভেটীভুটা গ্ৰাহিকে,
নমামি চাকৰিকে।

যুনিভাৰ্চিটি চাৰিকে, ফেউ ফেউ নাদিকে,
বি এ পাছ কাৰিকে, গড্ডলিকা বাহিকে,
"গুড্ ট্ৰেন ইঙ্গিকে," স্থূল পুচ্ছ শীবিকে,
নমামি চাকৰিকে।

ফিফথ ক্লাছ শিক্ষিকে, মহৰীত্ব লোভিকে
এপ্ৰেণ্টিচ মোহিকে,
নমামি চাকৰিকে।

'চৰ্ব্বেই, ক্লাচিকে,' 'মণ্ডল পাতিকে,
শৰণ্য, ত্ৰাযিকে
নমামি চাকৰিকে।

স্বাধীনতা হাৰিকে, প্ৰভুপদ লেহিকে
দহ পাঁচ ঘটিকে মাসান্তৰ মুদ্ৰিকে
তৎপৰ উৰিকে
নমামি চাকৰিকে।

হুলিদে বৰ্ত্তিকে খোচামুদি বাদিকে,
খেতি বাতি নিন্দিকে
নমামি চাকৰিকে।

এই কৱিতাটো পঢ়ি ঠাৱৰ কৰিব পাৰি যে ইচ্ছা কৰা হলে চন্দ্ৰকুমাৰে এলানি উৎকৃষ্ট খুহুটীয়া কৱিতাও লিখিব পাৰিলেহেঁতেন। আগৰৱালা মানুহজনক বাহিৰত দেখাত বৰ গহীন যেন লাগিলেও তেওঁৰ ভিতৰখন বৰ ৰসাল আৰু খুহুটীয়া প্ৰকৃতিৰ আছিল। তেওঁ একোটা গহীন বিষয়ৰ মাজতে, একোষাৰ খুহুটীয়া অথচ তাৎপৰ্য্যমূলক মন্তব্য দি লগৰীয়া বন্ধুসকলক সততে আমোদ দিছিল। এটা সৰু উদাহৰণ দিছোঁ। আগৰৱালাদেৱৰ ৰাতিপুৱাৰ চাহপানীৰ মেজত সততে এজন নিয়মীয়া সদস্য আছিল 'হাতী বাবু'। হাতী-মহল লৈ সৰ্ব্বস্বান্ত হোৱা মহৰ্ষি কমলাকান্ত ভট্টাচাৰ্য্য ডাঙৰীয়াই 'বেজ', 'মাজু' আদি নামৰ দৰে সেইসকলৰ ভিতৰুৱা মেলত 'হাতী বাবু' নাম পাইছিল। বোলাবাই অসমীয়াৰ স্বাৰ্থৰ প্ৰতিকূল কোনো কথা কলেই ভট্টাচাৰ্য্যই টিঙিৰী তুলা হৈ হাতৰ লাঠীডাল জোকাৰি মাৰিবলৈ খেদি গৈছিল আৰু সেই বাবে আমি অনেকে তেখেতক জোকাই খং তুলি ৰংৰহইচ কৰিছিলোঁ। আমাৰ সেই ৰং-ধেমালিবোৰ ককা দেউতা আৰু নাতিলৰাৰ মাজৰ নিৰামহীয়া ৰং-ধেমালিৰ নিচিনা আছিল। সেইবোৰ পুৰণি কথা মনত পৰিলে আজি আমাৰ ভালো লাগে, অনুতাপো হয়। আগৰৱালাযো হাতী বাবুক লৈ মাজেসময়ে ঠাট্টা মস্কৰা নকৰাকৈ থকা নাছিল। ভট্টাচাৰ্য্য ডাঙৰীয়াই নতুন কিবা লিখিলেই চাহপানীৰ মেজত চন্দ্ৰকুমাৰক পঢ়ি শুনাইছিল। এদিন তেও গলগলীয়া মাতেৰে এটা বৰ দীঘল কৱিতা চন্দ্ৰকুমাৰক পঢ়ি শুনাই মন্তব্য দিবলৈ কলে। চন্দ্ৰকুমাৰেও বৰ গহীন হৈ সেই কৱিতাটো 'হিমালয় ছন্দ'ত লিখা হৈছে বুলি মতদিলে। সৰলচিতীয়া ভট্টাচাৰ্য্য ডাঙৰীয়াই কথাটো সঁচা বুলি ধৰি লৈ পিছত ডিম্বেশ্বৰ নেওগক কৱিতাটো গহীনভাৱে পঢ়ি সুধিলে— "হয় নে মোৰ এই কৱিতাটো হেনো হিমালয় ছন্দত লিখা? মাজুৱে কৈছে।" নেওগে একো বুজি নেপাই আগৰৱালাৰ চকুলৈ

চোৰাত তেওঁক চকুৰ ঠাৰেৰে ভেদ ভোহাবি নিদিবলৈ চন্দ্ৰকুমাৰে ইঙ্গিত কৰিলে। ভট্টাচাৰ্য্যই নিজকে এই নতুন হিমালয়-ছন্দৰ জনক বুলি আত্মতৃপ্তি লাভ কৰিয়েই থাকিল। সেই সকলৰ মাজত এনে নিৰ্দ্দোষ অথচ পাণ্ডিত্যপূৰ্ণ ৰংধেমালিৰ অন্ত নাছিল।

চন্দ্ৰকুমাৰে অসমীয়া সাহিত্য-সংস্কৃতিত আৰু জাতিগঠনত নানা তৰহৰ অৰিহণা আগবঢাইছিল কিন্তু তাৰ বেছি ভাগকে তেওঁ পৰোক্ষভাৱে বা অন্তৰালত থাকিহে কৰিবলৈ ভাল পাইছিল। যশ-সন্মান নাইবা আত্মপ্ৰচাৰৰ তেওঁ সমূলি পক্ষ-পাতী নাছিল। অসম সাহিত্য-সভাৰ লোভনীয় সন্মানৰ সভাপতিৰ পদটোও লবলৈ তেওঁ একোপধ্যে সন্মত নহ'ল। সেয়েহে কৃপাবৰে ব্যঙ্গ কৰি কবলগীয়া হৈছিল—

বাৰ হাত জালৰ তেৰ হাত ফটা
ভাল মাৰিলি ঘেটা বাপৰ বেটা।
বৌ বৰালি সৰকি গ'ল
পুঠী-খলিহা পাহে পাহে ৰল।

এই ৰবৰৌটোৱেই আছিল চন্দ্ৰকুমাৰ আগৰৱালাদেৱ।

চন্দ্ৰকুমাৰৰ যাউতিযুগীয়া স্মৰণীয় ঘাই কামবোৰ হৈছে— জোনাকী, বাঁহী আৰু অসমীয়া এই তিনিখন বিখ্যাত কাকতৰ প্ৰতিষ্ঠা নাইবা প্ৰতিপালন, নিউ প্ৰেছ ছপাশাল স্থাপন, 'প্ৰতিমা' আৰু 'বীণবৰাগী' নামৰ দুখন ওখ ভাবৰ কবিতাৰ পুথি ৰচনা আৰু প্ৰকাশ। চন্দ্ৰকুমাৰে প্ৰতিষ্ঠা কৰা আৰু আপডাল কৰি ডাঙৰ কৰা বিখ্যাত জোনাকী কাকতখনে অসমীয়া সাহিত্যত জোনাকী-যুগ নামেৰে এটা গৌৰবোজ্জ্বল যুগৰ সূচনা কৰিছিল। জোনাকী যুগৰ ধনুৰ্দ্ধৰসকলে অসমীয়া সাহিত্যলৈ যি মূল্যবান অৰিহণা আগবঢাই থৈ গ'ল সেই কথা সাহিত্যৰ বুৰঞ্জীয়ে বিভিন্নাই বিভিযাই কৈ থাকিব। সাহিত্যৰথী বেজবৰুৱাৰ সহযোগত চন্দ্ৰকুমাৰে জোনাকীৰ গুৰিয়াল হৈ সতীৰ্থ

সকলৰ সহায়ত অসমীয়া সাহিত্যলৈ ন ন সমৃদ্ধি দেশ-বিদেশৰ পৰা হোবাহোৱে কঢ়িয়াই আনিছিল। জোনাকীৰ পোহৰ দুমাই যোৱাত ৰেজবৰুৱাৰ মোহন 'বাঁহী' বাজিবলৈ ধৰিলে। কেইবছৰমান কলিকতাৰ পৰা নিয়মিতভাৱে প্ৰকাশিত হোৱাৰ পিছত বাঁহীৰ প্ৰকাশ অনিয়মীয়া হল। তেতিয়া অভিন্নহৃদয় বেজক সকাহ দিবৰ উদেশ্যে 'বাঁহী'খন গুৱাহাটীলৈ আনি চন্দ্ৰকুমাৰে তাৰ প্ৰতিপালনৰ ভাৰ লৈ তেওঁৰ নিজা ছপাশাল নিউ প্ৰেছৰ পৰা একেৰাহে কেবাবছৰো উলিযাইছিল। তাত 'বাঁহী'ৰ দায়িত্ব দিছিল তেওঁৰ প্ৰিয়পাত্ৰ ৺ডিম্বেশ্বৰ নেওগদেৱক। নেওগে তেওঁ গুৱাহাটীত থকা সময়ছোৱাত সেই দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল। সেই সময়ত নিউ প্ৰেছ আছিল খাৰঘুলিৰ দুইতৰ দাঁতিতে। 'বাঁহী' আৰু 'অসমীয়া' প্ৰকাশৰ থলী হোৱাৰ বাবে তেতিয়া নিউ প্ৰেছ সদৌ অসমৰে সাহিত্যিক আৰু সাংবাদিকসকলৰ এটা সকসুৰা সাহিত্য-কেন্দ্ৰ স্বৰূপ হৈছিল।

অসমীয়া সাংবাদিক-জগততো চন্দ্ৰকুমাৰে এখন সম্মানৰ স্থান এৰি থৈ গৈছে। অসম আৰু অসমীয়াৰ সৰ্ব্বাঙ্গীন কল্যাণত এ'কৰাহে বহু বছৰ চন্দ্ৰকুমাৰৰ 'অসমীয়া' কাকত-খনিয়ে নিৰ্ভীক আৰু স্বতন্ত্ৰবীযাভাৱে দেশসেৱাত আত্মনিয়োগ কৰিছিল। প্ৰথম'ত এই কাকত সাদিনীযা, পিছলৈ তিনদিনীয়া আৰু দিনেকীয়া হৈ দেশ আৰু দহৰ মৰ্ম্মবেদনা, ৰাইজৰ সুখ-দুখৰ কথা প্ৰকাশ কৰিছিল আৰু তাৰ বাবে কোনো কোনো সময়ত ৰাজৰোষত পৰিবলগীয়াও হৈছিল কিন্তু সত্যনিষ্ঠ চন্দ্ৰকুমাৰে কোনোদিনে কাকতখনিৰ ওখ মূৰ তললৈ নমাব নিদিছিল। এই কাকতে অসমীয়া জাতিৰ স্বাৰ্থৰ পৰিপন্থী কামৰ কোনো দিনে পৃষ্ঠপোষকতা কৰা নাছিল— 'স্বৰ্গতো অধিক জনমভূমি'ৰ সেৱাই আছিল ইয়াৰ মূলমন্ত্ৰ।

জাতীয়তাবাদী চন্দ্ৰকুমাৰ কোনো দলীয় ৰাজনীতিৰ ভিতৰত নাছিল যদিও, ভাৰতৰ জাতীয় মহাসভা কংগ্ৰেছৰ তালিকাভুক্ত সভ্য নাছিল যদিও, মহাত্মা গান্ধী যিদিনা

পোনপ্ৰথম বাৰৰ বাবে অসমলৈ আহি চন্দ্ৰকুমাৰৰ ভিবুকৰ ঘৰত আলহী হলহি সেই দিনাই তেওঁ মহাত্মা গান্ধীৰ মোহন মন্ত্ৰত বশীভূত হৈ পৰিল, মহাত্মাৰ জীৱনাদৰ্শকে চন্দ্ৰকুমাৰে সাৰোগত কৰি ললে। সেযেহে 'বীণ-বৰাগী'ৰ প্ৰথম কবিতাতে তেওঁ মহাত্মাক সম্বোধন কৰি কৈছে—

"অকুণ্ঠ, সৰ্ব্বকাৰ্য্যেষু ধৰ্ম্মকাৰ্য্যাৰ্থমুদ্যতম্।
বৈকুণ্ঠস্য হি তদ্ৰূপং তস্মৈ কাৰ্য্যাত্মনে নমঃ॥"

নিৰলে নিজানে মোৰ কুঞ্জকুটীৰত,
আছিলোঁ। ধিয়াই দীন দুৰ্ব্বল-হৃদয়,
লুকাই প্ৰাণৰ ভাৰ দূৰ আঁতৰত—
শক্তিৰ অভাৱ ভাবি নিজে পৰি ভয়।
হওক নহক বুলি অগাপিছা কৰি
লাগিছিলো সেৱাতেই ভীৰুৰ সদৃশ,
আজি দেৱ! অনুপম তোমাৰ জ্যোতিৰে
উদ্ভাসিত, ভৰপূৰ পৃথিৱী আকাশ।
এন্ধাৰ কুণ্ডত নামে স্বৰ্গৰ ৰহণ,
উদ্দীপ্ত পৰাণ মোৰ নৱ পৰশত,
ছিঙিল হৃদয়গ্ৰন্থি, গুচিল সংশয়—
নতুন বলেৰে বলী মুকলি বিশ্বত।
নিকিন সেৱক মই নত কৰো শিৰ
পুণ্যাত্মা মহাত্মা গান্ধী ভক্ত কৰ্ম্মবীৰ।

শ্ৰীৰামচন্দ্ৰৰ পাদস্পৰ্শত অহল্যা পাষাণী মুক্ত হোৱাৰ নিচিনাকৈ মহাত্মাৰ মোহন মন্ত্ৰত চন্দ্ৰকুমাৰ মানুহটোৱে নতুনকৈ সাৰ পাই উঠিল। অকুণ্ঠভাৱে তেওঁ মহাত্মা গান্ধীলৈ ভক্তি-অৰ্ঘ্য আগবঢালে —নীৰৱে, অকপটভাৱে একলব্যৰ নিচিনাকৈ।

সত্যত অটল আস্থা নিছলা শৰীৰ
লুকাবলৈ একো নাই নঙঠা ফকিৰ।
দুখীয়াৰ দুখত বাকি হৃদয়-ৰুধিৰ

সৰ্ব্বস্বান্ত হ'লা তুমি নওঠা ফকিৰ।
নিমিষকো নেপাহৰি দুৰ্দ্দশা দুখীৰ
সন্মান হেচুকি থলা নওঠা ফকিৰ॥
নিজৰ হাতেৰে দিলা হেৰোৱা ৰতন
দুখীৰ হাতত তুলি চক্ৰ সুদৰ্শন।
বহল বুকুত ঠাই তেত্ৰিছ কোটিৰ
ভাৰত-দেৱতা তুমি নওঠা ফকিৰ।
মহান প্ৰতাপান্বিত শক্তিধৃত শিৰ
অভ্ৰভেদী গিৰিবৰ প্ৰণত পৃথ্বীৰ।
তোমাৰ মুখেদি হল শব্দ গম্ভীৰ
ভাৰতৰ বজ্ৰবাণী নওঠা ফকিৰ।

সংসাৰত ঘাত প্ৰতিঘাতত জৰ্জ্জৰিত হৈও চন্দ্ৰকুমাৰে কোনো দিনে নিয়তিৰ হাতৰ পুতলা হৈ নাচিব খোজা নাছিল। কৰ্ম্মই তেওঁৰ জীৱনৰ ধৰ্ম্ম। সেই কাৰণেই তেওঁ অৱস্থাৰ ওচৰত সেও নেমানি 'অজেয়' হৈ উচ্চকণ্ঠে কব পাৰিছিল -

হে নিয়তি। তই যদিও দুখৰ
পিহনি-শিলত থই
ভাঙিলি মোৰ জীৱন শস্য
চূৰ্ণবিচূৰ্ণ কই,
বাৰু চাবি মোৰ চকুলোৰে তাকে
সানিপুটকি লই,
বান্ধিম আশাৰ পিঠাপনা লাক
ভূঞ্জি নিচুকিব অ'ই
সহস্ৰ হৃদয়— যালৈ নেমেলে
পথাৰৰ শস্যযো থোক
তিতিকি কেতুৰী বনখাৰধিও
মিলক বা নিমিলক।
হে নিয়তি।

তই যদিও দুখৰ অলন্ত কুণ্ডত
ফুটন্ত জীৱন মোৰ,
ভস্ম কৰিলি ধূলি উৰুৱালি
গচকি পেলালি ওৰ।
চা, হেৰ চা—
চাওঁতে চাওঁতে উপচি পৰিল
ফুলে-পাতে (মোৰ) কুঞ্জলতা,
স্নিগ্ধ প্ৰেমৰ জীৱনদায়িনী
শাখা-প্ৰশাখাযুতা,
সহস্ৰ হৃদয় জিৰাব ইয়াতে
ফুলনি-মকৰ মাজে,
য'ত নাছিল একোৱেই কঠুৱা কালৰ
কাঁইট কলিত বাজে।

চন্দ্ৰকুমাৰৰ গদ্য-ৰচনা নাই বুলিলেই হয় কিন্তু অ'ত ত'ত তেওঁ যি দুই এটা চুটি প্ৰবন্ধ লিখিছিল তাতেই অসমীয়া গদ্য'তো তেওঁৰ নিপুণ হাতৰ পৰশ পোৱা যায়। এই সম্পৰ্কত তেওঁ 'জোনাকী'ত লিখা আত্মকথা, 'অসমীয়া'ৰ এটি সংখ্যাত সম্পাদকীয় হিচাপে 'মিষ্টাৰ তৰুণৰাম ফুকন' নামৰ সম্পাদকীয় আৰু ডিব্ৰুগড়ত শঙ্কৰদেৱৰ সভাত পাঠ কৰা চমু ভাষণখনিকে উল্লেখ কৰিব পাৰি। তেওঁৰ বন্ধু বেজবৰুৱাই মহাপুৰুষ শঙ্কৰদেৱক তেওঁৰ বলিষ্ঠ লেখনীৰে মণিকূটৰ পৰা আনি সাহিত্যৰ ৰৰচ'ৰা,ত ৰৰপীৰা পাৰি দি নকৈ প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ একমাত্ৰ কাৰণ হৈছে অসমীয়া জাতীয় জীৱনৰ কেন্দ্ৰস্থলত মহাপুৰুষজনা প্ৰতিষ্ঠিত নহলে অসম আৰু অসমীয়া বুলি কবলৈ একোটোকে বাকী নেথাকে। চন্দ্ৰকুমাৰো যে এই বিষয়ত কথাই-কামে সম্পূৰ্ণ একমত আছিল। সেই কথা গুৰুজনাৰ তিথিৰ দিনা তেওঁ ভাষণত কোৱা কথাখিনি পঢ়িলেই ভালদৰে বুজিব পৰা যায়। অসমীয়া জাতিৰ পিতা শঙ্কৰদেৱৰ জীৱনৰ পৰাও কৰ্ম্মযোগী চন্দ্ৰকুমাৰে

কৰ্ম্মৰ মূলমন্ত্ৰ আহৰণ কৰি তেওঁৰ জীৱনত তাক প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিছিল। সেই ভাৱণৰ এঠাইত তেওঁ কৈছিল—"হে শঙ্কৰ! তুমি অসমক নিদিলা কি? ধৰ্ম্ম দিলা, ভক্তি দিলা, শিল্প দিলা, নাট দিলা, গীত দিলা, অসমক তুমি নতুনকৈ সৃজিলা। নযুগৰ প্ৰৱৰ্ত্তক তুমি, তোমাক নমস্কাৰ। ধন্য অসম! তুমি শঙ্কৰ-সূৰ্য্যক পাইছিলা। নহলে আজি ক'ত পৰিলাহেঁতেন? শঙ্কৰৰ কাৰ্য্য-কুশলতা অপৰিমেয়। ছেগ, ক্ষণ, সুবিধা, উপকৰণ সকলো সৃষ্টি কৰি লৈ কাৰ্য্য সম্পন্ন কৰিলে তেওঁৰ কাৰ্য্যৰ পৰিচয়। নিষ্কৰ্ম্মাই ছেগ, সুবিধা বিচাৰিয়েই জীৱন কটায়। কৰ্ম্ম কৰিব খুজিছা শঙ্কৰৰ আৰ্হি লোৱা। কাম কৰি গৈ থাকা। মন-প্ৰাণ দি একাগ্ৰভাৱে কাম কৰা। কামে আগবাঢ়ি আহি তোমাক কাম দেখুৱাই দিব, বুকুত সাৱটি লব। কামে-তুমিয়ে এক হৈ পৰা। দেখিবা কাম তোমাৰ পক্ষে সহজ হৈ পৰিব।"

এইখিনিতে উল্লেখ কৰিব পাৰি ১৯১৮ চনত মহাপুৰুষৰ তিথিৰ দিনা ডিব্ৰুগড়ৰ 'টাইমূছ অব আসাম'ত যি বিৰূপ মন্তব্য প্ৰকাশ হৈছিল সম্পাদক ৰাধানাথ চাংকাকতীয়ে তাৰ প্ৰতিবাদ ছপাবলৈ অসম্মত হোৱাত বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়া বিশেষভাৱে ক্ষুব্ধ হৈছিল। তাৰ শুভফল স্বৰূপে বাগ্মীবৰ আৰু চন্দ্ৰকুমাৰৰ যুটীয়া প্ৰচেষ্টাত পিছৰ মাধৱদেৱৰ তিথিৰ দিনা বিখ্যাত 'অসমীয়া' কাকতৰ প্ৰথম সংখ্যা প্ৰকাশ হৈ ওলায়। সেই বছৰ শঙ্কৰদেৱৰ তিথিৰ পিছত মাধৱদেৱৰ তিথি পৰিছিল। মহাপুৰুষৰ পুণ্যস্মৃতিত চন্দ্ৰকুমাৰে যি দৃঢ়-ভাৱে কাকতখনৰ গুৰি ধৰিছিল, সেই একে দৃঢ়ভাৱে তেওঁ তাক দোপতদোপে উন্নতিৰ বাটত আগুৱাই নিছিল।

যোগ্যজনৰ হাতত সম্পাদনৰ দায়িত্ব দিয়া হৈছিল যদিও অসমীয়া ভাষা-জ্ঞানৰ ওজা চন্দ্ৰকুমাৰে কাকতখন বাতিপুৱা তেওঁৰ হাতত পৰাৰ লগে লগেই তন্নতন্নকৈ পঢ়ি

চাইছিল আৰু ভুলবোৰ বঙা পেন্সিলেৰে আঁক মাৰি সংশ্লিষ্টসকলক মাতি আনি সেইবোৰলৈ দৃষ্টি আকৰ্ষণ কৰিছিল। কেবাজনো সহকাৰী সম্পাদকক আৰু আখৰ গাথোঁতাক তেওঁ ভুলবোৰৰ প্ৰতিকাৰৰ বিষয়ে ভাটো পঢ়োৱাদি পঢ়াইছিল। বহু সময়ত তেওঁৰ সেই জ্ঞানগৰ্ভ আলোচনাবোৰ ভাষা-সাহিত্য শ্ৰেণীৰ বক্তৃতা একোটাৰ নিচিনা হৈছিল। এইদৰে চন্দ্ৰকুমাৰৰ সান্নিধ্য লাভ কৰোঁতা দুই চাৰি জন সাহিত্যিক আজিও আমাৰ মাজত আছে। তেওঁলোকে চন্দ্ৰকুমাৰৰ পৰা পোৱা উপকাৰৰ কথা কৃতজ্ঞতাৰে সোঁৱৰে।

দুখৰ বিষয় অসমীয়া সাহিত্যৰ আখৰজোটনিত আজি আগতকৈও বেছি আউল লগা অৱস্থা হৈছে। কাকত আৰু আলোচনীৰ সংখ্যা বাঢ়িছে যদিও আখৰজোটনি, অসমীয়া শব্দগাঁথনি, বাক্যগাঁথনি আদিৰ লাগবান্ধ নোহোৱা হৈছে। ভাষাৰ জতুৱা ঠাচৰ প্ৰতি কোনেও মন কাণ নিদিয়া হৈছে। চন্দ্ৰকুমাৰে কিন্তু তেওঁৰ 'অসমীয়া' আৰু 'বাঁহী' কাকতত এনে হবলৈ এৰি নিদিছিল। যিবোৰ ক্ষেত্ৰত ভাষাৰ আউলীয়া অৱস্থাৰ সৃষ্টি হয়, ব্যাকৰণ আৰু অভিধানৰ পৰাও বিশেষ সহায় পোৱা নেযায় তেনে ক্ষেত্ৰতো যাতে খেলিমেলি হব নোৱাৰে সেই বাবে চন্দ্ৰকুমাৰে নিজেই কেতবোৰ নিয়ম বান্ধি দিছিল। ইংৰাজী বা ইংৰাজীৰ পৰা অহা শব্দবোৰ অসমীয়াত যাৰে যেনেকৈ মন যায় তেনেকৈ নিলিখি যাতে একেভাবে লিখা হয় সেই বিষয়তো চন্দ্ৰকুমাৰে নিজাকৈ সূত্ৰ ৰচনা কৰি দিছিল। এই বিষয়ত বহুতে চন্দ্ৰকুমাৰক অনুসৰণ কৰিছিল আৰু আজিও কৰে। ভাষাৰ গুৰিয়াল এজনৰ পক্ষেহে এনে কৰাটো সম্ভৱপৰ।

চন্দ্ৰকুমাৰৰ কবিতা-পুথি দুখন 'প্ৰতিমা' আৰু 'বীণ-বৰাগী'। এই ওখ ভাবৰ পুথি দুখনিয়ে তেওঁক অসমীয়া শ্ৰেষ্ঠ ৰোমাণ্টিক কবি আৰু দাৰ্শনিক কবি হিচাপে সুপ্ৰতিষ্ঠিত কৰিছে। আমি ইয়াত এই পুথি দুখনিৰ গুণাগুণ সম্পৰ্কে

নকৈ একো কথা কব খোজা নাই কিযনো এই গ্ৰন্থৰে আন প্ৰবন্ধত সুকীয়াকৈ সেই বিষয়ে আলোচনা কৰা হৈছে।

এই গৰাকী মহান ব্যক্তি চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ সমগ্ৰ জীৱনটোই আছিল কৰ্ম্মময়। কৰ্ম্মকেই তেওঁ ধৰ্ম্ম বুলি বিবেচনা কৰিছিল আৰু তাৰ মাজেদিয়েই পৰিস্ফুট হৈ উঠিছিল তেওঁৰ ভাষা-সাহিত্য আৰু স্বদেশপ্ৰেম। তেওঁ ৰচনা কৰা গান্ধীজী বিষয়ক কৱিতা দুটা আৰু 'সেৱা-লহৰী' কৱিতাটো দেশপ্ৰেমৰ উজ্জ্বল নিদৰ্শন। আগতে উল্লেখ কৰি অহা 'জোনাকীৰ আগকথা' আৰু 'মহাপুৰুষৰ তিথিৰ ভাষণখনিও' তেওঁৰ দেশপ্ৰেমৰ উজ্জ্বল চানেকী স্বৰূপ। অসমীযা কাব্য-সাহিত্যত চন্দ্ৰকুমাৰৰ 'অসমা সুষমা' গীতটোও দেশপ্ৰেমৰ মহামন্ত্ৰ বুলি কলেও বঢ়াই কোৱা নহয়।

অসমা সুষমা-কামৰূপা
জয়তু জননী ধৰিত্ৰী-দুহিতা।
হিমাচলোত্তুঙ্গ উদীচি দিশা
জীমূত ভূত-সলিলা
লোহিত্য মধ্য-প্ৰৱাহশীলা
জয়তু জননী ধৰিত্ৰী দুহিতা।
প্ৰাগেষ জ্যোতিৰালনা
(অধুনা) দুৰ্ভাগ্য নিমীলিত-নয়না
অনন্ত-ৰত্ন প্ৰসৱা
সৌভাগ্য স্থিৰ-সম্ভৱা
কোটি লোক-পালিকা।
জয়তু জননী ধৰিত্ৰী-দুহিতা।
কামৰূপ-কামদা
স্বভাৱ-কাম্য-কাননা
শ্যামলা স্বৰ্ণ শস্য-মালিকা
জয়তু জননী ধৰিত্ৰী দুহিতা।

এই একমাত্ৰ জাতীয় গীতটোৰেই চন্দ্ৰকুমাৰক খ্যাতনামা অসমীয়া গীতিকাৰসকলৰ লগতে এখন সম্মানৰ আসন দিছে। 'অ মোৰ আপোনাৰ দেশ' গীতৰ কবি বেজবৰুৱা আৰু 'অসমা-সুষমা-কামৰূপা'ৰ গীতিকাৰ চন্দ্ৰকুমাৰ একেলগে নবহি বহিব কোন? চন্দ্ৰকুমাৰৰ এই গীতটি আমাৰ সাহিত্য-সঁফুৰাত এডোখৰ লাখটকীয়া হীৰাৰ দৰে। ভাব-ভাষা-ছন্দ-সুৰ সকলো দিশৰ পৰাই ই বিতোপন। ইয়াৰ প্ৰতি শাৰীতে, প্ৰতিটো শব্দতে তীব্ৰ দেশপ্ৰেমৰ নিৰ্য্যাস আমোলমোলাই আছে দিগন্ত বিযপি।

নওঠা ফকিৰৰ উপাসক, কৰ্ম্মযোগী চন্দ্ৰকুমাৰে অনা-ড়ম্বৰভাৱে জীৱন নিৰ্ব্বাহ কৰি, অসমীয়াৰ সৰ্ব্বাঙ্গীন উন্নতিত নীৰৱে আত্মনিযোগ কৰি ১৯৩৮ চনৰ দুই মাৰ্চ্চত তেওঁৰ গুৱাহাটীৰ নিজা ঘৰত ইহলীলা সম্বৰণ কৰে। সেই দিনা ভাৰ্যা-জননীৰ আকাশত এটা ভোটা তৰা মাৰ গৈছিল। বেজবৰুৱাই কান্দিছিল। দেশক ভাল পোৱা সকলো লোকেই কান্দিছিল। 'বেজে' এইদৰে 'অসমীয়া'ত চকুপানী টুকিছিল— "অভিন্নহৃদয় মাজু। ভাবিছিলো মইহে আগ হম কিন্তু মোক ফাকি দি তুমি আগবাঢ়িলা। যোৱা, মযো গৈ আছোঁ। তোমাক লগ পাম।"

অতি আচৰিত কথা সেইমতে আগৰৱালাদেৱৰ মৃত্যুৰ কেইদিনমানৰ পিছতেই বেজবৰুৱাদেৱো একে বাটৰ বাটৰুৱা হল। চন্দ্ৰকুমাৰৰ নশ্বৰ দেহা তেওৰ নিজৰ মাটি খাৰঘুলিৰ নিউ প্ৰেছৰ কাষতে অগ্নিদেৱতাই গ্ৰাস কৰিলে।

ভাগি গল বীণখনি ছিগি গল তাঁৰ
ৰই গল অৱশেষ অমিয় জোকাৰ।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কৱিতাৰ ধাৰা

—যতীন্দ্ৰনাথ গোস্বামী

কৱি বা শিল্পীযে যে কেৱল নিজৰ আনন্দৰ কাৰণে কৱিতা ৰচনা বা শিল্প সৃষ্টি কৰে সেই কথা সমৰ্থন যোগ্য নহয়। কলা প্ৰকৃততে অভিব্যক্তি আৰু আত্ম-প্ৰকাশ। কৱি সৃষ্টিকৰ্ত্তাৰ দৰে স্ৰষ্টা হলেও তেওঁ (কৱি) অধিক শক্তিশালী। কৱি কৰ্ম্মত আত্মাৰ প্ৰেৰণাই প্ৰাধান্য লাভ কৰে। এই প্ৰেৰণাত ব্যাকুল হৈ কৱিযে বৃহত্তৰ জীৱনক নিজৰ জীৱনৰ ভিতৰত অনুভৱ কৰিবলৈ চেষ্টা কৰে। তেওঁ যেন নিজৰ অন্তৰতে সত্যক উপলব্ধি কৰে। এই আত্মযোগৰ শক্তি কৱিৰ দৈৱলব্ধ শক্তি—মানুহে ইচ্ছা কৰি ইযাক স্ৰজন কৰিব নোৱাৰে। এই আত্মযোগৰ অনুভূতি যিজন কৱিৰ অন্তৰত যিমান অধিক স্পষ্ট তেওঁ সিমানেই মহান কৱি। চাৰিওফালে তেতিযা কেৱল আন্ধাৰ, পোহৰৰ লেশ মাত্ৰও নাথাকে তেতিযা কৱিযে কয মই আন্ধাৰৰ সিপাৰে জ্যোতিৰ্ম্ময পুৰুষক প্ৰত্যক্ষ দেখিছো – 'বেদাহমেত, পুৰুষ, মহান্ত, আদিত্য বৰ্ণ, তমস পৰস্তাৎ।' কৱিৰ 'অপূৰ্ব্বনিৰ্ম্মাণ ক্ষমা প্ৰজ্ঞা।' তেওঁ আত্ম প্ৰকাশ কৰিবলৈ গৈ নিজৰ যুগকে প্ৰকাশ কৰে। এইখিনিতে টি, এছ ইলিযটে শেক্সপিযেৰৰ প্ৰসঙ্গত কৰা মন্তব্য প্ৰণিধানযোগ্য 'মহৎ কৱিমাত্ৰে নিজ ৰচনাৰ মাজত আত্মপ্ৰকাশ কৰিবলৈ গৈ নিজৰ যুগকে প্ৰকাশ কৰে। এই ভাবে ডান্টে প্ৰায নিজৰ অজ্ঞাতসাৰে যোড়শ শতিকাৰ প্ৰতিভূ হৈ উঠিছিল।'

আধুনিক অসমীযা কাব্য সাহিত্যত ৰোমাণ্টিক ভাৱধাৰাৰ সোঁত বোৱাওঁতা চন্দ্ৰকুমাৰ আগৰৱালাৰ (১৮৬৭-১৯৩৮চন)

এখন স্বকীয়া আসন আছে। ১৮১০ শকৰ 'জোনাকী'ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত ওলোৱা আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ কৱিতাটিত ৰোমাণ্টিক ভাৱধাৰাৰ উন্মেষ হয়। নিজম ছুপৰীয়া হাবিৰ মাজত 'মৰমৰ' শব্দ হোৱা, 'পাতে পাতে কিবা ফুচফুচাইছে মাৰিছে মিচিকি হাঁহি', 'বনফুল সাজ পিন্ধি', যখিনী কুমাৰীয়ে নচা, টুক টুক চাপৰি বজোৱা, অথিৰ বায়ুৰ নোম শিয়ঁৰা, অহৈতুকী আনন্দৰ ঢৌৱে প্ৰাণ বুৰোৱা এই সকলোতে এটি বিস্ময় বিমিশ্ৰিত আনন্দ অনুভৱ কৰিব পাৰি। তথাপি 'প্ৰতিমা' আৰু 'বীণবৰাগী'ৰ কৱি আগৰৱালা বিশ্ব প্ৰকৃতিৰ সৌন্দৰ্য্য, শান্তি আৰু কল্যাণকৰ প্ৰভাৱ সম্পৰ্কে অধিক সচেতন আছিল।

অসমীয়া কাব্য সাহিত্যত ৰোমাণ্টিক কৱিতাৰ একাধাৰে যুগ প্ৰকাশ আৰু যুগ স্ৰষ্টা হলেও ৰোমাণ্টিক কৱিসকলৰ ভিতৰত চন্দ্ৰকুমাৰ অনন্যসাধাৰণ। তেওঁ সমগ্ৰ মানৱৰ ফালে, বিশ্বপ্ৰকৃতিৰ ফালে আৰু ভগৱৎসত্তাৰ নতুন উপলব্ধিৰ ফালে আমাৰ জীৱনৰ সীমা প্ৰসাৰিত কৰি দিলে। তেওঁ মানৱ বন্দনা কৱিতাত মানৱৰ জয়গান গাইছে। চণ্ডীদাসে 'সবাৰ উপৰে মানুষ সত্য' বোলাৰ দৰে আৰু ইংৰাজ কৱি টেনিচনে মানুহক সকলো স্ৰজন কৰা বস্তুৰ মূল সম্পদ (the roof and crown of all things) বুলি উক্তি কৰাৰদৰে আমাৰ কৱিয়ে কৈছে,—

"মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ,
কৰা কৰাপূজা পাদ্য অৰ্ঘ্যলৈ
জয় জয় মানৱ দেৱ।"

কৱি সুন্দৰৰ পূজাৰী। তেওঁ সৰ্ব্বত্ৰ সুন্দৰৰ সৈতে যোগাযোগ স্থাপন কৰিব খোজে। কৱি আগৰৱালাই কৈছে, "সুন্দৰৰ আৰাধনা জীৱনৰ খেল" (সৌন্দৰ্য্য)। শ্বেলীৰ এয়ে অনন্ত সত্য (eternal truth) আৰু কীটচৰ সত্যই সুন্দৰ, সুন্দৰেই সত্য (Beauty is truth, truth is

beauty)। আগৰৱালাই নিজকে অসুন্দৰ বুলি ভাবি সুন্দৰৰ আৰাধনা কৰি সুন্দৰ হবলৈ বাঞ্ছা কৰে। কিন্তু কবিয়ে কেতিয়াবা সন্দেহ প্ৰকাশ কৰি কবলগীয়া হয়, 'লক্ষ্যভ্ৰষ্টনেকি জীৱনৰ দলি' (জীৱনৰ দলি)? কিন্তু জীৱনৰ এনে এটা মুহূৰ্ত্ত আছে যেতিয়া কবিয়ে মানৱ জীৱনৰ মূল তত্ত্ব গভীৰ-ভাৱে উপলব্ধি কৰে। মানৱে বাৰে বাৰে জন্মলৈ এই পৃথিৱীলৈ ঘূৰি আহে আৰু মানৱ জীৱনৰ মূল উদ্দেশ্য হৈছে জগতৰ কল্যাণ সাধন। কোঁটেৰ (Comte) দৰ্শনতো মানৱতা-বোধ পোৱা যায়। 'জীৱন-উচ্ছ্বাস'ত কবিয়ে মানৱী জীৱন লাভ কৰাৰ তত্ত্ব উপলব্ধি কৰি কৈছে যে 'ঘূৰি আশা ইয়াতেই' আৰু জীৱনৰ উদ্দেশ্য 'বিশ্বৰ মঙ্গল নিদান'।

কবিৰ প্ৰাণ পখীটিয়ে জগতৰ সৈতে আত্মীয়তা স্থাপন কৰিব নোৱাৰি নিসঙ্গ অনুভৱ কৰে। কবি বাইৰনে (Byron) জগতত বৈৰাগ্যৰ ভাব দেখা পোৱাৰ দৰে আমাৰ কবিয়েও অকলশৰীয়া অনুভৱ কৰে—

"জনপূৰ্ণ নিৰ্জ্জনত কতা লগৰীয়া ?
বিশ্বসংসাৰত হায় অকলশৰীয়া।" (অকলশৰীয়া)

"সংশয় ৰহস্য" শীৰ্ষক কবিতাত বিশ্ব সৃষ্টিৰ বহুমুখী বৈশিষ্ট্য প্ৰকাশ পাইছে। এই বিশ্বত "ভঙা গঢ়া, সজা পতা, হৰা-জিকা, যুঁজ হাঁহি কান্দোনৰ ৰোল" সকলো আছে। এইদৰে আধিভৌতিক ভাৱধাৰাই আগৰৱালাৰ কবিতাক সমৃদ্ধ কৰিছে।

আগৰৱালাৰ দুই চাৰিটা কবিতাত বেদ-উপনিষদৰ প্ৰভাৱ পৰিলক্ষিত হয়। 'বিশ্ব ভাৱৰীয়া' কবিতাত জীৱাত্মা আৰু পৰমাত্মাৰ সম্বন্ধৰ কথা কোৱা হৈছে। আমি জানো যে জীৱ আৰু জগতৰ সনাতন সত্তা থাকিলেও এইবোৰ ব্ৰহ্মাশ্ৰিত আৰু ব্ৰহ্মাধীন— 'তস্মিঁল্লোকাশ্ৰিতাঃ সৰ্ব্বে তত্নু-নাত্যেতি কশ্চন'। বিশ্ব ভাৱৰীয়া কবিতাত বিশ্বাত্মাৰ লগত ঐক্যানুভূতি সুন্দৰ ভাবে প্ৰকাশ পাইছে—

'সৃষ্টি পাতনিৰে পৰা নীল আকাশত
কিৰণৰ জাল মেলি ভাবৰ ধৰিছা।
টিপচীটি হৈ টিপতে লুকাই
গৰুড়ৰ পখা মেলি বিচাৰি ফুৰিছা।'

'মই' নামৰ কৱিতাটিত ভূমাস্পৃহা নিহিত আছে—

'সংসাৰ মোৰেই পূৰ্ণ দেখো
আছো মাথো নিৰঞ্জন মই
নাই তুমি কেও আৰু নাই
পাৰা যদি হোৱা মোতে লয়'।

ওপৰৰ বিশ্ব ভাৱৰীয়া আৰু মই কৱিতাৰ লগত ঋগ্বেদৰ দশম মণ্ডলৰ ১২৫ সূত্ৰৰ ভাব বিজাব পাৰি—

"অহং ৰুদ্ৰেভিৰ্বসুভিশ্চৰাম্যহমাদিত্যৈৰুত বিশ্বদেবৈঃ।
অহং মিত্ৰাবৰুনোভা বিভৰ্ম্যহমিন্দ্ৰাগ্নী অহমশ্চিনোভা" ॥ ১

সংসাৰ 'অতৃপ্তিৰ ঘৰ', সেয়েহে কৱিৰ জীৱনত অতৃপ্তিৰ ভাবে দেখা দিয়ে। এই অতৃপ্তি দৈৱিক। সকলো বাসনা জয় কৰি জীৱই নিষ্কামভাবে জীৱন যাপন কৰিলে নিৰ্ব্বাণ বা দুখৰ পৰা মুক্তি লাভ কৰিব আৰু তেতিয়া এই অতৃপ্তিও দূৰ হ'ব। এয়ে বৌদ্ধসকলৰ জন্মান্তৰবাদ। কিন্তু সংসাৰত সুখ উটি ফুৰিব লাগিছে আৰু আমি তাক মাথোন গ্ৰহণ কৰিব জানিব লাগে—

"স্বপ্ন গুচি এযে সঁচা চকুৰ আগত
যদি চাব জানা এই সুন্দৰ জগত॥" (সুখ গীত)

কৱিৰ মতে প্ৰকৃতিৰ কোনো বিকাৰ নাই। ফুলেৰে জাতিষ্কাৰ হৈ থকা প্ৰকৃতিৰ নৈসৰ্গিক শোভা নিযতিৰ বিধানত নষ্ট হলেও অৰ্থাৎ ফুলৰ বিনাশ ঘটিলেও প্ৰকৃতিৰ কোনো পৰিবৰ্ত্তন নঘটে—

'ক'ৰ কোন কিবা হল,
চিন-স্মৃতি পমি গ'ল,
প্ৰকৃতিয়ে তেনেকৈয়ে ৰ'ল।' (প্ৰকৃতি)

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিসত্তাই তেওঁক এনে এটা আলোকবৰ্ত্তিকা দিছিল যাৰ জ্যোতিত তেওঁ পুৰণি সত্যক মবিমূৰ কৰি বিশ্বত সকলো পৰস্পৰ বিপক্ষতাৰ সৈতে প্ৰতি-যোগী হবৰ কৰ্ত্তৃত্ব লাভ কৰিছিল। তেওঁ অতীতলৈ ঘূৰি গৈছিল ভবিষ্যতৰ পথৰ সন্ধানত। তেওঁ এই কাৰ্য্যত অগ্ৰসৰ হৈ নিজৰ কবিতাৰ আলোকত বৰ্ত্তমানক উজ্জ্বল কৰিছিল। কবি শ্বেলীযেও 'প্লেটনিক' আস্থাই পোষণ কৰিছিল। বীণ-বৰাগীৰ বীণে অনন্ত যাত্ৰাৰ অনন্ত দুখ ভাগৰৰ বোজা বহন কৰিছে। এই বীণ শুনি 'লুইত উজায়, জোন তথা লাগে, মানুহৰ কিবা কথা'। সুখৰ সন্ধানত ফুৰি ঘূৰি মানুহৰ 'এফেৰি মৰমো' নেপাই বীণ বৰাগীয়ে সমাজৰ বৈপ্লৱিক পৰিবৰ্ত্তন কামনা কৰি 'নতুন সৃষ্টিৰ অৰুণ' কিৰণ দেখা পাইছে। এই আধিভৌতিক কবিতাটিত এফালে মানুহৰ সৈতে মানুহৰ আৰু আনফালে মানুহৰ সৈতে স্ৰষ্টাৰ সম্বন্ধ প্ৰকাশ পাইছে। কবিতাটোত মানৱাত্মাৰ অনন্ত সুখৰ প্ৰযাস। প্ৰাণৰ আকৃতি আৰু গভীৰ আত্মোপলব্ধি মূৰ্ত্তিমান হৈ উঠিছে। এই কবিতাটো যেন ব্যক্তিমনৰ সূক্ষ্মাতিসূক্ষ্ম অনুভূতিৰ অনুৰণন মাত্ৰ।

এইখিনিতে এটা প্ৰশ্ন উদয় হব পাৰে যে এহাতে ৰোমাণ্টিক কবিসকৰ ভাৱাদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত আৰু বেদ, উপনিষদ আদিৰ দ্বাৰা অধ্যয়নপুষ্ট কবি আগৰৱালাই জ৷ৱনক কেনে ভাৱে গ্ৰহণ কৰিছে? অন্যান্য ৰোমাণ্টিক কবিসকলৰ দৰে তেওঁৰ কবিতাত ব্যক্তিগত হা হুমুনিয়াহ প্ৰকাশ পোৱা নাই। 'সন্ধিয়া', 'বিমুখ' আৰু 'যুগমীয়া শোক' এই তিনিটা কবিতাত শোক বা কৰুণ সুৰ থাকিলেও তেওৰ কবিতাসমূহত সংসাৰ যুঁজত জয়ী হৈ আনন্দ লাভ কৰাৰ ভাবহে প্ৰকাশ পাইছে। তেওঁ 'শক্তিৰ সন্তান' আৰু কৰ্ত্তব্য মুকুট শিৰে' পিন্ধি আগবাঢ়ি যায়। অষ্টাদশ বছৰৰ বাঁহীৰ প্ৰথম সংখ্যাত প্ৰকাশিত চন্দ্ৰকুমাৰ

আগৰৱালাৰ 'অজেয়' নামৰ কৱিতাটি পঢ়িলে বুজিব পাৰি যে জুইত পুৰিলে সোণ উজ্জ্বল হোৱাৰ দৰে নিয়তিৰ দুখৰ পিহনি শিলত' কষ্ট ভোগ কৰা কৱিয়ে জীৱনত নতুন উৎসাহ পাইছে।

'চা হেৰ চা
চাওঁতে চাওঁতে উপচি পৰিল
ফুলে পাতে (মোৰ) কুঞ্জলতা
স্নিগ্ধ প্ৰেমৰ জীৱন দায়িনী
শাখা প্ৰশাখা-যুতা,
সহস্ৰ হৃদয় জিৰাব ইয়াতে
ফুলিব মৰুৰ মাজে
যত-নাছিল একোৱেই কঠুৱা কালৰ
কাঁইট-কলিত বাজে।

দৰাচলতে অসমীয়া সাহিত্যত 'অজেয'ৰ সৈতে তুলনা কৰিব পৰা কৱিতা বিৰল। কৱি আগৰৱালা কেতিয়াও হতাশ নহৈছিল।

মুঠৰ ওপৰত চন্দ্ৰকুমাৰ আগৰৱালাই অসমীয়া কাব্য সাহিত্যত ৰোমাণ্টিক ভাবৰ সোঁত বোৱালেও তেওঁৰ কাব্যৰ মাজেদি ভাৰতীয় দৰ্শনৰ ভাবধাৰা প্ৰকট হৈছে। তেওঁ "আনন্দৰূপং অমৃতং যদবিভাতি'ৰ দৰে 'সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ' বিশ্ব-ভাৱবীয়াৰ ৰূপটো উপলব্ধি কৰি অতৃপ্তিৰ নৈ বোৱাই প্ৰকৃতিৰ সেউজীয়া সৌন্দৰ্য্যৰ মাজেদি সুন্দৰৰ আৰাধনাক জীৱনৰ ব্ৰত স্বৰূপে লৈ নিযৰৰ টোপালত অনিৰ্ব্বচনীয় সৌন্দৰ্য্যৰ জোৱাৰ তুলি মানৱৰ যি জয়গান গালে তাৰ দ্বাৰা তেওঁৰ কৱিতাসমূহে এক বিশিষ্ট স্থান লাভ কৰিব। ভাবৰ গভীৰতা, জীৱন-জিজ্ঞাসা, বিশ্বাত্মবোধ—এই সকলোবোৰে চন্দ্ৰকুমাৰ আগৰৱালাৰ কৱিতাক অলৌকিক সৌন্দৰ্য্য প্ৰদান কৰিছে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কৱিতাত পাশ্চাত্যৰ প্ৰভাৱ

—তাৰিণীকান্ত ভট্টাচাৰ্য্য

"জোনাকী"যুগৰ অন্যতম প্ৰৱৰ্ত্তক ৺চন্দ্ৰকুমাৰ আগৰ-ৱালা (১৮৬৭-১৯৩৮) ৰচিত দুখন কৱিতাৰ পুথি হ'ল—"প্ৰতিমা" আৰু "বীণবৰাগী"। একোটি প্ৰাৰম্ভিক কৱিতাৰ নামেৰে কিতাপ দুখনৰ নামাকৰণ কৰা হৈছে। কৱিতাৰ সংখ্যাৰ ফালৰ পৰা দুযোখন কিতাপে নিশকতীয়া। কিন্তু এটা নতুন কাব্যিক যুগৰ পথ প্ৰদৰ্শক হিচাবে দুযোখন কিতাপৰে যথেষ্ট মূল্য আছে। অকল সেয়ে নহয—সুসম্পাদনা আৰু সুখদাযক প্ৰকাশ ভঙ্গীত কোনো কোনো কৱিতাই অমৰত্ব লাভো কৰিছে। এই নতুন অসমীযা কৱিতাক নবোন্মেষৰ কৱিতা আখ্যা দিযা হৈছে। এই কৱিতা যে উনৈশ শতিকাৰ আদি ভাগৰ ইংৰাজী ৰোমাণ্টিক কৱিতাৰ দ্বাৰা প্ৰচুৰ পৰিমাণে প্ৰভাবান্বিত তাত সন্দেহ নাই। চন্দ্ৰ কুমাৰ আগৰৱালাৰ কৱিতাতো এই প্ৰভাৱ অতি স্পষ্ট।

উনৈশ শতিকাৰ প্ৰথম তিনি দহকৰ ভিতৰত ইংলণ্ডত ৰোমাণ্টিক কৱিতাৰ পুৰ্ণপ্ৰচলন হয। ৱৰ্দছৱৰ্থ, কলোৰিজ, বাইৰণ, শ্বেলী আৰু কীটছ আদি কৱিসকলৰ হাতত ইংৰাজী গীতি কৱিতাই নতুন তীব্ৰতা লাভ কৰে। বিষয বস্তুৰ দিগন্ত বিস্তীৰ্ণ হয়, কাব্যিক সহানুভূতিযে নতুন ব্যাপ্তি লাভ কৰে আৰু ৰচনা শৈলী আৰু কাব্য-সংগঠনত বহুতো পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধন হয। অষ্টাদশ শতিকাৰ মিত্ৰাক্ষৰ ছন্দৰ সলনি অমিত্ৰাক্ষৰ ছন্দৰ প্ৰচলন হয। কৱিতাৰ

সংগঠন, ছন্দ, উপমা, ইত্যাদি বেছি জটিল, উন্নত আৰু নতুন কাব্যিক অনুভূতি প্ৰকাশৰ কাৰণে সক্ষম হয়। প্ৰকৃতিৰ বৰ্ণনা, অতীতৰ উপকথা, স্বাধীনতাৰ গুণ-গান, মানৱৰ মৰ্য্যাদা, ভাল পোৱা, প্ৰাচীন গ্ৰীচৰ কলাৰ সমাদৰ, মধ্যযুগৰ পৰী-আখ্যানৰ ভেটিত কাব্য সৌধ ৰচনা—বহুতো বিভিন্ন ক্ষেত্ৰক কেন্দ্ৰ কৰি কৱিতাই পৰিসৰ বঢ়াবলৈ ধৰে। চুটি গীতি কৱিতাৰ জৰীয়তে কৱিয়ে ব্যক্তিগত সুখ দুখ, হৰ্ষ বিষাদ, আশা আকাঙ্ক্ষা, ইত্যাদিৰ বিষয়ে পাঠকৰ মনোযোগ আকৃষ্ট কৰে। এই কৱিতাত আবেগৰ আতিশয্য থাকে আৰু ব্যক্তি বাদক প্ৰাধান্য দিয়া হয়। উনৈশ শতিকাৰ এই ৰোমাণ্টিক কৱিতাই অচিৰে বিস্তাৰ লাভ কৰে আৰু সুপ্ৰতিষ্ঠিত হৈ পৰে।

আমাৰ "জোনাকী" যুগৰ কৱি-সাহিত্যিকসকলে ইংৰাজী শিক্ষাৰ মাধ্যমেৰে এই ইংৰাজী সাহিত্যৰ সংশ্ৰৱত আহে। এইটো অতি স্বাভাৱিক কথা যে সেই সাহিত্যৰ প্ৰভাৱ আমাৰ সাহিত্যৰ ওপৰত পৰিব। আমাৰ সাহিত্যৰ তেতিয়া নিশকতীয়া অৱস্থা। ভাষা বিপৰ্য্যযৰ পিচত ই কোনো-মতে থিয় হৈছে মাথোন। ইংৰাজী সাহিত্যৰ অকল প্ৰভাৱ পৰা বুলি নকৈ সেই সাহিত্যৰ অনুপ্ৰেৰণাৰে অনুপ্ৰাণিত হৈ জোনাকী যুগৰ অসমীয়া সাহিত্যই ঠন ধৰি উঠা বুলি কলেও অত্যুক্তি কৰা নহয়। পশ্চিমীয়া সাহিত্যৰ পৰশত ভাৰতৰ অন্যান্য প্ৰান্তীয় সাহিত্যযো উদ্গতি কৰিবলৈ ললে।

চন্দ্ৰকুমাৰৰ কৱিতাত সাধাৰণ ভাবে ইংৰাজী ৰোমা-ণ্টিক কৱিতাৰ লক্ষণ কিছুমান দেখা পোৱা যায়। এই লক্ষণবোৰ বিষয় বস্তু, উপমা, প্ৰকাশভঙ্গী, আৰু জীৱন জগতৰ প্ৰতি কৱিৰ মনোভাৱ প্ৰভৃতি বহুতো বিষয়তে লক্ষ্য কৰা যায়। ইংৰাজ কৱিৰ দৰে অসমীয়া কৱিয়েও চুটি গীতি কৱিতা ৰচনা কৰি তাৰ মাধ্যমেৰে অনুভূতিৰ তীব্ৰতা বঢ়াই ব্যক্তি-গত অভিজ্ঞতা বৰ্ণনা কৰিছে -

হৃদয়ৰ মন্দিৰত লুকুৱা প্ৰতিমা
ভাষা নাই কিৰূপে বুজাওঁ।
আগন্তুক সহস্ৰ চকুৰ অনুৰোধ,
শক্তি নাই কিৰূপে এৰাওঁ।
'প্ৰতিমা' 'প্ৰতিমা' ৰবে ব্যাকুল কৰিলে,
চাব খোজে হিয়াৰ বিকাশ।
কুচি মুচি আগুৱাই দুৰ্ব্বল হৃদয়
দিবলৈ এফেৰি আভাষ।
নিমাতী হিয়াৰ কিন্তু মাত পোৱা টান,
হৃদয় যে ইমান লাজুক।
সখী চিত্ৰলেখা মোৰ কল্পনা সুন্দৰী—
সমিধান দিয়া আহি মোক। (প্ৰতিমা)

অসমীয়া কবিতা জগতত এই সুৰ তেনেই নতুন। ইয়াৰ আগৰ পৰম্পৰা বিচাৰিলে, বৈষ্ণৱ যুগৰ ধৰ্ম্ম প্ৰধান কবিতালৈ যাব লাগিব। এই সুৰ পশ্চিমৰ পৰা অহা। উক্ত উদ্ধৃতিত কবিয়ে কল্পনাৰ তীক্ষ্ণতাৰ সহায়েৰে তেওঁৰ প্ৰতিমাৰ প্ৰতি নিজ অন্তৰত থকা গভীৰ অনুভূতিৰ কথা কৈছে। তেওঁৰ "প্ৰতিমা"ও এটা কাল্পনিক প্ৰতিমাহে। ই দেৱী নে মানৱী ঠাৱৰ কৰা টান। বৰ্ণনাত ইন্দ্ৰিয় গন্ধী ভাৱ থাকিলেও এই বৰ্ণনা উচ্চ স্তৰত সম্পাদন কৰা হৈছে। 'প্ৰতিমা'ৰ খনিকৰৰ অন্যান্য কবিতাতো এই "ধৰো ধৰো কৰে, কিন্তু ধৰিব নোৱাৰি" (impalpable) ভাৱ বৰ্ত্তমান। তেওঁৰ প্ৰতিমা সময় বিশেষত বুদ্ধিৰ সৌন্দৰ্য্য (intellectual) হৈ নপৰাকৈয়ো থকা নাই। ইংৰাজ কবি শ্বেলীৰ কবিতাত এই ভাৱ প্ৰায়ে পোৱা যায়। আমাৰ কবিয়েও কৈছে—

ফুটো ফুটো কৰি কেনে সুমলী কলিটি
সামৰি আধেক মেলি আধেক প্ৰাণটি,

খন্তেক লুকাই, পুনু ভুমুকনি মাৰি,
লাজ ধেমালিৰ আঁৰে ছোৱালী কিশোৰী।
মিচিকি হাঁহিৰে ছুটি নিৰুদ্দেশ ভাৱ,
প্ৰেমৰ আহ্বান মন্ত্ৰে ওলাওঁ ওলাওঁ—
ওলাই আহিব খোজে নাচি উলাহেৰে
হৃদযৰ বান্ধ খাই বাহুলতা মেৰে—
বিলাই সৰল প্ৰাণ সমনীযা মাজে
খলকনি মাৰি হাঁহি ছযা মযা সাজে। (কিশোৰী)

ওপৰৰ উদ্ধৃতিত অসমীযা কৱিযে কৱিতাৰ সহাযেৰে সৰল কিশোৰীৰ পবিত্ৰ "লাজ-শান্ত উত্ৰাৱল নবীন হৃদযত" উদিত হোৱা মধুৰ প্ৰভাৱ অঙ্কিত কৰিছে। 'শান্তি' নামৰ কৱিতাত আমাৰ কৱিযে প্ৰেমৰ অমৰত্ব ঘোষণা কৰিছে। দুয়োটা লক্ষণেই ৰোমান্টিক-কৱিতাৰ লক্ষণ —

প্ৰেমৰ আগত কিবা দুখ
কিবা মৃত্যু ?— প্ৰেম মৃত্যুঞ্জযী।
ৰোগ শোক তাপ অভিমান
মানুহৰ মনৰ জঞ্জাল
জঞ্জালতে আত্ম বলিদান
—নোহে ইটো পৰমাৰ্থ জ্ঞান।
যি প্ৰেমেই তোমাৰ সম্বল।
সেযে স্পৰ্শ মণি সংসাৰৰ॥ (শান্তি)

কিন্তু লক্ষ্য কৰিবলগীযা কথা এই যে অসমীয়া কৱিৰ প্ৰকাশ ভঙ্গীত কোনো বিদেশী ভঙ্গিমা নাই। অতি অধুনাকালৰ কিছুমান অসমীযা কৱিতাৰ বিষযে এনে দাবী কৰিব নোৱাৰি।

কিছুমান একক পংক্তিত ইংৰাজ কৱি কেইজনমান অতি প্ৰখ্যাত। কৱি কীট্‌ছৰ এনে পংক্তি কিছুমান আছে—

A thing of beauty is a joy for ever. Beauty is truth, truth beauty, That is all ye know on earth, And all ye need to know আগৰৱালাৰ "সত্য তুমি শিৱ তুমি অসীম সুন্দৰ" আৰু সৌন্দৰ্য্য নামৰ কবিতাত আমাৰ কবিয়েও অনুৰূপ ভাৱ অনুৰূপ ভাষাত প্ৰকাশ কৰিছে —

সুন্দৰৰো সুন্দৰ ই হ্লাদিনীয়া দেশ
যতনৰ আনন্দৰ শুৱনি আৱেশ।
জ্ঞানময় প্ৰেমময় প্ৰাণৰ ঈশ্বৰ,
সত্য তুমি শিৱ তুমি অসীম সুন্দৰ।

আকৌ,

সুন্দৰৰ আৰাধনা জীৱনৰ খেল।
অভিনয় অন্তে ঘোৰ কাল যবনিকা। (সৌন্দৰ্য্য)

সৌন্দৰ্য্যৰ পিচত উন্মত্তৰদৰে ঘূৰিফুৰোঁতে কবিৰ প্ৰাণৰ আকাঙ্ক্ষা বহুমুখী হ'ল। সেয়ে তেওঁ আক্ষেপ কৰিছে—

"কৰ্ত্তব্যৰ ঋণ দেখো নপৰে মনত।"

কৰ্ত্তব্যৰ বিষয়ে আমাৰ কবিয়ে "কৰ্ম্মদেৱ" নামৰ অন্য এটি চুটি কবিতা লিখিছে। তাত তেওঁ কৰ্ত্তব্যৰ ওচৰত নিজৰ নতুন সংকল্পৰ কথা ঘোষণা কৰিছে —

কি ভয় মৰণে ৰণে নাই, ভয় নাই,
কৰ্ত্তব্য মুকুট শিৰে পিন্ধালে গোসাঁই।
পুণ্যময় তেজকণ উঠক উছাহি—
তেজ পুঞ্জে প্লাবিত কৰোক শৰৰাশি।
শক্তিৰ মন্ত্ৰেৰে আৰাধিলো ইষ্টদেৱ,
শক্তিৰ সন্তান মই নোহো আৰু কেওঁ। (কৰ্ম্মদেৱ)

ইংৰাজ কবি ৱৰ্দছৱৰ্থেও Ode to Duty নামৰ কবিতাত এদিন আক্ষেপ কৰি কৈছিল—

Steer Daughter or the Voice of God!
O Duty,
Me, this unchartered freedom tires;
Awful Power!
I call thee I myself commend
Unto thy guidance from this hour,
O let my weakness have an end!
Give unto me, made lowly wise,
The Spirit of self Sacrifice,
The confidence of reason give,
And in the light of Truth, Thy bondman
let me live

(Ode to Duty)

অসমীয়া কৱিৰ "ফুলা সৰিযহ ডৰা" নামৰ কৱিতাটিয়ে উক্ত ইংৰাজকৱিৰ Daffodils ডেফোডিলছ নামৰ কৱিতাৰ কথা মনত পেলাই দিয়ে—

দিয়া মোক এৰি চাওঁগৈ ঘূৰি
ফুলা সৰিযহ ডৰা।
সেয়ে আজিলৈকে থৈছে মোক মুহি
পখিলা পাখিৰে ভৰা।
তাহানিৰ সেই সপোন দিনৰ
লৰালি কালৰে পৰা।

এই কেইফাঁকি কৱিতাই ৱৰ্দছৱৰ্থৰ অন্য এটি কৱিতাৰ কথা কেইশাৰীমান মনত পেলাই দিয়ে—

And I can listen to thee Yet
Can lie upon the plain
And listen till I do beget
That golden time again (To the cukoo)

ফৰাচী বিপ্লৱৰ প্ৰভাৱত ইংৰাজ কবিসকলে মানুহৰ মৰ্য্যাদাৰ বিষয় কবিতা লিখিছিল। বৰ্দছৱৰ্থ, বাইৰণ, শ্বেলী, বাৰ্ণছ,—এওঁলোকৰ কবিতাত মানুহৰ মানুহ হিচাবে মৰ্য্যাদা দাবী কৰি কথা লিখা হৈছে। আগৰৱালাৰ কবিতাত পোৱা যায়—

হে প্ৰাণৰ বীণ, যি দেখিলোঁ আৰু
কবলৈ লাগিছে বেযা
দুখীযাৰ দুখ দুৰ্ব্বলীৰ শাস্তি
দেখি ফাটি যায হিযা।
দেখিলোঁ কেনেনো নৱ সমাজত
বিষম জঞ্জাল হায
মানুহে মানুহে পৰতকৈ পৰ
একেৰি মৰমো নাই। (বীণ বৰাগী (২))

কিন্তু কবিয়ে ঘোষণা কৰিছে—

মানবী জনম দিয়া উটুৱাই
মানবী কৰম সোঁতে,
মানুহৰ মৰম বুজিবা মানুহে
—ধৰম যে মৰততে।
মানুহেই লগ মানুহেই সঙ্গ
মানুহেই পৰাৎপৰ
এই যে পৃথিবী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।
মানুহেই দেৱ, মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।
কৰাঁ কৰাঁ পূজা - পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।

এই মানৱ বন্দনা বৈষ্ণৱ কবিৰ বন্দনা নহয়। ইংৰাজ কবিসকল আৰু আমাৰ কবিৰ কবিতাত মাত্ৰাস্থাপনৰ পাৰ্থক্যও

লক্ষ্য কৰিবলগীয়া। শিল্প বিপ্লৱৰ কুফল অসমত তেতিয়াও কৰা নাই। গতিকে তাৰ প্ৰতিবিম্ব অসমীয়া কবিতাত নাই। কিন্তু কবিতাটোৰ সুৰ আধুনিক।

ইংৰাজ কবিসকলৰ দৰে সেই সময়ৰ অসমীয়া কবিসকলেও প্ৰকৃতিৰ উপকথা (Nature Myth) ৰচনা কৰি কবিতা লিখিছিল। আগৰৱালাৰ "বনকুঁৱৰী" আৰু "জোনাকী" নামৰ কবিতাত এনে প্ৰাকৃতিক উপকথা বা 'সাধু' ৰচনা কৰা হৈছে। এই উপকথা সম্পৰ্কত অসমীয়া কবিয়ে কিছুমান অমৰ সৌন্দৰ্য্য খোদিত কৰিছে—

নিজম দুপৰীয়া শুহুৰীটি মাৰি
মাতিলেনো কোনে কাক ?
বিজন বনত কোন ক'ত আছে ?
হালিছে গছৰ আগ।
গহীন গছত বতাহৰ ছাটি—
পাতৰ্কপে 'থৰ থৰ'।
হাবিৰ মাজৰ পৰা কোনে নো বা
মাতি উঠে 'মৰ মৰ'
নিচুক লতিকা গছক সাৱটি—
প্ৰতি অঙ্গে চুমা চুমি।
পাতৰ আঁৰত থাকি কপৌটিয়ে
কিবা কৰে জুমা জুমি। ("বনকুঁৱৰী")

* * * *

নীল আকাশত বগলি পাখিৰে
মেঘহে নামিছে ধীৰে
কুঁৱলী বিয়পা স্বৰগৰ দৃশ্য
ছয়া মযা গিৰি শিৰে।

উদ্ধৃত শাৰী কেইটিৰ ছন্দও ইংৰাজ কবিৰ Ballad metre, বনগীতিৰ ছন্দৰ দৰে।

ইংৰাজ কৱি কলেৰিজ আৰু কীটছে পুৰণি আখ্যান আৰু পৰী সাধুক কেন্দ্ৰ কৰি কল্পনাৰ ৰহণেৰে সেইবোৰক নতুনকৈ বোল দি আৰ্টৰ ৰাজ্য ৰচনা কৰিছিল। ক্ৰিষ্টাবেল, "লামিয়া", "ইভ অব চেণ্ট এগ্নিছ" আদি কৱিতা এই জাতীয়। এই কৱিতাবিলাকত এটা অতি-প্ৰাকৃত পটভূমি পোৱা যায়। চন্দ্ৰকুমাৰৰ "তেজীমলা" কৱিতাতো এনে প্ৰচেষ্টা সফলভাৱে কৰা হৈছে। অৱশ্যে অসমীয়া কৱিতাটো অপেক্ষাকৃতভাৱে চুটি। "প্ৰপঞ্চ"নামৰ কৱিতাত বেলি, বৰুণ, দিন, ৰাতি, আৰু ৰামধেনুৰ সাতোটা ৰঙৰ কথোপকথনেৰে প্ৰাকৃতিক বৰ্ণনা আৰু ঋতুসাৰ দিয়া হৈছে। ইংৰাজী কৱিতাত বিভিন্ন ঋতু, চৰাই চিৰিকতিৰ গীত মাত, গছ লতা-ফুল পাত—ইত্যাদিৰ বৰ্ণনা বহুলভাবে পোৱা যায়। স্পেঞ্চাৰ, টমছন, কীটছ আদিৰ ঋতু বৰ্ণনা বিশেষভাৱে প্ৰখ্যাত। প্ৰপঞ্চ, আৰু বনকুঁৱৰী আদি কৱিতাত এনে চেষ্টা দেখা পোৱা যায়। বীণবৰাগী নামৰ দীঘলীয়া কৱিতাত এজন বৰাগীযে (Minstrel) বীণ বাই বাই দেশ বিদেশে সুখ বিচাৰি ঘূৰি ফুৰিছে। তেও নৰ সমাজত থকা বিৰাট অসাম্য আৰু নিষ্ঠুৰতা দেখি ব্যথিত হ'ল। মানুহে মানুহৰ তেজ শুহি খায়। পৃথিৱীয়ে সৰগী বস্তুৰ মোল নুবুজে। এই অৱস্থাৰ পৰি-বৰ্ত্তন লাগে। ইংৰাজ কৱি শ্বেলীয়ে এদিন মানৱ জাতিৰ নব জাগৰণ আনিবলৈ বুলি প্ৰৱল প্ৰতাপী পচোৱা বতাহৰ ওচৰত শক্তিভিক্ষা কৰি Ode to west wind কৱিতা লিখিছিল। পচোৱা বতাহৰ দৰে দুৰ্ব্বাৰ শক্তি থকাহেঁতেন তাৰ সহায়ত কৱিয়ে মানৱ জাতিক দুৰ্গতি নৰকৰ পৰা উত্তোলন কৰিলেহেঁতেন। আমাৰ অসমীয়া কৱিযেও শক্তি থকাহেঁতেন নৰ সমাজত বিৰাজমান হৈ থকা বহুতো অন্যায় আপদৰ প্ৰতিকাৰ কৰিলেহেঁতেন—

আঙুলি বুলাব জনা হলে আজি
পেলালোহেঁতেন টানি—

হিমালয় চূড়া বুৰালেঁ।হেঁতেন
উছালি কলীয়া পানী
আকাশৰ তৰা নমালোহেঁতেন
থপিযাই লাখে লাখে
জোন বেলি গ্ৰহ পেলালেঁ।হেঁতেন
দলিয়াই জাকে জাকে।
পাপৰ মজিযা নিযা'লে।হেঁতেন
অঠাই সাগৰ তল
ব্ৰহ্মাণ্ডৰ চিন থাকিলহেঁতেন
মাথো সমুদ্ৰৰ জল।
মান অপমান ঢৌৰাই যাওঁক
পৃথিৱীৰ পৰা গুচি
নতুন সৃষ্টিৰ অৰুণ কিৰণে
কৰোক সকলো শুচি (বীণ বৰাগী (২))

শ্বেলীৰ দৰে অসমীয়া কৱিৰো অসম্ভৱৰ লগত সমৰ আহ্বান দিযাৰ চপল আস্পৰ্দ্ধা পৰিলক্ষিত হয। শ্বেলীৰ চিন্তাৰ দৰে অসমীয়া কৱিৰ কল্পনাতো গৰিমা আছে। অলপ উচ্চস্তৰৰ উপলব্ধিত বৰাগীযে বিশ্বব্ৰহ্মাণ্ড খন নিজৰ উপলব্ধিৰ প্ৰতিবিম্ব বুলিও ঠাৱৰ কৰিছে—

মোৰেই জগতখন মোকেই মাতিছে।
গৃহস্থলৈ আলহীৰ আসন পাতিছে॥
মোৰেই বচন হৰি মোকে আদৰিছে।
চিৰ চিনাকিৰে নকৈ চিনাকি পাতিছে॥
* * * *
মোৰ দাপোণতে মোৰ মুখ দেখুৱায।
মোৰ মুখাকেই পিন্ধি সুন্দৰ বোলায়॥
মোৰেই সেন্দুৰ তেল মোৰ মূৰতে ঘঁহে।
মোৰ পৰা ধাৰে নিযা ৰূপেই মোক মোহে॥
(বীণবৰাগী (৪))

ইংৰাজ কবি কলেৰিজে ডিজেক্‌ছন (Dejection) নামৰ কবিতা এটিত ঠিক একে মতকে পোষণ কৰা দেখা যায়। তেওঁৰ মতে আমি বাহিৰৰ বস্তুত যি সৌন্দৰ্য্য দেখো সি প্ৰকৃততে আমাৰ মনৰ ভিতৰত থকা সৌন্দৰ্য্যহে—সি বেনিৰা-বাহু বস্তুত প্ৰক্ষিপ্ত হৈ তাক আমাৰ মনত ধুনীয়া কৰি তোলে।—

"O Lady! we receive but what we give,
And in our life alone does Nature live,

Ah from the soul itself must issue forth
A light, a glory, a fair luminous cloud
Enveloping the Earth—
And from the soul itself must there be sent
A sweet and potent Voice, of its own birth,
Of all sweet sounds the life and the element.

We in ourselves rejoice

ইংৰাজ কবি কলেৰিজৰমতে,

Ours is the beauty making power.

অসমীয়া কবি চন্দ্ৰকুমাৰে কৈছে—

"প্ৰাণতে আছে প্ৰাণৰ সম্বল"। মানুহে ভ্ৰান্তি বশতঃ ইয়াক দূৰত বিচাৰি হাবাথুৰি খাই ফুৰে। সেয়ে বৰাগীয়ে ঈশ্বৰক প্ৰাৰ্থনা কৰি কৈছে "দিয়া মতি অন্তৰ্মুখী"। ইংৰাজী ৰোমাণ্টিক কবিতাটো অন্তৰ্দৃষ্টি (introspection)ৰ ওপৰত গুৰুত্ব আৰোপ কৰা আছে। অসমীয়া কবিয়ে গাইছে—

সুষুপ্ত আত্মাৰ সূক্ষ্ম শকতি
জগাই মাথোন তোলা।
আত্মাৰ বলেৰে বলীয়ান হই
বিজুলী সঞ্চাৰে দোলা॥
জড় জগতৰ চেতন নিয়ন্তা
ৰথৰ সাৰথি তুমি।
তোমাৰ আদেশ অপেক্ষাত আছে
শিৰেৰে নমিহে ভূমি। (বীণবৰাগী)

ৱৰ্দছৱৰ্থৰ কবিতাটো এইদৰে এটা সাৰ্ব্বজনীন চেতনাশক্তিৰ ইঙ্গিতত এই বিশ্বব্ৰহ্মাণ্ড পৰিচালিত হোৱাৰ কথা আছে—

And I have felt
A presence that disturbs me with the joy
Of elevated thoughts, a sense sublime
Of something far more deeply interpesed,
A motion and a spirit that impels
All thinking things, all objects of all thought,
And rolls through all things
(——Tintern Abbey)

ইংৰাজী কবিতাৰ দৰে অসমাযা কবিতাটো চৰম ব্যক্তিবাদৰ প্ৰৱৰ্ত্তন কৰা হৈছে। ক্ষুদ্ৰ ব্যক্তিৰ একক জীৱনত বিশাল বিশ্বৰ বহুল জীৱনৰ প্ৰতিবিম্ব ফুটাই তুলিবৰ প্ৰযাস আছে—

বীণ বৰাগীৰ আশা, যেন,

"মোৰেই মুখেদি মানৱ প্ৰাণৰ
ফুটক আকুল মাত।"

অকল সৌন্দৰ্য্য বৰ্ণনাৰ নিমিত্তে "মাধুৰী" নামৰ কবিতাটি তেনেই বিশিষ্ট।—

ফুটোঁ নে নুফুটোঁকৈ
কুমলীয়া কলিটি—
ওঁঠত লাজেৰে বৈ
মিচিকীয়া হাঁহিটি।
সামৰি পাহৰি গৈ—
মেলি আধা প্ৰাণটি।
উদঙাই ঢাকি থৈ
উঠি অহা বুকুটি।

* * *

চাওঁনে নেচাওঁকৈ
মৰমৰ দেহিটি,
দেৱী নে মানৱী ঐ
মাধুৰীৰ ছবিটি।

ইংৰাজ ৰোমাণ্টিক কবিসকলৰ কবিতাত মাজে সময়ে বিষাদৰ বিষয়ে কবিতা পোৱা যায়। শ্বেলীৰ বেলিকাতো বিষাদটো এটা বিলাসৰ বিষয় স্বৰূপহে পৰে। আগৰৱালাৰ “অকলশৰীয়া” নামৰ চতুৰ্দ্দশপদী কবিতাটো এই জাতীয়।

অকলই উৰি ফুৰে প্ৰাণৰ পখীটি
কল্পনা-বিহাৰী নিৰঞ্জন আকাশেদি।
বিশাল ব্ৰহ্মাণ্ড তাৰ চকুৰ আগত
অনন্ত শূন্যৰ ৰাজ্য জুৰি ওপৰত।
শান্ত পৰ্ব্বতৰ টিং, অৰণ্য, সাগৰ
প্ৰকৃতিৰ হিয়া যেন বৈৰাগ্য আধাৰ।
মানুহৰো ৰাজ্য পৰে চকুত অশেষ,
কোলা হল পূৰ্ণ কিন্তু নিমগ্ন সিদেশ।
প্ৰাণ পখী উটি যায় শূন্য ৰহস্যত
লগ হেৰুৱাই মেঘ আকাশ মাজত।
উদাস হৃদয় তাৰ অকলে আকুল,
প্ৰাণৰ প্ৰাণত বাজে বিষাদৰ সুৰ।

জনপূৰ্ণ নিৰ্জ্জনত কতা লগৰীয়া ?
বিশ্ব সংসাৰত হায় অকলশৰীয়া ।

উক্ত কবিতাত "উদাস হৃদয়" আদি বৰ্ণনাই কলেৰিজৰ Dejection নামৰ কবিতাত থকা অনুৰূপ বৰ্ণনা মনত পেলাই দিযে। কলেৰিজে তেওঁৰ কবিতাত মনৰ তেনে অৱস্থাক heartless mood বুলি অভিহিত কৰিছে। অসমীয়া কবিতাটি চতুৰ্দ্দশপদী কবিতাৰ এটা নিদৰ্শন। আগৰৱালাৰ বেছিভাগ কবিতাই চুটি। তাৰ ভিতৰত চতুৰ্দ্দশ পদী কবিতাই সৰহ— "সন্ধিযা" "চিৰলগৰীযা" "অতৃপ্তি" আদিবোৰ এই জাতীয। দুই এটা কবিতাত অৱশ্যে চৈধ্য শাৰীতকৈ দুই এক শাৰী বেচি আছে। ইংৰাজীতো চনেটৰ এনে ব্যতিক্রম আছে। তেনে চনেটক tailed sonnet (নেজযুক্ত চনেট) বোলা হয। অসমীয়া চতুৰ্দ্দশ-পদী কবিতা ইংৰাজীৰ আৰ্হিৰে যে ৰচনা কৰা তাত সন্দেহ নাই।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা আৰু তাৰ মানবীয় আবেদন

—ত্ৰৈলোক্যনাথ গোস্বামী

গীতি-কবিতা ৰচক হিচাবে চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰসিদ্ধি। "প্ৰতিমাখন সৰু কিন্তু নিভাঁজ সোণৰ" বুলি কৰা বেজবৰুৱাৰ উক্তি এজন সমকালীন লেখকৰ আন্তৰিক স্বীকৃতি। বেন জনছনে তেওঁৰ সমসাময়িক লেখক শ্বেকসপীয়াৰ সম্বন্ধে মত প্ৰকাশ কৰিছিল যে তেওঁ এটা যুগৰ নহয় কিন্তু চিৰকালৰ। বেন জনছনৰ দৰে বেজবৰুৱাৰ উক্তিও তাৎপৰ্য্যপূৰ্ণ। গীতি-কবিতাৰ প্ৰথম ৰচক কবি আগৰৱালা নহয়। তেওঁৰ আগতে আধুনিক অসমীয়া সাহিত্যত ভোলানাথ দাসে এনে কবিতা ৰচনা কৰিছে। বৈষ্ণৱ সাহিত্যৰ অভ্যুদয় যুগতো গীতি কবিতাৰ সদৃশ কবিতা ৰচিত হৈছিল। বৰগীতবোৰৰ গীতি-ধৰ্ম্মিতা আৰু মন্ময়তা স্বীকাৰ্য্য। গীতি কবিতাৰ ভালে-মান লক্ষণ বৰগীতবোৰত আছে। কিন্তু এইবোৰৰ মাজেদি প্ৰকাশিত হৈছে এটা আধ্যাত্মিক আদৰ্শ আৰু ৰচকৰ বিনয়াৱনত দাস্যতাৰ। শ্ৰীকৃষ্ণৰ খেল-ধেমালি, ছলনা-চাতুৰী প্ৰকাশৰ মাজত লেখকে লাভ কৰিছে ভক্তৰ আনন্দ আৰু তত্ত্ব-জ্ঞানৰ উৎস। লৌকিক দৃষ্টিভঙ্গী আগত ৰাখি লেখক-সকল অনেক ক্ষেত্ৰত আগবাঢ়ি গৈছে সঁচা কিন্তু শ্ৰীকৃষ্ণৰ ঐশ্বৰিক শক্তিৰ আগত তেওঁলোক সদায় অৱনত, বিনম্ৰ। এই শ্ৰেণীৰ কবিতাৰ মাজেদি মন্ময়তা, সাংগীতিক মাধুৰ্য্য আৰু লেখকৰ দৃষ্টিভঙ্গীৰ ঐক্য পৰিলক্ষিত হলেও বিংশ শতিকাৰ প্ৰাৰম্ভতে অসমীয়া সাহিত্যত যি গীতিকবিতাৰ

জন্ম হল তাৰ বিশেষত্ব বিচাৰি পোৱা সহজ। বিংশ শতি-কাৰ প্ৰথমাৰ্দ্ধত ৰচিত গীতি-কৱিতাসমূহ পশ্চিমীয়া প্ৰভা-ৱেৰে পুষ্ট। লৌকিক বিষয় বস্তুৰ অৱলম্বনত এইবোৰৰ জন্ম। ঠায়ে ঠায়ে পৰমাৰ্থিক তত্ত্বৰ প্ৰভাৱো এইবোৰৰ ওপৰত পৰিছে। তথাপি লৌকিকতা সম্পূৰ্ণৰূপে বিসৰ্জ্জন দিয়াৰ অভিপ্ৰায় কৱিসকলৰ নাই। সহজ সৰল ঘৰুৱা বাক্য ৰীতিৰ মাজত সাংগীতিক মাধুৰ্য্য আবিষ্কাৰ কৰাৰ চেষ্টা এইসকল কৱিযে কৰিছে। এক গতানুগতিক প্ৰকাশ ৰীতি আৰু উপমাদি অলঙ্কাৰ প্ৰযোগৰ পৰিবৰ্ত্তে নতুন দিক্‌দৰ্শন বিচৰা আৰু স্বতন্ত্ৰ কাব্য-ৰীতি গঢ়ি তোলাৰ প্ৰচেষ্টা এই যুগৰ কৱিসকলৰ বিশেষত্ব। চন্দ্ৰকুমাৰ আগৰৱালা এওঁলোকৰ ভিতৰত অন্যতম আৰু কোনো কোনো ক্ষেত্ৰত অগ্ৰণী।

চন্দ্ৰকুমাৰ আগৰৱালাৰদ্বাৰা ৰচিত কৱিতাৰ সংখ্যা সৰহ নহয়। কিন্তু এই তাকৰীয়া কৱিতাৰ মাজেদিযে কৱিৰ ভাব-গধুৰ মনৰ প্ৰকাশ চকুত পৰে। লোকগীতিৰ দৰে সৰল আৰু অনেক ক্ষেত্ৰত পোনপটীয়া বাক্য-ৰীতিযে আগৰৱালাৰ কৱিতাবোৰত নতুন ৰহণ সানিছে। তেওঁৰ আগতে কোনো কৱিযে সৰল বাক্‌ভঙ্গীৰ সহাযত গভীৰ অৰ্থ পৰিস্ফুট কৰাৰ আদৰ্শ চকুৰ আগত ৰখাৰ চিন পোৱা নাযায। তেওঁ যি কেইটা ৰোমাণ্টিক কৱিতা লিখিছে সেই কেইটাৰ মাজতো আছে সৰল প্ৰকাশভঙ্গী কিন্তু ৰহস্য ঘন পৰিবেশ আৰু বিস্ময়াকুল কৰি মনৰ সন্তৰ্পণ বিচৰণ। বনকুঁৱৰী কৱিতাৰ মাজত থকা প্ৰকৃ-তি বৰ্ণনা চিত্ৰ-প্ৰধান, অৰ্থ ব্যঞ্জক আৰু অলৌকিক অস্পষ্টতাৰ মাধুৰ্য্যেৰে পূৰ্ণ। সংসাৰৰ দুখ দুৰ্গতি, অভাৱ, অভিযোগ আদি নানান আহুকালৰ তাড়নাত জৰ্জ্জৰিত কৱিযে কেতিয়াবা কেতিযাবা শান্তিৰ সুষমা বিচাৰে নিৰ্জ্জন অৰণ্যৰ সৌন্দৰ্য্যৰ মাজত, কুলি-কেতেকীৰ মৌ মিঠা মাতত নাইবা শিলৰ ওপ-ৰেদি কুলু কুলু ৰাৱ বাগৰি যোৱা জুৰিটিৰ গতিত। মানুহ-মানুহৰ

মাজত মৰম প্ৰীতিৰ অভাৱেই হল তেজীমলাৰ দুখৰ কাৰণ। তথাপি আজলী তেজীমলাই পাৰিজাত হৈ মৰম বেথাৰে মলয়া বায়ুৰে সৈতে মিতিৰালি পাতিলে, সোণ ৰূপৰ ৰঙৰ মাছ তাইৰ ঘৰ পোহনীয়া হল—এক কথাত তাই আটাইকে আপোন কৰিলে। নৈৰ দাঁতিত ফুলি থকা তেজীমলাৰ মানবী হৃদয়ে দেখিবলৈ পালে উজাই অহা এখনি নাও। তাইৰ অন্তৰত এটা অভূত পূৰ্ব্ব শিহৰণ জাগিল। নাওৰ ওপৰত আছে তাইৰে কুমাৰী হৃদয়ৰ সপোন দেৱতা। খন্তেকৰ বাবে হয়তো তাইৰ অন্তৰলৈ আহিল হৃদয় দৌৰ্ব্বল্য। কিন্তু যেতিয়া নাৱৰীয়াই ফুল ছিঙিবলৈ হাত মেলিলে তেতিয়া তাই চিঞৰি উঠিল—

"হাতো নেমেলিবি ফুলো নিছিঙিবি
কৰে নাৱৰীয়া তই ?
মানুহে ফুলৰ কি জানে আদৰ
তেজীমলাহে মই।"

তেজীমলা সম্বন্ধে প্ৰচলিত কিম্বদন্তীৰ সহায়ত আগৰৱালাই এই কৱিতাটি ৰচনা কৰিলেও কৱিৰ দৃষ্টিভঙ্গীত কিম্বদন্তীৰ ৰূপ সলনি হৈ গল। নৈৰ পাৰত ফুলি থকা পাৰিজাতে মানৱ অন্তৰৰ দ্বন্দ্বকে প্ৰকাশিত কৰিলে। প্ৰেম বিৰহৰ সান্ত্বনা সন্তাপ মিলিত হৈ তেজীমলাৰ জীৱনলৈ আনিলে এটা নতুন জেউতি। মানুহৰ প্ৰেম-প্ৰীতিৰপৰা বঞ্চিতা তেজীমলাই সকলো হেৰুৱাই পেলোৱা নাই। নীৰৱ প্ৰকৃতিৰ লগত তাইৰ নিবিড় আত্মীয়তা গঢ়ি উঠিছে। কৱিৰ চকুত এই আত্মীয়তাৰ মাজত আছে নিস্বাৰ্থ প্ৰেম। এই প্ৰেম দিয়া পোৱাৰ হিচাবৰ ওপৰত। কিন্তু এক অনাবিল আনন্দৰ অধিকাৰিণী হৈয়ো তেজীমলাৰ মানবী হৃদয় খন্তেকৰ বাবে চঞ্চলিত হৈ উঠিছে, আশা-মৰীচিকাই তাইক সোণৰ হৰিণ দেখুৱাইছে। প্ৰেমাস্পদৰ ওচৰত আত্ম সমৰ্পণৰ আকাঙ্ক্ষা জাগি উঠাৰ লগে লগে তাই আত্ম প্ৰকাশ কৰিছে আক্ষ

চিঞৰি কৈছে মানুহে প্ৰকৃতিৰ মোল নুবুজে, নাজানে মানুহৰ প্ৰতি মৰম, দয়া দেখুৱাবলৈ। মাহীমাকৰ দাৰুণ নিৰ্য্যাতনৰ অঙ্কুশে যেন তেতিয়াও তাইক থকাসৰকাকৈ বিন্ধি আছে। তাইৰ আত্ম-প্ৰকাশৰ মাজত আত্ম নিবেদনৰ ইঙ্গিত স্পষ্ট নহয়। আত্ম-প্ৰকাশ কৰাৰ আগতে "কেলেই লাগিছে মানুহৰ লগ" বুলি ভাবি যেন তাই নিজকে সংযত কৰিছে। প্ৰকৃতিৰ বুকুত এজুপি পাৰিজাত হৈ তাই যি নিস্বাৰ্থ প্ৰেম-প্ৰীতিৰ ডোলত বান্ধ খাই আছে তাৰপৰা ওলাই আহি মানুহৰ স্বাৰ্থ জড়িত বাহু-বন্ধনত সোমাই পৰাৰ আগ্ৰহৰ পাছে পাছে যেন বৈ আছে এটা সংশয়ৰ আতঙ্ক। সেই বাবে তাই সকিযাই দিছে যে মানুহে ফুলৰ আদৰ নাজানে। হৃদয়হীন, স্বাৰ্থপৰ মানৱ সমাজলৈ ঘূৰি অহাৰ ভযত তাই যেন প্ৰাণৰ দেৱতাকো প্ৰত্যাখ্যান কৰি এটা নিৰাময শান্তিপূৰ্ণ জীৱনৰ আদৰ্শৰ পাছত লৰিব খুজিছে। গতিকে মানবী ৰূপ গ্ৰহণ কৰি প্ৰাণৰ দেৱতাৰ লগত সংসাৰলৈ ঘূৰি অহা কথা প্ৰাচীন সাধুৰ মাজত থাকিলেও আগৰৱালাৰ কৱিতাত তাৰ ব্যঞ্জনা স্পষ্ট হোৱা নাই। কৱিতাটোৰ শেষাংশ কিছু পৰিমাণে অস্পষ্ট কিন্তু ইঙ্গিতপূৰ্ণ। এনে ইঙ্গিতপূৰ্ণ বাক্যেৰেই আগৰৱালাদেৱে কেইবাটাও কৱিতাৰ সামৰণি মাৰিছে। শব্দ গাঠনি আৰু বৰ্ণনাৰ ক্ষেত্ৰত কৱি আগৰৱালাই দেখুৱা সংযমৰ মাজে মাজে অস্পষ্টতাই ভুমুকি মাৰিছে সঁচা কিন্তু সৰহ ক্ষেত্ৰতে দ্যোতিত অৰ্থ সন্ধানৰ পথো সুগম হৈ আছে। তেওঁৰ কৱিতাৰ মাজত থকা ভাৱ-ঘন আৰু ৰস-ঘন চিত্ৰৰ সংযোগ সেই যুগৰ ভালেমান কৱিতাতে বিচাৰি পোৱা নাযায়।

তেজীমলাৰ মাজত থকা মানবীয় কাৰ্য্যৰ পৰ্য্যালোচনা প্ৰতিমাত সন্নিবিষ্ট কেইবাটাও কৱিতাৰ মাজত প্ৰকাশিত হৈছে। ৰোমান্টিক আদৰ্শেৰে অনুপ্ৰাণিত কৱি আগৰৱালাই এহাতে যেনেকৈ মানুহৰ মহত্ত্ব আৰু মানুহৰ প্ৰতি দেখুৱা

মৰম যেথাত অভিভূত হৈ পৰিছে আন হাতে তেনেকৈ মানুহৰ মাজত থকা ঈৰ্ষা, অসূয়াৰ ওপৰলৈ উঠি উচ্চ নীচৰ মাজত থকা বিৰাট প্ৰাচীৰ ভাঙি ছিঙি গুৰি কথাৰ আকাঙ্ক্ষাও পোষণ কৰিছে। সংসাৰত ধনী দৰিদ্ৰ, উচ্চ নীচৰ পাৰ্থক্য আছে তথাপি সাংসাৰিক জীৱন মিছা নহয় আৰু সংসাৰখনো উপেক্ষা কৰিবলগীয়া বস্তু নহয়। প্ৰাণ সাগৰৰ এটা বিন্দু হল মানৱ-জীৱন আৰু কাৰ্য্যৰ তৰঙ্গময় সিন্ধু হল মহান সংসাৰ। দাৰ্শনিকৰ চকুত সংসাৰ দুদিনীয়া হব পাৰে। আগৰৱালাই তাক অস্বীকাৰ নকৰে কিন্তু তেওঁৰ চকুত এই সংসাৰখন কেতিয়াও কুৎসিত নহয়। ই সুন্দৰো সুন্দৰ। সংসাৰৰ লগত ব্যক্তি জীৱনৰ যি সম্বন্ধ সি প্ৰাণৰ সম্বন্ধ। সংসাৰৰ বাহিৰত ব্যক্তিৰ কৰ্ম্ম-ক্ষমতা নাই, তাৰ অস্তিত্বও নাই। বিশ্ব সংসাৰত মানৱৰ এটা নিজস্ব সত্তা আছে, মূল্য আছে। কিন্তু এই মূল্যবোধৰ চৈতন্যই কেতিয়াবা কেতিয়াবা মানুহক প্ৰতাৰিত কৰে। সি ভুল বাটে যায়। বিৰাট বিশ্ব ব্ৰহ্মাণ্ডৰ পৰা জ্ঞান আহৰণ কৰি নিজৰ গতিপথ নিৰ্ণয় কৰিব পাৰিলেই জীৱন হয় সাৰ্থক আৰু সমাজৰো হয় মঙ্গল। বিশ্ব ব্ৰহ্মাণ্ডৰ বিচিত্ৰ ৰূপ গ্ৰহণৰ ক্ষমতা মানুহৰেই আছে। সংসাৰত হিংসা, দ্বেষ, শোষণ, নিৰ্য্যাতন, কপটতা, প্ৰবঞ্চনা, প্ৰেম প্ৰীতি প্ৰভৃতি নানান বিচিত্ৰ ভাবৰ প্ৰকাশ হৈ থাকে। কিন্তু ব্যক্তিয়ে যদি এই সংসাৰখন চাবলৈ শিকে তেন্তে তেওঁৰ ভ্ৰান্তি আঁতৰি পলায়।

"তুমি ভালে বিশ্ব ভাল সবাতো সুন্দৰ
বিকটালে মুখ কিন্তু বিকট বদন।"

—বিশ্ব ভাৱৰীয়া

মানুহ ক্ষুদ্ৰ জীৱ। কেই বছৰমান লৰি ঢাপৰি ফুৰি মানুহে পৃথিৱীৰ কোলাতে শেষ নিশ্বাস এৰে। তথাপি মানুহৰ অন্তৰত আছে প্ৰচুৰ সম্ভাৱনা। সম্ভাৱনাৰ বিকাশ-সাধনৰ চেষ্টাই হল সজ চেষ্টা, নিজৰ কাৰণেও, সমাজৰ

কাৰণেও। ইয়াৰ বাবে লাগে চকুৰ আগত আদৰ্শৰ বন্তি। জীৱনৰ উদ্দেশ্য কি এই প্ৰশ্নৰ সমিধান সহজে বিচাৰি পোৱা নাযায। কি বিচাৰি মানুহ সংসাৰলৈ আহিছে তাকো মানুহে নাজানে। সংসাৰৰ জ্বালা-যন্ত্ৰণাৰ মাজতে বুৰ গৈ সি নিজকে হেৰুৱাই পেলায। কালৰ কুটিল সোঁতে তাক বিস্মৃতিৰ ঘোৰ অন্ধকাৰৰ মাজলৈ টানি নিয়ে। কিন্তু ফলাফলৰ আশা পৰিত্যাগ কৰি মানৱ কেন্দ্ৰিক কৰ্ম্ম আচৰণৰ সহাযত "শক্তিৰ সন্তান" মানৱে নিজৰ অন্তৰত সুষুপ্ত হৈ থকা "পুণ্যময় তেজকণ" উজলাই তুলিব পাৰে।

"মানবী জনম দিয়া উটুৱাই
মানবী কৰম সোঁতে,
মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।"
—মানব বন্দনা

সংসাৰখন বিশাল কৰ্ম্মক্ষেত্ৰ। অথচ কৰ্ত্তব্যৰ ঋণৰ কথা মানুহৰ মনত নপৰে। এটা সংশয আৰু অবিশ্বাসৰ বশবৰ্ত্তী হৈ বিক্ষিপ্তভাবে এই সংসাৰত মানুহ ঘূৰি ফুৰে।

"উন্মত্তৰ দৰে ঘূৰোঁ ঘৰত পৰত
প্ৰাণৰ আকাঙ্ক্ষা মোৰ হল বহুমুখী
কৰ্ত্তব্যৰ ঋণ দেখোঁ নপৰে মনত?"
—সৌন্দৰ্য্য

মানবাত্মাৰ শক্তি বিক্ষিপ্ত হৈ পৰিলে স্বাভাৱিকতে কৰ্ত্তব্যৰ প্ৰতি অৱহেলা আহে। আলস্য পৰবশ জীৱনত গতি নাই, শান্তি নাই। মিছা ভাৱনাত মগ্ন হৈ থকা দিনৰ অন্তত নিৰাশাৰ অন্ধকাৰে এলেহুৱালোকৰ মনৰ আকাশ শাওণৰ ক'লা মেঘৰ দৰে আগুৰি ধ'ৰে। জীৱনৰ জোনাক-জেউতি নাপাই তেনে লোক হতাশ হয। জীৱনৰ মাধুৰ্য্যৰ সোৱাদ তেওঁলোকে লাভ কৰিবলৈ অক্ষম। "লক্ষভ্ৰষ্ট নেকি

জীৱনৰ দলি”ৰ দৰে সংশয়াত্মক প্ৰশ্নই তেওঁলোকক জুমুৰি দি ধৰে আৰু তেওঁলোকৰ কৰ্ম্ম-শক্তি অপহৃত কৰে। মানুহৰ প্ৰতি থকা মৰম চেনেহৰ মূল্য তেওঁলোকে নুবুজে। অসীম সম্ভাৱনাৰ অধিকাৰী মানুহেই যে সংসাৰত পূজাৰ্হ এই সত্য আলস্য-পৰবশলোকৰ মনত উদয় নহয়। কৰ্ম্মৰ যোগেদি জীৱনৰ সত্য উপলব্ধিৰ চেষ্টা নহলে নৱসমাজত শান্তিৰ প্ৰতিষ্ঠা সম্ভৱ হব নোৱাৰে। অসুখ অতৃপ্তি সংসাৰত থাকিবই। এইবোৰৰ লগত সংগ্ৰাম ৰত হোৱাই হল মানুহৰ জীৱন। এই জীৱন মধুৰ হয় প্ৰেমৰ পৰশত, নিস্বাৰ্থ ভালপোৱাৰ মাজত। প্ৰেমৰ পৰশত অন্তৰলৈ যি প্ৰসাৰতা আহে তাৰ আগত মৃত্যুও তুচ্ছ।

“মিছা অভিমান সুখ আশা
মিছা এই উপেক্ষাৰ ৰাশি
প্ৰেমৰ আগত কিবা দুখ—
কিবা মৃত্যু— প্ৰেম মৃত্যুঞ্জয়ী।”

—শান্তি

অথচ এনে মৃত্যুঞ্জয়ী প্ৰেমৰ অভাৱ সমাজৰ সকলো স্তৰতে আছে। মানুহৰ জীৱনত অলেখ সপোন, অলেখ কল্পনাই খেলা কৰে। এই সুন্দৰ জগতখনৰ মাজৰপৰা আজুৰি উলিয়াই আনিব জানিলে সপোনেই চকুৰ আগত সত্যৰূপে প্ৰতিভাত হয়। হৃদয ৰাজ্যত কই থোৱা আদৰ্শৰ পাৰিজাত পুলি প্ৰেম-নিজৰাৰ পানীৰে সঞ্জীৱিত কৰিব পাৰিলে স্বৰ্গৰ অমিয়া বিচাৰি ঘূৰি ফুৰাৰ প্ৰযোজন নহয। “মৰমেই ধৰম” এই বাণীৰ অন্তৰালত আছে মানৱ জনমৰ সৌভাগ্য, অলৌকিক তৃপ্তি।

কৱিযে জগত সত্য, মানুহ সত্য বুলি গ্ৰহণ কৰি মানৱীয় মৰমৰ মাজত বিচাৰিছিল সৌন্দৰ্য্য আৰু জীৱনৰ মাধুৰী। এটা আদৰ্শবাদে তেওঁৰ মনৰ ওপৰত গোপনে ক্ৰিয়া কৰি আছিল। বাস্তববাদী দৃষ্টিভঙ্গীৰ মাজতো তেওঁৰ কল্পনাৰ চকুৰ আগত প্ৰতিভাত হৈছিল এক অনিৰ্ব্বচনীয় শক্তিৰ

অস্থিৰ আৰু ইয়েই তেওঁৰ অন্তৰত জগাই তুলিছিল বিমল আত্ম সমৰ্পণৰ হেঁপাহ। অজ্ঞেয় এই শক্তিৰ কৃপাতে মানুহো অসীম শক্তিৰ অধিকাৰী। কিন্তু মানুহে এই শক্তিৰ বিকাশ সাধন নকৰে। ইযাৰ ফলত মানুহে নাজানে সুখদুখৰ পাৰ্থক্য। দুখৰ গধুৰ বোজাই মানুহক হেচামাৰি ধৰে। মানুহ বিবুদ্ধিত পৰে। মানুহৰ অন্তৰত মৰম-স্নেহৰ ফল্গু শুকাই যায়। হিংসা, দ্বেষ, শোষণ, নিৰ্য্যাতনৰ তাডনাই মানুহৰ ৰাজহাড ভাঙি পেলায়।

চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিমাৰ মাজেদি যিটো আশাবাদৰ বিশ্বাস পৰিস্ফুট হয সি যেন দহ বছৰ পাছত "বীণবৰাগী" ছপোৱাৰ সময়ত হঠাতে কঁপি উঠিছে। সংসাৰ পৰ্য্যটন কৰি বীণবৰাগীয়ে যিবোৰ দৃশ্য দেখিবলৈ পাইছে সেইবোৰে বৰাগীৰ মনলৈ আনিছে এটা অতৃপ্তিৰ হুমুনিযাহ আৰু বিদ্ৰোহৰ উদ্দীপনা। নৱ-সমাজত মানুহ-মানুহৰ মাজত প্ৰেম-প্ৰীতিৰ অভাৱ, নিছলা দুখীয়া ঘৃণাৰ পাত্ৰ, দুৰ্ব্বলীৰ ওপৰত বলীৰ অত্যাচাৰ, ধন ধনকৈ ধনৰ কাৰণে হোৱা মানুহৰ মত্ততা প্ৰভৃতি এশ এটা ৰূপত মানুহৰ সমাজ-বিৰোধী কাৰ্য্য পৰিস্ফুট হৈছে।

"মানুহৰ তেজ শুহি শুহি খায
মানুহ ৰাক্ষসে চোৱা।"

আগৰৱালাদেৱে কৱিতা লিখা সময়ত ভাৰতীয় জীৱনৰ ওপৰত যান্ত্ৰিক সভ্যতাৰ প্ৰভাৱ কমেই পৰিছিল। তথাপি কৱিৰ ভাৱ-প্ৰৱণ মনে সামাজিক অবিচাৰ আৰু ধৰ্ম্মীয কুসংস্কাৰৰ বিপক্ষে অস্ত্ৰ ধৰিবলৈ সাজু আছিল। "মানুহেই দেৱ মানুহেই সেৱ" বুলি চিঞৰি উঠা কৱিয়ে সমাজৰ মাজত দেখিবলৈ পাইছিল অসাম্য, ভিন ভিন শ্ৰেণী আৰু ভিন ভিন সম্প্ৰদায।

"বীণবৰাগী"ত প্ৰকাশিত কৱিৰ দৃষ্টিভঙ্গী বেছি বাস্তৱ। জীৱনৰ জীযা অভিজ্ঞতাৰ ৰূপদান এই কৱিতাৰ বৈশিষ্ট্য।

মানৱ সমাজ সুখৰ আলয় নহয়। নিপীড়িত, নিষ্পেষিত জনৰ দৃষ্টিত সংসাৰখন দুখৰ পোহাৰ। নি কিন জনৰ দুৰ্দ্দশা, দুৰ্ব্বলীৰ পীড়ন সংসাৰৰ নিৰ্দ্দয় বিধান। বীণবৰাগীয়ে বিচাৰে ইয়াৰ অবসান। সেই বাবে বৰাগীক লাগে শক্তি যাৰ সহায়ত ব্যাধিগ্ৰস্ত সমাজ ভাঙি ছিঙি চুৰমাৰ কৰিবলৈ তেওঁ সক্ষম হয়।

"আঙুলি বুলাব জনাহলে আজি
পেলালোঁহেঁতেন টানি
হিমালয় চূড়া বুৰালোঁহেঁতেন
উছালি কলীয়া পানী।"

—বীণবৰাগী

কিন্তু অকল প্ৰাচীন ব্যৱস্থাৰ অবসান হলেই সমস্যাৰ সমাধান নহয়। সঁচা কথা কৌটিকলীয়া প্ৰথাৰ অধীনত সমাজ গতিশীল হৈ নাথাকে, জৰত্ব প্ৰাপ্ত হয়। স্থবিৰ সমাজত উন্নতি নাই, সমৃদ্ধি নাই। কিন্তু প্ৰাচীন সমাজ ব্যৱস্থা ভাঙি পৰিলেই মানৱ জাতি আগুৱাই যাব এই কথাও সত্য নহয়। গতিকে ধ্বংসৰ পাছত যি সৃষ্টি হব সেই সৃষ্টিৰ স্পষ্ট আভাস দিয়া একৰকম অসম্ভৱ। বীণবৰাগীয়ে ভাবিছে যে মান অপমানৰ ক্লেদ আৰু দুখলাজৰ ভয় ধুই নিকা কৰিলে তাৰ পাছত যিখন নতুন জগতৰ সৃষ্টি হব তাত থাকিব শুচিতা, পবিত্ৰতা। এইখন জগতত বিষাদৰ সুৰৰ হেন্দোলনি শুনি পীড়িতৰ হৃদয় কঁপি নুঠে। এক অনাবিল আনন্দৰ ধ্বনি প্ৰতিধ্বনিয়ে জগত মুখৰিত কৰিব।

বীণ বৰাগী কবিতাটোৰ তৃতীয় খণ্ডৰপৰা শেষলৈকে থকা কবিৰ দৃষ্টি ভঙ্গী ৰহস্যবাদী লেখকৰ দৃষ্টিভঙ্গীৰ সদৃশ। বৰাগীৰ বৈপ্লবিক চেতনা এক আধ্যাত্মিক উপলব্ধিৰ অন্তৰালত যেন লাহে লাহে সোমাই পৰিছে। ভাৰতীয় দাৰ্শনিক চিন্তাধাৰাৰ সোঁতেদি বৰাগীয়ে আগুৱাই গৈ দুখহাৰী, পতিত

পাৱন জগৎস্বামীৰ সান্নিধ্য বিচাৰিছে। মহা প্ৰয়াণৰ যাত্ৰী বীণ বৰাগীৰ চকুৰ আগত প্ৰতিভাত হৈছে মুকলি আকাশ আৰু মুকলি বতাহ। এনে সময়তে তেওঁ লাভ কৰিছে নতুন জ্ঞান। তেওঁৰ মুকলি মনৰ দাপোণত প্ৰতিবিম্বিত হৈছে মানুহৰ মহত্ত্ব আৰু দেৱত্ব। সুখ দুখৰ দ্বন্দ্ব তেওঁৰ মনৰপৰা আঁতৰি গৈছে। যি সুখে প্ৰভুৰ কাষলৈ নিনিয়ে সেই সুখ হিয়াৰ যাতনাৰ কাৰণ মাথোন। অন্তৰ্দৃষ্টিৰ সহায়ত বীণ বৰাগীয়ে বিচাৰিছে আত্মোপলব্ধি। পৃথিৱীক স্বৰ্গলৈ তোলাৰ কাৰণে তেওঁ কাতৰ কণ্ঠেৰে মানুহক আহ্বান জনাইছে। সুষুপ্ত আত্মাৰ সুপ্ত শক্তি জগাই তুলিব পাৰিলে দূৰ দূৰণিৰ সৰগৰ অমিয়া বিচাৰি হাবাথুৰি খাব নালাগে, পৃথিৱীতে সেই অমিয়া লাভ কৰা যায়।

"বীণবৰাগী" কবিতাটো "তেজীমলা"তকৈ পাছত ৰচিত হলেও কলা-কৌশলৰ ফালৰ পৰা তেজীমলাৰ শ্ৰেষ্ঠত্ব অৱশ্যে স্বীকাৰ্য্য। "বীণবৰাগী"ৰ বিভিন্ন খণ্ডবোৰ যেন থাপ থাপ হৈ ৰল আৰু এটা কেন্দ্ৰীয় ভাবৰ যোগসূত্ৰই ভিন ভিন খণ্ড কেইটা সংযোগ কৰিব নোৱাৰিলে। ফলত সুসংগঠ সৃষ্টি হিচাবে কবিতাটিয়ে পাঠকৰ মন আকৰ্ষণ নকৰিলে। লক্ষ্মীনাথ বেজবৰুৱাৰ "বীণবৰাগী" কবিতাতো প্ৰায় একে ধৰণৰে কৌশল অৱলম্বন কৰা হৈছে কিন্তু বেজবৰুৱাৰ কবিতাটো চুটি হোৱাৰ কাৰণে আৰু কবিৰ মনত দেশাত্মবোধৰ আদৰ্শ উজলি থকাৰ হেতুকে আগৰৱালাৰ কবিতাৰ দৰে এইটো বিক্ষিপ্ত হৈ পৰা নাই। অৱশ্যে শিথিল গাঠনিৰ হলেও আগৰৱালাৰ "বীণবৰাগী" কবিতাৰ মানবীয় আবেদন গভীৰ। বেজবৰুৱাৰ কবিতাত পৰিস্ফুট হৈছে দেশাত্ম-বোধৰ চৈতন্য আৰু আশাবাদৰ জেউতি। আগৰৱালাৰ বৰাগীয়ে বহল মানৱ-সমাজলৈ চকু দি দেখিবলৈ পাইছে মানুহ মানুহৰ মাজত থকা বৈষম্য আৰু অবিচাৰ। এনে এখন সমাজৰ ধ্বংস সাধন কৰি তাৰ ঠাইত নতুন সমাজ

গদ্যৰ কল্পনা বৰাগীৰ তত্ত্ব-জ্ঞান লাভৰ আদৰ্শেৰে অনুৰঞ্জিত। শ্বেলীৰ প্ৰমিথিউজৰ দৰে বৰাগীয়েও বিচাৰে এনে এখন সমাজ য'ত মানুহৰ স্বাধীনতা খৰ্ব্ব নহব, মানুহে মানুহৰ মূল্য বুজিব আৰু অন্তৰ্দৃষ্টিৰ সহায়ত বিশ্ব জগতৰ মাজত বিচাৰি পাব মানৱ প্ৰীতি। শ্বেলীয়ে "এডনিজ"ত পোৱাৰ দৰে বীণ বৰাগীয়েও জগতৰ ৰহস্যৰ মাজত বিচাৰি পাইছে এক ঐশী শক্তি। মানুহ এই শক্তিৰেই ৰূপান্তৰ মাথোন। কিন্তু কবি আগৰৱালাই এটা সৰু কবিতাৰ যোগেদি সমাজ সংস্কাৰৰ আদৰ্শ দাঙি ধৰাৰ উপৰিও জাগতিক ৰহস্যৰ সন্ধান ব্ৰতী হোৱাৰ ফলত সংস্কাৰকৰ ভাবাদৰ্শ ব্যঞ্জিত হ'ল সঁচা কিন্তু তত্ত্বজ্ঞানৰ বস্তি অনুজ্জ্বল হৈয়েই ৰ'ল। তথাপি ক্ষীণ জেউতিৰ পোহৰতে বৰাগীয়ে সংস্কাৰৰ সত্যতা উপলব্ধি কৰিলে।

"আনন্দ তীৰ্থ" "বীণ বৰাগী"ৰ গাতে লাগি থকা এটা সৰু কবিতা। বীণবৰাগীৰ মাজত থকা বিক্ষিপ্ততালৈ লক্ষ্য কৰিলে এই কবিতাটি "বীণবৰাগী"ৰ শেষ অংশ হোৱাই উচিত আছিল। মহাপ্ৰয়াণৰ যাত্ৰীৰ অসীমৰ উদ্দেশ্যে আৰম্ভ কৰা যাত্ৰাৰ পৰিণতিৰ ইঙ্গিত এই কবিতাটোৰ মাজত আছে। তীৰ্থৰ দেৱতা প্ৰভু জগন্নাথৰ ওচৰলৈ আগবাঢ়ি যোৱাৰ সময়ত মৃত্যুৰ ৰোমাঞ্চকৰ আতঙ্ক নাই কিন্তু আছে আনন্দৰ পৰিবেশ, উৎসাহ উদ্দীপনাৰ উথল মাথল।

চন্দ্ৰকুমাৰ আগৰৱালাক আশাবাদী বুলি অভিহিত কৰা হয়। তেওঁ অৱশ্যে নিৰাশবাদী নহয়। আত্ম-শক্তিয়ে স্বীকৃতি লাভ কৰা কবিসকলৰ মনত থকা নিৰাশাৰ ঘন কুঁৱলি বিশ্বাসৰ ধুমুহাৰ আগত উৰি যায়। এই ফালৰপৰা চালে তেওঁ আশাবাদী। মানুহ-মানুহৰ মাজত সম্প্ৰীতিৰ অভাৱৰ কাৰণে তেওঁ দুখ কৰিছে অথচ এই অভাৱৰ মাজতেই মানৱ-জীৱনৰ সমাপ্তি বুলি তেওঁ খেদ কৰা নাই। তথাপি

ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ দৰে আৰু আনকি তেওঁৰে সমসাময়িক লেখক বেজবৰুৱাৰ দৰে তেওঁৰ আশাবাদ বলিষ্ঠ নহয়। জীৱনৰ পৰাজয়ৰ মাজতো জয়মাল্য বিচৰাৰ প্ৰচেষ্টা ব্ৰাউনিঙৰ বিশেষত্ব। ব্ৰাউনিঙৰ জন নেতাই (The Patriot) যি বলিষ্ঠ আশাবাদ লৈ মৃত্যুৰ সন্মুখীন হৈছে আগৰৱালাৰ বীণবৰাগীৰ অন্তৰত তেনে বিশ্বাসৰ দৃঢ়তা নাই। আনকি বেজবৰুৱাৰ দৰে "ওখ কৰা আশা, নিৰাশা কৰ্ম্মনাশা" বুলিও তেওঁ দৃঢ়ভাৱে কতো কোৱা নাই। আশাবাদৰ ক্ষেত্ৰত বেজবৰুৱাৰ দৃষ্টিভঙ্গী ইতিবাচক হলে আগৰৱালাৰ ভঙ্গী কিছু পৰিমাণে নেতিবাচক।

অসমীযা সাহিত্য আৰু চন্দ্ৰকুমাৰ আগৰৱালা

—যজ্ঞেশ্বৰ শৰ্ম্মা

প্ৰত্যেক সাহিত্যকৰ্ম্মৰে দুটা মূল্য আছে—এটা ঐতিহাসিক আৰু এটা ইতিহাস নিৰপেক্ষ বা প্ৰকৃত (absolute)। সাহিত্যৰ বুৰঞ্জী অধ্যযন কৰিলে দেখি, সাহিত্যৰ এটা গতি আছে, আৰু গতিৰ লগে লগে যুগে যুগে তাৰ পৰিবৰ্ত্তন আছে। এই পৰিবৰ্ত্তন শিল্প আৰু মন, প্ৰকাশভঙ্গী আৰু বিষযবস্তু দুয়োটাৰে। বিষয-বস্তু আৰু দৃষ্টিভঙ্গীৰ সলনি হোৱাৰ লগে লগে প্ৰকাশৰ ভঙ্গীও বেলেগ হৈ যায়। সাহিত্যৰ এই গতি আৰু সলনিকে সাহিত্যৰ বুৰঞ্জীযে দাঙি ধৰে। দেশকালৰ বিস্তৃত ব্যৱধান থাকিলেও সাহিত্য কৰ্ম্মক নিৰীক্ষণ কৰিবৰ উপায আছে, —জ্যোতিষীযে মান—মন্দিৰত থিয় হৈ মহাকাশৰ দূৰবৰ্ত্তী গ্ৰহ-নক্ষত্ৰৰ গতিবিধি নিৰ্ণয় কৰাৰ দৰে।

কোনো সাহিত্যৰ সকলো সাহিত্যকৰ্ম্মই অনবদ্যতাৰ দাবী কৰিব নোৱাৰে। সহস্ৰ কোটি শিলগুটিৰ মাজতহে কেতিযাবা এটা শালগ্ৰাম শিল পোৱা হয। সাহিত্য জগতৰ সকলো সৃষ্টিয়েই সমান গুণৰ অধিকাৰী নহয়। বুৰঞ্জীমূলক অধ্যয়নৰ কাৰণে সকলো ৰচনাৰে মূল্য আছে আৰু তুলনাৰ দ্বাৰাই হে উৎকৰ্ষ অপকৰ্ষৰ জ্ঞান হয়। এই বিচাৰ কাৰ্য্য অতি সহজো নহয, কিয়নো এইখিনি কৰোঁতে জাতীয় জীৱনৰ সৰ্ব্বাঙ্গীন বুৰঞ্জী আৰু বেলেগ বেলেগ প্ৰভাৱৰ বিচাৰ কৰিব লগা হয—যদিও একমাত্ৰ এনে অনুসন্ধানে সাহিত্যৰ

আত্মা-বস্তু ধৰা পেলাব নোৱাৰে। এজোপা গছে ওপৰৰ তাপ আৰু পোহৰ গ্ৰহণ কৰাৰ বাহিৰেও মাটিৰ তলত অদৃশ্য হৈ থকা অসংখ্য শিপাৰ সহায়ত বিভিন্ন দিশৰপৰা ৰস শুহি লৈ নিজৰ পুষ্টি সাধন কৰে।

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ অধ্যয়নৰ কাৰণেও এনে নীতিকেই অৱলম্বন কৰিব লাগিব। অসমীয়া সাহিত্যৰো কেইবাশতাব্দী ব্যাপি থকা দীঘলীয়া ঐতিহ্য আছে। ইয়াৰ বেলেগ বেলেগ স্তৰত বিচিত্ৰচিন্তাৰ ধাৰা আৰু সেই চিন্তাসমূহৰ উপযোগী বাহন দেখা যায়। জাতিৰ চিন্তা আৰু সাধনা বাণীৰ যোগেদি মূৰ্ত্ত হৈ থাকে। বাঙময় প্ৰবাহৰ এই বিচিত্ৰ ঋজু-কুটিল গতিৰ ভঙ্গিমা উপলব্ধি কৰা সাহিত্যশিক্ষাৰ এটা উদ্দেশ্য। চৰ্য্যাগীতৰ যুগৰপৰা গান্ধীৰ যুগলৈকে কাব্যসাহিত্যৰ এটি স্তিমিত প্ৰবাহ দেখা যায়। কেতিয়াবা কোনো বিশেষ কাল খণ্ডত বাৰিষাৰ নৈৰ দৰে পাৰ ভাঙ্গিছে—সৰহভাগসময়ত খৰালিৰ হাডলী সোঁতৰদৰে 'ক্বচিৎ ছিন্না, ক্বচিৎ ভিন্না'। এই কাব্যসাহিত্যৰ মাজেদি কেতিয়াবা বৌদ্ধ সহজীয়া সাধনাৰ কথা, আৰু কেতিয়াবা একান্তভকতৰ নিগুণ কৃষ্ণৰ গুণৰ মহিমা আৰু শৰণাগতৰ কাকুতি, কেতিয়াবা দেহজ প্ৰেমৰ ৰজো-গুণীয়া নিবেদন, আৰু কেতিয়াবা অতীন্দ্ৰিয় জগতৰ সোঁৱৰণ। কোনো ঠাইত যুদ্ধক্ষেত্ৰৰ বীৰৰসাত্মক বৰ্ণনা, কোনোঠাইত পাৰিবাৰিক জীৱনৰ আলোচনা, কৰবাত আকৌ হাস্য-ব্যঙ্গ ৰসৰ অৱতাৰণা।

প্ৰায় আঠৈকুৰি বছৰৰ আগতে * 'চেতনা'ৰ প্ৰথম বছৰতে ওলোৱা ডক্তৰ কাকতীৰ পুৰণি অসমীয়া সাহিত্য বিষয়ক এটা প্ৰবন্ধত অতি সাৰুৱা মন্তব্য কৰিছিল। তেওঁ কৈছিল যে পুৰণি অসমীয়া সাহিত্যৰ প্ৰায় গোটেইখিনিয়েই শিক্ষামূলক (didactic)। তেখেতৰ কথাৰ লগত আৰু এটা কথা যোগ দিব পাৰি যে এই সাহিত্যৰ সৰহভাগেই দেৱবাদ-নিৰ্ভৰ বা

* অম্বিকাগিৰি ৰায়চৌধাৰী সম্পাদিত।

দেৱাশ্ৰয়ী। ইয়াৰ উদ্দেশ্য সৌন্দৰ্য্যসৃষ্টি নহয়—সৌন্দৰ্য্য উপলক্ষ্যহে। এই সাহিত্যৰ প্ৰায় সকলোখিনিয়েই ধৰ্মীয় মতবাদৰ ওপৰত প্ৰতিষ্ঠিত। ধৰ্ম্ম-সম্প্ৰদায়ৰ লগত সম্পৰ্ক নথকা সাহিত্য অন্ত্যজ আৰু অপাংক্তেয়। ধৰ্ম্মৰ লগত সম্পৰ্কবিহীন সাহিত্যক সেই যুগৰ ৰুচিপৰায়ণ ভক্ত সাহিত্যিক-সকলে 'গলত চেপি ধৰি' নামঘৰৰপৰা বাজ কৰিছিল; তথাপি সি নমৰি গছতল, লুইতৰপাৰ, ধাননিপথাৰ আৰু ম'হৰ পিঠিত ভয়-সঙ্কোচেৰে জীৱনটো ৰক্ষা কৰি আছিল।

যোৱা শতাব্দীত আৰম্ভ হোৱা ইংৰাজশাসনলৈকে অসমত মধ্যযুগ বুলি কব পাৰি। মধ্যযুগত সাহিত্য ধৰ্ম্ম-নিৰ্ভৰ আৰু দেৱতাশ্ৰয়ী, এই কথা পূৰ্ব্বতে কোৱা হৈছে। ইয়াত পৃথিৱী আৰু মানুহৰ প্ৰাধান্য নাই, মানুহৰ আকাঙ্ক্ষা দেৱতাৰ সাযুজ্য বা সাৰূপ্য লাভ কৰা। মানুহ জীৱনটো এক অজ্ঞাত লোকৰ কাৰণে প্ৰস্তুতি, আৰু পৃথিৱী এই প্ৰস্তুতিৰ ক্ষেত্ৰ। ঐহিক জীৱনক অতি সামান্য গুৰুত্বহে দিয়া হৈছে এই সাহিত্যত।

পাশ্চাত্য জগতৰ সংস্পৰ্শত এই মধ্যযুগীয় দৃষ্টিভঙ্গীৰ সলনি হৈ আহিল। যুৰোপত যি জাগৃতি বা ৰেনেছাঁ প্ৰায় পঞ্চদশ শতাব্দীত আৰম্ভ হৈছিল, আমাৰ ইয়াত যোৱা শতাব্দীৰ প্ৰায় মাজ ভাগত হে আৰম্ভ হৈছে। পৃথিৱী-প্ৰধান আৰু মানৱমুখা এই ভাবধাৰা প্ৰাচ্য আৰু পাশ্চাত্য দুয়ো জগততেই নৱজাগৃতিৰ (ৰেনেছা) ফল যদিও, এই নৱজাগৃতিয়ে জগতৰ দুয়ো প্ৰান্ততে বেলেগ বেলেগ ৰূপত প্ৰকাশ পাইছে। এইবোৰ বহলাই কবলৈ গলে বহুত কথা। নৱজাগৃতিৰ ফলত ধৰ্ম্ম আৰু ঈশ্বৰ যে একেবাৰে বাদ পৰি গৈছে এনে নহয়, ধৰ্ম্মৰ সংকীৰ্ণতা বহুত পৰিমাণে কমিছে। মানুহৰ মনে বহুত বাধা-নিষেধ আৰু সংস্কাৰৰ পৰা মুকলি হৈ সদায় গছকি থকা এই পৃথিৱী আৰু তাৰ অধিবাসী মানুহৰ প্ৰতি নতুন ধাৰণা পোষণ কৰিবলৈ লৈছে।

হিউমেনিজম্ বা মানবিকবাদ এই চিন্তাৰে এটা ফাল। এই মানবিকবাদৰ ধাৰা ক্ষীণ ভাবে হলেও অতি প্ৰাচীন কালৰপৰাই প্ৰবাহিত হৈ আহিছে। গ্ৰীকসকলৰ Man is the measure of things, মহাভাৰতৰ "ন মানুষ্যাৎ শ্ৰেষ্ঠতৰং হি কিঞ্চিৎ" আদি বাণীযে মানবিকবাদ স্পষ্টকৈ ঘোষণা কৰিছে। কিছুকাল ধৰি এই উদাৰ ভাৱবোৰ ধৰ্ম্মীয় শাসনত চেপা খাই আছিল। যুৰোপৰ নৱজাগৃতিৰ সময়ৰ পৰা মানুহৰ প্ৰাধান্য ক্ৰমে শক্তিশালী হৈ উঠিল। উনবিংশ শতিকাৰ প্ৰথম ভাগৰ পৰাই বিজ্ঞানৰ অগ্ৰগতিৰ ফলত বাহ্যিক জীৱন আৰু মানসিক জীৱনৰ অভাৱনীয় পৰিবৰ্ত্তন আৰম্ভ হল। বেনথাম, মিল, কোঁটে আদি দাৰ্শনিকসকলৰ জীৱন দৰ্শনো এই পৰিবৰ্ত্তনৰ পৰাই উদ্ভৱ হয়। উপযোগবাদ (Utilitarianism), প্ৰত্যক্ষবাদ বা ইতিবাদ (Pasitivism) আদি দৰ্শনত যুক্তি আৰু বাস্তৱসত্যই বিশেষ আসন পোৱা দেখা যায়। ডাৰৱিন, হাৰ্ব্বাট স্পেনছাৰ, হাক্স্লী আদিৰ বৈজ্ঞানিক চিন্তাধাৰাই সেই কালৰ সমাজমন প্ৰায় ছাটি ধৰে, তাৰ ধ্বনি প্ৰতিধ্বনি সাহিত্যতো স্পষ্টকৈ ধৰিব পাৰি। ফৰাছী দাৰ্শনিক কঁটে আৰু তেওঁৰ পজিটিভিজম্ মতবাদে মানবিকবাদক এটা নতুন ৰূপ দিলে। কঁটেই সিংহাসনৰপৰা ঈশ্বৰক নমাই তাত মানুহক প্ৰতিষ্ঠা কৰিলে আৰু তাতেই সন্তুষ্ট নাথাকি আনুষ্ঠানিকভাৱে মানৱপূজাৰ বিধি-ব্যৱস্থাও ৰচনা কৰিলে। এই অভিনৱ মানৱধৰ্ম্ম প্ৰচলিত ধৰ্ম্মবিলাকৰদৰেই আচাৰ অনুষ্ঠানযুক্ত এটা ধৰ্ম্ম হৈ উঠিল। অলপ দিনৰকাৰণে পশ্চিম যুৰোপত তেওঁৰ বিশেষ প্ৰভাৱ হৈছিল, কিন্তু ক্ৰমে তাৰ জনপ্ৰিযতা হ্ৰাস হবলৈ ধৰিলে।

এই প্ৰসঙ্গত লক্ষ্য কৰিবলগীয়া কথা এইটোহে, নতুনকৈ পাশ্চাত্য জগতৰ প্ৰভাৱত অভিভূত হোৱা বঙ্গদেশত এই মতবাদৰ ভক্তৰ সংখ্যা আচৰিত ৰকমে বাঢ়িছিল। বঙ্কিম চট্টোপাধ্যায, ভূদেব মুখোপাধ্যায প্ৰভৃতি লেখত

নৱলগীয়া সাহিত্যিকসকলৰ ৰচনাত কোঁটেৰ প্ৰভাৱ স্পষ্ট। এই সম্বন্ধে এটা কথা শিক্ষিত সমাজত প্ৰচলিত হৈছিল যে There are more Comtists in Bengal than in France ৰবীন্দ্ৰনাথৰ অনেক কৱিতাত এই মতবাদ সোমাই আছে আৰু তেওঁৰ মানৱধৰ্ম্মৰ আদৰ্শও কঁটেৰ প্ৰভাৱৰপৰা মুক্ত নহয়।

চিন্তাজগতৰ এই পটভূমিত ৰাখি আধুনিক ভাৰতীয় তথা অসমীয়া সাহিত্যক নিৰীক্ষণ কৰিলেহে ইয়াৰ প্ৰকৃত ৰূপটো ধৰা পৰিব। বৃটিছ শাসকসকলে প্ৰৱৰ্ত্তন কৰা নতুন পাশ্চাত্যশিক্ষাৰ ফলস্বৰূপে সমগ্ৰ ভাৰতত যি সামাজিক আৰু মানসিক পৰিৱৰ্ত্তন ঘটিছিল, সেইবোৰৰ ঢৌৱে অসমীয়া মানুহ আৰু অসমীয়া সাহিত্যকো ভালকৈয়ে স্পৰ্শ কৰিছে।

আগতে উল্লেখ কৰি অহা হৈছে যে মধ্যযুগৰ সাহিত্য কৃষ্ণ-বিষ্ণু শিৱ বা আনকোনো দেৱতাক অৱলম্বন কৰি ৰচনা কৰা হৈছিল। পৃথিৱী আৰু মানুহৰ ঠাই এই সাহিত্যত গৌণ আছিল। পৃথিবী আৰু মানুহৰ এই জনম বৈকুণ্ঠ বা স্বৰ্গৰ কাৰণে এটা প্ৰস্তুতিৰ ক্ষেত্ৰ। পাৰ্থিৱ সম্পদ, নাৰীৰ প্ৰেম, আৰু সৌন্দৰ্য্য এই বিলাকৰ প্ৰতি যি আকৰ্ষণ, সি ভয় সঙ্কোচ বৈৰাগ্যমিশ্ৰিত।

ক্ষণিক সংসাৰ বিলম্বত কাৰ্য্য নাই।
চিন্তামণি জন্ম হেৰা হাততে হৰাই॥
নাহিকে চেতন কাল-অজগৰে গিলে।
ধনজন জীৱন যাইবেক একতিলে॥
বিষয়ত সুখ একতিলে কৰি চুৰ।
যমৰ কিঙ্কৰে ধৰি নিবে যমপুৰ॥

আকৌ,—যি লক্ষ্মীত আশা কৰি সদায়ে আকুল মন
তেহো মহা চঞ্চল সৰ্ব্বথা।
বিষয়ত যত সুখ অন্তত সমস্তে দুখ
তাক যত্ন কৰি মৰা বৃথা॥

যতেক আছয়লোক সবাৰো আগত শোক
দুখময় সকলে সংসাৰ।
যতেক সুন্দৰী নাৰী পৰম অনৰ্থকাৰী
আতপৰে নাহিকে নিকাৰ॥

* * *

ইটো নৰতনু নেনা আগেকালে
বিষয় মিছা জঞ্জালে।
যেন বিষ-লতা চয় ফলে ফুলে
আছে জকমক কৰি।
প্ৰথমে সুন্দৰ দেখন্তে পাছত
পৰশিলে যায় মৰি॥

* * *

ওপৰৰ উদ্ধৃতিবিলাকৰ পৰাই মধ্যযুগৰ কৱিসকলৰ জীৱনদৰ্শনৰ আভাস পাব পাৰি।

অসমীয়া সাহিত্যৰ আধুনিক যুগ উনবিংশ শতাব্দীৰ শেষৰ ফালে অসমীয়া সাহিত্যত যি নতুন পৰিবৰ্ত্তনে দেখা দিলে বেজবৰুৱা, চন্দ্ৰকুমাৰ আৰু হেম গোসাঁই, ৰত্নেশ্বৰ মহন্ত এই সকল ইযাৰ আগৰণুৱা আছিল। পৃথিৱীৰ বিচিত্ৰ শোভা, নৰনাৰীৰ শাৰীৰিক সৌন্দৰ্য্য, মানুহ হিচাবে মানুহৰ গৌৰৱ, সাম্প্ৰদাযিক ধৰ্ম্মৰ পৰা বিমুক্তি এইবোৰ—এই নতুন সাহিত্যৰ বিষয়।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কৱিকৰ্ম্মৰ ফল জোখত সৰু হলেও ইয়াৰ মাজেদি নতুন যুগৰ এই ভাৱবোৰ প্ৰকাশ পাইছে। বেজবৰুৱা ডাঙৰীযাই কৈছিল, 'প্ৰতিমাখনি সৰু, কিন্তু ই নিভাঁজ সোণৰ'। সোণৰ যে হবই লাগিব, তাৰ কোনো অৰ্থ নাই। থাপনাৰ আগত সজাই থোৱা পিতলৰ শৰাই আৰু ভিতৰত চাউল ভৰাই বন্তি জ্বলাই লৈ যোৱা ছুনৰী—এই দুয়োটাৰে সৌন্দৰ্য্য সকলোৰে বুজে। অকল

কাঞ্চন—কৌলীন্যই কৌলীন্য নহয়। বেজবৰুৱা ডাঙৰীয়াই নিভাজ সোণ কথাষাৰ বহুকালস্থায়ী অৰ্থত যদি ব্যৱহাৰ কৰিছিল, তেন্তে সেই কথা ভাবিবলগীয়া। আগৰৱালাৰ কৱিতাৰ মাজৰ দুইচাৰি পংক্তি বা শ্লোক দীৰ্ঘকালৰ কাৰণে জীয়াই থাকিব পাৰে। সেইটো সময়েহে নিৰ্দ্ধাৰণ কৰিব। জগতৰ শ্ৰেষ্ঠ কৱিসকলৰ সকলো বাঙময় প্ৰচেষ্টাও স্থায়ী হৈ মানুহৰ গৌৰৱণত নাথাকে। কাব্যৰ এনে স্থায়িত্ব নিৰ্ভৰ কৰে ভাৱব্যঞ্জকতা, শ্ৰুতিমধুৰতা, বিশ্বজনিনতা আদি অনেক গুণৰ সমষ্টিৰ ওপৰত। এনে গুণৰ সমাবেশ সকলো কৱিৰ ভাগ্যত নঘটে, তেনে গুণসম্পন্ন ৰচনা মহাসমুদ্ৰৰ পানীৰ মাজত সিচৰতি হৈ থকা দুটি এটি উজ্জ্বল বিন্দুৰ দৰে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যৰ বিচাৰ কৰোতে তেওঁক আধুনিক অসমীয়া কৱিতাৰ অগ্ৰণী হিচাবে ধৰিব লাগিব। বৈষ্ণৱ সাহিত্যত নাৰীৰ ৰূপৰ বৰ্ণনা আছে, কিন্তু সেই বৰ্ণনাৰ লক্ষ্য স্তুতি বা বন্দনা নহয়, নিন্দাহে। আগৰৱালাৰ 'মাধুৰী'ৰ ৰূপ বৰ্ণনা বৈষ্ণৱ কৱিসকলৰ বৰ্ণনাৰ দৰে বিস্তৃত নহয়, সংযত। ইয়াত নাৰী সৌন্দৰ্য্যক আপোন মহিমাত প্ৰতিষ্ঠিত কৰিছে। এই কৱিতাত ব্যৱহাৰ কৰা কালিদাসৰ দুটি শব্দই গোটেই বৰ্ণনাৰ ওপৰতে এটি গাম্ভীৰ্য্যৰ পোহৰ পেলাইছে। ইযাতে উল্লেখ কৰিব পাৰি যে সমসাময়িক ৺হেমচন্দ্ৰ গোস্বামীৰ প্ৰিযতমাৰ চিঠিত প্ৰিযতমাৰ কাউৰী-ঠেঙীয়া আখৰ কেইটা গুৰুঘৰীযা নিৰ্ম্মালিতকৈয়ো অধিক আদৰৰ বস্তু।

পাশ্চাত্যজগতৰ পৰা বিয়পি অহা সাম্যবাদ, পীড়িত আৰু দৰিদ্ৰৰ প্ৰতি সহানুভূতি, দাম্ভিক অত্যাচাৰীৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা এই খিনিও আগৰৱালাৰ কাব্যৰ আন কিছুমান বিশেষত্ব। প্ৰতিমাৰ দুই এটা কৱিতাত আৰু বীণ-বৰাগীৰ প্ৰায় সকলো ঠাইতে এইবোৰ স্পষ্ট। পাঠকসকলৰ অতি প্ৰিয় 'আঙুলি বুলাব জনাহলে আজি' আদি বিদ্ৰোহ

সূচক উক্তিখিনি অতিশয়োক্তি অলঙ্কাৰ বুলিহে ধৰিব লাগে। আগৰৱালাৰ বিদ্ৰোহ সাত্বিক আৰু ভকতীয়া বিদ্ৰোহ। পৰবৰ্ত্তীকালৰ বঙালী কবি নজৰুল ইছলামৰ দৰে কবিৰ দৃষ্টিভঙ্গীৰ পৰা ই সম্পূৰ্ণ পৃথক।

পৃথিৱীয়েই মানুহৰ নিজাপি ঘৰ আৰু মানুহেই দেৱতা, পৰাৎপৰ—মানুহে পাদ্য অৰ্ঘ্য পাবৰ যোগ্য—এই কঁটে-দৰ্শনৰ ভাৱবোৰো তেওঁৰ কেইবাটাও কবিতাত ব্যক্ত হৈছে। মানুহৰ প্ৰতি মানুহৰ অমানুষিকতাও তেওঁৰ বেজাৰৰ এটা কাৰণ। বহুত দূৰত থকা স্বৰ্গলৈ আকাঙ্ক্ষা নকৰি পৃথিৱীকে স্বৰ্গ-ৰাজ্যত পৰিণত কৰিব লাগে, এইটোও তেওঁৰ বিশেষ বাণী। এইবোৰ কথা অলপ প্ৰচাৰগন্ধীহলেও বিষয় বস্তুৰ গৌৰৱতেই কাব্যৰ দুৱাৰডলিত ভৰি দিছে।

চন্দ্ৰকুমাৰৰ কবিতাত আন মানসিক ভোজ্যও আছে। অকল পাশ্চাত্য চিন্তাৰেই নহয়, ভাৰতীয় চিন্তাৰো বাহন হৈছে। উদাহৰণস্বৰূপে বিশ্বভাৱৰীয়া বোলা কবিতাটোত ভাৰতীয় দৰ্শনৰ মৰ্ম্মকথা প্ৰকাশ কৰিছে। মানুহ নিজেই অণোৰনীয়ান্ মহতো মহীয়ান্, নিজেই গ'বষণা আৰু গবেষক, কৰ্ম্ম আৰু কৰ্ত্তা, নাম ৰূপৰ অতীত নিৰঞ্জন। * মায়া বোলা কবিতাত সাংখ্যৰ পঞ্চতন্মাত্ৰৰ কথা সুন্দৰীৰ ৰূপ লাৱণ্যৰ সহায়েৰে বৰ্ণাইছে।

লোকগীতিৰ মাতকথা আৰু সুৰৰ লগত আধুনিক কবিতাৰ সম্বন্ধ ঘটোৱা বিষয়ত আগৰৱালাই বাটকটীয়া। তাৰ পাছতেই বেজবৰুৱাই এই ফালে হাত দিযে। পৰৱৰ্ত্তীকালৰ কাব্যত লোকগীতিৰ প্ৰভাৱৰ ইয়াতেই আৰম্ভ। অসমৰ গাঁৱলীয়া দৃশ্য—ফুলাসৰিযহডৰা, তামোল লেটেকু-বাঁহগছেৰে ভৰা এৰাবাৰী, চাপৰি বজাই থকা যখিনীছোৱালী আগৰৱালাৰ কবিতাত প্ৰথমে দেখা পাওঁ। এই স্থানীয় ছবিবোৰ বেজবৰুৱা, ৰত্নেশ্বৰ মহন্ত, দুৰ্গেশ্বৰ শৰ্ম্মাৰ কবিতাতো দেখা যায়।

---

* 'জোনাকী' চাওক।

আগৰৱালাৰ কবিতাৰ ভাষা আৰু ছন্দ সৰল, আড়ম্বৰহীন আৰু সমাহিত। ইয়াৰ সঙ্গীতময় ভাষাৰ উন্মাদনা নাই। প্ৰকৃতি, মানৱৰবন্দনা, নীয়ঁৰ, তেজীমলা আৰু বীণবৰাগীৰ বিষাদৰ ছাটপৰা চিন্তাশীল লিৰিকৰ স্পন্দন আছে। অনেক ঠাইত ভাবৰ হেঁচাত ভাষা ছন্দ গদ্যগন্ধী হৈ পৰিছে। গুকুলী হাঁতীত উঠি গোসাঁয়ে দেখিলো। এন্ধাৰত দিলেহি পোহৰ মেলি -- এই কবিতাত সাধুকথা, পুৰাণ আদিৰ চিত্ৰকল্পৰ সমাবেশ হৈছে আৰু প্ৰতীকৰ সহায়ত আন্ধাৰ পোহৰৰ চিৰকলীয়া ৰণৰ বুজিবনোৱাৰা ৰণৰ ইঙ্গিত দিছে।

কাব্যত যাইকৈ তিনিটা উপাদান মানুহে বিচাৰে, সঙ্গীত, চিত্ৰ আৰু চিন্তা। সৰহভাগ কাব্যতে এই তিনিওটা বস্তু একেলগে পাবলৈ আশা কৰিব নোৱাৰি। আগৰৱালাৰ কবিতাতো চিন্তাৰ খোৰাক সৰহ, সঙ্গীত আৰু চিত্ৰ তাকৰ।

কোনো কোনো সমালোচক পণ্ডিতে প্ৰথম আধুনিক অসমীয়া কবিসকলক ৰ'মান্টিক বা নৱন্যাসৰ কবি বুলি আখ্যা দিয়ে। তেনে এটা আচহুৱা লেবেল মাৰি দিয়াটো মই অলপধতুৱা মনৰ প্ৰবৃত্তি বুলি ভাবো। ৰ'মান্টিক কথাটো বেলেগ দেশৰ বেলেগ কালৰ পৰিবেশত সৃষ্টি হৈছিল। অৱশ্যে ৰ'মান্টিক যদি কাব্যৰ এটা বিশেষ স্বভাৱ বুলি ধৰাযায় তেন্তে ইয়াক বেলেগ নাম দিবও পাৰি।

আগৰৱালাক'ক্লাচিকেল' কবি বুলিবৰহে মন যায়। তেওঁৰ কবিতাত ক্ষোভ নিৰাশা নাই। তেওঁ আশাবাদী, আদৰ্শবাদী। ৰাক্ষসীৰ মাজতো তেওঁ সৰমাৰ দৈৱীগুণ আবিষ্কাৰ কৰিছে। তেওঁৰ প্ৰকাশভঙ্গীও সম্পূৰ্ণ সৰল, সাত্বিক, ঋজু। চন্দ্ৰকুমাৰ অসমীয়া বৈষ্ণৱ সাহিত্য প্ৰচাৰক হৰিবিলাস গুপ্তৰ আত্মজ। কঁটেৰ প্ৰত্যক্ষ বা পৰোক্ষ অনুগামী হৈয়ো তেওঁ হঠাতে কৈ উঠিছে—

তুখদূৰ কৰি জগৎ উদ্ধাৰ
কৰাহে জগৎ স্বামী।

* * *

প্ৰভুৰ কাষলৈ নিনিয়ে যি সুখে
হিয়াৰ যাতনা মাথো।

জড়জগতৰ চেতনা নিয়ন্তা
ৰথৰ সাৰথি তুমি।

চন্দ্ৰকুমাৰৰ কৱিতাই পাশ্চাত্য দাৰ্শনিক ভাব প্ৰাচীন ভাৰতীয় চিন্তা, অসমীয়া লোকগীতিৰ ভাৱ-ভঙ্গী এই সকলোবোৰ সামৰি লৈ, আধুনিক অসমীয়া কাব্যৰ দীঘলীয়া শাৰীৰ আগতে ঠাই লৈছে। তেওঁ কোনো ধৰ্ম্ম সম্প্ৰদায়ৰ মুখপাত্ৰ নহয়। পৃথিৱীখনৰ প্ৰতি শ্ৰদ্ধা আৰু পৃথিৱীৰ মানুহৰ আশা আদৰ্শ তেওঁৰ কাব্যৰ মাজেদি প্ৰকাশ পাইছে। তেওঁৰ কাব্যৰ সৰহখিনি কিছুকালৰ মূৰত মানুহে পাহৰি যাব, সাহিত্যৰ বুৰঞ্জীৰ গবেষক আৰু শিক্ষকে আগৰৱালাৰ পুৰণি সংস্কৰণ বিচাৰি হাবাথুৰি খাব লাগিব। গৌৰৱৰ কথা এই—আধুনিক যুগৰ আৰম্ভতে বিশ্বমানৱৰ আশা আকাঙ্ক্ষাৰ সুৰ দিওঁতা সহস্ৰ কৱিকণ্ঠৰ লগতে আচহুৱা অসমীয়া কণ্ঠও মিহলাই আগৰৱালা কৱিয়ে অসমীয়া জাতিৰ প্ৰতিনিধিত্ব কৰিছে।

চন্দ্ৰকুমাৰৰ কৱিতাৰ অন্তৰালত

—অতুলচন্দ্ৰ বৰুৱা

কৱিতা আৰু ব্যৱসায় দুয়োৰো সম্বন্ধ দেখাত ছাগ আৰু বাঘৰ সম্বন্ধৰ দৰে। ছাগ আৰু বাঘৰ সহাৱস্থান আৰু হলিগলি গতি চাৰ্কাছত মাত্ৰ দেখিবলৈ পোৱা যায়। অসম্ভৱক সম্ভৱ কৰি দেখুৱা বাবেই চাৰ্কাছৰ ছাগ-বাঘৰ খেলাই দৰ্শকক আকৰ্ষণ কৰে। কৱিতা আৰু ব্যৱসায়ৰ এই দুয়োটা বিপৰীত ধৰণৰ বিষ্যাৰো মিলন ঘটিছিল চন্দ্ৰকুমাৰ আগৰৱালাৰ হাতত। তেওঁৰ কৱিতা সেইবাবে পাঠকৰ কাৰণে আদৰ আৰু আকৰ্ষণৰ বস্তু। লক্ষ্মী আৰু সৰস্বতী এই দুয়ো গৰাকী দেৱীৰ কৃপা একেজনলোকৰ ওপৰত কাচিৎ কেতিয়াবাহে বৰ্ষণ হোৱা দেখিবলৈ পোৱা যায়। চন্দ্ৰকুমাৰো তেনে লোকসকলৰ এজন। তেওঁৰ জীৱন-কাহিনী সেইবাবেই বৈচিত্ৰ্যপূৰ্ণ। তেনে জীৱনৰ আত্মকথা কৱিতাত কেনেবাকৈ গোঁঠা থাকিলে সেই কৱিতাৰ সম্যক উপলব্ধিৰ বাবে তৎ সংশ্লিষ্ট ঘটনাবোৰ জনাৰ নিতান্ত প্ৰয়োজন। কাৰণ তাৰ অজ্ঞতাই কৱিতাৰ আচল উৎসটোকে লুকাই ৰাখি পাঠকক মৰীচিকা ভ্ৰমৰ জীযাতু ভুঞ্জায়। আন ফালেদি আকৌ কাব্য সৃষ্টিৰ অন্তৰালত থকা কাহিনী বা ঘটনা বোৰ জনা থাকিলে কৱিতাত ব্যৱহৃত হোৱা শব্দবোৰৰ যথাযথ প্ৰযোগ আৰু তাৰ মাজেদি নিগৰি ওলোৱা কাব্যৰসৰ আচ্ছাদন আৰু বিচাৰ সম্ভৱ হৈ পৰে। লক্ষ্মী সৰস্বত্ৰী দুয়োৰো সুপুত্ৰ হোৱাৰ উপৰিও চন্দ্ৰকুমাৰ আছিল ৰোমাণ্টিক যুগৰ আপোন-সুৰীয়া কৱি। নিজৰ ব্যক্তিগত জীৱনৰ সুখ-দুখভৰা অনেক ঘটনাৰ প্ৰতিচ্ছবি তেওঁৰ অনেক কৱিতাৰ বিষয়বস্তু। জীৱনৰ অনেক ঘটনাৰ স্মৃতি তেওঁৰ কিছুমান

কৱিতাৰ শব্দযোজনা আৰু খণ্ড বাক্যত ভাহি আছে। সেই ঘটনাবোৰৰ ইঙ্গিত নাপালে কৱিতাৰ ৰসাল কথাবোৰো পাঠকৰ মনত সাথৰৰ দৰে হৈ পৰে। তাবে কিছুমান ফহিয়াই চাই কাব্যৰ অন্তৰালত থকা ঘটনা কিছুমানৰ ইঙ্গিত দিবলৈ ইয়াত প্ৰয়াস কৰা হ'ল।

পোনতে তেওঁৰ প্ৰতিমা কৱিতাটোকেই আলচ কৰা যাওক। প্ৰতিমা তেওঁৰ প্ৰথম কাব্যখনৰ প্ৰথম কৱিতাৰ নাম। এই কাব্য প্ৰকাশৰ কাৰণে তেওঁক তেওঁৰ অন্তৰঙ্গ বন্ধু লক্ষ্মীনাথ বেজবৰুৱাই সঘনে উদগাই আছিল। বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু চন্দ্ৰকুমাৰ কলিকতাত থাকি একে সময়তে প্ৰেচিডেন্সী কলেজত পঢ়িছিল। সেই সময়তে তিনিওৰো মাজত অভিন্ন হৃদয়ৰ বন্ধুত্ব স্থাপন হয়। এই তিনিজনা যুৱক বন্ধুৰ ত্ৰিবেণী সঙ্গমৰ ফলতে ১৮৮৯ চনৰ ফেব্ৰুৱাৰী মাহত 'জোনাকী' কাকতৰ জন্ম। কালক্ৰমত বিভিন্ন কৰ্ম্মক্ষেত্ৰত নামি তিনিও তিনিওৰপৰা দূৰত আছিল যদিও পৰস্পৰ প্ৰাণৰ আকৰ্ষণ হলে হ্ৰাস হোৱা নাছিল। চন্দ্ৰকুমাৰে গৈ ডিব্ৰুগড়ৰপৰা নমাইল দূৰত থকা তামোলবাৰী বাগিচাত সোমাই তেওঁৰ পিতৃ হৰিবিলাস আগৰৱালাক ব্যৱসায়ত সহায় কৰিছিল। সেই সময়তে তেওঁৰ পূৰ্ব্বৰ ৰচিত কৱিতাবোৰ পুস্তক আকাৰত প্ৰকাশ কৰিবলৈ বেজ-বৰুৱা আৰু গোস্বামীয়ে তেওঁক উদগাই আছিল। তাৰেই ফলত প্ৰতিমা কাব্যৰ সৃষ্টি। প্ৰতিমা অকল কৱিৰ মানস প্ৰতিমাই নহয় সেই নামৰ লগত কৱিৰ এটি করুণ স্মৃতিও বিজড়িত আছে। তেওঁৰ প্ৰথমা কন্যাৰ নামো আছিল প্ৰতিমা। বৈবাহিক জীৱনৰ সুদীৰ্ঘ ছয় বছৰৰ মূৰত পিতৃ-মাতৃৰ ভাগ্যত এই কন্যাৰত্ন লাভ হয়। প্ৰতিমা নামে কামে প্ৰতিমা আছিল। কিন্তু নিয়তিৰ নিঠুৰ বিধানত এবছৰ বয়স কথমপি পূৰ হওঁতেই প্ৰতিমাই ইহলীলা সম্বৰণ কৰিলে। প্ৰতিমা মৰিল সঁচা কিন্তু কৰি পিতৃৰ মনৰ পৰা প্ৰতিমাৰ

ছবি মাৰ নগ'ল। মনে তেওঁৰ 'প্ৰতিমা, প্ৰতিমাকৈ' মাজে মাজে কান্দি উঠে। প্ৰতিমা কৱিতাত আছে—'প্ৰতিমা, প্ৰতিমা' বৰে ব্যাকুল কৰিলে, চাব খোজে হিয়াৰ বিকাশ।' মানৱী প্ৰতিমাক তেওঁ লোকৰ আগত সৰহ দিন দেখুৱাবলৈ নাপাই কৱিতাৰ মানসী প্ৰতিমাকেই হৃদয়ৰ দুৱাৰ মেলি দেখুৱাই দিছে—

'আধা ফুটা আবেগৰ ইমান জুমুৰি
দিলেঁ। মেলি হৃদয় দুৱাৰ
যত ইচ্ছা দৰ্শকৰ চক জুমি জুমি
ভুলে যদি সন্তাপ মনৰ।

প্ৰতিমাৰ মাক আছিল গোলাঘাটৰ দণ্ডধৰ বৰুৱা তহচীলদাৰৰ জীয়েক, নাম মুক্তাপ্ৰভা আইদেউ। কৱি চন্দ্ৰকুমাৰৰ লগত তেওঁৰ বিয়া হয় ১৮৯৮ চনত। চন্দ্ৰকুমাৰৰ বয়স আছিল তেতিয়া ত্ৰিশ বছৰ। 'জীৱনৰ লগৰীয়া' কৱিতাত কৱিযে তেওঁৰ অৰ্দ্ধাঙ্গিনীক সদায় কেনেভাৱে পাবলৈ বিচাৰে তাৰে এটি আশাপূৰ্ণ বৰ্ণনা দিছে। বিযাৰ পিছত সংসাৰত প্ৰৱেশ কৰিবলৈ প্ৰথম পদক্ষেপ আগবঢ়ায়ে পত্নীক সকলো পতিয়ে কল্পনাৰ সকলোখিনি ৰূপ আৰু গুণেৰে বিভূষিত দেখিবলৈ ইচ্ছা কৰাটো নিতান্ত স্বাভাৱিক। জীৱনৰ লগৰীয়া - কৱিতাতো কৱি চন্দ্ৰকুমাৰে তাকেই কৰিছে। তেতিয়া তেওঁ আছিল তামোলবাৰী বাগিচাত আমোদ-ঐশ্বৰ্য্য আৰু প্ৰাচুৰ্য্যৰ মাজত। তথাপি তেওঁ পাহৰা নাছিল যে মানুহৰ বাবে, বিশেষকৈ তিৰোতাৰ বাবে একমাত্ৰ ধৰ্ম্ম মৰম প্ৰচাৰ—"প্ৰচাৰিবা জগতত 'মৰমেই ধৰম'।" কৱিয়ে নিজৰ জীৱনৰ ব্ৰত স্বৰূপে লোৱা সুন্দৰৰ আৰাধনাকো জীৱনৰ লগৰীয়াতে অৰ্পণ কৰিবলৈ ওলাইছিল —'সুন্দৰৰ আৰাধনা তোমাতে অৰ্পিম।' কৱিৰ আকাঙ্ক্ষিতা পত্নী হব লাগিব — উষাৰ দৰে নিতৌ নতুন, বেলিটোৰ দৰে সকলো কৰ্ম্মপ্ৰেৰণাৰ আকৰ

স্বৰূপ, সন্ধ্যাৰ দৰে সন্তাপহাৰিণী, নিদ্ৰাৰ দৰে শান্তিদায়িনী, সপোনৰ দৰে ৰহস্যময়ী, হৃদয়ৰ সকলো আকাঙ্ক্ষাৰ আধাৰ স্বৰূপ আৰু জোনবাইৰ দৰে 'মৰমেই ধৰম' নীতিৰ আদৰ্শ। সেয়ে হলে কবিয়ে কব পাৰিব—

> 'মানৱী জনম হব সৌভাগ্যেৰে পূৰ,
> আনন্দৰ নিজৰণি তুমি প্ৰাণ মোৰ।'

কবিৰ পাৰিবাৰিক জীৱন বাস্তৱত কেনে হৈ উঠিছিল সেইটো আমাৰ আলোচ্যৰ বিষয় নহয়। কিন্তু এৰা ধৰাৰ সাধাৰণ নিয়ম মানি তেওঁ যে জীৱন পথত আগুৱাব পাৰিছিল তাৰ সাক্ষী তেওঁৰ 'শান্তি' কবিতা। পতি-পত্নীৰ মাজৰ মান-অভিমান সাধাৰণ কথা। জলকীয়াৰ জলাই ভোজনৰ তৃপ্তি বঢোৱাৰ দৰে প্ৰেমিক প্ৰেমিকাৰ মাজৰ ওফোণ্ড বা মান-অভিমানৰ খেলাই দুয়োকো দুয়োৰো প্ৰতি অধিকতৰভাৱে আকৃষ্ট কৰে। কবিয়ে সেইবাবে কৈছে—

> সংসাৰৰ উপেক্ষা ৰাশিয়ে
> নাশিবনে শান্তি হৃদয়ৰ ?
> বাটৰুৱা লোকৰ কথাতে
> ভাঙিবানে আপোনাৰ ঘৰ ?

ন-পত্নীয়ে ক্ষুদ্ৰ উপেক্ষাতে অভিমান কৰা স্বাভাৱিক। দম্পতি-কলহৰ তেনে ইঙ্গিত এটি দি কবিয়ে অভিমানী পত্নীৰ মান ভঞ্জন কৰিবলৈ প্ৰেমৰ যুগ-বিজয়ী বাণী শুনাইছে—

> প্ৰেমৰ আগত কিবা দুখ,
> কিবা মৃত্যু ? প্ৰেম মৃত্যুঞ্জয়ী।
>
> * * *
>
> যি প্ৰেমেই তোমাৰ সম্বল
> সেযে স্পৰ্শমণি সংসাৰৰ।

চন্দ্ৰকুমাৰে বি এ পাছ নকৰাকৈ বিলাতলৈ গৈ তাতে পঢ়ি ব্যেৰিষ্টাৰি পাছ কৰিব খুজিছিল। তেতিয়া তেওঁৰ

পিতৃ হৰিবিলাস আগৰৱালাৰ কলিকতাৰ ১০ নং আৰ্মেনিয়ান ষ্ট্ৰীটত নিজা ঘৰ-মাটি আছিল। চন্দ্ৰকুমাৰে তাতে থাকি প্ৰেচিডেন্সী কলেজত পঢ়িছিল আৰু হেম গোঁসাই, বেজবৰুৱা আদিসকলৰ লগত সাহিত্য চৰ্চ্চা কৰি কাল কটাইছিল। সেই সময়ত হঠাৎ কোনো এটা কাৰণ বশত হৰিবিলাস আগৰৱালাৰ ব্যৱসায়ত বহুত ক্ষতি হ'ল আৰু অৱনতি ঘটিল। তেওঁ পুতেক চন্দ্ৰকুমাৰৰ পৰামৰ্শ ললে আৰু তেওঁক বিলাতলৈ যাবলৈ মানা কৰি তামোলবাৰী চাহবাগিচাখনৰ দায়িত্ব গ্ৰহণ কৰিবলৈ আহ্বান জনালে। চন্দ্ৰকুমাৰ সেই কাল পৰ্য্যন্ত পিতৃ-মাতৃৰ আলাসৰ লাড়ু হৈ আছিল। গতিকে পিতাকে তেওঁৰ ওপৰত এটা গধুৰ দায়িত্ব ন্যস্ত কৰি কিছু-পৰিমাণে চিন্তিত হৈছিল। পিতাকৰ তেনে চিন্তাকুলতালৈ লক্ষ্য কৰিযে তেওঁৰ উদেশ্যে চন্দ্ৰকুমাৰে 'কৰ্ম্মদেৱ' কৱিতা ৰচনা কৰিছিল। এই পৰিস্থিতিটো নাজানিলে 'কৰ্ম্মদেৱ' কৱিতা কিছু পৰিমানে দুৰ্ব্বোধ্য হৈ থাকে। তাত কৰি চন্দ্ৰকুমাৰে চিন্তাকুল পিতৃৰ আগত থিয় হৈ যেন বজ্ৰকণ্ঠে ঘোষণা কৰিছে—

> কি দেখিছা? শিলেৰে বন্ধালোঁ এই হিয়া,
> সাধনাৰ অসি হাতে ওলালো এতিযা।
>
> *　　*　　*
>
> শক্তিৰ মন্ত্ৰেৰে আৰাধিলো ইষ্টদেৱ,
> শক্তিৰ সন্তান মই নোহো আৰু কেওঁ।

এইদৰে চাহবাগিচাত সোমাই চাহপাতৰ মন্ত্ৰকে যপ কৰি চন্দ্ৰকুমাৰে জীৱনৰ সুদীৰ্ঘ তেইশটি বছৰ কটায় দিছিল।

তেওঁৰ অন্য এটি কৱিতাৰ নাম আশীৰ্ব্বাদ। এই কৱিতাৰ প্ৰথম শাৰীটি আৰম্ভ হৈছে—'শ্ৰীমতী আইটী প্ৰাণাধিকাসু' বুলি। ইয়াত যালৈ উপলক্ষ্য কৰি কৱিতাটি আৰম্ভ কৰা হৈছে তেওঁৰেই নামটো খালী ৰখা হৈছে। কোনোবাই কৈ নিদিলে সেই খালী ঠাই পূৰ কৰা টান আৰু কৱিৰ জীৱনৰ

কথা নাজানিলে সেইজনী আইটীনো কোন তাক স্থিৰ কৰা দুঃসাধ্য হৈ পৰে। কৱিযে সৰু আৰু তেওঁৰ একমাত্ৰ ভনীয়েক যজ্ঞেশ্বৰীক সদায় 'আইটী' সম্বোধন কৰিছিল। বিষ্ণুপ্ৰসাদ, চন্দ্ৰকুমাৰ, পৰমানন্দ, কৃষ্ণপ্ৰসাদ, যজ্ঞেশ্বৰী আৰু গোপালচন্দ্ৰ—এই ছযটি আছিল হৰিবিলাস আগৰ-ৱালাৰ সন্তান। তেওঁৰ সন্তানবোৰৰ ভিতৰত চন্দ্ৰকুমাৰ মাত্ৰ শেষলৈকে জীযাই আছিল। চন্দ্ৰকুমাৰে আশীৰ্ব্বাদ কৱিতা ভনীয়েক যজ্ঞেশ্বৰীৰ শুভ পৰিণয উপলক্ষে ৰচনা কৰিছিল। ভনীযেক আইটীযে তেওঁৰ শিশুকালৰ 'ধুলি-খেমালিৰ ভাইটি' গোপাল চন্দ্ৰকো পৰিহাৰ কৰি বিযাৰ পিছত স্বামীগৃহলৈ যাবলৈ ওলোৱাত 'সুন্দৰ মুখৰ দৰে সুন্দৰ জীৱন হোক তোৰ'—বুলি শুভেচ্ছা জনাইছে আৰু শেষত হিযা উবুৰিযাই আশীৰ্ব্বাদ দি কৈছে—

'তৃষিত মৰত মুখে ঢালিবা পীযুষ,
অন্ন দিবা অন্নপূৰ্ণা হই--
গৌৰীসতী আই মোৰ নোলায যে কথা
কিনো দিম অকিঞ্চন মই।

যজ্ঞেশ্বৰীৰ বিযা হৈছিল তেজপুৰৰ কালীকান্ত বৰকটকী নামৰ যুৱক এজনৰ সৈতে। দুৰ্ভাগ্যৰ কথা এই যে যজ্ঞেশ্বৰীয়ে সৰহ কাল ঘৰ সংসাৰ নকৰিলে। তেওঁ আপোনঘাতিনী হ'ল। সংসাৰত প্ৰৱেশ কৰিযে সংসাৰ চক্ৰৰ নিকাৰ ভুঞ্জিবলৈ নোপাওতেই তেওঁ সংসাৰ এৰিলে। বাপেকীৰ ঘৰৰ আগৰ সেই মুকলিমূৰীয়া ছোৱালীৰ জীৱনকে পুন পাবলৈ অভিলাষ কৰিহে যেন তেওঁ নিজ খুচিমতে পৰলোকলৈ গতি কৰিলে। 'বিমুখ' কৱিতাৰ তলৰ পংক্তিবোৰে তাৰেই সাক্ষী দিয়ে। তাত আছে—

ভুমুকি মাৰিযে হলি সংসাৰ বিমুখ
সংসাৰৰ বিহে তোৰ দহিলে হৃদয ইত্যাদি

* * *

বাৰী চুকে ৰিঙিযাই ভাই লগে লৈ—
খেমালিত মগ্ন তোক দেখিলে শুৱায়
গহীন সংসাৰ, মাত মাৰি থকা হায়
কপট জীৱনে আই তোক মুগুৱায়।
নিজে দিহা কৰি ললি নিজৰ জীৱন।
মুকলিমূৰীয়া হৈ আকৌ ফুৰিবলৈ ইত্যাদি।

সেইবাবে কৱিয়ে তেওঁৰ মৃত্যুৰ সিপাৰত থকা ভনীয়েকলৈ নিজৰ মুক্তা-সদৃশ চকুলো মাত্ৰ যাচিছে। তেওঁ তেওঁৰ কোনোটো কৱিতাতে ৰচনাৰ চন তাৰিখ নতুবা বৰ্ণনাচিত্ৰৰ পটভূমি দিয়া নাই। সেইবাবে—ভুমুকি মাৰিয়ে সংসাৰ বিমুখ হোৱা—চিৰ কুমাৰীৰ খেল খেলি থাকিবলৈ অভিলাষ কৰা—আদি ভাববোৰলৈ লক্ষ্য কৰি কোনোৱে আকৌ কৱিৰ বিমুখ কৱিতাতো যুগমীয়া শোকৰ (কন্যা শোকৰ) প্ৰতিবিম্বকে দেখিব খোজে। প্ৰকৃততে 'বিমুখ' কৱিতাত কৱিৰ ভগ্নমনোৰথা মৃতা ভগ্না যজ্ঞেশ্বৰীৰ উদ্দেশ্যে উথলি উঠা শোকৰ উচ্ছ্বাসহে লক্ষ্য কৰা যায়। তেওঁৰ বিয়া উপলক্ষে লিখা আশীৰ্ব্বাদ কৱিতাতো কৱি চন্দ্ৰকুমাৰে কৈছিল—

'কিনো দিম অকিঞ্চন মই।
কিবা আছে মোৰ? দুখীয়া হৃদয় মোৰ
চকু পানী টুপিহে সম্বল।'

'বাৰী চুকে ৰিঙিযাই ভাই লগে লৈ' 'নিজে দিহা কৰি ললি নিজৰ জীৱন'—এনেবোৰ পংক্তিয়ে স্পষ্টকৈ নিৰ্দ্দেশ কৰে যে কৱিয়ে তেওঁৰ ভনীয়েকক উদ্দেশ্য কৰিয়ে এনেবোৰ বচন প্ৰযোগ কৰিছিল। তেওঁৰ জীযেক প্ৰতিমা এবছৰ বয়সতে ঢুকায আৰু ঢুকুৱাৰ সমযত তেওঁৰ (প্ৰতিমাৰ) ভাযেক উপজাই নাছিল—গতিকে ভায়েকক লগত লৈ বাৰীৰ চুকত ৰিঙিযাই ফুৰাৰ প্ৰশ্নই নুঠে। এবছৰীয়া ছোৱালীয়ে বাৰীৰ চুকত গৈ ৰিঙিযাই ফুৰিবও নোৱাৰে। দ্বিতীযতে

'নিজে দিহা কৰি ললি নিজৰ জীৱন' কথাই স্পষ্টকৈয়ে আপোন-ঘাতী হোৱালৈ আঙুলিয়ায়। তাযেক আছিল গোপালচন্দ্ৰ।

'যুগমীয়া শোক' তেওঁৰ অন্য এটি শোকৰ কবিতা। তাত কবিয়ে প্ৰতিমা-বিয়োগৰ শোক বৰ্ণাইছে। বিশেষ মন কৰিবলগীয়া কথা এই যে সেই দুসহ শোকৰ মাজতো কবিয়ে মৰি যোৱা জীয়েকৰ স্মৃতি সোঁৱৰি—

মানুহক ভাল পাম ভাবি আই তোকে,
ক্ষেমিম সকলো চিন্তি তোৰেই মুখকে—

বুলি সান্ত্বনা লভিব পাৰিছে। সন্তান বিয়োগৰ যুগমীয়া শোকক তেওঁ সঁচাকৈয়ে যুগমীয়া ৰূপ দিলে।

চন্দ্ৰকুমাৰৰ 'অজেয়' নামৰ আৰু এটি শোকৰ কবিতা আছে। সেইটো তেওঁৰ ভাটী বয়সৰ কবিতা। তাত তেওঁৰ পুত্ৰ বিয়োগ শোকৰ প্ৰতিধ্বনি আৰু প্ৰতিক্ৰিয়া স্পষ্ট হৈ উঠিছে। চন্দ্ৰকুমাৰৰ প্ৰথম পুত্ৰ নবীন কুমাৰ, দ্বিতীয় অৰুণ কুমাৰ আৰু তৃতীয়টি তৰুণ কুমাৰ। দ্বিতীয় পুত্ৰ অৰুণ কুমাৰৰ কৰুণ মৃত্যুকেই উদ্দেশ্য কৰি এই কবিতা ৰচিত হৈছে। অৰুণ আছিল গোৱাৰ গোবিন্দ প্ৰকৃতিৰ লোক। বিলাতলৈ যাওঁ বুলিয়ে যাবলৈ নাপাই তেওঁ ৰাতি শোৱা-কোঠাত আত্মহত্যা কৰে। চন্দ্ৰকুমাৰে অৰুণক শাসনলৈ আনিবলৈ অশেষ যত্ন কৰিছিল কিন্তু কৃতকাৰ্য্য নহ'ল। নিজৰ বিফলতা আৰু পুত্ৰৰ জীৱনৰ নিকৰুণ শেষ পৰিণতিলৈ লক্ষ্য কৰিয়ে চন্দ্ৰকুমাৰে 'অজেয়' কবিতা ৰচনা কৰে। তাত তেওঁৰ জ্ঞানী মনৰ প্ৰতিক্ৰিয়া লক্ষ্য কৰা যায়। 'অজেয়' কবিতা 'প্ৰতিমা' আৰু 'বীণ বৰাগীত' নাই। বাঁহীত প্ৰকাশ হৈছিল। কবিতাটি তলত তুলি দিয়া হ'ল—

হে নিয়তি, তই যদিও দুখৰ পিহনি শিলত থই
ভাঙিলি মোৰ জীৱনৰ শস্য চূৰ্ণ বিচূৰ্ণ কৈ

যাক চাবি মোৰ চকুলোৰে তাকে
সানি-পুটকি ল'ই
বান্ধিম আশাৰ পিঠাপনা লাড়ু
ভুঞ্জি নিচুকি অ'ই।
সহস্ৰ হৃদয় যালৈ নেমেলে
পথাৰৰ শস্যযো থোক,
তিতিকি কেতুৰী বন খাৰধিও
মিলক বা নিমিলক
হে নিয়তি তই যদিও পুনৰ জ্বলন্ত কুণ্ডত
ফুটন্ত জীৱন মোৰ,
ভগন কৰিলি ধূলি উকৰালি
গচকি পেলালি ওৰ।
চা হেৰ চা—
চাওতে চাওতে উপচি পৰিল
ফুলে-পাতে (মোৰ) কুঞ্জলতা
স্নিগ্ধ প্ৰেমৰ জীৱন দায়িনী
শাখা-প্ৰশাখা যুতা।
সহস্ৰ হিয়া জুৰাব ইয়াতে
ফুলনি মৰুৰ মাজে
য'ত নাছিল একোৰেই কঠুৱা কালৰ
কাঁইট বালিত বাজে।

হেম গোস্বামী আৰু বেজবৰুৱাৰ লগত চন্দ্ৰকুমাৰৰ কেনে হলিগলি আছিল সেই বিষয়ে আগতে উল্লেখ কৰা হৈছে। বহুত দিনৰ ব্যৱধানৰ অন্তত হেম গোস্বামীৰ পৰা 'ফুলৰ চাকি' নামৰ তেওঁৰ ন'কৈ প্ৰকাশ হোৱা কৱিতাৰ পুথিখন উপহাৰ পাই কবি চন্দ্ৰকুমাৰৰ মনত কেনেকৈ অতীত স্মৃতি জাগি উঠিছিল 'ফুলৰ চাকি ৰচোঁতাৰ প্ৰতি' নামৰ কৱিতাই তাৰ সাক্ষী। তাত তেওঁ ফুলৰ চাকি ৰচোঁতাক ভাই বুলি সম্বোধন কৰি উপহাৰৰ শলাগ লৈ কৈছে—

আজিৰ কথাযো দিলে তাহানিক লগ
পুৰণি নতুন হ'ল, সপোন দিঠক।

তেনেকৈ 'কূট' নামৰ কৱিতাটিতো বেজবৰুৱাৰ ঠাবেচিয়াৰে দিয়া উত্তৰ মন কৰিবলগীযা। বেজবৰুৱাই পোনতে কলিকতাৰ পৰা আৰু পিছত সম্বলপুৰৰ পৰাও চন্দ্ৰকুমাৰলৈ তামোলবাৰী বাগিচাৰ ঠিকনাত মাজে সময়ে চিঠি লিখি আছিল। চিঠিৰ যোগাযোগৰ মাজেদি সাহিত্য-চৰ্চ্চাৰ বাবে জনোৱা আহ্বানৰ উত্তৰত চন্দ্ৰকুমাৰে 'কূট' নামৰ কৱিতা লিখিছিল। চাহবাগিচাৰ কামত লাগি থাকি সাহিত্য চৰ্চ্চা পাহৰি যাব খোজা বুলি দোষাৰোপ কৰি বেজবৰুৱাই লিখা চিঠিৰ উত্তৰত তেওঁৰ স্পন্দনশীল মনটোৱে কৈছিল—'মাৰা, টানা, কিলোৱা বা যিহকে কৰিবা—মইযে তোমাৰ, তুমি মোৰ।'

বাগিচাৰ সেউজী চাহপাতে চন্দ্ৰকুমাৰৰ চিৰ সেউজী মনৰ ৰূপতৃষ্ণা সততে সজীৱ ৰাখিব পাৰিছিল। সেযেহে বাগিচাৰ কঠোৰ কৰ্ত্তব্যৰ মাজত থাকিও তেওঁ 'ফুলা সৰিযহ ডবাৰ' অনুপম সৌন্দৰ্য্য মানস চকুৰে চাই আবেগত কৈ উঠিছিল—

কি হব নো হেৰি, ঘানিয়ে ঘানিযে
গুটী সৰিয়হ পেৰি?
তেলিযে পেৰিব, জগত যোগাব—
কিয় মোক ধৰা বেৰি?
দিযাঁ মোক এৰি, চাওঁ গৈ ঘূৰি
ফুলা সৰিয়হ ডবা। ইত্যাদি।

অৰ্থাৎ এনেবোৰ কৰ্ত্তব্যৰ ঘানি ঘূৰাবলৈ অনেক লোক আছে, মোক মিছাতে ইযাত আবদ্ধ কৰি ৰাখিব নালাগে, মোক ফুলা সৰিযহ ডবাৰ ধুনীযা দৃশ্য উপভোগ কৰিবলৈ এৰি দিয়া।

ওপৰত উল্লেখ কৰা কৱিতাবোৰত চন্দ্ৰকুমাৰৰ কৰ্ম্ম-ময় জীৱনৰ বাস্তৱ সংঘাতবোৰৰ উল্লেখ বাক্কৈয়ে পোৱা যায়। তেওঁৰ মনৰ জগৎখনৰ সংঘাতবোৰো কৱিতাত কম স্পষ্ট হৈ উঠা নাই। সাহিত্য-জীৱনৰ প্ৰথম কালছোৱাত চন্দ্ৰকুমাৰ আছিল প্ৰেম আৰু সৌন্দৰ্য্যৰ উপাসক ৰোমাণ্টিক কৱি। বনকুঁৱৰী, জলকুঁৱৰী, নীৰৱ, মাধুৰী তেজীমলা আদি এই সময়ৰ কৱিতা। ক্ৰমে বাস্তৱৰ লগত সন্মুখীন হৈ অহাৰ লগে লগে তেওঁৰ কৱিতাতো আদৰ্শৰ লগত বাস্তৱৰ সংঘৰ্ষ প্ৰতিফলিত হবলৈ ধৰে। ইচ্ছা, সংশয় ৰহস্য, কৰ্ম্মদেৱ, জোনাকী আদি এই সময়ৰ কৱিতা। কৱিৰ তৃতীয় পৰ্য্যায়ৰ কৱিতাবোৰ বিদ্ৰোহৰ কৱিতা। সেই বিদ্ৰোহৰ মাজেদি তেওঁ সৃষ্টিৰ সপোন দেখিছে। আশাবাদ আৰু মানৱৰ নিৰন্তৰ হিতচিন্তা এই কৱিতাবোৰৰ মূল ভাব। বিশ্ব ভাৰবীয়া, সত্য তুমি শিৱ তুমি, অসীম সুন্দৰ, মানৱ বন্দনা, অতৃপ্তি, আৰু বিশেষকৈ বীণ-বৰাগী কাব্যৰ আনন্দ তীৰ্থ, বীণ-বৰাগী, আত্মদান আদি এই শ্ৰেণীৰ কৱিতা।

ন্যায় আৰু অন্যায়, আৰু আদৰ্শ আৰু বাস্তৱৰ মাজত অহৰহ চলি থকা সংঘৰ্ষ তেওঁৰ অনেক কৱিতাৰ বিষয় বস্তু। সংশয় ? ৰহস্য কৱিতাত তাৰে এটা বিশিষ্ট ৰূপ অঙ্কণ কৰা হৈছে। বিধাতাই শুকুলা হাতীত উঠি সংসাৰৰ আদৰ্শৰ পোহৰ মেলি দিছেহি। এনেতে প্ৰতিক্ৰিয়াশীলতাৰ কুঞ্চকদাকাৰ দৈত্য এটাই সেই আদৰ্শ গ্ৰাস কৰিবলৈ কৰাল মূৰ্ত্তি ধৰি খেদি আহিল। দুয়োৰো তুমুল সংগ্ৰাম চলিল। খেলি-মেলি উপস্থিত হ'ল। যুদ্ধ ক্ষেত্ৰত অহা যোৱাৰ অবিৰাম সোঁত চলিবলৈ ধৰিলে। ন্যায়-অন্যায়, এন্ধাৰ পোহৰৰ এই চিৰন্তন যুঁজ দেখি কৱিৰো চিত্তত বিভ্ৰম ঘটিল, 'সঁচা-মিছা কিনো, ধৰিম এৰিম কাক ?'—এই প্ৰশ্নই কৱিৰো অন্তৰত সংশয় ৰহস্যৰ সৃষ্টি কৰিলে। কিন্তু কৱিৰ মনৰ এই সংশয় স্থায়ী নহ'ল। তেও পথ বিচাৰি পালে। তাৰ

প্ৰমাণ তেওঁৰ বীণ-বৰাগী কৱিতা। তাত তেওঁ সত্য, শিৱ সুন্দৰৰ সনাতন তথ্য অন্তৰত উপলব্ধি কৰিব পাৰি নিজেতো আনন্দ তীৰ্থলৈ যাত্ৰা আৰম্ভ কৰিছেই, লগৰীয়া সকলকো তেওঁৰ সঙ্গ লবলৈ মাতিছে। এই সত্য পথৰ তেওঁ পোনতে সন্ধান দিছে জীৱন উচ্ছ্বাস কৱিতাত। তাতো তেওঁক পোনতে বিকট-বদন সংসাৰ ৰাক্ষসে আদৰ্শৰ পথত আগ বাঢ়িব দিয়া নাই, 'হেচা মাৰি ধৰি আছে উঠিব নিদিয়ে— ম'ৰে মইতো ত'তে আছো। তথাপিও তেওঁ নিৰুৎসাহ, নিৰুপায বা হতভম্ব হোৱা নাই। তাৰ মাজৰ পৰাই দৃঢ় কণ্ঠে কব পাৰিছে— 'যেন নাপাহৰোঁ জীৱৰ জীৱন, বিশ্বৰ মঙ্গল নিদান।' কৰ্ত্তব্যৰ মহামন্ত্ৰ উচ্চাৰণ কৰি সেইবাবে তেওঁ শেষত ঘোষণা কৰিছে যে কামৰ মাজেদিহে মানুহৰ প্ৰকৃত ব্যক্তিত্ব প্ৰকাশ পায়। মানুহজনৰ অৱস্থিতিৰ প্ৰকাশমান প্ৰমাণ তেওঁৰ কাম—

যি কাম আগতে দেখোঁ মই, শিৱময,
সেযে মোৰ তো প্ৰমাণ।

মূঠতে কৱিৰ জীৱনত দ্বন্দ্ব, সংঘাত বিৰোধ সকলো আছে কিন্তু নৈৰাশ্য নাই। কৱি সদায় আশাবাদী। সেযেহে জোনাকী (কৱিতা জাল) নামৰ কৱিতাতো কৱিতা জালৰ মাজেদি নিজৰ 'মানসী প্ৰতিমাটিহে' জিলিকাই তুলি 'গুণ গুণ কৰি বংশৰ প্ৰাণত'— আশাৰ সুৰ বজাব খুজিছে।

ইচ্ছা আৰু সুখ গীত—এই দুটি সৰু কৱিতাত চন্দ্ৰ কুমাৰে তেওঁৰ কৰ্ম্ম জীবনৰ মূল মন্ত্ৰ থোৰতে প্ৰকাশ কৰিছে। জীৱন যুঁজৰ প্ৰধান সাৰথি ইচ্ছা। কেৱল অস্ত্ৰশস্ত্ৰৰ বলেৰে কোনেও ৰণ জয কৰিব নোৱাৰে। ৰণ জযৰ বাবে প্ৰধান অস্ত্ৰ মনৰ বল বা ইচ্ছা। যোদ্ধাৰ মনত প্ৰবল ইচ্ছা নাথাকিলে হেজাৰ অস্ত্ৰবলেও তেওঁক জযমাল্য দিব নোৱাৰে। 'সৰ্ব্বথা জিকিব সিটো, ইচ্ছা যাৰ বলী।' তেনেকৈ সুখ গীত কৱিতাটো কৱিয়ে পুৰুষাৰ্থৰ বিজয গৌৰৱ ঘোষণা

কৰিছে। সংসাৰৰ সুখবোৰ যেন মানুহৰ চাৰিওফালে বায়ু মণ্ডলত উৰি উৰি ফুৰিব লাগিছে যত্নেৰে তাক ধৰি ৰাখিব জানিলেই হয়।

চোঁৱা যেন চোঁৱা হেৰা জিলিকনি-মৰা
সংসাৰৰ সুখবোৰ উৰি উৰি ফুৰা।
নখে মাটি লেখা খোজে তলমূৰ হই
সুফুৰিবা পৃথিৱীত পথিলা নেচাই।

আৰু এটা বিশেষ মন কৰিবলগীয়া কথা এই যে সৰুৰেপৰা বিলাসত উঠা আৰু যৌৱন কালতো চাহবাগিচাৰ চাহাবসকলৰ সমাজত মিলি পুৰা মাত্ৰাই চাহাব। আদব-কাযদাত চলি থকা চন্দ্ৰকুমাৰে ভাটী বযসত সেই সকলোবোৰ এৰি ঢোহোৰা খাদ্দৰৰ পোচাক পৰিচ্ছেদ পৰিধান কৰিবলৈ লৈছিল। অকল সেয়ে নহয় তাহানি ১৮৪০ শকৰ ১০ ভাদ তাৰিখে (১৯২১ চনত) ডিব্ৰুগডত মহামানৱ মহাত্মা গান্ধীক দৰ্শন কৰি তেওঁৰ অন্তৰে যি খৌকি বাথৌকি লগাইছিল তাৰেই প্ৰমাণ তেওঁৰ বংণ বৰাগীৰ প্ৰথম কৱিতা—মহাত্মা। সিদিনাযে তেওঁ কব পাৰিলে—'উদ্দীপ্ত পৰাণ মোৰ নৱ পৰশত ছিগিল হৃদয গ্ৰন্থি গুচিল সংশয"—বুলি। তাৰ পিছত তেওঁ পশু বল নামে কৱিতাত ইংৰাজ শাসনৰ মযমতীযা কৰ্ম্মচাৰীসকলক গৰিহণা দি কৈছে—

কাকতী ফৰিং সৰ্জিলা অলেখ
অসন্তোষী সৰবগ্ৰাহী।
লগৰ সঙ্গৰ ভাই ভনীবোৰ
অথাইত ফুৰিছে ভাহি।

* * *

ধনেই তোমাৰ পৰম সুখ,
ধনেই তোমাৰ ধৰ্ম্ম।

ধনকে বুটলি ধনকে চিনিলা
ধনেই নাশিব ধৰ্ম্ম॥
মানুহৰ প্ৰাণ ঈশ্বৰৰ দান
আদৰিব 'নেজানিলা।
খোলাকটিকেই সাৰোগত কৰি
বুকুৰে বান্ধ বুলিলা॥ ইত্যাদি

মহাত্মা গান্ধীৰ মানৱ-সেৱাৰ মন্ত্ৰত উদ্বুদ্ধ হৈ চন্দ্ৰকুমাৰে দেশৰ ল'ৰা ছোৱালীবোৰক কেনে ধৰণে সেৱাৰ আদৰ্শত গঢ়ি তুলিব লাগিব তাৰো সপোন নেদেখাকৈ নাছিল। ল'ৰাছোৱালীৰ গান বুলি সেৱা লহৰী শিতানত লিখা ল'ৰা-ছোৱালীৰ গীতি-বচনৰ কবিতাটিয়ে তাৰ সাক্ষী। সেইবোৰৰ উপৰিও চন্দ্ৰকুমাৰৰ বিৰচিত 'অসমা সুষমা কামৰূপা—জয়তু জননী ধৰিত্ৰী দুহিতা'—গীতে আজিও অসমীয়াৰ প্ৰাণত স্বদেশ-প্ৰীতিৰ প্ৰেৰণা জগাই তোলে।

বীণ-বৰাগী চন্দ্ৰকুমাৰৰ বীণতো বিদ্ৰোহ আৰু দেশসেৱাৰ সুৰহে বাজি উঠিছে, সাধাৰণ ব'ৰাগীৰ সংসাৰ বিৰাগী দেহ-বিচাৰৰ গীত—হে ভাৰসা নাই, হে ভাৰসা নাই, সুন্দৰ শৰীৰ দেহা, দুৰ্ব্বল মনুষ্য দেহা কোন দিনা যায—ভাৰসা নাই, —তাত বাজি উঠা নাই। বিদ্ৰোহী যদিও, চন্দ্ৰকুমাৰ কিন্তু ধ্বংসকামী বিদ্ৰোহী নহয়, সৃষ্টি-কামী বিদ্ৰোহীহে। ইংৰাজ কবি শ্যেলীৰ দৰে তেওঁৰো বিদ্ৰোহৰ মাজেদি এখন নতুন সংসাৰৰো সপোন দেখিছে। অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্যও বিদ্ৰোহী কবিৰূপে পৰিচিত। কিন্তু দুয়োজনা বিদ্ৰোহী কবিৰ কবিতাৰ বিষয়বস্তু পৃথক। ভট্টাচাৰ্য্যৰ কবিতাত বিৰক্তি আৰু বেজাৰৰ সুৰ প্ৰবল। চন্দ্ৰকুমাৰৰ কবিতাত সেই বিৰক্তি নাই কিন্তু ধ্বংস আৰু সৃষ্টিৰ কামনা আছে। গিৰিৰাজ হিমালয়ৰ উত্তুঙ্গ শৃঙ্গ নি সাগৰৰ বুকুত পেলাই, আকাশৰ তৰাবোৰো থপিয়াই আজুৰি আনি সিচৰতি কৰি

পেলাই, জোন-বেলি আদি গ্ৰহনক্ষত্ৰবোৰকো দলিয়াই দি ব্ৰহ্মাণ্ডখন সাগৰত বুৰাই পুন নতুন সৃষ্টি কৰিব খোজা বিদ্ৰোহীচিন্তা চন্দ্ৰকুমাৰৰ আগতে অসমীয়া কৱিতাত কোনো-বাই ঠাই দিছিল নে সন্দেহৰ কথা।

আঙুলি বুলাব জনা হলে আজি
পেলালোঁহেঁতেন টানি,
হিমালয় চূড়া বুৰালোঁহেঁতেন
উছালি কলীযাপানী।
আকাশৰ তৰা নমালোঁহেঁতেন
থপিযাই লাখে লাখে,
জোন-বেলি-গ্ৰহ পেলালোঁহেঁতেন
দলিযাই জাকে জাকে।
পাপৰ মজিযা নিযালোঁহেঁতেন
অঠাই সাগৰ তল,
ব্ৰহ্মাণ্ডৰ চিন থাকিলহেঁতেন
মাথোঁ সমুদ্ৰৰ তল।

এনেবোৰ ধ্বংস কাৰ্য্যৰ পাছত তেওঁ এনে ধৰণৰ নতুন সৃষ্টি এখন কৰিব খোজে য'ত মান অপমান, উচ্চ-নীচ, দুখ-লাজ-ভয আদি নাথাকিব আৰু আনন্দৰ সুৰ অহৰ্নিশে বাজি থাকিব।

দুখ লাজ ভয নাথাকিব আৰু
—নতুন জগৎ সিটো।
হেৰোৱা বীণৰ আনন্দৰ সুৰ
বাজিব দিনৰ দিনটো।

চন্দ্ৰকুমাৰৰ সুন্দৰ

—যোগেশ দাস

"সুন্দৰৰ আৰাধনা জীৱনৰ খেল
অভিনয অন্তে ঘোৰ কাল যৱনিকা।"

এই সুন্দৰ কোন? বা কি? ইয়াকেই সত্য, শিৱ, ঈশ্বৰ বোলা হৈছে নেকি? পিছৰ কালত এই সুন্দৰেই নলিনী-বালাৰ সুন্দৰ বা পৰম পদ নেকি? এযেই ৰত্নকান্ত বৰ-কাকতীৰ শুভ্ৰতা-প্ৰতীকৰ মূল শিৱ নেকি? এযেই ৰায়চৌধুৰীৰ প্ৰভু নেকি? কেউজন কৱিৰ এই কল্পিত চৰিত্ৰটি একেটি কিবা শক্তি বুলি ভাবিবৰ থল আছে—তেওঁলোক সমসাময়িক বা সকলো সময়তে সমভাবাপন্ন নোহোৱা সত্বেও। বেজবৰুৱাও চন্দ্ৰকুমাৰৰ সমসাময়িক আৰু সহযোগী আছিল। কিন্তু মহা-প্ৰয়াণৰ যাত্ৰী আদি কৱিতাত তেও মুক্তিতো নিস্পৃহ বিধৰ যি বৈষ্ণৱ ভক্তিৰ পৰাকাষ্ঠা দেখুৱাইছে তাৰ আধ্যাত্মিক ভাবৰ সৈতে আগৰৱালাৰ বীণ বৰাগীত ব্যক্ত অতীন্দ্ৰিয় ৰহস্যভাবৰ মিল নাই। নলিনীবালাৰ পৰম প্ৰিয় সুন্দৰৰ লগতো বেজ-বৰুৱাৰ ঈশ্বৰৰ মিল নাই, শিৱ, প্ৰভু আদি আখ্যা দিয়া সত্বেও বৰকাকতী আৰু ৰায়চৌধুৰীৰ লগতো মিল নাই। অমিল এই কাৰণেই যে বেজবৰুৱাই মাধৱদেৱৰ নামঘোষাত ব্যক্ত হোৱা ধৰ্ম্মীয় দৰ্শনৰ যিখন অতীন্দ্ৰিয় জগতৰ মাধুৰী অনুভৱ কৰিছে, সেই খনৰ লগত বাকীসকলৰ সম্বন্ধ ঘটা নাই, বাকীসকলে ধৰ্ম্মীয় দৰ্শন ব্যতিৰেকেই—চন্দ্ৰকুমাৰে "অভিনয অন্তে ঘোৰ কাল যৱনিকা" বোলা সত্বেও—এখন অতীন্দ্ৰিয় জগৎ আৰু এক অতীন্দ্ৰিয় শক্তিৰ অস্তিত্ব উপলব্ধি কৰিছে।

এই আধ্যাত্মিকতা ৰোমাণ্টিক ভাবাদৰ্শৰ পৰা উদ্ভূত। ধৰ্মীয় ভাবাদৰ্শৰ পৰা উদ্ভৱ হোৱা হলে অলপ নহয় অলপ আনুষ্ঠানিকতাৰ গোন্ধ ভাৰ আমি পালে ঁাহেঁতেন। একেটা ৰোমাণ্টিক আন্দোলনৰ সহ-হোতা হৈও বেজবৰুৱাৰ লেখাত কিয ধৰ্মীয আধ্যাত্মিকতাইহে ঠাই পালে তাৰ বিচাৰ ইযাত নকৰিলেও হব। পশ্চিমীযা ৰোমাণ্টিক ভাবাদৰ্শ জোনাকী কাকতৰ যোগেদি অসমীযা সাহিত্যত সোমাইছিল। জোনাকীৰ প্ৰতিষ্ঠাতা আৰু প্ৰথম সম্পাদক আছিল চন্দ্ৰকুমাৰ আগৰৱালা। তেওঁৰ প্ৰথম কৱিতা-সংকলন প্ৰতিমা স্বৰূপার্থত প্ৰথম অসমীযা ৰোমাণ্টিক কৱিতাৰ উদাহৰণ। প্ৰকৃতি বন্দনা, মানৱ প্ৰীতি, আত্ম-মুক্তিৰ আকাঙ্ক্ষা, অলৌকিকতাৰ কল্পনাত আনন্দ লাভ, অতীন্দ্ৰিয জগৎ আৰু শক্তিৰ উপলব্ধি আদি ৰোমাণ্টিক লক্ষণসমূহ তেওঁৰ কৱিতাত বিদ্যমান। বনকুঁৱৰীৰ লেখীযা কৱিতাত প্ৰকৃতিৰ সুকোমল প্ৰভাৱ বৰ সূক্ষ্মভাবে পৰা দেখুৱাইছে, তেজীমলাৰ লেখীযা কৱিতাত ফুটি-উঠা মানৱ প্ৰেম আৰু অতীত-প্ৰীতি নৱন্যাসৰে একোটি দিশ। জীৱনৰ সহযাত্ৰী মানুহৰ অন্যায-অনীতি দেখি তেওঁৰ অন্তৰত উগ্ৰভাৱে জাগি উঠা কঠোৰ মনোভাবত যি অতল মানবাযতা প্ৰকাশ পাইছে তাৰ তুলনা বিচাৰি পাবলৈ টান। পৰা হলে তেওঁ হেনো এই পাপময জগৎখনক ভাঙি নতুনকৈ গঢ়ি ললেহেঁতেন হিমালয চূড়া বুৰালেহেঁতেন "উছালি কলীযা পানী," জোনবেলি-তৰা জাকে জাকে টানি আনি এই ব্ৰহ্মাণ্ডখনক প্ৰলয জলধিৰ তল নিযালেহেঁতেন, কাৰণ তেওঁৰ ইচ্ছা—

নতুন সৃষ্টিৰ অৰুণ কিৰণে
কৰোক সকলো শুচি।

এই মানবীযতাৰ কথা বিশেষ ভাবে কোৱাৰ উদ্দেশ্য এযে যে এই ভাব চন্দ্ৰকুমাৰৰ আধ্যাত্মিকতাৰ সৈতে ওত-প্ৰোত ভাবে মিহলি হৈ আছে। বীণ বৰাগীত এই দুটা

ভাব এনে সূক্ষ্মভাবে মিহলি হৈ আছে যে বহুত সময়ত পাৰ্থক্য ধৰিবলৈকে টান হৈ পৰে, নাইবা সেয়া কল্পিত খণ্ডিত সত্তা বুলিও ধাৰণা হব পাৰে। "কুকুৰে কামোৰা, ছৰালে দলিওৱা" দুখীয়াৰ দুখেৰে পৰিপূৰ্ণ, "মজিয়া ভকভকাই" যোৱাকৈ "কুটুমৰ তেজেৰে বন্তি অলোৱা" এইখন জগতত—যি খন "পৃথিৱী স্বৰ্গতো অধিক, মানুহৰ নিজাপী ঘৰ" এইখনত—"মানুহৰ প্ৰীতি সাধিবলৈ" মানুহক আহ্বান কৰাৰ লগে লগে ধৰণীৰ ধূলিত তেওঁ "স্বৰ্গীয় হেম" দেখিবলৈ পালে—গৰুৰ খোজত আকাশখন দেখিলে। এই ভাব হিয়াত উদিত হবৰে পৰা কবি, সৃষ্টি, স্ৰষ্টা একাকাৰ হৈ গ'ল। ৰায়চৌধুৰীয়ে তুমি কাব্যত তেওঁৰ প্ৰভুক বিভিন্ন জাগতিক দৃশ্যৰ মাজত প্ৰকাশিত হোৱা দেখিছে, নিজৰ মাজেদিও প্ৰভুৰ প্ৰকাশ দেখিছে। চন্দ্ৰকুমাৰেও সুন্দৰৰ মুখত তেওঁৰ মুখা বা প্ৰতিবিম্ব দেখিবলৈ পাইছে। তেওঁ কৰা প্ৰতিটি কৰ্ম্ম অদৃশ্য সুন্দৰে কৰিছে বা কৰাইছে। তেওঁ দেখিছে, এইসুন্দৰক গোটেই জগতে বলীয়া হৈ বিচাৰি ফুৰিছে, কাৰণ সুন্দৰে অসুন্দৰকো সুন্দৰ কৰে—যি দৰে তেওঁক কৰিছে বুলি তেওঁৰ অনুভৱ হৈছে। মানৱী জীৱনতে চন্দ্ৰকুমাৰে সৰগ আৰু মৰতক একাকাৰ কৰাৰ উদাহৰণ আছে প্ৰতিমাৰ বিমুখ আৰু যুগমীয়া শোকত চেনেহৰ জীয়ৰী কুমলীয়া বয়সতে চিৰদিনলৈ সংসাৰৰ পৰা আঁতৰি গ'ল—তেওঁৰ মতে "পলাই মাৰিলি লৰ মহা ধেমালিলৈ, অনন্ত হাঁহিৰে য'ত বিশ্ব হাঁহিময়"—আৰু তেতিয়া তেওঁ শোক যুগমীয়া হওক বুলি কামনা কৰিছে যাতে "আই"ৰ কথাকে ভাবি তেওঁ মানুহক ভাল পাবলৈ শিকাৰ উপৰি—

হিয়াৰ মাজত সদায় স্বৰ্লোক
চিৰদিন দেখা পাম স্বৰ্গৰ আলোক।

পাৰ্থিৱ প্ৰাণী সক ছোৱালীটীৰ জৰিয়তে তেওঁ স্বৰ্গখনক

অনুভৱ কৰিছে। পৰপাৰৰ কথা সকলোৱে ভাবে, মৰিলে তালৈ যায় বুলি ভাবে—বিশেষকৈ অতি চেনেহৰ জন যদি মৰে—নলিনাবালাৰ পুতলী যেনেকৈ গৈছে। কিন্তু চন্দ্ৰকুমাৰৰ "আই" জনী স্বৰ্গৰ পৰাই আহিছিল, সেয়ে তেওঁৰ নিজৰ ঘৰ, মৃত্যুত মাত্ৰ "তৰাবৰেপৰা উভতিলি ঘৰলৈ।" ৱৰ্ড্‌ছ্‌ৱৰ্থৰো "আত্মাৰ ঘৰ" সৰগখন, আত্মাই তাৰপৰাই সৰগীয় গৌৰৱ—ডাৱৰৰ কেতন উৰুৱাই ইয়ালৈ আহে, তেওঁৰ শিশুটিৰে চৌপাশে স্বৰ্গৰ আভাস থাকে—বয়স বাঢ়ি আহিলে সেই স্বৰ্গীয়তা নোহোৱা হৈ যায়, শিশু সাধাৰণ মানুহ হৈ পৰে।

সুন্দৰ আখ্যাযিত সেই মহান শক্তিটোৰ অৰ্থ কৰিবলৈ আগৰৱালাই স্বৰ্গ শব্দৰ দৰে সত্য, শিৱ, ঈশ্বৰ আদি শব্দও প্ৰযোগ কৰিছে।

জ্ঞানময় প্ৰেমময প্ৰাণৰ ঈশ্বৰ
সত্য তুমি শিৱ তুমি অসীম সুন্দৰ।

এই ফাকিৰ সৈতে সহজেই তুলনা আহিব "সত্যং শিৱং সুন্দৰম্" নাইবা কীটছৰ "Beauty is truth, truth beauty" কথাৰ—নাইবা গান্ধীজীৰ সত্যই ঈশ্বৰ কথাষাৰো মনলৈ আহিব (চন্দ্ৰকুমাৰ গান্ধীজীৰ ভক্ত আছিল, তেওঁ "মহাত্মা" কবিতাত বীণ-বৰাগীৰ আৰম্ভতে বলশালী প্ৰভাৱৰ কথা স্বীকাৰ কৰি গৈছে)। বাগ্মীবৰ নীলমণি ফুকনৰ হিযালৈ জ্যোতি-কণা এটি পোনে পোনে সৰগৰ পৰাই নামি আহিছিল। সেয়ে ফুকনৰ কাব্য-সৃষ্টিৰ মূল উৎস। চন্দ্ৰকুমাৰৰ পক্ষেও জীৱন বুলিবৰ অভিজ্ঞতাখিনি সত্য, শিৱ, অসীম সুন্দৰৰ পোনপটীয়া আশীৰ্ব্বাদৰ ফল

জ্ঞান ফিৰিঙটি এটি পাই,
অনন্ত জ্ঞানৰ
স্বৰগলৈ মানুহ উধায
—ৰহস্যৰ ঘৰ।

বীণ-বৰাগী হৈ কুটুমে কুটুমক খোৱা এই পাপৰ মজিয়া স্বৰূপ জগৎ খনত "নতুন সৃষ্টিৰ অৰুণ কিৰণ" কামনা কৰি "নতুন জগৎ" এখনৰ কাৰণে "জগৎস্বামীক" প্ৰাৰ্থনা কৰিছে। জগৎস্বামীলৈ মনত পৰিলতে অনন্ত জীৱনৰ বাটত যুগ-যুগান্তৰ ধৰি মানুহৰ অন্তহীন যাত্ৰাৰ কথা তেওঁৰ মনত পৰিল—সংসাৰৰ কথা পাহৰিলে। মনে সংসাৰৰ বান্ধ মোকোলাই ললে। সিপাৰৰ ডাক শুনি ৰবীন্দ্ৰনাথৰো এনে হৈছিল :

ফেলে যেতে চায এই কিনাৰায
সব চাওযা সব পাওযা।

তেতিয়া "মযেই" জগৎখন হৈ উঠে, স্ৰষ্টাযেই টিপতে লুকুৱা টিপচীটিও হয, আকৌ "গৰুগুৰ পথা মেলি" বিচাৰিও ফুৰে। জোন-বেলিযে জেউতি প্ৰকাশা সমস্ত জগৎখন প্ৰাণে মুকলিকৈ উপলব্ধি কৰে—যিখন জগৎ এদিনৰ নহয, চিৰদিনৰ নহয, অকল আজিহে পোৱা নহয, অতীজৰে পৰা পোৱা

অসীম সাগৰ মোৰ নাৱেৰেই ভৰা,
মহা সদাগৰ মই অতীজৰে পৰা।

জীৱনটো সাউদৰ বেহা মাথোন—বা এটা ভাওনা ঘৰ শেক্সপীযেৰৰ "ষ্টেজ"—য'ত মানুহে অভিনয কৰে আৰু "অভি-নয় অন্তে ঘোৰ কাল যৱনিকা।" কিন্তু কেৱল মঞ্চত ভাও দিযাৰ দৰে জীৱনৰ কেউটা কাল কটাই গুচি যোৱাৰ কথাকে চন্দ্ৰকুমাৰে কব খোজা নাই। সৰগ তেওঁ বিচা-ৰিছে সঁচা। কিন্তু জীৱনৰ বেহানিতে তাৰ উপলব্ধি হব পাৰে। এইখিনি সাধাৰণৰ কল্পনাৰ সৰগ আৰু চন্দ্ৰকুমাৰৰ অনন্ত বা সৰগৰ পাৰ্থক্য। আমি সকলোটি ভাৱৰীয়া বা হাটৰুৱা বাটৰুৱা ("হেৰা হেৰা বাটৰুৱা, মৰমৰ ভাইহঁত, নেৰিবা নেৰিবা মোক, এই মাযা বজাৰত"—মফিজুদ্দিন)। আমি মায়াত আৱদ্ধ। কিন্তু ইযাত থাকিয়েই মনৰ মাজেদি,

উপলব্ধিৰ সহায়েৰে আমি সৰগখনৰ কথা, অসীমৰ কথা কব পাৰো :

হিযাৰ মাজেদি অনন্ত সুখৰ
পৰি আছে ৰাজবাট।
মনৰ বেহানি কিনি বিকি লই
ফুৰিম সংসাৰ হাট।।

(বীণ বৰাগী)

* *

স্বৰ্গ কেনে কোনে জানে সুধিমেই কাক?
হৃদযেই মোৰ দেখো চিনাকি সৰগ।

(হৃদয সৰগ)

*

হিযাৰ মাজেই অনন্তৰ পথ
যাত্ৰী আমি আগবাঢো।

(আনন্দ তীৰ্থ)

গতিকে চন্দ্ৰকুমাৰৰ স্বৰ্গখন সাধাৰণ মানুহৰ কল্পিত সৰগখনেই—মাত্ৰ উপলব্ধি পৃথক। প্ৰকৃত স্বৰ্গৰ ৰহস্য চাক্ষুষ ভাবে তেওঁ ভেদ কৰিব পৰা নাই। নহলে ঘূৰি ঘূৰি হৃদযলৈ তেওঁ কেতিযাও উলটি নাহিলহেঁতেন। নহলে "অভিনয অন্তে ঘোৰ কাল যৱনিকা" বুলি কব লগা নহ'লহেঁতেন। পাৰ্থিৱ জীৱনৰ অভিনযৰ পিচত কি? সত্য? শিৱ? ঈশ্বৰ? অসীম সুন্দৰ? হয বুলি কলে সেইটো কেৱল বিশ্বাসৰ কথা হব। দৰাচলতে ইযাৰ পিচত অন্ধকাৰ— "কাল যৱনিকা"। ওমৰ খাযামৰ দৰেই পৰপাৰখন স্পষ্ট ভাবে তেওঁ দেখা নাই—ভৱিষ্যতৰ গৰ্ভত কি আছে কব নোৱাৰে। খাযামৰ দৰেই তেওঁও ভাবিছে যে বিশ্ব-ভাৱ-বীয়া ভগৱানে সকলো জাগতিক কাম কৰাইছে— মানুহে কৰো বুলি একোকে কৰা নাই। এই কামত, এই কৰোৱাত

ভগৱানে মানুহৰ কথা ভাবিছেনে নাই কোনে কব? সেই কথা খাযামেও জীৱন পাত কৰি উলিয়াব নোৱাৰিলে। খাযামৰ কুবাযাতৰ প্ৰতিধ্বনি উঠিছে যেন চন্দ্ৰকুমাৰৰ প্ৰাণতঃ—

আপোন খেলত তুমি আপুনি মগন,
ভাঙিছা পাতিছা, পৰি উঠিব খুজিছা।

তেওঁৰ মানত "আনন্দ তীৰ্থ"হে প্ৰকৃত প্ৰভাস। কাৰণ সাধাৰণৰ "তীৰ্থত বিৰাজে তীৰ্থৰ দেৱতা, প্ৰভু জগন্নাথ"— কিন্তু আনন্দ তীৰ্থত বিৰাজে "অনন্ত কালৰ অনন্ত সোঁতৰ, আনন্দলোকৰ নাথ।" খাযামেও স্ৰষ্টাৰ অস্তিত্ব অস্বীকাৰ কৰা নাই, কিন্তু তেওঁক ক'ত কেনেকৈ পাব পাৰি সেইটো অনিশ্চিত। নিশ্চযতা চন্দ্ৰকুমাৰেও নেপালে।

আগৰৱালাৰ কাব্যত—প্ৰকৃতি

—হৰিদত্ত শৰ্ম্মা

প্ৰকৃতি আৰু মানুহৰ মাজৰ সম্বন্ধ অতি প্ৰাচীন আৰু ইয়াক মানুহে ধৰ্ম্ম, কলা কৃষ্টি আৰু সাহিত্যৰ যোগেদি ৰূপায়িতও কৰিছে। বাল্মীকি হোমাৰৰ যুগৰে পৰা আৰম্ভ কৰি সভ্যতাৰ স্তৰে স্তৰে কবি সাহিত্যিকসকলে প্ৰকৃতিক বিভিন্ন ৰূপত পূজা কৰি আহিছে। তেওঁলোকৰ চকুত কেতিয়াবা প্ৰকৃতি হৈছে চিৰ ৰহস্যময়ী, কেতিয়াবা ভগৱানৰ আত্মপ্ৰকাশ, কেতিয়াবা মানৱৰ পৰম বান্ধৱ আৰু কেতিয়াবা নিষ্ঠুৰ জড় চৈতন্য। আজিৰ নাগৰিক সভ্যতাৰ দিনত মানুহ যিমানেই বাস্তৱমুখী নহওক প্ৰকৃতিৰ লগত গথা মানুহৰ আত্মাৰ অন্তৰ্নিহিত যোগসূত্ৰ কেতিয়াও উলাই কৰিব নোৱাৰি। বিশেষকৈ সাহিত্যত ই সদায় আগ ঠাই অধিকাৰ কৰিব। আজিৰ কাব্য সাহিত্য যদি কেতিয়াবা গণিত শাস্ত্ৰতো পৰিণত হয় তথাপি প্ৰকৃতি অবিহনে কবিয়ে সাহিত্য চিন্তা কৰিবলৈ সমৰ্থ নহব।

অসমীয়া কাব্য সাহিত্য প্ৰকৃতিৰ চিত্ৰ বিচিত্ৰ ৰং ৰূপেৰে ভৰপূৰ। প্ৰাক্‌বৈষ্ণৱ যুগৰে পৰা আৰম্ভ কৰি চৌধাৰী দেৱলৈকে এই সুদীৰ্ঘ কালছোৱাত কবিয়ে প্ৰকৃতিক বিভিন্ন দৃষ্টিত চাবলৈ চেষ্টা কৰিছে। বৈষ্ণৱ সাহিত্যত প্ৰকৃতিক নিৰ্জীৱ আৰু কবিৰ ব্যক্তিগত আবেগ অনুভূতিৰ প্ৰকাশৰ পটভূমি আৰু দাপোণ স্বৰূপে ললেও প্ৰকৃতিৰ বুকুত চিৰ প্ৰবাহিত উল্লাস আনন্দ নুই কৰিব নোৱাৰি। তেওঁলোকৰ দৃষ্টিত প্ৰকৃতিৰ সামগ্ৰাক সত্তা নাই সঁচা কিন্তু সামগ্ৰীক ৰূপ বৰ্ত্তমান। এই ৰূপ কবিৰ মানসিক পৰিবৰ্ত্তনৰ তালে

তালে ৰূপান্তৰিত হৈছিল। ভাৰতীয় চিন্তা ধাৰাত প্ৰকৃতিক প্ৰাণময়ী বা ৰহস্যময়ী বুলি ভাবিবৰ থল নাই। ই বিশেষকৈ প্ৰকটিত হৈছে সংস্কৃত সাহিত্যত। ভাৰতীয় চিন্তাধাৰাৰ উৎস স্বৰূপ চিৰ ৰহস্যময় বিষ্ণুৰ বিপৰীতে বিশ্ব প্ৰকৃতিক আন এটি ৰহস্যময়ী শক্তি স্বৰূপে থিয় কৰি দ্বৈতবাদ স্থাপন কৰাটো ভাৰতীয় ঋষি-মনীষী আৰু বৈষ্ণৱসকলে ভাল পোৱা নাছিল। 'ব্ৰহ্ম সত্য, জগৎ মিথ্যা' মূলমন্ত্ৰ মানি লোৱাৰ পাছত প্ৰকৃতিৰ দৰে আন এটা স্বয়ম্ভূদ্বন্দ্বাত্মক শক্তিৰ আৱশ্যকতা কোনেও অনুভৱ কৰা নাছিল।

এনে পটভূমিত ললে আগৰৱালাদেৱক অসমীয়া ৰোমাণ্টিক জাগৰণৰ আদি কৱি বুলি আখ্যা দিব পাৰি। কিয়নো প্ৰকৃতি পূজা ৰোমাণ্টিক কাব্যৰ আটাইতকৈ উল্লেখযোগ্য লক্ষণ। বিশ্ব প্ৰকৃতিক এটি প্ৰাণময়ী বা ৰহস্যময়ী শক্তিৰূপে লৈ ইয়াৰ লগত কৱিৰ অন্তৰাত্মাৰ সংযোগ স্থাপনৰ প্ৰচেষ্টা ৰোমাণ্টিক কাব্যত বিদ্যমান। এই চিন্তাধাৰাই যে ৰবীন্দ্ৰনাথকো অনুপ্ৰাণিত কৰিছিল তাত অকণো সন্দেহ নাই। বিশ্বৰ সমস্ত প্ৰাণী আৰু বস্তুৰ লগত নিজৰ আত্মাক সংযোগ কৰি ৰবীন্দ্ৰনাথে বিভিন্নতাৰ মাজতো এক গভীৰ বিশ্বঐক্য অনুভৱ কৰিছিল। প্ৰকৃতিৰ বুকুত থকা গছ-লতা, নদী তৰঙ্গিনী, পৰ্ব্বত পাহাৰ আৰু সৰোবৰ বা সমুদ্ৰৰ লগত আত্মীয়তা স্থাপন কৰি পৰম আনন্দ লাভ কৰাৰ উপৰিও ৱাৰ্ডচ ৱাৰ্থৰ দৰে কেতিয়াবা কেতিয়াবা তেওঁ পূৰ্ব্বজন্মৰ সন্ধানো লাভ কৰিবলৈ সমৰ্থ হৈছিল। কিন্তু ৰবীন্দ্ৰনাথৰ দৰ্শনৰ স্পন্দন আগৰৱালাৰ কাব্যত পোৱা নাযায়। তেওঁ শ্বেলীৰ দৰে মানৱ প্ৰেমৰ দ্বাৰা উদবুদ্ধ হৈছিল সঁচা কিন্তু ৱাৰ্ডচ ৱাৰ্থৰ দৰে প্ৰকৃতি পূজাত তেওঁ আত্মনিয়োগ কৰা নাছিল। ব্যক্তিগত জীৱনৰ হৰ্ষ-বিষাদ মানৱসেৱা আৰু ভগৱৎচিন্তাৰ পটভূমিত প্ৰকৃতিয়ে তেওঁৰ কাব্যত গৌণস্থান অধিকাৰ কৰা যেন অনুভৱ হয়।

বীণবৰাগী আৰু প্ৰতিমাত সন্নিবিষ্ট কৰা আঠাৰটা কৱিতাৰ পাতত আগৰৱালাদেৱে প্ৰকৃতি বৰ্ণনা কৰিবলৈ যত্নৰ ত্ৰুটী কৰা নাই। কিন্তু অসমৰ দৰে শ্যামলা ভৌগলিক পৰিবেশত এই বৰ্ণনাই সমৃদ্ধি লাভ কৰিব পৰা নাই। গছলতা, নদ-নদী, পৰ্ব্বত পাহাৰ, জোন-বেলি, মলয় সমীৰণ আদিৰ উল্লেখ আগৰৱালাৰ কৱিতাত কিছু ঘনায পোৱা যায় কিন্তু তাতকৈ সঘনাই পোৱা যায সন্ধিয়াৰ সৰগ, আকাশ আৰু নীয়ৰৰ ছবি। শ্বেলীৰ দৰে আকাশ কুসুমেই যাৰ "জীৱন উচ্ছ্বাস" সেই আগৰৱালাদেৱৰ কাব্য প্ৰতিভা আকাশ বা সৰগমুখী হোৱাতো স্বাভাৱিক। আগৰৱালাৰ প্ৰকৃতি বৰ্ণনাত আকাশে আটাইতকৈ বেছি প্ৰাধান্য লাভ কৰিছে। শঙ্কৰদেৱ, চৌধাৰী আৰু কীটচৰ কৱিতাৰ দৰে আগৰৱালাৰ কৱিতাত "কপহী, সেউতী, চম্পা, যুতি, জাতি, কহুৱাৰ ফুল, গিৰি- মল্লিকা অথবা মধুমালতীৰ সুৰভি আৰু সুঘ্ৰাণ পোৱা নাযায। চৌধাৰীযে গুৰুত্ব দিছে ফুলৰ সুঘ্ৰাণত আৰু আনহাতে শঙ্কৰদেৱৰ বিশেষ আকৰ্ষণ আছিল ফুলৰ বাহ্যিক সৌন্দৰ্য্যত। কিন্তু আগৱালাদেৱৰ ফুলা সৰিযহ ডৰাত বাহিৰে আন কোনো ঠাইত ফুলৰ সুৰভি অথবা সৌন্দয্যৰ দ্বাৰা কৱিযে বিশেষ ভাবে আকৰ্ষিত হোৱাৰ প্ৰমাণ পোৱা নাযায়।

জোনাকীৰ জন্মদাতা হেমচন্দ্ৰ গোস্বামী আৰু বেজবৰুৱাক পোনপটীযা ভাবে ৰোমাণ্টিক কাব্যৰ হোতা বা ঘাই হোতা বুলি প্ৰতিপন্ন কৰাতকৈ আদি ৰোমাণ্টিক বুলিহে আখ্যা দিযা যুক্তিসাপেক্ষ হব। কলিকতীযা জীৱনত এই ত্ৰিমূৰ্ত্তীয়ে ইংৰাজী সাহিত্যৰ সংস্পৰ্শত আহি আমাৰ কাব্যজগতত এটা নতুন বিপ্লৱৰ সূচনা কৰিলে যদিও এই বিপ্লৱ পূৰ্ণ বিকশিত হয চৌধাৰীৰ যুগত। আগৰৱালা দেৱলৈকে আমাৰ কাব্য সাহিত্য কমবেছি পৰিমাণে বৈষ্ণৱ সাহিত্যৰ ধ্বনি—প্ৰতি- ধ্বনিৰ দ্বাৰা মুখৰিত। আনকি আগৰৱালাদেৱো এই প্ৰভাৱৰ পৰা সম্পুৰ্ণ মুক্তবুলি কব নোৱাৰি। অন্তৰ্মুখী বা বিষ্ণুমুখী ভাৰতীয

চিন্তাৰসোঁত আগৰৱালাৰ কবিতাতো বৰ্ত্তমান। মায়াবাদ আৰু একদিব্য জ্যোতিৰে ৰঞ্জিত বিশ্বত বিশ্বাস 'বীণবৰাগী' 'মায়া' আৰু 'জীৱন উচ্ছ্বাস' আদি কবিতাত বিৰিঙি উঠিছে। গতিকে প্ৰকৃতিক আন এটি ৰহস্যময়ী শক্তি হিচাবে লবলৈ আগৰৱালাদেৱে সঙ্কোচ কৰিছিল।

আগৰৱালাদেৱেও আন আন ৰোমাণ্টিক কবিৰ দৰে প্ৰকৃতিৰ নিৰ্জীৱ পদাৰ্থৰাশিক প্ৰাণ আৰু ব্যক্তিত্ব আৰোপ কৰি সঞ্জীৱিত কৰি তুলিছিল। প্ৰকৃতি আছিল তেওঁৰ মনত এজনী নাৰী। সেয়ে তেওঁ কৈছে—

মুকলি আকাশ মুকলি, মুকলি
প্ৰকৃতি আইৰ মুৰ (বীণ বৰাগী)

প্ৰকৃতিক নাৰীৰূপে কল্পনা কৰাত আগৰৱালাদেৱ আৰু চৌধাৰীদেৱৰ মাজত অকণো পাৰ্থক্য নাই। চৌধাৰীৰ দৃষ্টিতো মাধৱী হৈছে এজনী নাৰী—

মৰমী মাধৱী তুমি
মৰমতে যোৱা পমি
মৰমৰ স্ফুৰণত
মুগুধ মৰতভূমি (মাধৱী)

সংসাৰ চক্ৰৰ বিষয় বাসনাৰ পৰা মুক্ত হৈ আগৰৱালাদেৱে প্ৰকৃতিৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ প্ৰয়াস কৰিছে—

দিয়া মোক এৰি, চাওঁগৈ ঘূৰি
ফুলা সৰিয়হ ডৰা
সেয়ে আজিলৈকে থৈছে মোক মুহি
পখিলা পাখিৰে ভৰা। (ফুলা সৰিয়হ ডৰা)

কিন্তু আগৰৱালাৰ সৰিয়হ ডৰা চৌধাৰীৰ দৰে প্ৰেমানন্দত মতলীয়া নহয়। চৌধাৰীৰ সৰিয়হ আপোন পাহৰা হৈ গোটেই বিশ্ব ৰমক জমক কৰি তুলিছে—

সোণোৱালি ৰহণৰ সবিয়হ ভৰা
ৰূপৰ মাধুৰী সনা
ঢালি প্ৰেম জ্যোতিকণা
উৰাই পৰাগ ফাকু মন প্ৰাণ হৰা
ৰমক জমক হল বিশ্ব বসুন্ধৰা (দহিকতৰা)

সূক্ষ্ম সৌন্দৰ্য্যবোধ আৰু গভীৰ আধ্যাত্মিক ভাবৰ সন্ধান আগৰৱালাৰ প্ৰকৃতি বৰ্ণনাত ফুটি উঠিছে। শঙ্কৰদেৱৰ প্ৰকৃতি বৰ্ণনা গতানুগতিক। হৰমোহন, ৰাসক্ৰীয়া, দামোদৰ বিপ্ৰোপাখ্যান আৰু ৰুক্মিণীহৰণ আদিত অঙ্কিত প্ৰাকৃতিক দৃশ্য কমবেছি পৰিমাণে একে ধাতুৰে নিৰ্ম্মিত ধৰণৰ। সেইদৰে চৌধাৰাৰ প্ৰকৃতি বৰ্ণনাতো বহু সময়ত গতানুগতিকতা দেখা যায়। কিন্তু আগৰৱালাৰ প্ৰকৃতি বৰ্ণনা তুলনামূলকভাৱে চুটি আৰু সাময়িক হলেও ইয়াৰ মাজেদি কৰিয়ে তেওঁৰ মূল চিন্তাৰ লগত আধ্যাত্মিক সঙ্গতি স্থাপন কৰিবলৈ সমৰ্থ হৈছে—

সেউজী ৰসাল বটে আৱৰিছে
দযাই বিতৰে ছাঁযা,
ফটিক সুৰদি নিজৰাৰ ধাৰে
বাটৰ হৰিছে পযা। (আনন্দ তীৰ্থ)

দহিকতৰা বা মাধৰীৰ আগমনত গোটেই বিশ্বজুৰি আনন্দৰ হিল্লোল উঠাৰ দৰে আগৰৱালাৰ প্ৰকৃতিও আনন্দত আত্মহাৰা। এই আনন্দময ৰূপ বিশেষকৈ পৰিলক্ষিত হৈছে 'বীণ বৰাগী' 'প্ৰপঞ্চ' আৰু 'জোনাকী' আদি কৰিতাত—

উছাহৰ সোঁত প্ৰভু
বলিছে জগৎ জুৰি
আনন্দত মতলীযা
উঠে পৰে ঘূৰি ঘূৰি (প্ৰপঞ্চ)

প্ৰকৃতিৰ বুকুত বলা এই অবাৰিত আনন্দৰ সোঁত ৱাৰ্ডচ্-ৱাৰ্থৰ 'ৰিটেন ইন্ আৰ্লি স্প্ৰিং' আৰু চৌধাৰীৰ 'দহিকতৰাত' বেছি পৰিস্ফুট হৈ উঠিছে। প্ৰকৃতি অকল আনন্দত মতলীয়াই নহয়—ইয়াৰ বুকুত জন্মা তৰুতৃণ-গছ লতিকাৰ ইটোৱে সিটোক আনন্দ সম্ভাষণ আৰু সঁহাৰি জনাইছে।

নিচুক লতিকা গছক সাৱটি
প্ৰতি অঙ্গে চুমা চুমি
পাতৰ আঁৰত থাকি কপৌটিয়ে
কিবা কৰে জুমাজুমি। (বনকুঁৱৰী)

ৱাৰ্ডচ ৱাৰ্থৰ দৰে আগৰৱালাৰ প্ৰকৃতিও মানুহৰ প্ৰতি সংবেদনশীল। মানৱ হৃদয়ৰ সুখ দুখৰ প্ৰতি প্ৰকৃতি যেনিবা সজাগ আৰু সহানুভূতিশীল। দুখ শোক আৰু তাপক্লিষ্ট কৰিৰ প্ৰাণৰ বিননি শুনি—

ঠৰ হয়,
পশু পক্ষী গছলতা।
লুইত উজায় জোন তধা লাগে,
মানুহৰ কিবা কথা? (বীণ বৰাগী)

নিষ্ঠুৰ মানৱ সমাজে নেওচা দিয়া তেজীমলাই মৰমৰ ভোলেৰে প্ৰকৃতিক আপোন কৰি লৈছে—

মানুহ কুটুমে দলিযাই পেলালে
কাক নো কুটুম পালি?
মৰম বেথাৰে আজলী কুঁৱৰী
এটাইকে নিজা কৰিলি। (তেজীমলা)

আনন্দ মুখৰিত প্ৰকৃতিৰ বুকুত আনহাতেদি কৱিয়ে নিষ্ঠুৰতা, উদাসীনতা আৰু বিৰাগৰ ছবি দেখিবলৈ পাইছে। ৱাৰ্ডচ ৱাৰ্থে প্ৰকৃতিৰ মুখত উদাসীনতা অথবা বিষন্নতা দেখা

নাছিল। কিন্তু আগৰৱালাদেৱে প্ৰকৃতিৰ উবুৰিয়াই দিয়া হাঁহিৰ অন্তৰালত থকা বিষাদৰ ছাঁৰ প্ৰতি সজাগ আৰু সচেতন আছিল। 'সন্ধিয়া,' 'প্ৰকৃতি', 'অকলশৰীয়া' আৰু সৰাপাহি আদি কৱিতাত প্ৰকৃতিৰ নিৰানন্দৰ ছবি তেওঁ ৰূপায়িত কৰিছে। সেয়ে তেওঁ গাইছে—

কৰ কোন কিবা হ'ল,
চিন স্মৃতি পমি গল
প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল। (প্ৰকৃতি)

আকৌ 'অকলশৰীয়া' বোলা কৱিতাটিত কৱিয়ে ইয়াৰ পুনৰুক্তি কৰিছে—

শান্ত পৰ্ব্বতৰ টিঙ অৰণ্য সাগৰ
প্ৰকৃতিৰ হিয়া যেন বৈৰাগ্য আধাৰ।

'নীযৰ' বোলা কৱিতাটিত প্ৰকৃতিৰ আনন্দ উৎসৱ ক্ষন্তেকতে বিষাদৰ চকুপানীত পৰিণত হোৱাৰ কথা কৱিয়ে সোঁৱৰাই দিছে—

নীযৰ কলিৰে শোভে ফুল জুপি
চাইছো ভাবতে ভাহি,
হায কি বিষম পেলালে বাযুয়ে
জোকাৰি ফুলৰ পাহি।

আগৰৱালাৰ দৃষ্টিত প্ৰকৃতিৰ ৰূপ মাধুৰী বিষয়গত নহয়— বিষয়ীগতহে। পথহাৰা নিসঙ্গ মেঘ এচপৰাৰ দৰে "শূন্য ৰহস্যত" উটি ফুৰা কৱিৰ "কল্পনা বিহাৰী প্ৰাণৰ পখীটি"য়ে দেখিলে— "প্ৰকৃতিৰ হিয়া যেন বৈৰাগ্য আধাৰ।" কিযনো—

উদাস হৃদয তাৰ অকলে আকুল
প্ৰাণৰ মাজত বাজে বিষাদৰ সুৰ। (অকলশৰীয়া)

আকৌ জাগতিক দুখ যন্ত্ৰনা আৰু প্ৰহেলিকাময সুখৰ দ্বাৰা জৰ্জৰিত কৱিৰ প্ৰাণে উপলব্ধি কৰিলে—

সুলকিছে—লাহে সংসাৰৰ বান্ধ
মুকলিছে মন মোৰ। (বীণবৰাগী)

ফলত তেওঁ দেখিবলৈ পালে—

মুকলি আকাশ মুকলি, মুকলি
প্ৰকৃতি আইৰ মুৰ। (বীণবৰাগী)

শেষত আত্মোপলব্ধি আৰু দিব্য দৃষ্টি লাভ কৰাৰ পাছত কৰিয়ে বুজিব পাৰিলে যে—

মোৰ ভাৱৰতে মই ৰহণ বাকি দিও
মযে বতাহছাটি হৈ উকৰাই নিওঁ। (বীণবৰাগী)

আগৰৱালা দেৱে প্ৰকৃতিৰ বুকুত বলা নিৰ্ম্মম নিয়তিৰ অনন্ত সোঁতত বিশ্বাস ৰাখিছিল। সেযে তেওঁ কৈছে—

ফুটে কি নুফুটে ফুল, সৰে কি নসৰে
ভলে সোঁত অবিৰাম চলিছে সৰ্ব্বতিকাল। (অনন্তৰ সোঁত)

এই নিৰ্ম্মম চিৰন্তনতাই চৌধাৰীৰ প্ৰভাতৰ মনোহৰ ৰূপ-কান্তিকো ছাৰখাৰ কৰি পেলাইছিল—

ধীৰে ধীৰে নিদাঘৰ দহন মুৰতি
ধৰিলে কি ভীষণ আকাৰ
নন্দনৰ চাৰুখেলা চাওতে চাওতে
নিমিষতে হ'ল ছাৰখাৰ (নশ্বৰতা)

চৌধাৰী বা ৱাৰ্ডচৱাৰ্থৰ দৰে আগৰৱালাদেৱে প্ৰকৃতিৰ বুকুত বিলীন হৈ ৰহস্যবাদীৰ ভূমিকা লোৱা নাছিল। তন্ময়তাৰ পৰিবৰ্ত্তে সমালোচনামূলক দৃষ্টিভঙ্গীৰে তেওঁ প্ৰকৃতিক উপলব্ধি কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ প্ৰকৃতি কেতিয়াবা সুন্দৰী, কেতিয়াবা দয়াশীলা আৰু কেতিয়াবা নিষ্ঠুৰ জড়চৈতন্য ৰূপে দেখা দিছিল। এই পোহৰত চাবলৈ গলে আগৰৱালাদেৱৰ ৱাৰ্ডচৱাৰ্থতকৈ টেনিচনৰ লগতহে বেছি সাদৃশ্য দেখা যায়।

চন্দ্ৰকুমাৰৰ মালিতা

—নন্দ তালুকদাৰ

চন্দ্ৰকুমাৰ আগৰৱালা অসমীয়া নৱন্যাস যুগৰ বাটকাটোতা। আগৰৱালা সম্পাদিত জোনাকী আলোচনীতে নৱন্যাস যুগৰ সূচনা হৈছিল। জোনাকীৰ জৰিয়তে সণ্টালনিকৈ অসমীয়া সাহিত্যত এচাম কৱিয়ে আত্মপ্ৰকাশ কৰিছিল। জোনাকীৰ পাততে প্ৰথম অসমীয়া গল্প-উপন্যাসৰ সূচনা। জোনাকীৰ পাততে আধুনিক অসমীয়া মালিতাৰো জন্ম। নৱন্যাস যুগৰ বাটকাটোতা চন্দ্ৰকুমাৰ আগৰৱালাই আধুনিক মালিতা বা কাহিনী গীতৰো জনক।

মালিতা বা কাহিনী গীতক ইংৰাজীত বেলাড (Ballad) বোলা হয়। লক্ষ্মীনাথ বেজবৰুৱাই ইয়াক মালিতা নাম দিছিলে। ডিম্বেশ্বৰ নেওগে গীত কাব্য আখ্যা দিছিলে। ইংৰাজী বেলাড শব্দটো ফৰাচী বেলেৰ (Baller) শব্দৰ পৰা উৎপত্তি বুলি কোৱা হয়। বেলাডৰ উৎপত্তি সম্বন্ধে ডক্টৰ প্ৰফুল্লদত্ত গোস্বামীযে লিখিছে -"গীত-পদ গুৰিতে নৃত্যৰ সৈতে অবিচ্ছেদ্য ভাবে জড়িত আছিল, বেলাড শব্দটোৱেও নৃত্যৰ পৰিপূৰক ভাবে গোৱা গীতহে বুজায়। আদিম যুগত যেতিয়া হয়তো খেলটো চিকাৰৰ পৰা উভতিল, তেতিয়া কোনোবা এজনে হাবিত কি কৌশল আৰু বিপদৰ মাজত হাতী বা বাঘ ঘাইল কৰা হ'ল, কেনেদৰে তাক ধৰা হ'ল, এনে ঘটনাবিলাক হাত ভৰি জোকাৰি অঙ্গি ভঙ্গী কৰি বৰ্ণনা কৰিছিল, এনে বৰ্ণনাই সতকাই ওচৰে কাষৰে থকা মানুহবিলাকৰ মন আকৰ্ষণ কৰে, আৰু গোটেইবিলাক মানুহে গোট খাই এটা উত্তেজনাৰ আবেষ্টনী সৃষ্টি কৰে।

তেনে উত্তেজনাপূৰ্ণ আবেষ্টনীত সকলো মানুহেই একেজন ব্যক্তিৰ দৰে অঙ্গি ভঙ্গী কৰে আৰু শৰীৰৰ উত্তেজনা মুখেৰে প্ৰকাশ কৰে। মুখেৰে প্ৰকাশ কৰা লয়পূৰ্ণ এই উত্তেজিত ভাষাই বেলাডৰ মূল বস্তু।”

পৃথিৱীৰ সৰহভাগ ভাষা সাহিত্যতে বেলাডৰ জন্ম প্ৰাচীন কালত। বেলাড আনহাতে অনাখৰী সাহিত্য। আখৰ বোধ নজনা চহালোকৰ মুখত বেলাডৰ উৎপত্তি। প্ৰাচীন বেলাডত ৰচকৰ নাম নাই। মানুহৰ মুখে মুখে যুগ যুগ ধৰি চলি আহিছে। বেলাডৰ উৎপত্তিৰ সঠিক সময় নিৰূপণ কৰাও সহজ নহয়। ৰচকে একোটি সুসঙ্গবদ্ধ কাহিনী গীতৰ আকাৰত আগবঢ়াই নিয়ে। দু সাহসিক কাৰ্য্য, যুদ্ধ বিগ্ৰহ আদিৰ বৰ্ণনাই বেলাডৰ প্ৰধান উপজীব্য। কাহিনীৰ লগত প্ৰেম, প্ৰীতি, বিদ্বেষ ঘৃণা আদিৰ কথাযো প্ৰাধান্য লাভ কৰে। বেলাডৰ সৰহভাগ কাহিনীয়ে অতিবাস্তৱ বা অলৌকিক। বেলাডৰ নায়ক-নায়িকাই পাখীলগা ঘোঁৰাত উঠি আকাশেৰে উৰি যাব পাৰে। পানীৰ তলেৰে উৰি যোৱা ভোমোৰাক তৰোৱালেৰে কাটিব পাৰে, ফুলৰ পৰা মানুহ ওপজে, গছবিৰিখও কথা কব পাৰে। বেলাডৰ সুললিত ছন্দ আৰু সাবলিল বৰ্ণনা ভঙ্গীযে অবাস্তৱ বৰ্ণনাৰ মাজেৰেও মানুহৰ মন মুহিব পাৰে। ভাব ভাষা আৰু প্ৰকাশ ভঙ্গীৰ ফালৰ পৰা বেলাড নিভাজ কৱিতা। বেলাডৰ সুৰৰ স্পন্দন অন্যতম আকৰ্ষণ। বেলাড বিৱৰণমূলক কৱিতা। এই কৱিতাত ৰচকৰ কোনো পৰিচয নাথাকে। বেলাডত ব্যক্তি অনুভূতিতকৈ সামাজিক অনুভূতিৰ প্ৰকাশ বেছি। গীতৰূপে গাবৰ বাবেই ইযাৰ উৎপত্তি।

অন্যান্য সাহিত্যৰ দৰে অসমীযা মালিতা বা কাহিনী গীতৰ উৎপত্তিকালো অতি প্ৰাচীন আৰু এই গীতৰ ৰচক অজ্ঞাত নামা কৱি। মালিতা বা কাহিনীগীত অসমীয়া সাহিত্যৰ গীতিযুগৰ উজ্জ্বল নিদৰ্শন। আখৰবোধ নথকা

লোকৰ মুখত ৰচিত এই মালিতাসমূহ মানুহৰ মুখে মুখে যুগ যুগ ধৰি চলি আহিছে। অনাখৰি যুগৰ গৌৰবোজ্জ্বল নিদৰ্শন এই মালিতাসমূহ লিখিত ৰূপ পালে ঊনৈশ শতিকাৰ শেষছোৱা আৰু কুৰি শতিকাৰ প্ৰাৰম্ভত। মালিতাৰ ৰচক সম্বন্ধে ডিম্বেশ্বৰ নেওগ ডাঙৰীযাই লিখিছে "এই গীতবোৰ নিশ্চয় সমূহ ভাবৰ অভিব্যক্তি, ৰচয়িতাজন নিশ্চয় এজন গুটীয়া মানুহ, আনহাতে কৱিতাৰ দৰেই, তাকে মুখে মুখে, তেওঁ এই গীত ৰচনা কৰে, আৰু তাৰ পাছত সমূহৰ মুখত পৰি কালত ই নানান পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধন লাভ কৰি শেষত লিখিত অৱস্থালৈ আহি সি থিৰ বা থৰ হয়।"

আধুনিক অসমীয়া কাহিনী গীত বা মালিতা ইংৰাজী ৰোমাণ্টিক বেলাড আৰু প্ৰাচীন অসমীয়া কাহিনী গীতৰ সংমিশ্ৰণত সৃষ্টি হৈছে। জোনাকী যুগত গল্প উপন্যাসৰ আগে আগে কাব্য সাহিত্যত নৱ জাগৰণৰ সূচনা হয়। ইংৰাজী ৰোমাণ্টিক কৱিতাৰ আৰ্হিত অসমীয়া কাব্য সাহিত্যতো নৱন্যাস ধৰ্ম্মী কৱিতাই বিকাশ লাভ কৰে। প্ৰাকজোনাকী যুগৰ কৱিতাটো পৰিবৰ্ত্তনৰ ধাৰাই প্ৰাণসঞ্চাৰ কৰিছিল যদিও প্ৰাক জোনাকী যুগৰ কৱিতাত প্ৰাচীন অসমীয়া কৱিতাৰ ঠাচ বিদ্যমান।

অষ্টাদশ শতিকাৰ পাশ্চাত্য সাহিত্যৰ নতুন যুগটোকে ৰোমাণ্টিক (Romantic) আখ্যা দিয়া হয়। অসমীয়াত ইয়াক কোৱা হয় 'নৱন্যাস' আৰু হিন্দীত 'স্বচ্ছন্দবাদ'। কল্পনাৰ অভূতপূৰ্ব্ব প্ৰসাৰ, আন্তৰিক ভাবানুভূতিৰ তীব্ৰতা আৰু অনুভূতিৰ মুক্ত প্ৰকাশেই এই নতুন আন্দোলনৰ বিশেষত্ব। অকল কাব্য সাহিত্যৰ ক্ষেত্ৰতেই নহয় ৰূপকথা, বুৰঞ্জী, দৰ্শন আদি সকলো ক্ষেত্ৰতে ৰোমাণ্টিক আন্দোলনৰ প্ৰভাৱ স্পষ্ট।

ৰোমাণ্টিক কৱিতা অধ্যযন কৰিলে তিনিটা স্পষ্ট ধাৰা চকুত পৰে—(১) সৰল অনাৰম্বৰ জীৱনৰ প্ৰতি স্পৃহা (২) ৰহস্যপূৰ্ণ সূক্ষ্ম বিস্ময বিমূঢ ভাব অৰ্থাৎ জনাৰ প্ৰতি বিস্ময়

বিমূঢ়তা আৰু নজনাৰ প্ৰতি আশ্চৰ্য্য ভাব, সৌন্দৰ্য্যৰ প্ৰতি অসীম স্পৃহা আৰু (৩) অনুসন্ধিৎসুভাব।

ৰোমান্টিক কৱিতাৰ কেইটিমান ৱিশেষ লক্ষণ দেখা যায় (১) প্ৰকৃতি উচ্ছ্বাস (২) অলৌকিকতাৰ বৰ্ণনা (৩) সাধাৰণ বস্তু সম্ভাৱৰ প্ৰকাশ (৪) পৌৰাণিক কাহিনী উদ্ধাৰ (৫) প্ৰণয় উচ্ছ্বাস (৬) মানৱ উচ্ছ্বাস (৭) গতানুগতিকতাৰ বিপক্ষে বিপ্লৱ (৮) নতুন ছন্দ প্ৰয়োগ।

সচাৰলনিকৈ জোনাকীৰ জৰিয়তে অসমীয়া সাহিত্যত নৱন্যাস আন্দোলনৰ সূচনা কৰা কৱিসকলৰ ভিতৰত চন্দ্ৰ-কুমাৰ আগৰৱালা অন্যতম। প্ৰথম বছৰ প্ৰথম সংখ্যা জোনা-কীত প্ৰকাশ পোৱা চন্দ্ৰকুমাৰৰ 'বনকুঁৱৰী'যেই প্ৰথম অসমীয়া ৰোমান্টিক কৱিতা। প্ৰতিমা (১৯১৪) আৰু বীণবৰাগী (১৯২৩) চন্দ্ৰকুমাৰৰ দুখনি কৱিতা সংগ্ৰহ। পুথি দুখনিত সন্নিবিষ্ট প্ৰায় তিনিকুৰি কৱিতাই তেওঁৰ কাব্য প্ৰতিভাৰ পৰিচয়। প্ৰতিমা আৰু বীণবৰাগীত অন্তৰ্ভুক্ত নোহোৱাকৈ আৰু কেইটিমান কৱিতা আছে।

আগৰৱালাৰ কৱিতা ৰাজিত তিনিটা স্পষ্ট ধাৰা চকুত পৰে (১) নৈসৰ্গিক বা প্ৰকৃতি বিষয়ক (২) মানৱ প্ৰেমী বা জীৱন সুলভ (৩) বিশ্বপ্ৰেমিক বা অতিমানৱ সম্বন্ধীয়। অৱশ্যে আগৰৱালাৰ কৱিতা এনেভাবে নিয়মেৰে শৃঙ্খলিত কৰা সহজ নহয়। তেওঁৰ নৈসৰ্গিক কৱিতাত অতি প্ৰাকৃতিক ভাবৰ সমন্বয় ঘটিছে, মানৱ সুলভ কৱিতাত কাহিনী গীতৰ প্ৰভাৱ পৰিছে।

আগৰৱালা অকল ৰোমান্টিক কৱিতাৰ পথ প্ৰদৰ্শকেই নহয় তেওঁৰ কৱিতাত ৰোমান্টিক কৱিতাৰ প্ৰায় সকলো লক্ষণেই প্ৰকাশ পাইছে। মানৱ প্ৰেম চন্দ্ৰকুমাৰৰ কৱিতাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। মানৱ বন্দনা, বীণবৰাগী আনকি কাহিনী গীততো মানৱ প্ৰেম পৰিস্ফুট। আনহাতে কৱি সৌন্দৰ্য্যৰ

পূজাৰী। 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল' কবিৰ কাব্য জীৱনৰ মূলমন্ত্ৰ স্বৰূপ। কবিৰ সৌন্দৰ্য্যৰ অধিষ্ঠাত্ৰী গৰাকী দেৱী নে মানৱী ঠিৰাংকৈ কব নোৱাৰে। ৰবীন্দ্ৰনাথৰ সুৰত কবলৈ হলে 'অৰ্দ্ধেক মানৱী অৰ্দ্ধেক কল্পনা'। চন্দ্ৰকুমাৰৰ মতে "সৌন্দৰ্য্যৰ মাধুৰ্য্য পূৰ্ণ বিকাশত প্ৰকাশ নাপায়। প্ৰকাশ পায় অৰ্দ্ধ বিকাশত (মাধুৰী)। তেওঁৰ প্ৰকৃতি দৰ্শনত আছে "সৌন্দৰ্য্যানুভূতিৰ পৰ্য্যবেক্ষণ আৰু চিত্ৰমূলক বৰ্ণনা। কবিয়ে প্ৰতিমাত আধিভৌতিক ভাবধাৰা প্ৰতীকৰ সহায়ত প্ৰকাশ কৰিছে।"

চন্দ্ৰকুমাৰৰ কবিতা সম্বন্ধে শ্ৰীহেম বৰুৱাই লিখিছে "চন্দ্ৰকুমাৰৰ কাব্যকলাত মনোৰম চিত্ৰ ধৰ্ম্মী ৰূপ জাতিষ্কাৰ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে নিজৰাৰ পাৰত মুকলি হোৱা 'বনকুঁৱৰী' বেলেডৰ প্ৰাকৃতিক দৃশ্যপট 'জলকুঁৱৰীত' অঙ্কিত ৰং, ৰূপ পূৰ্ণ চিত্ৰৰে অনুৰূপ। এনে কিছুমান জলকুঁৱৰীৰ লগত সাক্ষাত হয় যিবোৰে আমাক সহজতে কবি ৰেগনাৰৰ দ্বাৰায় অঙ্কিত ৰাইন নৈৰ পাৰৰ বিদ্যুৎ— বালিকাসকলৰ কথা স্মৰণ কৰায়। তেজীমলাৰ কাৰুণ্য উপচিপৰা কাহিনীযে মন সাগৰত অলেখ ঢউৰ সঞ্চাৰ কৰে। আমাৰ প্ৰচলিত ৰূপ কথা এটিৰ তেজীমলা হৈছে নিখুঁত কাব্য ৰূপ। পৰিস্ফুট মাত্ৰাসমূহে গীতটোৰ তীব্ৰতাত শান দিছে।"

চন্দ্ৰকুমাৰৰ প্ৰথম ৰোমান্টিক কবিতা 'বনকুঁৱৰী।' বন-কুঁৱৰী আনহাতে কাহিনী গীত। বনকুঁৱৰী, জলকুঁৱৰী আৰু তেজীমলা এই তিনিটিযে স্বৰচিত কাহিনী গীত। বনকুঁৱৰী আৰু জলকুঁৱৰীত একোটি কাহিনী আছে যদিও কাহিনী-সমূহ আকৰ্ষণীয় নহয়। বনকুঁৱৰীৰ আখ্যান ভাগত আধি দৈৱিক জগতখনৰ সন্ধান পোৱা যায়। জলকুঁৱৰীৰ কাহিনী বনকুঁৱৰীৰ সমধৰ্ম্মী। তেজীমলা মানুহৰ মুখে মুখে চলি অহা সাধু এটিৰ সাৰ্থক চিত্ৰৰূপ। কথা বস্তুৰ ফালৰ পৰা

তেজীমলা বেছি আকৰ্ষণীয় আৰু চন্দ্ৰকুমাৰৰ সাৰ্থক কাহিনী গীত। কবিৰ 'আশীৰ্ব্বাদ' আৰু 'বিমুখ' কবিতাটো একোটি ক্ষুদ্ৰ করুণ কাহিনী আছে। দুয়োটি কবিতাৰ মৰ্ম্ম করুণ আৰু হৃদয়গ্ৰাহী। এই দুটি কবিতাক কৃত্ৰিম কাহিনী গীত আখ্যা দিব পাৰি।

চন্দ্ৰকুমাৰৰ 'বনকুঁৱৰী' এহাতে প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা আৰু আনহাতে প্ৰথম আধুনিক কাহিনী গীত। মুকলিমুৰীয়া ছোৱালীৰ জীৱনৰ চিত্ৰৰূপ অঙ্কণ কৰোতে কবিয়ে বনকুঁৱৰীৰ জীৱনৰ বিভিন্ন কাৰ্য্যাৱলীৰ প্ৰতি দৃষ্টি ৰাখিছে। নিজম দুপৰীয়া আপোন মনে বনৰ মাজত গুছৰী মাৰি দেওদি নাচি ফুৰা বনকুঁৱৰীয়ে ইটিয়ে সিটিক মৰম যাচিছে। প্ৰকৃতি জীয়ৰী বনকুঁৱৰী যেন সংসাৰৰ মায়া মোহ বিষয় বাসনাৰপৰা বহু আঁতৰত। সেইবাবে আপোন মনে প্ৰকৃতিৰ সতে নিজকে বিলাই দিব পাৰিছে। গহীন বননিৰ মাজত নিজম দুপৰীয়া মুকলি চুলিৰে টুক-টুক চাপৰি বাই নাম গাই গাই আপোন পাহৰা হৈছে। চিৰসঙ্গী হৰিণ পোৱালিটিকো আদৰেৰে আনি জানৰ পাৰত এটুপি পানী খুৱাইছে। কুমাৰী ছোৱালীৰ মৰমত প্ৰকৃতিৰ আজলী হৰিণীও থৰ লাগি ৰৈ গৈছে।

উজ্জ্বল শ্যাম বৰণীয়া মুখ খনি, শিৰত মৰকত মণি, বিবিধ বনলতিকাৰ ভূষণ, খোপাত ফুলৰ মালা, অপূৰ্ব্ব বেশভূষাৰে সজ্জিত প্ৰকৃতিৰ আজলী বনকুঁৱৰী দেৱী নে অইন কিবা ঠাৱৰ কৰিব পৰা নাই। কবিয়ে অকল আজলী বনকুঁৱৰীৰ দৈহিক সৌন্দৰ্য্যৰ বৰ্ণনাতে সীমাবদ্ধ থকা নাই। কবিতাৰ পটভূমিও মনোগ্ৰাহী। প্ৰকৃতিৰ আজলী জীয়ৰী বনকুঁৱৰীৰ বিচৰণৰ থল জনসমাগমৰ পৰা আঁতৰত।

গহীন গছত বতাহৰ ছাটি—
পাত কঁপে থৰ থৰ।

আৰু, নিচুক লতিকা গছক সাৱটি—
প্ৰতি অঙ্গে চুমাচুমি।
পাতৰ আঁৰত থাকি কপৌটিয়ে
কিবা কৰে জুমাজুমি
সেই ঠাইখন বৰ জযাল, তাহানিৰ এৰাবাৰী।
সিজুপি বকুল এই এৰাবাৰী
কোন কাহানিবা গল।
চিন এই ভেটি তামোল লেটেকু
হল বহুদিন হল।
বাঁহৰ ছাযাত গজালি গজিছে
কোননো ইযাত ফুৰে
জুৰ জুৰ কৰি বতাহ বলিছে
বাঁহৰ মাজে মাজে ঘূৰে।

ইটিযে সিটিক বুকুত সুমুৱাই প্ৰাণৰ অফুৰন্ত মৰম যচা কপৌ এহালিৰ দাম্পত্য প্ৰণযৰ চিত্ৰ মধুৰ আৰু অন্তৰস্পৰ্শী।

গাত গা লগাই কপৌ দুটিযে
মুখতে মুখদি আছে
অকণি বুকুত ইটিক সুমাই
সিটিযে মৰম যাচে।

এনে মনোৰম দৃশ্যই যক্ষিণী কন্যাৰ বুকুত হেজাৰ জোৱাৰ সৃষ্টি কৰা অস্বাভাৱিক নহয। কিন্তু যক্ষিণী কন্যা বনকুঁৱৰী আপোন মনে টুক টুক চাপৰি বাই আনন্দত আত্মহাৰা। সেইবাবে কৱিযে ঠাৱৰ কৰিব পৰা নাই সঁচা-কৈয়ে এইযা দেৱী নে বনকুঁৱৰী। এনে তৰহৰ অনুসন্ধিৎসু ভাবৰ সৃষ্টি কৰিবলৈকে কৱিযে অতি প্ৰাকৃত পৰিবেশ ৰচনা কৰিছে।

বনকুঁৱৰীত কোনো সুসংগঠিত কাহিনী নাই। কৱিতা-টোৰ আকৰ্ষণীয দিশ হল সংবেদনশীল মানবীয আবেদন।

কথা বস্তুতকৈ নৈসৰ্গিক বৰ্ণনাই বহল ঠাই অধিকাৰ কৰিছে। সেই দৃষ্টিকোণৰ পৰা সাৰ্থক কাহিনী গীত বা মালিতা আখ্যা নিদি কৃত্ৰিম মালিতা আখ্যা দিলে অধিক বজিতা খাব। 'বনকুঁৱৰী' চন্দ্ৰকুমাৰৰ প্ৰথম ৰচনা। প্ৰথম ৰচনা হিচাপে বনকুঁৱৰীৰ পৰা আৰু বেছি আশা কৰিব নোৱাৰি। কিন্তু প্ৰথম ৰোমাণ্টিক কবিতা হিচাপে ৰোমাণ্টিক কবিতাৰ ভালেখিনি লক্ষণ বিদ্যমান।

ছন্দৰ ফালৰ পৰা বনকুঁৱৰী নিখুঁত নহয়। কাহিনী গীতৰ সাৱলীলতা বনকুঁৱৰীত ৰক্ষা পৰা নাই যদিও বন-গীতৰ নিছিগা সুৰৰ ধ্বনি বনকুঁৱৰীৰ অন্যতম বৈশিষ্ট্য। পৰ্ব্ব, চৰাৰ প্ৰতি দৃষ্টি ৰাখিলেও ছেদ আৰু যতিৰ সুচাৰু প্ৰয়োগ হোৱা নাই।

চন্দ্ৰকুমাৰৰ দ্বিতীয় কাহিনী গীত জলকুঁৱৰীও মানৱী নহয়। এই কবিতাটিত কবিয়ে ভূমাৰ সৌন্দৰ্য্যৰ মাজতে এক অপাৰ্থিৱ সৌন্দৰ্য্যৰ সন্ধান দিছে। এই কবিতাটোত কোনো পৰিকল্পিত কাহিনী নাই। কেৱল জলকুঁৱৰীৰ জীৱ-নৰ স্থিতিৰ এটি মহিয়ান ৰূপ অঙ্কণ কৰিব বিচাৰিছে। প্ৰথম কবিতাৰ দৰে জলকুঁৱৰীও প্ৰকৃতিৰ বুকুত আপোন পাহৰা। নৈৰ বুকুত ফুলাম পালতৰি যেন প্ৰিয়জনলৈ প্ৰাণৰ বাতৰি পঠিয়াইছে। জলকুঁৱৰীৰ সতে দিগম্বৰীসকলে নাচি আৰু নাগবালাসকলে চাপৰি বাই আনন্দত আত্মহাৰা হৈছে। এই খেলা মানুহ সমাজে সহজতে হাতে ঢুকি-পোৱা লীলা খেলা নহয়। ই যেন স্বৰ্গীয়। অন্তৰৰ মৰমতকৈ প্ৰকৃতি জীয়াৰী, ৰাজহাঁহ, কেতেকী চৰাই সকলোকে আপোন কৰি লৈ মন মুহি পেলালে। পূৰ্ণিমা নিশাৰ ভাকপৰাৰ আগে আগে কুঁৱলীৰ আৰে আৰে জল-কুঁৱৰী সৰে পৃথিৱীত দেখা দি উষাৰ আগমনিৰ লগে লগে আঁতৰি যায়। দিনৰাতিৰ এক মধুৰ সংমিশ্ৰণৰ মাজত জলকুঁৱৰীসকলৰ অৱস্থান। প্ৰকৃতিৰ বিভিন্ন সম্ভাৱৰ মাজত

নিজকে বিলাই দি আনন্দত আত্মহাৰা। প্ৰকৃতিৰ বিভিন্ন সত্তাৰৰ সৈতে কৱিৰ সম্বন্ধও ঘনিষ্ঠ। প্ৰতীক ধৰ্মী চিত্ৰসমূহো আকৰ্ষণীয়।

পথালি চকুত এধাৰ এধাৰ
তৰাই তথালৈ চায়
জলৰ পানীৰ দপোণলৈ চাই
হাঁহিছে মিছিকিযাই

ৰাজহংসই ফুল নাওখনি টানি টানি নিয়া, পদুমৰ বেণু গাত সানিলোৱা, পানীত টুপাই বুৰ মৰা আদি স্পষ্ট আৰু সজীৱ চিত্ৰ।

বনকুঁৱৰী কবিতাৰ লগত জলকুঁৱৰী কবিতাৰ ভালেমান সাদৃশ্য আছে। দুযোটা কৱিতাতে কবিয়ে গতানুগতিক কাহিনীৰ ওপৰত প্ৰাধান্য দিয়া নাই। কাহিনীৰ ওপৰত প্ৰাধান্য নিদিলেও সংবেদনশীলতা অন্যতম বৈশিষ্ট্য। দুযোটা কৱিতাতে প্ৰকৃতিত-সত্তাৰ সত্তা আৰোপিত হৈছে। বনকুঁৱৰীতকৈ জলকুঁৱৰীৰ ছন্দ সজ্জা পৰ্ব্ব চৰণ আদি কিছু পৰিমাণে নিখুঁত। জলকুঁৱৰী কৱিতাত যতি আৰু ছেদ কিছু পৰিমাণে উন্নত।

বনকুঁৱৰী আৰু জলকুঁৱৰী কৱিতাৰ অন্তৰালত দেখা যায় ৰূপহী গাভৰু ছোৱালীৰ মুকলিমূৰীয়া জীৱনৰ প্ৰতি কৱিৰ স্পৃহা। সজাৰ পখীৰ সৌন্দৰ্য্যতকৈ মুকলিমূৰীয়া চৰাইৰ সৌন্দৰ্য্যই আপোন পাহৰা কৰাৰ দৰে কৱিয়েও বিচাৰিছে দেও দি নাচি ফুৰিব পৰা এটি মুকলিমূৰীয়া পৰিবেশ। মুকলিমূৰীয়া প্ৰকৃতি বালাই প্ৰকৃতিৰ বিভিন্ন সত্তাৰ মাজত নিজকে বিলাই দিব পাৰিছে। কৱিৰ সৌন্দৰ্য্য সন্ধানি মনৰ তৃপ্তি সেইখিনিতে। সেইবাবে ঘৰুৱা নাইবা সামাজিক পৰিবেশৰ ছোৱালীৰ জীৱনৰ স্থিতিয়ে কৱিক আকৰ্ষণ কৰিব পৰা নাই। কৱিয়ে বাছি লৈছে প্ৰকৃতিৰ এক নিৰ্জন পৰিবেশ। কোনো জন সংশ্ৰৱৰ মাজত বা পথালি চকুৰা সমাজৰ মাজত বনকুঁৱৰী নাইবা জলকুঁৱৰীক লেখিয়া আবেলী ছোৱালীক ৰাখিব বিচৰা নাই।

তেজীমলা কৱিৰ সাৰ্থক মালিতা। মানুহৰ মুখে মুখে চলি অহা তেজীমলা নামৰ সাধুটিৰ আমি লিখিত ৰূপ পাওঁ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' আৰু টাৰ্ণাৰৰ 'মডাৰ্ণ ইংলিছ বিডাৰ'ত। তেজীমলাৰ করুণ জীৱনৰ কাহিনীয়ে সকলোৰে অন্তৰ জয় কৰিব পাৰিছে। কৱিয়ে কিন্তু প্ৰচলিত সাধু-কথাটিৰ যথাযথ ৰূপ দিয়া নাই। তেজীমলাৰ মাজেৰে ৰোমাণ্টিক কৱিতাৰ ভাব আদৰ্শ সুন্দৰ ভাবে প্ৰকাশ কৰিব পাৰিছে। ৰোমাণ্টিক কৱি নহৈ আগৰৱালা প্ৰাচীন কৱি হোৱা হলে কৱিয়ে সাধুকথাত থকাৰ দৰে যথাযথ ৰূপত প্ৰকাশ কৰিলেহেঁতেন।

ৰোমাণ্টিক কৱিতাৰ অন্যতম লক্ষণ পৌৰাণিক কাহিনী উদ্ধাৰ। ৰোমাণ্টিক কৱিতাৰ এই লক্ষণলৈ দৃষ্টি ৰাখি কৱিয়ে সাধুকথাটিক নতুন ৰূপত দাঙি ধৰিছে।

আমি জানো মাতৃহাৰা আজলী কুমাৰী তেজীমলাক কেনেদৰে মাহীমাকে জীৱনত অশেষ যাতনা দিছিল। অকল যাতনাতে সীমাবদ্ধ থকা হলে কৱিতাৰ ৰূপ সলনি হলহেঁতেন। নিষ্ঠুৰ মাহীমাকে যাতনাতে ক্ষান্ত থাকিব নোৱাৰি হাত ভৰি মূৰলৈকে ঢেঁকীত খুন্দি বাৰীৰ পাছত পুতি থলে। তেজীমলাৰ মৰা ভেটিৰ ওপৰত লাও গজি উঠিল। ইমানতো মাহীমাক ক্ষান্ত নহল। কাটি ছিঙি লাওজোপা নৈৰ বুকুত উটুৱাই দিলে। নৈৰ কোবাল সোঁতত দূৰ দিগন্তলৈ উটি নগৈ তেজীমলা ফুল হৈ ফুলি থাকিল।

বেজবৰুৱাৰ 'বুঢ়ীআইৰ সাধু' আৰু 'টাৰ্ণাৰৰ ইংৰাজী সাহিত্যত থকা কাহিনীৰ ইমানলৈকে কৱি নিমাত। মাহী মাকৰ নিষ্ঠুৰ যাতনা আৰু হৃদয়হীনতাৰ হুবহু চিত্ৰ আৰু কৱিয়ে কৱিতাত বৰ্ণাব বিচৰা নাই।

কৱিয়ে কৱিতাটো আৰম্ভ কৰিছে প্ৰকৃতিৰ এক মধুৰ পৰিবেশৰ মাজত। ৰাঙলী বৰণ সনা তেজগোৰা বেলিটিয়ে

পৃথিৱীক চেনেহ সম্ভাষণ যাচিছে। নীল আকাশৰ বুকুত ভাহি থকা মেঘপুঞ্জই ৰাঙলী বহণ সানি পৃথিৱীৰ চৌদিশে আশাৰ ৰাঙলী কিৰণ ছটিয়াই দিছে। প্ৰকৃতিৰ এনে মধুৰ পৰিবেশত ৰিৱ ৰিৱ বলা মলয়া বতাহে আহি ৰাতিপুৱাৰ টোপনিৰ পৰা জগাই দিছে। ৰাঙলী বহণ সনা নৈৰ পানী-বোৰে যেন আনন্দত আত্মহাৰা হৈ তেজীমলাৰ চৰণ পখালি দিছে। প্ৰকৃতিৰ এনে অপৰূপ পৰিবেশৰ মাজত তেজী-মলাই নিজৰ সৌন্দৰ্য্য প্ৰকাশ কৰিছে।

ৰূপতে ৰূপ তুলি পাৰিজাত ফুলি
তেজীমলা জকমকায়

তেজীমলাৰ প্ৰকৃতিৰ মাজৰ জীৱন নতুন জীৱন। এই জ।ৱনৰ লগত হিংসা দ্বেষ পৰিপূৰ্ণ মানৱ সমাজৰ কোনো সম্বন্ধ নাই। নিষ্ঠুৰ ভাবে যি গৰাকী কুমাৰীক মানুহে হত্যা কৰি নিশেষ কৰিলে সেইজনা আজলী কুমাৰীযে প্ৰকৃতিৰ সতে আপোন ঘৰ পাতি ললে। পানীৰ লতাবোৰকো মৰ-মেৰে সাৱটি ধৰিলে। কবিৰ মনত সেইবাবে প্ৰশ্ন উদয় হৈছে—

মানুহ কুটুমে দলিযাই পেলালে
কাকনো কুটুম পালি?

নিষ্ঠুৰ মানুহৰ সঙ্গৰ পৰা আঁতৰি আহিল যদিও তেজীমলা অকলশৰীযা নহল। মৰমী আজলী কুঁৱৰীজনীযে সৰল অন্তৰ খনিৰে প্ৰকৃতিৰ বিভিন্ন সম্ভাৰ প্ৰাণীজগতৰ পৰা পালে সীমাহীন মৰম। মলয়া বাযুৰ সতে মিতিৰ পাতিলে, পানীৰ সোণৰূপ মাছ যেন ঘৰ পোহনীযাহে, পানীলতাই মৰমেৰে বুকুত সাৱটি লয়। কিন্তু তেজীমলাই জানো মানুহ সমাজৰপৰা আঁতৰি আহিহে এনে সীমাহীন মৰমৰ অধিকাৰী হব পাৰিছে। তেজীমলাৰ মৰমী অন্তৰখনিয়ে ঘৰুৱা জীৱনৰ আবেষ্টনীৰ মাজতো পোহনীযা পাৰ জুৰি, শাৰলী পোৱালি, হৰিণাজনীক

অনাম চেন্নেহ কৰিবলৈ সুকণ্ঠা উলিয়াব পাৰিছিল। তেজীমলাৰ অবিহনে সিহঁত যেন এতিয়া অনাথ। তেজীমলাৰ জীৱন লগৰী মৰমৰ সখী জনীক অকলে এৰি আহিলে। কবিৰ মনত প্ৰশ্ন জাগিছে, যিজনী ছোৱালীয়ে মৰমৰ বিনিময়ত মৰম পাব পাৰিছিল, সেইজনী ছোৱালী বা মানুহ সমাজৰ পৰা আঁতৰি আহিব লগা হল কিয়? কবিৰ দৃষ্টিত তেজীমলা নিষ্কলুষ, সাদৰী আজলী কুমাৰী। অথচ কুমাৰী ছোৱালীজনী মানুহৰ হাতত নিষ্ঠুৰ ভাবে নিহত হ'ল।

মানুহৰ চোতালত মাধুৰী ফুটিলে
মানুহে নিচিনে হায়
সাৰি তুলি ছিঙি মোহাৰী পেলালে
মানুহৰ মৰমো নাই।

মানুহৰ মৰমৰ প্ৰতিদানৰ সলনি হত্যাকাণ্ডৰ দৰে নিষ্ঠুৰতা আৰু কি হব পাৰে। তেজীমলাৰ দৰে এগৰাকী অনিন্দ্য সুন্দৰী মৰম ভিখাৰী কুমাৰীয়ে মানুহৰ মাজত থাকিব নোৱাৰাটো স্বাভাৱিক।

মৰমৰ পানী নোহোৱা ঠাইত
কেনেকৈ বিশ্বাস থয়?
সেয়ে তেজীমলা দূৰতে শিপাই
পাৰিজাত হৈ ৰয়।

মানুহৰপৰা আঁতৰি প্ৰকৃতিৰ মাজত নিবিড় ভাবে নিজকে বিলাই দিলে। আৰু যাতে ধুমুহা বতাহে একো কৰিব নোৱাৰে তাৰবাবে তলিৰে সৈতে শকত বান্ধোনেৰে বান্ধ খালে। কবিয়ে প্ৰচলিত সাধুকথাৰ পৰা আঁতৰি আহি এনে এক নতুন পৰিবেশৰ মাজত তেজীমলাক উপস্থাপন কৰিছে। প্ৰকৃতিৰ মাজত নিজকে বিলাই দি তেজীমলাই লাভ কৰিলে বিমল আনন্দৰ সফুৰা।

প্ৰকৃতিৰ প্ৰাণৰ মধুৰ আৰু সহজ সৰল পৰিৱেশৰ মাজলৈ আৰু এক নতুন পৰিস্থিতিৰ উদ্ভৱ হ'ল। যিদিনা তেজীমলাক মাহীমাকে নিষ্ঠুৰ ভাবে হত্যা কৰি পানীত উটুৱাই দিছিল সিদিনা যেন তেজীমলাৰ বিৰহত বাওঁৰী বেলিটিয়ে বেজাৰত পশ্চিম আকাশত মাৰ গৈছিল। আজি যেন তেনে এক আগন্তুক নতুন আশঙ্কাই দেখা দিছে। অনাগত আশঙ্কাৰ অন্তৰালত লুকাই আছে যেন তেজীমলা আকৌ নিষ্ঠুৰ মানুহৰ মাজলৈ আঁতৰি যোৱাৰ বিৰহ যাতনা। উজাই অহা চিকুণ নাওখনিত আনন্দৰ বতৰা বহন কৰি অনা নাই। তেজীমলাৰ আৰু মানুহৰ ওপৰত সমূলি বিশ্বাস নাই।

মানুহৰ নাও মানুহৰ ভাও
দেখি যে লাগিছে ভাল
মানুহ মিতিৰ বৰ মৰমৰ
পাতিছে কিহৰ জাল ?

সেই নাওখনিত আহিছে গহীন মুখখনিৰে মৰমেৰে সনা কোনোবা এজন। সেইজন কোন স্পষ্ট ভাবে কোৱা নাই। কৈছে মাথোন 'মোৰেইটো দেৱতা এওঁ" বুলি। 'মোৰেইটো দেৱতা এওঁ' এইকথা ফাকিত যেন এটি সাঁথৰ লুকাই আছে। 'দেৱতা'জন কোন ? পিতৃদেৱ নে হৰখোজা স্বামী। সেইকথা অস্পষ্ট যদিও 'দেৱতা' শব্দৰ অন্তৰালত লুকাই থকা স্বামী গুৰুৰ' বা ভাবীস্বামীৰ কথা অনুমান কৰিব পাৰোঁ। যিজনী ছোৱালীয়ে মাহীমাকৰ অকথ্য যাতনা নীৰৱে সহি মৃত্যু বৰণ কৰিলে সেইজনী ছোৱালীয়ে হৰখোজা স্বামীৰ গুচৰলৈ 'মোৰেইটো দেৱতা এওঁ' বুলি কাষচাপি যোৱা কথা ভাবিবলৈ কেনেবা লাগে। তেতিয়া হ'লে পিতৃ দেৱতা দৃশ্যপটলৈ অহাৰ সুবিধা মাথোকে। কবিতাত কেৱল এজন পুৰুষৰহে ইংগিত আছে। আমি হয়তো মোৰেইটো দেৱতা এওঁ পিতৃদেৱ বুলিও অনুমান কৰিব পাৰোঁ। কবিয়ে কবিতাটো এনেভাৱে

চৰম উৎকৰ্ষলৈ (Climax) আনি সামৰণি মাৰিছে। অস্পষ্ট ভাবে সন্দেহৰ দোমোজাত ৰখা বাবে কৱিতাটোৰ সুকীয়া সৌন্দৰ্য্য প্ৰকাশ পাইছে।

কৱিতাটোৰ শেষৰ স্তবকত কৱিয়ে কৰিলে কি? মানুহৰ হৃদয়ৰ হীনতা, নিষ্ঠুৰতা, প্ৰতাৰণাৰ বিৰুদ্ধে অনিন্দ্য-সুন্দৰী স্বভাৱ চপলা কুমাৰী তেজীমলাক এক বিদ্ৰোহিনী ৰূপ দিলে।

"হাতো নেমেলিবি ফুলো নিছিঙিবি
ক'ৰে নাওৰীয়া ভই?
মানুহে ফুলৰ কিজানে আদৰ?
তেজীমলাহে মই।"

যি মানুহে মানুহ ফুলৰ আদৰ নাজানে সেই মানুহৰ ওচৰত তেজীমলাই বা আত্ম সমৰ্পণ কৰিব কিয়? এবাৰ মানুহৰ হাতত যি শিকনি পালে তাক তেজীমলাৰ লেখীয়া ছোৱালী এজনীয়ে বা পাহৰেই কেনেকৈ? প্ৰকৃতিৰ মাজত তেজীমলা যে এতিয়া চিৰসুখী। নিষ্ঠুৰ মানৱ সমাজ আৰু প্ৰকৃতিৰ বিভিন্ন গছ লতা আৰু প্ৰাণীজগতৰ মাজত থকা পাৰ্থক্য দেখুৱাই কৱিয়ে এনে ভাবে সামৰণি মাৰিছে। মানুহৰ হৃদযহীনতাৰ নিষ্ঠুৰতাৰ বিৰুদ্ধে তেজীমলাক বিদ্ৰো হিনী ৰূপ দি কৱিয়ে প্ৰচলিত ৰূপ কথাৰ পৰা আঁতৰি আহিছে। তেজীমলাৰ বিদ্ৰোহী উক্তিৰ পিছত সামৰণি মৰাৰ বাবে কৱিতাটো আমি অসম্পূৰ্ণ বুলি কব নোৱাৰো। পাৰিলোঁহেঁতেন যদি তেজী মলা এটি পুৰণি কাহিনী গীত হ'লহেঁতেন। কিন্তু চন্দ্ৰকুমাৰ ৰোমান্টিক কবিতাৰ ৰাট কাটোতা। পুৰণি কথা বস্তুত নতুন আলোক সম্পাত ৰোমান্টিক কবিতাৰ অন্যতম লক্ষ্য। এনেভাবে কৱিতাটি সামৰণি মৰা বাবে ৰোমান্টিক কৱি হিচাপে দোষাৰোপ কৰাৰ থল নাই।

কৱিতাটো যেনে ভাবেই উপস্থাপন নকৰক কৱিতাটোৰ কেন্দ্ৰস্থ ভাব মানৱ প্ৰেম।

মানুহৰ চোতালত মাধুৰী ফুটিলে
মানুহে নিচিনি হায়
সাৰি তুলি ছিঙি মোহাৰি পেলালে
মানুহৰ মৰমো নাই।

অকল তেজীমলা কৱিতাৰেই নহয় চন্দ্ৰকুমাৰৰ আন কৱিতাৰো কেন্দ্ৰস্থ ভাব মানৱ প্ৰেম। মানৱ আত্মা ঈশ্বৰৰ স্বৰূপ। কৱিৰ মানৱ বন্দনা কৱিতাত সেই সুৰৰ স্পন্দন অনুৰণিত হৈছে।

বনকুঁৱৰী আৰু জলকুঁৱৰীৰ দৰে তেজীমলাকো কৱিয়ে প্ৰকৃতিৰ এক মোহনীয় পৰিবেশত মুকলিমূৰীয়াভাবে বিচৰণ কৰাৰ সুযোগ দিছে। তাকে কৰিবলৈ ঘৰুৱা পৰিবেশৰ মাজৰ পৰা আঁতৰাই আনিছে। পিচতো ঘৰুৱা পৰিবেশৰ মাজলৈ পুনৰ ঠেলি দিয়া নাই। কুমাৰী ছোৱালীৰ মুকলি মূৰীয়া জীৱনৰ প্ৰতি কৱিৰ আনুগত্য এইখিনিতে অস্বীকাৰ কৰিব নোৱাৰি।

তেজীমলাক কৱিয়ে যেনে ভাবেই যি পৰিবেশতে উপস্থাপন নকৰক কৱিতাটো যে কৱিৰ সাৰ্থক সৃষ্টি সন্দেহ নাই। গোটেই কৱিতাটোতে বনগীতৰ এটি নিছিগা সুৰৰ ব্যঞ্জনা অনুৰণিত হৈছে। নিমজ ছন্দ আৰু সাবলীল প্ৰকাশ ভঙ্গীয়ে কৱিতাটো সুখ পাঠ্য কৰি তুলিছে।

চন্দ্ৰকুমাৰৰ আন দুটি কৱিতা 'বিমুখ' আৰু 'আশীৰ্ব্বাদ'ৰ অন্তৰালত একোটি করুণ কাহিনী আছে। 'বিমুখ' কৱিতা অকালতে মৃত্যুৰ মুখত পৰা আজলী কুমাৰী জীয়াৰীৰ করুণ সোঁৱৰণ। মৰমৰ আজলী জীয়াৰীজনী অকালতে সংসাৰৰ পৰা আঁতৰি গ'ল। কৱিৰ কথাত 'দুৱাৰৰে পৰা উভতিলি ঘৰলৈ।' অৰ্থাৎ মানুহৰ নিজাপী ঘৰ স্বৰ্গলৈ। ঘৰুৱা পৰিবেশত হয়তো মুকলিমূৰীয়া হৈ ফুৰিব নোৱাৰিব। নিজৰ ঘৰখনত চিৰকুমাৰী ৰূপে মুকলিমূৰীয়া হৈ থাকিব পাৰিব।

আঁতৰি যোৱাৰ কৰুণ সন্ধিক্ষণত মাথোন কবিয়ে আগবঢ়াইছে এটুপি চকুপানী। "আশীৰ্ব্বাদ" কবিতাটো বিমুখ কবিতাৰ কৰুণ সুৰেই শুনা গৈছে। মুকলিমূৰীয়া আকণী ছোৱালীজনীয়ে ভাই-ভনী সমন্বিতে থকা এখন জনপূৰ্ণ সংসাৰৰ পৰা আঁতৰি 'নিৰালী' ঘৰখনলৈ যাবলৈ ওলাইছে। কবিয়ে পূৰ্ব্বৰ কবিতাৰ দৰে আশীৰ্ব্বাদ কবিতাটো এটুপি চকু পানীৰে বিদায় দিছে। কামনা কৰিছে জীয়াৰীৰ এটি সুমধুৰ জীৱন।

কিবা আছে মোৰ? দুখীয়া হৃদয় মোৰ
চকুপানী টুপিছে সম্বল।
সুন্দৰ মুখৰ দৰে সুন্দৰ জীৱন
হোক তোৰ এয়ে ধন বল।

কবিতা দুটিক কৃত্ৰিম মালিতাৰ শ্ৰেণীভুক্ত কৰিব পাৰি। তেজীমলাৰ বাহিৰে আন আন কাহিনী গীতৰ কথা বস্তু আকৰ্ষণীয় নহয় যদিও কবিয়ে প্ৰকৃতিৰ এনে এক মধুৰ পৰিবেশৰ মাজত ৰচনা কৰিছে যে মালিতা হিচাপে নহলেও কবিতা হিচাপে মনোগ্ৰাহী হৈছে। সচৰাচৰ কাহিনী গীতত থকাৰ দৰে কথা বস্তুৰ ওপৰত প্ৰাধান্য দিয়াৰ হাবিয়াস কৰিব নাই। ৰোমাণ্টিক ভাব আদৰ্শ আগত ৰাখি কবিয়ে প্ৰকৃতিৰ অপৰূপ দৃশ্যাৱলীৰ চিত্ৰপট অংকণ কৰিছে। কবিতা কেইটিৰ অন্যতম আকৰ্ষণ সংবেদনশীল মানবীয় আবেদন। সেইবাবে চন্দ্ৰকুমাৰৰ কাব্য প্ৰতিভাই সীমাবদ্ধ ৰচনাৰ মাজেৰে সমাদৰ লাভ কৰিছে। প্ৰথম ৰোমাণ্টিক কবি হিচাপে চন্দ্ৰ-কুমাৰৰ পৰা ইয়াতকৈ আৰু বেছি আশা কৰিব নোৱাৰি। প্ৰথম ৰোমাণ্টিক কবি হলেও চন্দ্ৰকুমাৰৰ কবিতাত ৰোমাণ্টিক কবিতাৰ লক্ষণ পূৰামাত্ৰাই প্ৰকাশ পাইছে। সাহিত্যৰ বুৰঞ্জীয়ে চন্দ্ৰকুমাৰ আগৰৱালাৰ অবদানৰ কথা চিৰকালেই সুঁৱৰিব লাগিব।

আগৰৱালাৰ কৱিতাত আশাবাদ

—দুৰ্গেশ্বৰ শৰ্মা

অসমীয়া কৱিতা জগতত আগৰৱালা প্ৰতিভাৰ খনিকৰ বুলি প্ৰসিদ্ধ। প্ৰতিমা আৰু বীণবৰাগী কৱিতা গ্ৰন্থৰ মাজেৰে চন্দ্ৰকুমাৰে অসমীয়া কৱিতাৰ সমৃদ্ধি সাধনত আগভাগ লৈছে। দুয়োখন গ্ৰন্থত ৰোমান্টিক ভাবানুভূতিৰ অপূৰ্ব্ব উন্মেষন হৈছে।

আগৰৱালা জোনাকী যুগৰ ত্ৰিমূৰ্ত্তিৰ প্ৰথম আৰু সাহিত্যৰথী বেজবৰুৱাৰ লগত তেওঁৰ সম্পৰ্ক আছিল অতি নিবিড়। সাহিত্যৰথী গভীৰ আশাবাদত উদ্বুদ্ধ ব্যক্তি আৰু তেওঁ আশাৰ সঞ্জীৱনী পানী ছটিয়াই মুমূৰ্ষু অসমীয়াৰ প্ৰাণত নবীন চেতনাৰ সঞ্চাৰ কৰিছিল। বেজবৰুৱাৰ সতীৰ্থ আগৰ-ৱালা এই নবীন চেতনাৰ প্ৰভাৱৰ পৰা মুক্ত নাছিল, বৰং বেজবৰুৱাৰ বিপৰীতে তেওঁ এক আধ্যাত্মিক স্তৰৰ সমন্বয়ত এই নবীন চেতনাক অধিক শক্তিশালী আৰু স্থায়ী কৰিছিল।

আগৰৱালা আধ্যাত্মিক ভাৱৰ কৱি। তেওঁৰ আধ্যাত্মিকতাৰ মাজেৰে কৱিৰ ব্যক্তি জীৱনৰ মানসিক দিগবলয়ৰ পৰিধি আৰু জাতীয় জীৱনৰ ভাৱমণ্ডলৰ উচ্চতাৰ সমৃদ্ধি সাধিত হৈছে। ব্যক্তি জীৱন, সমাজ জীৱন আৰু আধ্যাত্মিক জীৱনৰ সম্পৰ্কত তেওঁ কোনো দিনেই নিৰাশাবাদী নাছিল, তেওঁ আছিল গভীৰ আশাবাদত দীক্ষিত ব্যক্তি। তেওঁৰ যি কোনো শ্ৰেণীৰ কৱিতা সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে এই কথাৰ সত্যতা ওলাই পৰিব।

চন্দ্ৰকুমাৰৰ মানসিক পৰিধি অকল ব্যাপকেই নহয়, পৰিষ্কাৰো, এই ব্যাপকতা আৰু পৰিচ্ছন্নতা আশাবাদৰ মাজেৰে সাধিত হৈছে। মানুহৰ অসীম ভৱিতব্যতাৰ ওপৰত

কৱি আগৰৱালাৰ গভীৰ আস্থা। এই আস্থা কেতবোৰ কৱিতাৰ মাজেৰে বিকশিত হৈছে। কৱিৰ দৃষ্টিত এইখন পৃথিৱী স্বৰ্গতকৈয়ো অধিক বিনন্দীয়া। এই পৃথিৱী মানুহৰ নিজা ঘৰ। মানুহ নৰ-ৰূপী ভগৱান। এই নৰ ৰূপী ভগৱানৰ সেৱা কৰা মানুহৰ প্ৰথম কৰ্ত্তব্য —

মানৱী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে
মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।
মানুহেই লগ মানুহেই সঙ্গ
মানুহেই পৰাৎপৰ,
এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।
মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।

বিশ্বৰ সকলোৱে তেওঁৰ আপোনজন, সকলোকে তেওঁ কুটুম বুলিহে আঁকৰি লৈছে —

মানৱী জনমে পৰ হিত সাধাঁ
পৰক আপোন কৰি প্ৰাণ কৰ্ত্তা,
কেও নোহে পৰ মানুহ তোমাৰ
কুটুমে কুটুমে ভৰা এই যে সংসাৰ।

নতুন বছৰৰ লগে লগে প্ৰকৃতি জগত আনন্দৰ জয় জয়কাৰ ধ্বনিৰে মুখৰিত হ'ল। চৰায়ে গীত গালে। নৈয়ে যৌৱন পালে। বিৰিখত কুঁহিপাত দেখা দিলে। কৱিৰ দৃষ্টিত এই পৰিবৰ্ত্তনৰ সামগ্ৰীক ৰূপৰ মাজেৰে আশাৰ বাণী প্ৰচাৰিত হৈছে,—

ভৱিষ্যৰ ন সিচি বুকলি
আজি হ'ল তোমাৰ আগত
নদী বন পৰ্ব্বত আকাশে
আশাৰ বাতৰি প্ৰচাৰিত

কৱিৰ দৃষ্টিত জগত অসাৰ নহয়। জীৱন স্বপ্ন নহয়। সৃষ্টিৰ এটি ৰহস্য আছে, জীৱনৰ এটি গূঢ় অৰ্থ আছে। এই সত্য উপলব্ধিৰ কাৰণে দৃষ্টিৰ প্ৰসাৰতাৰ প্ৰয়োজন :—

স্বপ্ন গুচি এযে সঁচা চকুৰ আগত,
যদি চাব জানা এই সুন্দৰ জগত।

একোটিহঁত দাৰ্শনিক তথ্যৰ প্ৰতিও আগৰৱালাৰ গভীৰ পৰকাষ্ঠা। ব্ৰহ্ম বা নিৰঞ্জনৰ বাহিৰে জগতত কাৰো অস্তিত্ব নাই বুলি কৱিয়ে ভাবিছে। জগত নিৰঞ্জনময়। জগত আৰু জীৱ তেওঁৰেই প্ৰতিবিম্ব। এই চিৰন্তন সত্যৰ ৰেঙণিৰে তেওঁৰ কৱিতা মহিমান্বিত -

সংসাৰ মোৰেই পূৰ্ণ দেখো,
আছো মাথোঁ নিৰঞ্জন মই
নাই তুমি কেওঁ আৰু নাই,
পাৰা যদি হোৱা মোতে লয়।
মই মই মই মাত্ৰ বিপুল সংসাৰ
মই মই মই সুৰে শুনা
বাজিছে প্ৰাণৰ বীণা তান
মই বিনা আছে নো কি গুনা।

আগৰৱালাৰ বীণবৰাগী কৱিতাটি বিচিত্ৰ ভাৱ, অনুভূতি, আদৰ্শ আৰু চেতনাৰ এক অপূৰ্ব্ব সমন্বয়। আনবোৰ কৱিতাত পোৱা আশা বাদেও তাত সুস্থ সৱল বলিষ্ঠ ৰূপ পৰিগ্ৰহণ কৰিছে।

কৱিয়ে শোক-তাপ মোচনৰ কাৰণে কাৰো আশ্ৰয় লোৱা নাই, সহায় ভিক্ষা কৰা নাই নাইবা উপদেশো গ্ৰহণ কৰা নাই। এই সকলো প্ৰকাৰ যাতনাৰ পৰা মুক্তিৰ কাৰণে তেওঁ অন্তৰৰ ওচৰ চাপিছে আৰু এয়ে তেওঁৰ গভীৰ আত্ম-বিশ্বাসৰ পৰিচয়.—

দুখ সাগৰৰ অন্ত তোমাতেই,
সন্তাপ আঁতৰাই নিয়া
তোমাতে আশ্ৰয়, তোমাতে নিৰ্ভয়
তোমাতে নিচুক হিয়া।

সুখৰ অন্বেষণ কৰি কৱিয়ে পৃথিৱী চলাথ কৰিলে, কিন্তু ক'তো সুখৰ মুখ নেদেখিলে। বৰং তেওঁৰ দুখৰ মাত্ৰা বৃদ্ধিহে পালে। তেওঁৰ মন অন্তমু খী হ'ল আৰু অন্তৰতেই সেই পৰম জনৰ সন্ধান পালে.—

প্ৰাণতে আছে প্ৰাণৰ সম্বল
দূৰত বিচাৰি ফুৰোঁ,
ভ্ৰান্তি মোহ জাল অ তৰোৱা প্ৰভু
মোহ অন্তকাৰী গুৰু।

সামাজিক অন্যায অবিচাৰ দেখি আগৰৱালাৰ অন্তৰে বিপ্লৱ কৰিছে সঁচা কিন্তু সেই বিপ্লৱে তেওঁক নিৰাশ হবলৈ বাট এৰি দিয়া নাই। বিপ্লৱী কৱিযে বৈষম্যপূৰ্ণ জগত ধ্বংসৰ কাৰণে মহাপ্ৰলয়ক আহ্বান জনাইছে। তেওঁৰ একান্ত বিশ্বাস ধ্বংসৰ মাজেৰে নতুন জগতৰ সৃষ্টি হব আৰু সেইখন—সমাজত 'মান-অপমান' 'দুখ লাজ ভয়' একো নেথাকিব। নতুন দিনৰ হিৰণ কিৰণে সকলোকে শুচি কৰিব। গতিকে আশাবাদী কৱিয়ে প্ৰাণৰ আকূতিৰে সেই নতুন দিনৰ আহ্বান কৰিছে :

মান অপমান টোৰাই যাওক
পৃথিৱীৰ পৰা শুচি।
নতুন সৃষ্টিৰ অৰুণ কিৰণে
কৰোক সকলোকে শুচি।

আগৰৱালাৰ কবিতাত সবল আশাবাদৰ স্বৰ্ণাঙ্কৰ উজলি আছে। 'এক গভীৰ আশাবাদত উদ্বুদ্ধ হৈ আগৰৱালাই কবিতা লিখিছিল, জোনাকী আৰু অসমীয়া কাকত উলিয়াইছিল আৰু প্ৰেছ স্থাপন কৰি অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ বিকাশত ৰৰঙণি যোগাইছিল। তেওঁৰ ব্যক্তি জীৱনৰ মাজেদি আধুনিক অসমৰ জাতীয় জীৱনৰ আভাস ফুটি উঠিছে। অসমৰ জন-গণক নৱ-চেতনাৰ বেদ-মন্ত্ৰত যি সকলে দীক্ষিত কৰিছিল তেওঁলোকৰ ভিতৰত আগৰৱালা জোনাকী যুগৰ প্ৰথম পুৰোহিত।

চন্দ্ৰকুমাৰ আগৰৱালাৰ সাহিত্য প্ৰতিভা

—প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য

যাইকৈ কবিৰূপে প্ৰখ্যাতি লভা অসমৰ আগশাৰীৰ ব্যৱসায়ী, সংবাদসেৱী আৰু সাহিত্যসাধক চন্দ্ৰকুমাৰ আগৰ-ৱালাৰ গদ্য ৰচনাৰ নিদৰ্শন তেনেই তাকৰ। 'জোনাকী' কাকতৰ আত্মকথাতো চন্দ্ৰকুমাৰৰ দেশপ্ৰেম আৰু জাতীয় প্ৰীতি ফুটি ওলাইছে। কাব্যৰ ভাষা সাধাৰণতে কৃত্ৰিম, কিন্তু গদ্যৰ ভাষা স্বাভাৱিক আৰু বাস্তৱমুখী। 'প্ৰতিমা' আৰু বীণবৰাগী'ৰ কবিয়ে গদ্য ৰচনাতো কবিসুলভ সৰলতা আৰু দেশপ্ৰীতিৰ পোনপটীয়া চানেকী দাঙি ধৰিছে। এইজনা সাহিত্যিকৰ লগত আমাৰ ব্যক্তিগত সান্নিধ্য নথকা অৱস্থাত তেওঁৰ প্ৰতিভাৰ সম্যক্ মূল্যাঙ্কন কৰাটো সম্ভৱ নহয় তথাপিও তেওঁৰ গদ্য ৰচনাৰ সামান্য নিদৰ্শন আৰু কাব্য সম্পদৰ সম্যক্ প্ৰতি-চ্ছবিৰ মাজত মগ্ন হৈ অনুভৱ কৰিছো—চন্দ্ৰকুমাৰ আগৰৱালা সোণালী পথৰ পথিক, তেওঁৰ ৰচনা পৰাধীন অসমৰ আশা-আকাঙ্ক্ষা, দেশপ্ৰীতি আৰু জাতীয়তাৰ নিৰ্ভীক বাহক।

চন্দ্ৰকুমাৰ আগৰৱালা জোনাকী যুগৰ এটি উজ্জ্বল তাৰকা। কিন্তু ৱৰ্ডছৱৰ্থে মিল্টনক কোৱাৰ দৰে তেওঁ একাষৰীয়া হৈ থকা জোতিষ্ক নহয়। চন্দ্ৰকুমাৰৰ কথা সুঁৱৰিলেই আৰু দুটা উজ্জ্বল তাৰকাই ওচৰা ওচৰিকৈ পোহৰ বিতৰি জোনাকী যুগৰ সাহিত্য-আকাশ জাতিষ্কাৰ কৰা কথা আমাৰ মনলৈ আহে। সেই দুজন হল চন্দ্ৰকুমাৰৰ সাহিত্যিক সহযোগী লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী। এই ত্ৰিমূৰ্ত্তিৰ চৌপাশে আৰু বহুতো গ্ৰহ, উপগ্ৰহ, যুগল তৰা আৰু

পপীয়াতৰায়ো জোনাকী যুগৰ জিলিঙনি সিঁচিছিল। যীশুখৃষ্টৰ জন্মৰ সময়ত প্ৰাচ্যৰ বিজ্ঞলোকসকলক পূবৰ তৰাই বাট দেখুৱাইছিল যদিও, অসমীয়া আধুনিক সাহিত্যৰ প্ৰথম বাট দেখুৱাওঁতাসকল পশ্চিমৰ পৰা অহা বিজ্ঞলোকহে। অৰুণোদয়ৰ পিছত উষাৰ আলোক আহিছিল—পশ্চিমৰ ভাবধাৰা আৰু সাহিত্যিক প্ৰসাৰণৰ ফল স্বৰূপেহে। অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক দুৱাৰমুখ কলিকতাই আধুনিক অসমীয়া সাহিত্যৰো আৱাহনী তোৰণ।

আঠাইশ বছৰীয়া ডেকা উইলিয়াম ৱৰ্ডছৱৰ্থ আৰু ছাব্বিশ বছৰীয়া যুৱক ছেমুৱেল টেইলৰ ক'লৰিজে যুটীয়া কাব্যকোষ—"ডি লীৰিকেল বেলাডছ" ৰচি উলিয়াই ১৭৯৮ চনত ইংৰাজী সাহিত্যৰ ৰক্ষণশীল আৰু গতানুগতিক ভাব-ধাৰাত যি খলকনি লগালে, আমাৰ কলিকতা প্ৰবাসী অস-মীয়া ডেকা-ছাত্ৰ লক্ষ্মীনাথ, হেম গোসাঁই আৰু চন্দ্ৰকুমাৰে তাৰে প্ৰায় নব্বৈ বছৰৰ মূৰত "জোনাকী" কাকত উলিয়াই সিমান হেন্দোলদোপ লগাব নোৱাৰিলেও জাতীয় চৈতন্য সঞ্চাৰ কৰিলে। এই তিনিজনাক আমি নতুন যুগৰ সূচনা কাৰী বুলি অভিনন্দন জনাবই লাগিব।

কোনো কবি বা সাহিত্যিকৰ ৰচনাৰ লেখ জোখ লওঁতে সমসাময়িক পৰিবেশৰ উমান লোৱাৰ উপৰিও সেই লোকজনৰ ব্যক্তিত্বলৈ ভুমুকি মাৰিব লাগিব। কিয়নো যি কোনো ধৰণৰ প্ৰকৃত সাহিত্যৰে ভেটি হৈছে— ব্যক্তিগত অভিজ্ঞতা। ইংৰাজ সমালোচক উইলিয়াম হেনৰী হাডছনে লিখিছে— "এখন ডাঙৰ কিতাপ গ্ৰন্থকাৰৰ মগজু আৰু অন্তৰৰ পৰাই জন্ম পায়, তেওঁ নিজকে কিতাপৰ পাতবোৰত থাপনা কৰে; তেওঁৰ জীৱনৰ ওপৰতে সেইবোৰে নিৰ্ভৰ কৰে আৰু তেওঁৰ ব্যক্তিত্বৰ সঙ্গত সেইবোৰ জড়িত হৈ পৰে। আমি সেয়েহে পম খেদি গ'লে কিতাপৰ আঁৰত থকা মানুহ-জনৰহে প্ৰথমতে ওচৰ চাপিব লাগিব।" ব্যক্তিত্ব আৰু সাহিত্যৰ

এনে ওতঃপ্ৰোত সম্বন্ধৰ বাবেই আমি কোনো লোকৰ ব্যক্তিগত জীৱন আৰু কাৰ্য্যকলাপ নাজানিলে তেওঁৰ সাহিত্যৰ সাৰমৰ্ম্ম বুজিবলৈ টান পাওঁ। চন্দ্ৰকুমাৰ আগৰৱালাৰ লিখিত জীৱনী নাই যদিও তেওঁৰ নিজস্ব পৰিচয় পাবৰ উহঁ আছে। ভাষা সাহিত্য আৰু সংস্কৃতিৰ বিকাশত চন্দ্ৰকুমাৰৰ ব্যক্তিত্বই নিৰ্ভুল ভাৱে প্ৰমাণ কৰে যে তেওঁ নিজেও এজন কৱি, আৰু জাতিৰ সেৱক—তদুপৰি অসমৰ উন্নতিৰ পথত পাৰ্য্যমানে গাঁথিৰ ধন ভঙা এজন পৃষ্ঠপোষক। এই উদাৰচিতীয়া গুণবোৰৰ কাৰণে তেওঁক আমাৰ ভাল লাগে, পৰৱৰ্ত্তী বংশধৰসকলেও তেওঁক নাপাহৰে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্য প্ৰতিভাৰ পৰিচয় পোৱা য্যায়—'প্ৰতিমা' আৰু বীণবৰাগী'ত সঙ্কলিত আঠোটা বেছি আটেকুৰি কৱিতাত। এই কৱিতাবোৰৰ সৰহভাগেই 'জোনাকী' আৰু "বাঁহী" কাকতত প্ৰকাশ পোৱা। কাব্য কোষ দুখনি বৰ্ত্তমান বা ভৱিষ্যতৰ পাঠক পাঠিকাসকলৰ থাউকতে পোৱা কিতাপ, কিন্তু কৱিতাবোৰৰ ধাৰাবাহিক বা সাময়িক বিৰতি অনুসৰি প্ৰকাশে যে সমসাময়িক পাঠক-পাঠিকা আৰু লেখক-লেখিকাসকলক প্ৰভাৱান্বিত কৰিছিল, সেই কথা পাহৰিব নালাগিব। সংখ্যাত তাকৰীয়া হলেও তেওঁৰ কৱিতা ভাব গধুৰ। জগতৰ সাহিত্য বুৰঞ্জীত তাকৰীয়া ৰচনা লিখি যুগজোৰা খ্যাতি অৰ্জ্জা লোকৰ সংখ্যা নিচেই কম নহয়। ইংৰাজ কৱি কীটছেই তাৰ সৰবৰহী দৃষ্টান্ত। অসমীয়া সাহিত্যতো চন্দ্ৰকুমাৰ, গণেশ গগৈ, লক্ষ্মীধৰ শৰ্ম্মা আদি এই শাৰীৰে সাহিত্যিক।

প্ৰতিমা আৰু বীণবৰাগী পঢ়াৰ পিছত কৱিতাৰ স্তৰ বিভাগলৈ মন কৰিলে—তিনি শ্ৰেণীৰ কৱিতা বিশেষকৈ আমাৰ চকুত পৰে: নৈসৰ্গিক বা প্ৰকৃতি বিষয়ক, মানৱ বা জীৱন বিষয়ক আৰু বিশ্বপ্ৰেমী বা অতি-মানৱ বিষয়ক কৱিতা সমূহ। কিন্তু এনে কটকটীয়া বিভাগ কৰিলে আমাৰ বিপদ আছে, কিযনো তেওঁৰ নৈসৰ্গিক কৱিতাত অতি প্ৰাকৃতিক

ভাৱৰ সমন্বয় ঘটিছে, মানৱসুলভ কৱিতাত কাহিনী গীতৰ প্ৰভাৱ পৰিছে আৰু আধ্যাত্মিক কৱিতাতো উপনিষদিক সত্য নিহিত আছে।

নৈসৰ্গিক কৱিতাৰ শাৰীৰ নিদৰ্শন হল—ন।য়ৰ, সৰাপাহি, জলকুঁৱৰী, জোনাকী, প্ৰকৃতি, ফুলা সৰিয়হ ভৰা, বনকুঁৱৰী আদি। এই কৱিতাবোৰত প্ৰাকৃতিক ৰূপৰেখাৰ মাজেদি কৱিৰ মানৱ মনৰ থৌকি-বাথউ ভাব ফুটি ওলাইছে। প্ৰকৃতিৰ ৰং-ৰূপৰ কাষত কৰি গ্ৰীক-ৰোমান উপকথাৰ ভ্ৰম বিভ্ৰান্ত আৰু নিশ্চেষ্ট নাৰ্চিছাছ নহয় ভোমোৰাৰ দৰে ফুলৰ মৌ চুহিব খোজা শ্বেকছপীয়েৰৰ "টেম্পেষ্ট" নাটকৰ এৰিয়েল নাইৰা সৌন্দৰ্য্যানুভূতিত মুগ্ধ হৈ 'নাইটিঙ্গেল'ৰ অমিয়া কণ্ঠৰাগ উপ-ভোগ কৰা সৰল চিতীয়া কীট ছহে। 'ফুলা সৰিয়হ ভৰা'ৰ সোঁৱৰণীয়ে ৱৰ্ডছৱৰ্থৰ ডেফডিলবোৰৰ দৃশ্য ঘনে মনলৈ আনে।

জলকুঁৱৰীৰ বৰ্ণনা ভঙ্গী মনোৰম। জলকুঁৱৰী বুলিলে আমাৰ অসমীয়া মানুহৰ মনত এটা ছয়া-মযা ধাৰণা আছেই, তাতে আকৌ কৱিয়ে জলকুঁৱৰীক কুঁৱলী সাজেৰে পৰ্ব্বত জীয়াৰী হেন কৈ পিন্ধাই দিছে—

গলত হীৰক, খোপাত মাণিক
হাঁহিত মুকুতা পান্তি,
নীলোৎপল হাতে চৰণৰ পাশে
শঙ্খৰ ধৱল কান্তি

ইংৰাজী নৱন্যাসিক সাহিত্যৰ সোৱাদ পোৱা কৱিয়ে হলে অসমৰ বৈষ্ণৱ সাহিত্যৰ মধু মিশ্ৰ দুগ্ধৰ যাউতিযুগীয়া আস্বাদ পাহৰা নাই। বনকুঁৱৰীতো কৱিয়ে জনপ্ৰিয় ধাৰণাৰ ওপৰতে লুকাভাকু খেলিছে। নিজম দুপৰীয়া, বিজন বন তাতে আকৌ জুৰিৰ কাষ, কৱিয়ে দেখিবলৈ পালে দুজন বনফুলৰ সাজ পিন্ধা নাচনী:—

হুখোজতে লৰি পালোগৈ ঘূৰি
যক্ষিণী-কুমাৰী মাজ,
আঁহতৰ তলে নাচিছে হুজনী
পিন্ধি বনফুল সাজ।
মুকলি চুলিৰে নাম গাইফুৰি
চাপৰি টুক্ টুক্ টুক।
ৰূপহীৰ মেল দেৱযোনি খেল,
মানুহে নেদেখা মুখ।

বনকুঁৱৰীৰ ওচৰত কৰি চন্দ্ৰকুমাৰৰ আকুল আবেদন "মৰম ভিখাৰ। বিচাৰিছো দেৱ। প্ৰাণৰ অমিয়া মাধুৰী।"— বিহগী কবি চৌধাৰীৰ লগত পৰিবেশৰ পাৰ্থক্য থাকিলেও সমানেই অৰ্থব্যঞ্জক। প্ৰতিমা-কৱিৰ মানত নীযৰৰ টোপা নিশাৰ কৌনোবা ৰঙ্গিলী নাচনীৰ ছিঙি যোৱা মণি, কিন্তু এই সৌন্দৰ্য্য হিয়াভৰি উপভোগ কৰাৰ আগেয়ে—

"হায় কি বিষম পেলালে বাযুৱে জোকাৰি ফুলৰ পাহি।"

চন্দ্ৰকুমাৰৰ প্ৰকৃতি দৰ্শনত আছে— সৌন্দৰ্য্যানুভূতি, পৰ্য্যবেক্ষণ শক্তি আৰু 'শব্দ চিত্ৰ' মূলক বৰ্ণনা শক্তি। প্ৰকৃতিৰ উথল বুকুত অতি প্ৰাকৃত আভাই আমাৰ সামাজিক ভাৱধাৰাৰ অনুকূলে পোহৰ বিতৰি তেওঁৰ কাব্য মনোগ্ৰাহী কৰি তুলিছে। কৱিৰ মতে প্ৰকৃতি সুন্দৰ আৰু "সুন্দৰৰ আৰাধনা জীৱনৰ খেল।"

কৱিৰ মানৱ দৰ্শন হলে আৰু চমৎকাৰ। মানৱ সমাজৰ সুখ-দুখ, সৰলতা-কুটিলতা, মৰম ঘৃণা আদিৰ অঙ্কণত কৰি বেছ কৃতকাৰ্য্য হৈছে। প্ৰতিমা কাব্যৰ অকলশৰীয়া, চিৰলগৰীয়া, সুখ, জীৱনৰ লগৰীয়া, জীৱন উচ্ছ্বাস, জীৱনৰ দলি, কূট আৰু বীণবৰাগী কাব্যৰ বীণবৰাগী, পশুবল, কেও নোহে পৰ আদি ইয়াৰ সৰ্ব্বসম্মত নিদৰ্শন। 'মাধুৰী' নামৰ অনুপম কৱিতাটোৰ পটভূমিত বৰ্ণিত এটি

কিশোৰী ৰূপ থকা কাৰণে কামিনী দেহ লতাৰ সৌন্দৰ্য্য আৰু ভাবাবেগ ফুটি উঠিছে; এইটোক মানৱ-কৱিতা যেন লাগিলেও সেইবোৰে সীমাবদ্ধ মানৱ জীৱনৰ ক্ষুদ্ৰগণ্ডী অতিক্ৰম কৰি বিশ্ব-প্ৰেম বা অতি মানৱৰ গুণহে প্ৰকাশ কৰিছে। চন্দ্ৰকুমাৰৰ জীৱন বা মানৱ কৱিতাবোৰত ভাৰতীয় আধ্যাত্মিকতাৰ প্ৰভাৱ পৰিলক্ষিত হৈছে।

সুখ আৰু দুখ দুটা বস্তু নহয়— এটা বস্তুৰে ইপিঠি সিপিঠি। সুখতো বাহ্যিক নহয় অন্তৰৰহে সামগ্ৰী:—

সুখ সুখ বুলি বিয়াকুল নৰ
নেপায় সুখৰ বুজ।
বিচাৰি নেপায় আছে হাততেই
হায় কৰি মৰে যুঁজ। (সুখ)

বীণবৰাগী কৱিতাতো অনুৰূপ উপলব্ধিয়ে প্ৰকাশ পাইছে। বীণবৰাগী অসমীয়া ৰাইজৰ চিৰ চিনাকি। বীণবৰাগী বুলিলেই আমাৰ মানস পটত টোকাৰী লোৱা উদাস বৈৰাগী এজনৰ ছবি জিলিকি উঠে। লোক সমাজৰ এনে পূৰ্ব্ব ধাৰণাৰ সুযোগ লৈ ৰচিত সাহিত্য সৰৰহী হোৱাটো স্বাভাৱিক। চন্দ্ৰকুমাৰৰ বীণবৰাগীত যিদৰে "দুখৰ উপৰি দুখ" বৰ্ণাই সুখ দুখৰ মানৱীয় দৰ্শন ফুটাই তোলা হৈছে, ঠিক সেইদৰেই তেজীমলাত সমাজৰ কপটতা, ভণ্ডামি, হিংসা-দ্বেষ সুস্পষ্টৰূপে প্ৰকাশিত হৈছে।

তেজীমলাৰ দৰে শুৱনী কুমাৰী ছোৱালীজনীক "মানুহ কুটুমে দলিযাই পেলালে"। কৱিৰ চকুলো ওলাল, সংসাৰৰ প্ৰতি ঘৃণাও উপজিল।

কুমাৰী ছোৱালী কুটুমে পেলালে
দলিযাই মৰম ফেৰি
মানুহে মানুহে ইমান হে মৰম
চকুলো পৰে সুঁৱৰি।

মানুহৰ চোতালত মাধুৰী ফুটিলে
মানুহে নিচিনে হায়।
সাৰি তুলি ছিণ্ডি মোহাৰি পেলালে
মানুহৰ মৰমো নাই!

বনগীতৰ বিননি সনা এনে কাহিনী গীতে অসমীয়া সামাজিক পটভূমিৰ জাজ্বল্যমান চৰিত্ৰ কিছুমান ফুটাই তুলিছে। তেজীমলাৰ অনুৰূপ কাহিনী দেশে-বিদেশে বিভিন্ন ৰূপে প্ৰচলিত থকা কথা আমি জানোঁ। সতিনী আইৰ চকুপোৰা স্বভাৱৰ গুণে সতিনীৰ লৰা-ছোৱালীয়ে লটি-ঘটি হোৱা দৃষ্টান্ত অসমীযা সমাজত অলেখ আছে। লোকপ্ৰিয় সাধুকথা কাৰণে সাধাৰণ পাঠক-পাঠিকাই তেজীমলা নামৰ কৱিতাটোলৈ আকৃষ্ট হযনে আমাৰ সমাজত এতিয়াও চকুত পৰাকৈ জিলিকাই থকা মাহী আই আৰু সতিনী ছোৱালীৰ ঘৃকৰা কন্দলবোৰৰ কাৰণে আমাৰ হিয়া বেদনাৰে উপচি পৰে? লোকপ্ৰিয় সাধুকথাৰ পিঠিতো বাস্তৱৰ নিঠুৰ সত্যহে থাকে। নহলে অসম্ভৱ আৰু অবাস্তৱ কল্পনাৰ পৰী-দেৱ-দূতৰ কাহিনীয়ে আমাৰ মনত দুখ-বেদনাৰ জোঁৱাৰ তুলিব নোৱাৰে। তেজীমলা এজনী নহয — অসমৰ গাৱেঁ ভূয়ে, ভাৰতৰ পাহাৰে-ভৈয়ামে তেনে তেজীমলা হাজাৰ জনী আছে। সেযেহে ইযাৰ ইমান মনোগ্ৰাহিতা।

মাধুৰী কৱিতাৰ বৰ্ণনাভঙ্গীৰ বিষযে বিশেষ আলচ নকৰি মাথোন ইযাকে কব পাৰি যে সেই "চাওঁ নে নেচাওঁকৈ মৰমৰ দেহিটিক" ইংৰাজ কৱি টমাছহুডৰ দৰেই কবৰ মন যায়—তেনেজনী 'মাধুৰী'ক "তুমি আলফুলকৈ লোৱা, বেছ যতনেৰে তুলি লোৱা, আই ঐ দেহি! এনে কুমলীয়া আৰু ধুনীযাজনী, হাতৰ মুঠিতে ৰোৱা কঁকালখনি, বিধাতাই কুন্দতহে কাটিছে হবলা।"

কৱি চন্দ্ৰকুমাৰৰ সৌন্দৰ্য্য সাধনা, জীৱন দৰ্শন আৰু বাস্তৱৰ অভিজ্ঞতাসমূহে তেওঁক সমাজৰ চলিত দুৰ্নীতি-

দুৰাচাৰৰ বিৰুদ্ধে বিপ্লৱী কৰি তুলিছে। এই বিপ্লৱ আন্তৰিক বিপ্লৱ, মানুহক দেখুৱাবলৈ তেওঁ ব্যথা-বেদনা প্ৰকাশ কৰা নহয়—ই তেওঁৰ বিলাসী বিষাদ নহয়। কৱিৰ ভাষাত—

আঙুলি বুলাব জনা হলে আজি
পেলালোহেঁতেন টানি,
হিমালয় চুড়া বুৰালোহেঁতেন
উছালি কলীয়া পানী।

কিন্তু কৱিৰ বিপ্লৱী মনে বিধিৰ বিধান মানে। নতুন সৃষ্টিৰ নতুন জগৎ ৰচনাকাৰী ভগৱানৰ প্ৰতি তেওঁৰ অচলা ভক্তি আৰু বিশ্বাস আছে। সৃষ্টিৰ ৰহস্য জানিবলৈ ওমৰ খায়াম নাইবা শ্বেলীৰ দৰে আমাৰ কৱিয়েও একে সুৰতে প্ৰশ্ন সুধিছে—

কোনে জানে কিবা বিচাৰি আহিছো
নিজেও নোৱাৰোঁ কব।
আপোনাৰ ভাব আপুনি নেজানো
নেজানো পিচে কি হব?

শেষত কৱিয়ে উপলব্ধি কৰিছে—মানৱ সেৱাই পৰম ধৰ্ম্ম। মানৱ বন্দনা, বিশ্বভাৰৰীযা, সত্য তুমি, শিৱ তুমি অসীম সুন্দৰ আদি কৱিতাৰ মাজেদি আমি তৃতীয় স্তৰৰ বিশ্ব-প্ৰেমৰ আদৰ্শ দেখিবলৈ পাইছো। আধ্যাত্মিকতা আৰু চিন্তাপ্ৰৱণ শাৰীৰ কৱিতা—শান্তি, সংশয় ৰহস্য, অনন্তৰ সোঁত, সুন্দৰ আদিয়ে কৱিৰ হিযাত অতি মানৱৰ অনুভূতি—মৰণৰ সিপাৰৰ ক্ষীণ আভা পৰিস্ফুট কৰিছে। কিন্তু চন্দ্ৰকুমাৰৰ আত্মউপলব্ধি আৰু আত্ম অনুসৃত দাৰ্শনিক তথ্য হ'ল—

মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।

চন্দ্ৰকুমাৰৰ কাব্যৰ ছন্দ বৈশিষ্ট্য, বৰ্ণনাভঙ্গী, ভাষা আদি ভালেমান কথাই আলচ কৰিবলগীয়া আছে। সাধাৰণ পাঠক-পাঠিকাৰ মনোগ্ৰাহিতাৰ কাৰণে উচ্চ কাব্যিক ঝঙ্কাৰৰ প্ৰয়োজন নাই। সাধাৰণ জীৱনৰ সচৰাচৰ ঘটনাসমূহৰ সহজ সুপ্ৰকাশেই হ'ল—মনোগ্ৰাহিতাৰ সঁচাৰ কাঠি। চন্দ্ৰকুমাৰৰ কাব্যত ছন্দৰ ভঙা ছিঙা আছে, ভাষাৰ স্খলন হৈছে আৰু ধ্বনি প্ৰাচুৰ্য্যতকৈও ভাবৰ প্ৰাচুৰ্য্যহে সৰহ হৈ পৰিছে। কিন্তু এই খুটি নাটিবোৰে আকৰ্ষণীয়তা নিষ্প্ৰভ কৰা নাই।

আগৰৱালাদেৱে জোনাকী যুগৰ উদ্বোধনী সুৰ বজাই বাঁহী যুগত সুনাম লভি আৱাহন যুগৰ শেষ নৌ হওঁতেই আৰু যুদ্ধ যুগে থোৰ নৌ মেলোতেই আঁতৰি গ'ল যদিও তেওঁৰ কৱিতাই বেজবৰুৱাৰ দৰেই "নতুন প্ৰাণৰ ন চকু যুৰি" আমাৰ হিয়াৰ তলীত বিৰিঙাই তোলে। আমাৰ সন্দেহ হয়— আগৰৱালা নোহোৱা হলে বেজবৰুৱাক আমি এনে ধৰণৰ সাহিত্যৰ অধিনায়ক হিচাপে পালোঁ হয় নে নাই। ইংৰাজ সমালোচক জন্সন আৰু তেওঁৰ সমসাময়িক চক্ৰৰ বিচাৰ কৰিলে আগৰৱালাৰ স্থান বছৱেল নহলেও তেওঁতকৈ কোনো গুণে হীনপ্ৰভ নহয়।

চন্দ্ৰকুমাৰৰ সাহিত্য পঢ়িলে আবেগ-অনুৰাগৰ প্ৰাৱল্যই হৃৎক্ৰিয়া বন্ধ কৰি নিদিব পাৰে, মিলন বিৰহৰ তীব্ৰতাৰো সঞ্চাৰ নহব পাৰে, কিন্তু প্ৰশান্ত আৰু নিৰাবিল কাব্যিক আনন্দৰ পৰা পাঠক বঞ্চিত নহব বুলিয়ে আমাৰ ধাৰণা। আজি চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰয়াণৰ প্ৰায় এপুৰুষ পিছতো তেওঁৰ সাহিত্য প্ৰতিভাৰ বহণ ম্লান হোৱা নাই; বৰঞ্চ তেওঁৰ প্ৰাণস্পৰ্শী সুৰৰ সমাদৰ বাঢ়িছেহে।

চন্দ্ৰকুমাৰৰ কৱি মানস

—হৰিপ্ৰসাদ নেওগ

বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধৰ অসমীয়া কৱি মানস আৰু গতানুগতিক আধ্যাত্মিকতাৰ বিৰুদ্ধে কৰা কাব্যিক বিদ্ৰোহ যদি কোনো একক ব্যক্তিৰ প্ৰতিভাৰ প্ৰতিফলন বুলি ধৰা হয় তেন্তিয়া নিঃসন্দেহে কৱি চন্দ্ৰকুমাৰ আগৰৱালাৰ নাম আমাৰ মনলৈ আহে। ঊনবিংশ শতাব্দীৰ একেবাৰে শেষ দশকত আৰু বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত অসমৰ সাহিত্য ধাৰাত জাতীয় জীৱন প্ৰকাশত উদাৰ নৈতিক চেতনাৰ আধিপত্য বিস্তাৰৰ মাজেদি নবজাগৃতিৰ সূচনা হ'ল। এক বিৰাট ঐতিহাসিক চেতনাৰ অন্তৰালত এই যুগৰ পতন হল। এই চেতনা প্ৰসাৰিত হৈছিল ভাষাগত প্ৰতিষ্ঠা, যুৱমানসৰ বিস্তাৰ আৰু ৰোমাণ্টিক কাব্যিক উচ্ছ্বাসৰ মাজেদি। একোজন সাৰ্থক কৱি শিল্পীৰ সাৰ্থক সৃষ্টিৰ মাজেদি একোটা কালৰ প্ৰতিচ্ছবি যথাযথ ৰূপত ফুটি উঠা দেখা যায়। চন্দ্ৰকুমাৰৰ যুগৰ সাৰ্থকতা বহুলাংশে নিৰ্ভৰশীল মানুহৰ চেতনাৰ সীমা পৰিবৰ্দ্ধনৰ অৰ্থত হে।

যিটো কালত খণ্ডিতভাবে জীৱনৰ প্ৰাত্যাহিক তুচ্ছতাকো মহত্তম শিল্প সম্ভাৰৰ প্ৰকাশ পথলৈ আদৰি অনাৰ এক ঐতিহাসিক প্ৰচেষ্টা সমগ্ৰ ভাৰতবৰ্ষ জুৰি গ্ৰহণ কৰা হৈছিল সেই নৱ উন্মেষণৰ কালৰ কৱি আছিল চন্দ্ৰকুমাৰ। এই কালছোৱাত ভাৰতবৰ্ষত যি নৱজাগৰণৰ সূচনা হল সি অৱশ্যে আমাৰ স্বাৰ্থিক প্ৰজ্ঞাক মুকলিকৈ প্ৰকাশ কৰিব নোৱাৰিলে আৰু আন হাতে সৰ্ব্বাত্মক মুক্তিৰ পথ সৃষ্টিৰ প্ৰশস্ত ক্ষেত্ৰ এখনো উদ্ধাৰ কৰিব নোৱাৰিলে। অৱশ্যে এই

অক্ষমতাৰ ঐতিহাসিক কাৰণো আছিল। সেয়েহে চন্দ্ৰকুমাৰৰ দৰে ভাৰতবৰ্ষৰ প্ৰান্তীয় কবি সাহিত্যিকসকলৰ দুৰ্ব্বলতা বা অক্ষমতাক এই ক্ষেত্ৰত সম্পূৰ্ণৰূপে জগৰীয়া কৰিব নোৱাৰি। কিয়নো এই যুগৰ কবি শিল্পীৰ চিত্তত প্ৰতিভাত হৈছিল অসীমৰ ক্ষুধাৰ কথা বা চৰম নিবৃত্তিৰ কথা। জীৱনৰ প্ৰাত্যহিক তুচ্ছতাখিনি এই যুগৰ সাহিত্যৰ বুকুত প্ৰতিষ্ঠিত হোৱাৰ সুযোগ নাছিল বা মানুহৰ সঁচা পৰিচয়ৰ আৰু দুঃখৰ নিবৃত্তিৰ বস্তু গুণগত বিচাৰধাৰা ইযাত হোৱা নাছিল। কিন্তু চন্দ্ৰকুমাৰৰ দৰে প্ৰান্তীয় কবিসকলৰ ৰচনাত, ভাৰতবৰ্ষৰ নৱজাগৰণৰ মূল স্ৰোতধাৰাৰ কিছু অংশত মানুহৰ সৰ্ব্বাত্মক মুক্তিৰ আৰু পূৰ্ণত্ব স্থাপনৰ লক্ষ্যৰ আধাৰ সোমাই আছিল। সেযেহে চন্দ্ৰকুমাৰে ৰাখিছিল মানুহৰ ওপৰত গভীৰ আস্থা আৰু ঐতিহ্যগত বিশ্বাস আৰু এই আত্মবিশ্বাসৰ বাবে চন্দ্ৰকুমাৰৰ কাব্যকৃৰ্ত্তী আন সকলো ৰোমান্টিক কবিৰ কাব্য তৰঙ্গৰ ওপৰত।

সকলো সৃষ্টিৰ মূলতে একোটি কালৰ দ্যোতনা থাকে। কাপক চেৰাই কোনেও কালোত্তৰ বস্তু সম্ভাৰ সৃষ্টি কৰিব নোৱাৰে। এই সৃষ্টিৰ বাবে লাগিব স্বয়ংচলিত এক যান্ত্ৰিক পদ্ধতি, যি পদ্ধতি হব লাগিব এক ঐতিহাসিক চেতনা আৰু কালৰ দ্যোতনাৰে মুখৰিত।

অসমীয়া ৰোমান্টিক যুগৰ স্ৰষ্টা আৰু ভেটি নিৰ্ম্মাণ কৰোঁতাসকলৰ ভিতৰত চন্দ্ৰকুমাৰ অন্যতম। চন্দ্ৰকুমাৰ আগৰৱালাৰ যুগটো আছিল অসমীয়া ভাষাক বঙ্গ ভাষাৰ গৰাহৰ পৰা উদ্ধাৰ কৰি আত্মপ্ৰতিষ্ঠা কৰাৰ যুগ। অসমীয়া ভাষাৰ আত্মপ্ৰতিষ্ঠাৰ এই সময়ছোৱাত নৱ-সৃষ্টিৰ বোধন আৰম্ভ কৰিছিল চন্দ্ৰকুমাৰেই। এই যুগৰ প্ৰত্যেকজন স্ৰষ্টাৰে আমাৰ ভাষা সাহিত্যৰ প্ৰতি এক নিজস্ব ৰবঙণি আছে। এই ৰবঙণি এক ঐতিহাসিক তাৎপৰ্য্যৰে ৰমণীয়। আধুনিক অসমীয়া সাহিত্যৰ নিৰ্ম্মাতাসকলৰ ভিতৰত হেমচন্দ্ৰ বৰুৱা,

গুণাভিৰাম বৰুৱা, ৰমাকান্ত চৌধাৰী, সত্যনাথ বৰা, ভোলানাথ দাস, লম্বোদৰ বৰা কেৱল বাটকটীয়াই নহয়, এওঁলোকৰ সৃষ্টিৰ বস্তু সম্ভাৰে চন্দ্ৰকুমাৰক অনুপ্ৰাণিত কৰিছিল। সেয়েহে চন্দ্ৰকুমাৰ আগৰৱালাৰ – কবি মানসত পূৰ্ব্বসূৰী দলৰ আপোন কাব্য সাধনাৰ বস্তুচেতনা প্ৰতিফলিত হৈছিল। এই দৃষ্টিৰে বিচাৰ কৰিলে চন্দ্ৰকুমাৰক এজন যুগৰ আৱশ্যকীয় দাযিত্বশীল লেখক বা শিল্পী বুলিয়েই পৰিচয় সীমাবদ্ধ কৰিব নোৱাৰি, তেওঁৰ পৰিচযৰ সীমা তেওঁৰ কাব্য সাধনাৰ যথাৰ্থতাটোক (outhenticities) ব্যাপ্ত কৰিব পাৰি।

চন্দ্ৰকুমাৰ কালধৰ্ম্মী আৰু আত্মবিশ্বাসী। তেওঁৰ কবিতাৰ দুযোটা ধাৰা মানৱতাবাদ আৰু ৰোমান্টিক উচ্ছ্বাস এই বিশ্বাসেৰে দৃঢ়ীভূত হৈছিল। আগতে কৈ অহা হৈছে যে এই যুগটো অসমীয়া সাহিত্যত আধুনিক যুগ। কিন্তু আধুনিকতাৰ নামত চন্দ্ৰকুমাৰে মানুহৰ সমাজলৈ আনিলে সমতাৰ বাণী। সমতা আৰু ঐতিহ্যচেতনা তেওঁৰ কাব্যৰ মূল উৎস। চণ্ডীদাসে বিশ্বাস কৰা 'সবাৰ ওপৰে মানৱ সত্য তাহাৰ ওপৰে নাই'ৰ দৰে চন্দ্ৰকুমাৰেও বিশ্বাস কৰিছিল এই বুলিয়েই যে মানুহৰ দুখ নিবৃত্তিৰ বাবে লাগে গতিশীল এক জীৱনপ্ৰৱাহ। বোঁৱতী সুঁতীৰ দৰে জীৱনক নিত্য প্ৰৱাহমান কৰিব নোৱাৰিলে গভীৰতা উপলব্ধি কৰিব নোৱাৰি। সেইবাবে মানুহৰ দুখত তেওঁৰ অন্তৰে কান্দিছিল কিন্তু তাৰ প্ৰতিকাৰ তেওঁ বিচাৰি পোৱা নাছিল।

আচলতে সেই যুগত কোনো কবি শিল্পীয়ে প্ৰতিকাৰৰ কথা চিন্তা কৰা নাছিল। ব্যক্তিনিষ্ঠ বা বস্তুনিষ্ঠ ৰচনাত আত্ম উপলব্ধি বা বহিঃ জগতৰ বৰ্ণনা প্ৰকট কৰিছিল কিন্তু তাতকৈ আগবাঢ়ি তেওঁলোকে সমাধানৰ আঁট বিচাৰিবলৈ প্ৰয়াস কৰা নাছিল। সেইবাবে ৰোমান্টিক কবিসকলক এশ্ৰেণী সমালোচকে পলায়ণবাদী বুলি আখ্যা দিছিল।

চন্দ্ৰকুমাৰক অৱশ্যে এই আখ্যা দিব নোৱাৰি এই বাবেই যে, ৰোমান্টিক উচ্ছ্বাসত ৰচনা কৰা কাব্যৰাজি কল্পনাৰ সম্যক আভাৰে দীপ্ত হলেও সেয়া হল এক সৃজনী কল্পনা আৰু ইয়াৰ ওপৰতো আছে কৱিৰ নিজা অৰ্ন্তদৃষ্টি। কৱিয়ে নিজে উপলব্ধি কৰা সকলোখিনি সমস্যাৰ লগত পাঠকৰ পৰিচয় কৰোৱাৰ আকাঙ্ক্ষা প্ৰকাশ পাইছে। সেই কালৰ পৰা কৱিৰ ৰচনাত এক হৃদয় সংবাদী আবেদন আছে। গতিকে সচৰাচৰ ৰোমান্টিক কৱিৰ ভিতৰত চন্দ্ৰকুমাৰ আছিল ব্যক্তিক্ৰম।

বীণ-ব'ৰাগী

—ডক্টৰ মহেশ্বৰ নেওগ

চন্দ্ৰকুমাৰ আগৰৱালা অসমীয়া ৰোমান্টিচিজমৰ প্ৰথম হোতা। এই ৰোমান্টিক উচ্ছ্বাসৰ প্লাৱন আহি পোনতে যি কেইজন কলিকতা প্ৰৱাসী অসমীয়া কলেজীয়া ছাত্ৰৰ অন্তৰ ধুৱাই দিছিলহি, তাৰ ভিতৰত চন্দ্ৰকুমাৰ হ'ল প্ৰধান। আদি উনবিংশ শতিকাৰ ৰোমান্টিক ইংৰাজী কৱিতাৰ স্পৰ্শ লাগি সেই অসমীয়া ডেকা কেইজনৰ হৃদয় দুৱাৰত খুন্দিয়াই দিলেহি, আৰু তাৰ লগে লগে 'ভাগিল হৃদয়-গ্ৰন্থি, গুচিল সংশয়।' তেওঁলোক যেন কোঁটিকলীয়া বন্ধনৰ মাজৰ পৰা মুকলি বতাহৰ মাজলৈ ওলাই আহিল। এই মুকলি বায়ু হ'ল ৰোমান্টিক উদাৰতা আৰু স্বাধীনতাৰ। কাব্যিক প্ৰচেষ্টাৰ আদৰ্শৰূপে আগৰ সাহিত্যিক যুগক বিস্মৃতিৰ গৰ্ভলৈ এৰি দিয়া হ'ল। আনফালে আকৌ ৰোমান্টিক অতীতৰ প্ৰতি কৰি অনুৰাগ সাৰ পাই ৰ'ল। পৰাধীনতাৰ গ্লানিয়ে অন্তৰ বিষাক্ত কৰি তোলাত নতুন কৱিয়ে স্বাধীনতাৰ জয়গান গাই উঠিল। প্ৰকৃতি, সৌন্দৰ্য্য, ব্যক্তিগত প্ৰেম-প্ৰণয় আৰু ক্ষুদ্ৰ মানৱ—এই সকলো অভিনৱভাৱে কৱিতাৰ গৌৰৱান্বিত স্বতন্ত্ৰ বিষয় বস্তু হৈ উঠিল। ৱৰ্ডছ্ ৱৰ্থৰ দৰে অসমীয়া কৱিকো ক্ষুদ্ৰতম পুষ্পযো কাৰুণ্য গভীৰ চিন্তা প্ৰদান কৰিলে। ধৰ্ম্মৰ অনুশাসন এৰাই প্ৰেমে বাক্ স্বাধীনতা লাভ কৰিলে। অমৰ মানৱ শক্তিয়ে নিজৰ জয় ঘোষণা কৰিলে। সাধাৰণ মানুহ আৰু সৰল গ্ৰাম্য জীৱনো গৌৰৱ-মুখৰ হৈ উঠিল। অতিবাস্তৱ বিস্ময়াত্মক জগতৰ স্থিতি-বিৰল দেৱযোনি প্ৰাণীযেও নতুন কাব্যত প্ৰকাশ ভিক্ষা কৰিলে।

প্ৰকাশৰ অবাৰিত স্বাধীনতা আৰু কল্পনা-প্ৰৱণতা ৰোমাণ্টিক কাব্যৰ উন্মুক্ত লক্ষণ। কাব্যিক ৰূপৰ ফালৰপৰা লিৰিক্ এই নতুন প্ৰৱাহৰ এক বিশিষ্ট দান, লিৰিকেল বা গীতিময় আত্মব্যঞ্জনা কৱিতাৰ প্ৰাণবস্তুৰ বিশিষ্ট গুণ। লিটাৰেৰি বেলাড বা আত্মসচেতন কাহিনী গীতি, বৰ্ণনাত্মক খণ্ডকৱিতা আদিৰূপৰ নব্য অৱতৰণ ঘটিল। ভাষা-শৈলীয়ে জনগণৰ পৰিচিত ৰূপ ল'লে আৰু কাব্যৰ সংবেদনশীলতা হ'ল প্ৰত্যক্ষ আৰু প্ৰাঞ্জল।

অসমীয়া ৰোমাণ্টিক কৱিতাৰ প্ৰথম বিস্ময়কৰ আৰু প্ৰকাশ সাৰ্থক উন্মেষ 'জোনাকী' কাকতৰ প্ৰথম সংখ্যাতে প্ৰকাশিত চন্দ্ৰকুমাৰৰ 'বনকুঁৱৰী' নামৰ কৱিতাটিত। অসমীয়া কৱিতাৰ ৰোমাণ্টিক ভঙ্গিৰ অনেক বৈশিষ্ট্যতে চন্দ্ৰকুমাৰ যে কেৱল পথ প্ৰদৰ্শক, এনে নহয়, তাৰ বহুতোবোৰ লক্ষণে তেওঁতে পূৰ্ণতাও লাভ কৰিছিল। তেওঁৰ অনুভৱ ক্ষমতা তীব্ৰ আৰু প্ৰকাশিকাশক্তি সৰলগতি, যদিও ছন্দৰ গতি সদায় সাৱলীল নহয়। ৱৰ্ডছৱৰ্থৰ দৰে তেওঁ বিশ্বপ্ৰকৃতিৰ প্ৰেমময় ৰূপ আৰু নিৰ্ম্মম চিৰন্তনতা (ক'ৰ কোন কেনি গ'ল, চিন স্মৃতি পমি গ'ল, প্ৰকৃতিয়ে তেনেকৈয়ে ৰ'ল) উপলব্ধি কৰিছিল, কিন্তু প্ৰকৃতিৰ বাহ্যিক বৰ্ণালীতে মুগ্ধ বা ৱৰ্ডছৱৰ্থৰ দৰে প্ৰকৃতিৰ লগত প্ৰেমপাশত আবদ্ধ নহৈ মিষ্টিকৰ দৰে অন্তৰাত্মাৰ সন্ধানত ৰত হৈছিল। মানৱক তেওঁ বিশ্ব-জগতৰ পৰাৎপৰ কেন্দ্ৰ-ৰূপে দেখা পাইছে আৰু পঙ্কিল বিশ্বক ধুই পখালি সেই মানৱৰ পৱিত্ৰ লীলা ক্ষেত্ৰত পৰিণত কৰিবলৈ বিচাৰিছে। কৌতূহলী ধ্বনিৰে তেওঁ বস্তুবাদী জগতৰ সমুখত ঘোষণা কৰিলে, সৌন্দৰ্য্যৰ আৰাধনা জীৱনৰ খেল।' মানৱ সৌৰভ আৰু প্ৰাণৰ মিলনৰ প্ৰতীক লোক গীতিৰ তেজীমলাৰ দৰদ আৰু 'আমৰ তলত টুকু টুকু চাপৰি বোৱা' যখিণী ছোৱালীৰ জীৱনৰ স্থিতিক চন্দ্ৰকুমাৰে অসমীয়া কৱিতাত স্থান দিলে, এনে অতিপ্ৰাকৃতিক সুৰ অসমীয়া কাব্যত স্বাভাৱিকতে বৰ বিৰল।

'বীণ-ব'ৰাগী' নামৰ সাতাইশ পিঠীয়া কবিতাটি চন্দ্ৰকুমাৰৰ কবিত্বক জীৱনৰ এটি চৰম প্ৰকাশ। ইয়াত ৰোমাণ্টিক সাম্যবাদে কাব্যিক প্ৰকাশ লাভ কৰিছে। 'বীণবৰাগী'ৰ প্ৰথম পাঁচটি ছেদ চতুৰ্থ বছৰ 'বাঁহী'ত (ফাগুন ১৮৩৪—আহাৰ ১৮৩৫ শক) ওলাইছিল যদিও পঞ্চম ছেদৰ পৰা বাকী অংশ দশম বছৰ অষ্টম সংখ্যাৰ পৰাহে (আঘোণ ১৮৪২) ওলাবলৈ ধৰে। গতিকে ষষ্ঠ, সপ্তম আৰু অষ্টম ছেদত গান্ধী আন্দোলনৰ দূৰৰ হ'লেও ৰেঙণি পৰিছে, যেন লাগে। 'বীণ বৰাগী' পুথিত সন্নিৱিষ্ট কৱিতা 'প্ৰপঞ্চ' আৰু 'সেৱা লহৰী' একে দশম বছৰৰ 'বাঁহী'তে ওলাইছিল। আগৰৱালা নিজে আছিল গভীৰভাৱে জাতীয়তাবাদী। ১৯১৮ চনত তেওঁ প্ৰতিষ্ঠা কৰা 'অসমীয়া' কাকত আছিল জাতীয়তাবাদীসকলৰ আশ্ৰয়, সিসকলৰ মুখপাত্ৰৰ দৰে। 'বাঁহী'ও তেতিয়া ওলাইছিল তেওঁৰ প্ৰতিষ্ঠাপিত নিউ প্ৰেছৰ পৰাই। এইটো বৰ অৰ্থপূৰ্ণ কথা যে সেই 'বাঁহী'ৰে একাদশ বছৰ পঞ্চম সংখ্যাত (ভাদ ১৮৪৩ শক) চন্দ্ৰকুমাৰৰ 'মহাত্মা' নামৰ কৱিতাটি (ৰচনা ১০ ভাদ ১৮৪২ শক) প্ৰথম পিঠি'ত ঠাই পাইছিল আৰু সেই কৱিতাটিকে কৱিয়ে উছৰ্গা বুলিয়ে হওক বা প্ৰস্তাৱনা বুলিয়ে হওক 'বীণ-ব'ৰাগী'ৰ প্ৰথমতে ঠাই দিছে। মহাত্মাৰ বাণী কৰ্ম্মৰ বাণী, বন্ধনহীন স্বাধীনতাৰ বাণী, সি যেন গীতাৰ শ্ৰীকৃষ্ণৰ বাণী—যি বাণী শুনি অৰ্জ্জুনে ক্ষুদ্ৰ হৃদয়-দৌৰ্বল্য ত্যাগ কৰি গাণ্ডীৱ লৈ থিয় হৈছিল আৰু যি বাণীত আজি 'নিৰলে নিজানে মোৰ কুঞ্জ কুটীৰত ধিয়াই দীন দুৰ্ব্বল-হৃদয়' থকা 'এন্ধাৰ কুঞ্জত নমা স্বৰ্গৰ ৰহণ'ৰ দৰে কৱিৰ হৃদয় ছুইছেহি আৰু তাৰ লগে লগে উপনিষদত ক'বৰ দৰে 'ছিদ্যন্তে হৃদয়গ্ৰন্থিশ্চিছ্যন্তে সৰ্বসংশয়া', 'ছিগিল হৃদয় গ্ৰন্থি, গুচিল সংশয়—নতুন বলেৰে বলী মুকলি বিশ্বত।'

কৱিয়ে নিজে বীণ ব'ৰাগীৰ ভূমিকা গ্ৰহণ কৰিছে; বীণখনি যেই হ'ল তেওঁৰ প্ৰাণৰ তন্ত্ৰী। তেওঁৰ সুৰ আমাৰ

প্ৰাচীন বীণ ব'ৰাগীসকলৰ সুৰ, কাৰণ, তেওঁৰো 'দুখৰো উপৰি দুখ। কুকুৰে কামোৰে, ছৰালে দলিযায়, ক'তো নিমিলে সুখ॥' জীৱনৰ সকলো দুখ-ভাগৰৰ মাজত বীণ-ব'ৰাগীয়ে এই কথা জানিছে যে তেওঁৰ বীণৰ তন্ত্ৰীত্তে লক্ষ হৃদয়ৰ দুখ-বেজাৰৰ সুৰ বাজি উঠিছে আৰু উঠিব লাগিব, আৰু সেইদৰেই ৰত্নাকৰৰ শোক বাল্মীকিৰ শ্লোকত পৰিণত হোৱাদি দুখো পৰম আনন্দত পৰিণত হ'ব। বীণৰ স্পন্দন যি বায়ু- সাগৰৰ ঢৌ হৈ বাগৰি পৰিছে, সেই বায়ু বিশ্বজনীন, সি চৈধ্য ভুৱন সাৱটি আছে। উত্থায হৃদি লীয়ন্তে দৰিদ্ৰাণাং মনোৰথা। কিন্তু কল্পনাই সংকীৰ্ণ বাস্তৱত উপলব্ধি নাপাই যেন মুকলি আকাশৰ বুকেদি পাখি মেলি উৰিবলৈহে বিচাৰে। জগতৰ সকলো পঙ্কিলতাৰ মাজৰ পৰা মানৱক নিষ্কলুষ সৌন্দৰ্য্যৰূপে চাই চাই যেন বীণ-ব'ৰাগীৰ হেপাহ নপলোৱা হয।

বীণ-ব'ৰাগীযে যেন বুজিছে, জগতত তেওঁৰ দুখৰ বাতৰি শুনিবলৈ, পতিযাবলৈ কেও ক'তো নাই, দুখৰ কথা ক'লে সকলোৱে বলিযা বুলিহে হাঁহে, কুকুৰে কামোৰে, ছৰালে দলিযায। গতিকে তেওঁৰ শৰণ্য হ'ল বীণখনি। সেই বীণৰ জেঁাকাৰত সন্তাপী হৃদযৰ সন্তাপ কৰুণ হৈ বাজি উঠিব আৰু বীণৰ মধুৰ স্বৰত এইদৰে প্ৰতিধ্বনিত হৈ জগতৰ সকলো কাণতে পুনৰ পুনৰ ধ্বনিত হ'ব। সেইভাৱেই সি সকলোৰে 'কাণেৰ ভিতৰ দিযা মৰমে পশিব।' এনে আশাত বীণ ব'ৰাগীযে ভাৱিছে, তেওৰ অন্তৰ গধুৰ কৰি তোলা জগতৰ জনৰ দুখৰ বোজাটি সকলোকে আকৌ বিলাই দিব পাৰিলে তেওঁৰ হিযাখন তেও লঘু হ'ব।

এদিনৰ শ্ৰীকৃষ্ণৰ বাঁহীৰ মাত শুনি যমুনা উজাই বৈছিল, সচল অচল হৈছিল আৰু অচল সচল হৈ পৰিছিল। আমাৰ বীণ-ব'ৰাগীৰ বীণৰ সুৰত লুইত উজাই বয়, আকাশৰ চন্দ্ৰ স্তব্ধ হয, পশু-পক্ষী গছ লতাও ৰতাহতো নকঁপা হৈ পৰে।

কাৰণ সেই বীণত লক্ষ হৃদয়ৰ হুমুনিয়াহ গোট খাই তাৰ হৃদয় কোমলাই পেলাইছে। পুৰণি ভকতীয়া ব'ৰাগীৰ টোকাৰী বৈকুণ্ঠ নে কৈলাসৰ পৰা নামি অহাৰ দৰে আমাৰ বীণ-ব'ৰাগীৰখনিও সৰগৰ বীণ, সি মানুহৰ দুখৰ কণাবোৰ বুকত বান্ধি সকলোৰে প্ৰাণত অমৃতৰ কণা চটিযাব পাৰে, একৰ দুখক শত ভাগ কৰি তাক পাতলাই তোলে, আৰু সকলো প্ৰাণৰ সুঁতিক একেটি সুঁতি কৰি বোৱায। সেইহে বীণ-ব'ৰাগীযে নিজৰ হিযাৰ ধাউতি বীণৰ প্ৰাণেদি সকলোৰে প্ৰাণৰ সম্পাদিত কৰিবলৈ বিচাৰিছে।

এদিন ব'ৰাগীযে সুখ বিচাৰি হাবাথুৰি খাইছিল; কিন্তু কেৰে তেওঁক তাৰ বতৰা দিব নোৱাৰিলে। সুখত উত্ৰাৱল পথিলাটিকো চিলাই উৰুৱাই লৈ গ'ল, তাৰপৰাও ব'ৰাগীয়ে একোটি সন্দেদ নাপালে। তেওঁ জানিছিল সুখ সংসাৰৰ সাৰ। তাক বিচাৰি তেওঁ আকৌ ভিখাৰীৰ জোলোঙাৰে সংসাৰৰ দুৱাৰে দুৱাৰে ঘূৰিলে, কিন্তু একেটি মাথোন সম্বিধান, একে প্ৰত্যাখ্যান।

সংসাৰত ঘূৰি তেওঁ কি দেখা পালে? দেখা পালে, দেখিলে হৃদয় বিদৰা দুখাযাৰ দুখ, দুৰ্বলৰ শাস্তি, ধনীৰ ভেম আৰু সবলৰ অত্যাচাৰ। তেওঁৰ প্ৰাণ হাহাকাৰ কৰি উঠিল ৱৰ্ডছৱৰ্থৰ দৰে—Have I not reason to lament, What man has made of man? মানুহৰ মাজত মিলা-প্ৰীতিৰ পৰিৱৰ্ত্তে মাথোন দন হাই কাজযা, সকলোৰে মুখত মাতৰ তিতা। সকলোৱে মাথোঁ চিনে ধনক, নিচিনে ধৰম। কেয়োকালে মাথোন শোষণৰ যন্ত্ৰ। মানুহে মানুহক মাৰিছে, মানুহে মানুহৰ তেজ শুহিছে, মানুহে মানুহৰ তেজেৰে চাকি জ্বলাই নিজৰ জীৱনত পোহৰ ঢালিছে। কোনোৱেবা আকৌ মিঠা মাতেৰে লোকক মুহি মনে মনে শোষণৰ উপায় পাঙিছে! কত ধৰ্ম্মৰ কপটীয়া গুৰুৱে ধৰ্ম্মৰ নামত অধৰ্ম্ম কৰি পাপৰ সত্ৰ পাতিছে!! তেওঁলোকে 'নাজানে শাস্ত্ৰৰ

লয়, যেহি আসে তাকে কয়, খণ্ডিবাক নপাৰে সংশয়ৰ' সৰ্বসাক্ষী ভগৱন্তক যে তেওঁলোকে ঠগিব নোৱাৰে, এই কথা এই অজ্ঞ শোষক গুৰুসকলৰ মনে-ঘৰেও নাই। এই সকলো দেখি বীণ-ব'ৰাগীৰ মনৰপৰা সুখৰ আশা অন্তৰ্হিত হৈছে, আনফালে দুখী দুৰ্বলীৰ নিৰ্দয় দুখত তেওঁ অন্তৰে বিদ্ৰোহ কৰি উঠিছে।

তেওঁ সেই দেখি প্ৰলয়ক আহ্বান জনাইছে। সেই প্ৰলয় আহি যেন ওখ-চাপৰ, বাম-তল, থল জল, সম্পদ-বিপদ, সুখ দুখ, মান অপমান, দান-ভিক্ষা সকলোকে সমান কৰি পেলাব। সকলো পাপী যেন তাকে দেখি সন্ত্ৰস্ত হৈ পুৰিব। সেই ভয়ঙ্কৰ সময়টোৰ কল্পনা কৰি তেওঁৰ মন সম্পূৰ্ণ উতলা হৈ উঠিছে। তেওঁ যেন প্ৰলয়-নাচোন নচা নটৰাজৰ দৰে মহাশক্তিশালী, মহাতাণ্ডৱী হৈ উঠিব, নিঠুৰ হৈ উঠা হাতৰ আঙুলি চলাই হিমালয় পৰ্বতটো খহাই নি যেন ভাৰত মহাসাগৰৰ বুকৰ ক'লীয়া পানীত পেলাই দিবগৈ, ওখৰ আকাশত থকা জোন-বেলি, গ্ৰহ নক্ষত্ৰ সকলোকে মুঠিযাই মুঠিযাই আনি যেন পৃথিৱীত লুটি খুৱাই খুৱাই পেলাবহি, আৰু যেন শোষণৰ পৃথিৱীক প্ৰলয় সমুদ্ৰৰ জলত বিলীন কৰি দিব। তেওঁৰ এই প্ৰলয় খেলাৰ অন্তত নতুন এক সুন্দৰ সৃষ্টি পাহি মেলি ফুলি উঠিব, যত দুখ-ভয়, লাজ-অপমান নাথাকিব, য'ত মাথোন থাকিব স্নিগ্ধ অৰুণ-কিৰণ, মধুৰ আনন্দৰ সুৰ।

এই প্ৰলয়ী স্বপ্নৰ পিছত বীণ-ব'ৰাগী ভাগৰি পৰিছে, দুখৰ দীঘলীয়া নিশা আগত লৈ সন্ধিয়াপৰত বিশ্ৰাম বিচাৰি গছৰ তলত আশ্ৰয় লৈছে। কিন্তু তেওঁৰ অন্তৰত শান্তি-সুখ-সাম্যৰ স্বপ্ন জাগ্ৰত হৈ আছে, মন যেন মুকলি হৈ আহিছে, তেওঁৰ বীণে যেন এতিয়া সংসাৰৰ দ্বন্দ্ব-কোলাহল পাহৰি সুখৰ গুণগুণনিহে তুলিব। তেওঁ বুজিছে, এই পৃথিৱী মানুহৰ কাৰণেই; 'সবার উপর মানুষ সত্য, তাহার

উপৰ নাই।' মানুহ পৰাৎপৰ, মানুহৰ প্ৰীতি-সাধনৰ অৰ্থেই যেন বিশ্ব-জগতৰ পৰিকল্পনা কৰা হৈছিল। মানৱ-দেৱতাক পূজিবৰ কাৰণেই যেন জোন-বেলি-তৰাৰ প্ৰদীপ জ্বলিছে, নানান ফুলৰ সৌৰভে ধূপ ধুনা জলাইছে, মলয়াই ব্যজন কৰিছে, ফল জলো যেন সেই দেৱতাৰেহে পূজাৰ নৈৱেদ্য। মানুহৰ জীৱন-মৰণ হাঁহি-কান্দোনৰ খেলাই যে পৃথিৱীৰ অস্তিত্বৰ আচল অৰ্থ।

জগতখন মানৱাত্মাৰে প্ৰতিবিম্ব। মানৱাত্মাক এৰি জগতৰ কোনো ৰূপ নাই, কোনো অৰ্থ নাই। কৱিয়ে, বীণ ব'ৰাগীয়ে যেন সঞ্জয়ৰহে দিব্য দৃষ্টিৰে চাই এই সত্য দেখা পাইছে, বিশ্ব প্ৰহেলিকা অৰ্থ ভাঙি দি আনন্দ লাভ কৰিছে।

বীণ-ব'ৰাগীযে বুজি উঠিছে সুখৰ বাবে হাহাকাৰ কৰি ফুৰা অৰ্থহীন। সমস্ত জীৱনেই মাযাৰ এক ধেমালি, জীৱাত্মাৰ অনন্ত প্ৰযাস পৰমাত্মাৰ লগত মিলনৰ প্ৰতি।

এই বাৰ সেই দেখি কৱিযে নতুন অভিযান আৰম্ভ কৰিছে—মহাপ্ৰযাণৰ অভিযান। এই যাত্ৰাৰ ৰাজপথ হ'ল মানুহৰ হিযাৰ মাজ। এইবাৰ তেওঁ সংসাৰী সুখৰ ঠেক বাট এৰি নতুন বাট লৈছে পৰম সুখৰ, যি সুখে ভূমা স্বৰূপ, শ্ৰেযসৰ গৰাকী, পৰম প্ৰভুৰ ওচৰ'ল লৈ যায। তেওঁ বুজিছে, বাহিৰত বিচাৰি ফুৰা পথটি অন্তৰৰ মাজেদিহে বৈছে। আগৰ মোহ তেওঁৰ আজি ভাগি ছিগি গৈছে। তেওঁৰ অন্তৰ্মুখী অভিযানে সংসাৰী ধৰ্ম্মৰ দোকান চেৰাই নতুন শ্ৰেযসী সত্ৰ পাইছেগৈ, যি সত্ৰত বিগ্ৰহ নাই, আছে জীৱন্ত মানুহ।

মানৱৰ ভিতৰত লুকাই থকা সূক্ষ্ম আত্ম-শক্তি জগাই তুলি অৰ্জ্জুনৰ দৰে গাণ্ডীৱ লৈ থিয় হবলৈ বীণ ব'ৰাগীয়ে সকলোকে আহ্বান জনাইছে অন্যায-অসত্যক ঠেলি প্ৰেম আৰু সত্যৰ মহিমা বিস্তাৰ কৰিবলৈ, যাতে স্বৰ্গ আৰু মৰ্ত্ত্য দুখন ঠাই নহৈ একেখন হৈযে প্ৰতিভাত হয।

এই কাৰ্য্যৰ বাবে লাগে অন্তৰৰ দিব্য দৃষ্টি। সেই দৃষ্টিৰে চালে সৃষ্টিৰ খেলা মহামহিমাময় মানৱাত্মাৰ বিকাশ যেনেই লাগিব। আকাশৰ মেঘ, জোন বেলি, পৃথিৱীৰ মহা-সাগৰ, ফুলৰ সুঘ্ৰাণ আৰু চিত্ৰ-বিচিত্ৰ ৰূপ সকলোটিয়েই যেন একেটি প্ৰেমৰ বাৰ্ত্তাকে প্ৰচাৰ কৰিছে, একে মানৱাত্মাৰ জয়কে ঘোষণা কৰিছে। বীণ ব'ৰাগীয়ে সেই দেখি নিজেই মানৱ প্ৰাণৰ প্ৰকাশৰ পথ হ'বৰ শক্তি ভিক্ষা কৰিছে।

এইদৰে দেখা পোৱা যাব 'প্ৰতিমা'ৰ কৱিতাত প্ৰকাশ পোৱা নানা ভাৱ-চিন্তা আহি 'বীণ ব'ৰাগী'ত এটি বিন্দুত সমাহিত হৈ পৰিছে। তেওঁ যেন ইযাত সদায় বন্দনা কৰি অহা মানৱৰ বিশ্বৰূপ দৰ্শন কৰিছে। সেই ৰূপ নভস্পৰ্শী, দীপ্তবিশালনেত্ৰ। সেই ৰূপ দেখা পাই তেওঁ একেলগে প্ৰব্যথিতাত্মা আৰু হৃষ্টাত্মা হৈ ধৃতি হেৰুৱাইছে। কিন্তু সেই দিব্য ৰূপ-দৰ্শনৰ ফলত তেওঁৰ কণ্ঠ উদাত্ত হৈ উঠিছে, সকলো প্ৰলয়েৰে জগত সংহাৰ কৰি এখন নতুন বিশ্ব পুনৰুদিত কৰি তাত মানৱ হৃদয়ক পৰাৎ-পৰ ৰূপে প্ৰতিষ্ঠা কৰিবৰ প্ৰয়াস পাইছে। এয়া ভাববাদী, আদৰ্শবাদী কৱিতা। এই ফালৰপৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ কৱিতা অদ্বিতীয়।

আগৰৱালাৰ প্ৰতিমা

—অধ্যাপক শশী শৰ্ম্মা

'জোনাকী'ৰ সহাযত এটা সাহিত্যিক আলোড়ন সৃষ্টি কৰি যিসকল কলিকতীযা অসমীযা ছাত্ৰই ইংৰাজ-ৰাজত্বৰ লগে লগে বঙালী কাকতীসকলৰ আক্ৰোশত তিৰোহিত হোৱা অসমীযা ভাষা সাহিত্যক পুন সংস্থাপন কৰিলে, সেইসকলৰ ভিতৰত চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ নাম আমি সৰ্বপ্ৰথমে সুঁৱৰিব লাগিব। তেৱেঁই 'জোনাকী'ৰ প্ৰতিষ্ঠাপক আৰু সৰ্বপ্ৰথম পৰিচালক সম্পাদক। তেৱেঁই ১৮৮৯ চনৰ মাঘৰ শ্ৰীশুক্লা পঞ্চমীৰ দিনা প্ৰকাশিত প্ৰথম সংখ্যা 'জোনাকী'ৰ সম্পাদকীযত প্ৰতিজ্ঞা কৰিলে অসমত জোনাকৰ বল বোৱাবলৈ। এই জোনাক জ্ঞান আৰু সংস্কৃতিৰ জোনাক। পাশ্চাত্যৰ বিশেষকৈ ইংৰাজ ৰোমান্টিক কৱিসকলৰ অনুকৰণত কৱিতা আদি ৰচনা কৰি অসমত এটা নতুন ভাৱমণ্ডলৰ সৃষ্টি কৰিবলৈ চন্দ্ৰকুমাৰ আৰু তেওঁৰ সহযোগী লক্ষ্মীনাথ, হেমচন্দ্ৰ প্ৰমুখ্যে সকলোটি কলিকতীয়া অসমীযা ছাত্ৰ হৈছিল সচেতন। এই সচেতনাৰ ফলত ৰচিত অসমীযা সাহিত্যকেই আমি অসমীযা ৰোমান্টিক সাহিত্য বুলি কওঁ আৰু এই ৰোমান্টিক সাহিত্যৰ জনক বুলি অভিহিত কৰা হয চন্দ্ৰ-লক্ষ্মী হেম এই ত্ৰিমূৰ্ত্তিক। কিন্তু এইটো উনুকিওৱা উচিত হব যে অসমীযা ৰোমান্টিক সাহিত্য বিপ্লৱৰ ৰূপত সৃষ্টি হোৱা নাছিল, ই আমাৰ সাহিত্যিকসকলক অনুপ্ৰাণিত কৰিছিল বিকাশৰ ৰূপতহে অৰ্থাৎ ই ইংৰাজী ৰোমান্টিক সাহিত্যপঠনৰ ফলহে।

ইংৰাজ ৰোমান্টিক কৱি কোলৰিজে 'কুবলাখান', 'খৃষ্টাবেল', এনচিযেণ্ট মেৰিনাৰ' আদি কৱিতাত প্ৰাচীন

লোকবিশ্বাস আৰু সাধুকথাক ৰূপায়িত কৰি জনমানস উদ্দীপ্ত কৰি তুলিছিল। অসমীয়া কৱি চন্দ্ৰকুমাৰেও সৰ্ব্বপ্ৰথম সেই একে আদৰ্শতে 'বনকুঁৱৰী', 'জলকুঁৱৰী', 'তেজীমলা' প্ৰভৃতি কৱিতাত প্ৰাচীন সাধুকথা আৰু জনবিশ্বাসত সজীৱতা আৰু অপ্ৰাকৃত বা অতিবাস্তৱ কথাতো বাস্তৱতা প্ৰদান কৰি সহৃদয় পাঠক পাঠিকাক বিস্ময়বিমুগ্ধ কৰি তুলিছিল। এনেবোৰ কৱিতাত সাধুকথাক কৱিতা ৰূপ দি ৰূপৰ সমাবেশ ঘটোৱাই কৱি চন্দ্ৰকুমাৰৰ লক্ষ্য কিন্তু নাছিল। কোলৰিজৰ দৰে চন্দ্ৰকুমাৰৰো প্ৰতিটো কৱিতা গভীৰ তাৎপৰ্য্যপূৰ্ণ—দাৰ্শনিকতা আৰু বিশেষকৈ মানৱীয়তাবোধৰ নিদৰ্শন চন্দ্ৰকুমাৰৰ প্ৰতিটো কৱিতাতেই নিহিত হৈ আছে। 'বনকুঁৱৰী' বা 'জলকুঁৱৰী' কৱি-মানসত উদয় হয় উদাৰ বিশ্বপ্ৰেমৰ নিদৰ্শন স্বৰূপে আৰু তাৰেই আদৰ্শত অনুপ্ৰাণিত কৰি কৱিয়ে সকলো মানুহকেই শান্তি দিব বিচাৰিছে। কৱি ৱৰ্ডচৱৰ্থে মানুহ মানুহৰ অসুখ অশান্তিৰ কাৰণ বুলি কোৱাৰ দৰে কৱি আগৰৱালাইও তেজীমলাক মানুহ কুটুমে দলিয়াই পেলোৱা কথাৰে মানুহৰ নৃশংসতাৰ কথাকেই বৰ্ণাইছে। অথচ সেই জনী তেজীমলা বিশাল প্ৰকৃতিৰ নৈৰ বুকুত "ৰূপতে ৰূপ তুলি পাৰিজাত ফুলি তেজীমলা জকমকায়" আছে। তেজী-মলাৰ আৰু শোক তাপ নাই, কেৱল মৰম সাদৰৰ মাজত এক সুখ-স্বাচ্ছন্দ্যপূৰ্ণ অপূৰ্ব্ব জীৱন যাপন কৰিছে তেজীমলাই। আনকি তেওঁৰ প্ৰাণৰ দেৱতা ভাবী স্বামীৰ আগমনতো তেজীমলাই প্ৰকৃতিৰ প্ৰেমানন্দৰ কথা পাহৰি তেওঁৰ লগত আকৌ মানুহৰ মাজত প্ৰৱেশ কৰিবলৈ ইচ্ছা কৰা নাই। তেজীমলাই "কেলেই লাগিছে মানুহৰ লগ" বুলি সন্দেহেৰে ভাবিবলৈ যেন বাধ্য হৈছে, মানুহে যেন প্ৰকৃতিৰ আদৰ নুবুজে আৰু যেন প্ৰকৃতিৰ উদাৰ মহানুভৱতাৰ কথা উপলব্ধি কৰিবলৈও মানুহ অসমৰ্থ। ঠিক ৱৰ্ডচৱৰ্থ বা কোলৰিজৰ দৰে কৱি আগৰৱালাইও মানুহতকৈ প্ৰকৃতিৰ শ্ৰেষ্ঠতা

স্বীকাৰ কৰিছে আৰু মানুহক প্ৰকৃতিৰ আদৰ্শেৰে উদ্বুদ্ধ হবলৈ অনুপ্ৰাণিতও কৰিছে।

কিন্তু কৱি আগৰৱালা একান্তভাৱে প্ৰকৃতিপ্ৰেমী নহয়। তেওঁ মুখ্যত মানৱতাৰ কৱি, তেওঁৰ কৱিতাৰ ছন্দে ছন্দে মানুহৰ মহানুভৱতা আৰু মহত্বৰ কথাহে পৰিস্ফুট হৈ উঠিছে। তেজীমলাক হয়তো মানুহেই নিৰ্মমভাৱে নিৰ্য্যাতন দিলে। কিন্তু কৱিৰ দৃঢ় বিশ্বাস যে সকলো মানুহৰ মন তেজীমলাৰ মাহীমাকৰ দৰে কঠুৱা নহয়।

"মানুহে মানুহে ইমানহে মৰম
চকুলো পৰে সুঁৱৰি।" —তেজীমলা।

মানুহৰ প্ৰতি এনে উদাৰ ধাৰণাও কৱি আগৰৱালাৰ চিত্তৰ পৰা তিৰোহিত হোৱা নাই, যদিও তেওঁ 'বীণ-বৰাগী'ত—
"মানুহৰ তেজ শুহি শুহি খায় মানুহ ৰাক্ষসে চোৰাঁ।"
বুলি গভীৰ উদবিগ্নতাও প্ৰকাশ নকৰাকৈ থকা নাই। 'বনকুৱৰী', 'জলকুঁৱৰী' আৰু 'তেজীমলা'ত প্ৰকৃতিৰ ৰূপচ্ছটা, উলাহ আনন্দ, উদাৰতা-মহানুভৱতা আদি মানুহৰ মন চক্ষুৰ আগত তুলি ধৰি কৱিয়ে কেৱল "শান্ত হ মানুহ মন" বুলি মানুহক শান্ত সিদ্ধ কৰিবলৈয়ে বিচৰা নাই, স্বাৰ্থহীন অহৈতুকী প্ৰেমেৰেও মানুহক উদ্দীপ্ত কৰিব বিচাৰিছে।

"কাৰণ নেদেখা আনন্দৰ ঢৌৱে
বুৰালে প্ৰাণীৰ প্ৰাণ।"—বনকুৱৰী

এনে স্বাৰ্থহীন অহৈতুক। প্ৰেমেই বিশ্বৰ মঙ্গল আৰু কল্যাণৰ কাৰণ, এনে প্ৰেমেই মানৱীয়তাবাদৰ মূলভেটি।

'কিশোৰী', 'মাধুৰী', 'নিযৰ' আদি কৱিতাত সুন্দৰৰ সাধক কৱি চন্দ্ৰকুমাৰৰ সৌন্দৰ্য্যানুভূতিৰ মূৰ্ত বিকাশ ঘটিছে। 'মাধুৰী' আৰু 'কিশোৰী'ত কৱিৰ কল্পনাই চূড়ান্ত ৰূপ পৰিগ্ৰহ কৰিছে। 'কিশোৰী'ত "প্ৰেমৰ আহ্বান মন্ত্ৰে ওলাওঁ

ওলাওঁ” কৰা কিশোৰী (গাভৰু) এজনীৰ মনৰ অৱস্থিতি ৰূপায়িত কৰিছে আৰু “মাধুৰী’ত যথাৰ্থতে সৌন্দৰ্য্য মাধুৰীৰ সমাবেশ ঘটিছে। দুযোটা কৱিতাতেই ভাৱৰ লগত ভাষাৰ সুসমন্বয় স্থাপন হোৱা হেতুকে সহৃদয় পাঠক-পাঠিকা মাত্ৰকে ই ৰসোদ্দীপ্ত কৰি তুলিব পাৰে। ‘নিযৰ’ কণিকাক লৈ কৰা কৱিৰ—

“মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা।
নিশাৰ তৰা এটি সৰিযেহে আছে
সৰগত টোপনি যোৱা।” —নিযৰ।

কল্পনা যথাৰ্থতে অনুপম। অতিশযোক্তিপূৰ্ণ এই ‘নিয়ৰ’ কৱিতাটিযেনো কোন সহৃদয় পাঠক পাঠিকাৰ চিত্তত তন্ময়তা নোপজাব।

কৱি চন্দ্ৰকুমাৰ আগৰৱালাও ইংৰাজ কৱি কীটছৰ দৰে সৌন্দৰ্য্যৰ সাধক, “সুন্দৰৰ আৰাধনা জীৱনৰ খেল” বুলি তেওঁ বিশ্বাস কৰে, পৰমেশ্বৰ ভগৱানক তেওঁ “সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ” বুলি কল্পনা কৰে। এইজন সুন্দৰৰ সাধক কৱিযে সেই কাৰণেই ‘কিশোৰী’, ‘মাধুৰী’, ‘নিয়ৰ’ আৰু অন্যান্য কৱিতাতো সৌন্দৰ্য্যৰ সমাবেশ ঘটাবলৈ সমৰ্থ হৈছে। আৰু সেযে তেওঁৰ প্ৰতিটো কৱিতাৰ “কাৰণ নেদেখা আনন্দৰ ঢৌৱে” মানুহৰ মন স্বাভাৱিকতে পুলকিত কৰিও তোলে। কৱি আগৰৱালা নিজেও সম্ভৱত. এনে স্নিগ্ধ সৌন্দৰ্য্যৰ সন্ধানতেই পোনতে ব্ৰতী হৈছিল। তেওঁ সংসাৰৰ বিষয় বাসনা আদিৰ পৰা চিত্তক মুক্ত ৰাখি সকলো সময়তে সৌন্দৰ্য্যৰ সাধনা কৰিবলৈয়েই সম্ভৱতঃ হেঁপাহ কৰিছিল। সেযে তেওঁ কৈছিল—

“দিযা মোক এৰি, চাওঁগৈ ঘূৰি
ফুলা সৰিযহ ডৰা।

সেযে আজিলৈকে থৈছে মোক মুহি
পখিলা পাখিৰে ভৰা"—ফুলা সৰিয়হ ভৰা'।

এই একেটা কবিতাতে যেতিয়া কবি আগৰৱালাই—

"কি হবনো হেৰি, ঘানিয়ে ঘানিয়ে
গুটি সৰিয়হ পেৰি?

তেলীয়ে পেৰিব, জগত যোগাব—
কিয় মোক ধৰা বেটি?"

বুলি আত্মপ্ৰকাশ কৰে তেতিয়া তেওঁক বাস্তৱবিমুখ বুলি কল্পনা কৰিবলৈও বাধ্য হোৱা যায়। সম্ভৱত তেওঁ মানুহৰ দৈনন্দিন জীৱনৰ সাধাৰণ কৰ্মেৰে পৰিপূৰ্ণ জীৱনটোক পোনতে অৱহেলা কৰিছিল আৰু "তাহানিৰ সেই সপোন দিনৰ লৰালি কালৰেপৰা।" মুক্ত বিহঙ্গমৰ দৰে উপভোগ কৰি অহা মুক্ত জীৱনকেই তেওঁ কামনা কৰিছিল। এনে চিন্তাই কবিক অন্যান্য ৰোমান্টিক কবিৰ সদৃশ পলায়নবাদী মনৰ অধিকাৰী আছিল বুলিযেই ভাবিবলৈ বাধ্য কৰে। কিন্তু ইযাৰ পিছত আৰু এনে ভাবৰ পুনৰাবৃত্তি অনুভৱ কৰা নাযায়। তেও বাস্তৱবিমুখ কল্পনাপ্ৰৱণ সৌন্দৰ্য্যসাধনাৰ ভাৱ পৰিহাৰ কৰি—"সাধনাৰ অসি্ হাতে ওলালোঁ এতিয়া" বুলি সাধনাৰত হবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। তেওঁৰ এই সাধনা কৰ্ত্তব্য-কৰ্মৰ সাধনা। কবিয়ে গভীৰভাৱে উপলব্ধি কৰিলে যে কৰ্ত্তব্য-সাধনতকৈ মহৎ কাম একোৱেই হব নোৱাৰে, কৰ্ত্তব্যই মানুহৰ শিৰৰ মুকুট। শৰীৰপাত কৰি হলেও তেওঁ কৰ্ত্তব্য সমাপন কৰিহে এৰিব। তেওঁ এজন মানৱীয়বাদী (Humanist) হিচাপে এইটোও বিশ্বাস কৰে যে মানুহ মাত্ৰেই পৰম শক্তিমান পৰমেশ্বৰৰ সন্তান, মানুহত পৰমেশ্বৰৰ পৰম শক্তিৰ বীজ নিহিত হৈ আছে। মানুহে এই পৰম শক্তি অন্তৰত উজ্জ্বলাই তুলি তাৰ পোহৰত কৰ্ত্তব্যৰত হলে যে জগতৰ সকলো অসাধ্যও

সাধ্য হৈ পৰিব তাকো তেওঁ বিশ্বাস কৰে। আৰু সেয়ে গভীৰ আস্থাৰে প্ৰকাশ কৰিছে :—

কি ভয় মৰণে-ৰণে, নাই ভয় নাই,
কৰ্ত্তব্য-মুকুট শিৰে পিন্ধালে গোসাঁই।
পুণ্যময় তেজকণ উঠক উছাহি—
তেজ পুঞ্জে প্লাৱিত কৰোক শত্ৰুৰাশি।
শক্তিৰ মন্ত্ৰেৰে আৰাধিলোঁ ইষ্টদেৱ,
শক্তিৰ সন্তান মই নোহো আৰু কেওঁ।"

—কৰ্ম্মদেৱ

'প্ৰকৃতি' কৱিতাত "ফুলকলি ফুলি গোন্ধ বোৱাই প্ৰীতিৰ সোঁত সৰি পাছে নাইকিয়া হ'ল।" কৱিযে গভীৰ বেদনা উপলব্ধি কৰিছিল আৰু ঠিক পাৰশ্যৰ কবি ওমৰ খায়ামৰ দৰে অন্তৰৰ ভাৱো বেদনাহত।

"ক'ৰ কোন কিবা হ'ল
চিন স্মৃতি পমি গল।
প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল।"

বুলি প্ৰকাশো কৰিছিল। তেনেকৈ নিযৰ কলিৰে সুশোভিত হৈ থকা ফুলজুপিৰ পৰা বতাহে জোকাৰি নিযৰটুপি পেলাই দিযাতো কৱিযে জীৱনৰ নশ্বৰতাৰ লগত ইয়াক তুলনা কৰি গভীৰ বেদনা অনুভৱ কৰিছিল :—

নিযৰ কলিৰে শোভে ফুলজুপি
চাইছো ভাৱতে ভাহি,
হায় কি বিষম পেলালে বায়ুৰে
জোকাৰি ফুলৰ পাহি।"

—নিয়ৰ

কিন্তু পিছৰ কালৰ কৱিতাবোৰত আৰু এনে হতাশা, নিৰাশা বা বেদনাৰ ভাৱ ক'তো অনুভৱ কৰা নাযায়। 'কৰ্ম্মদেৱ' কৱিতাই কৱি চন্দ্ৰকুমাৰৰ জীৱনৰ ৰূপ আৰু দৃষ্টিভঙ্গীৰো

পৰিবৰ্ত্তন সাধে বুলি ভাবিবৰ যথেষ্ট থল আছে। তেতিয়াহে যেন তেওঁৰ ল'ৰালি বা কৈশোৰৰ স্বপ্ন আঁতৰি গ'ল আৰু তেতিয়াহে যেন তেওঁ, জগত আৰু জীৱনৰো তাৎপৰ্য্য উপলব্ধি কৰিলে। কৱিযে অমৃতৰ সন্তান, মানুহৰ অমৃতত্বৰ সন্ধানো যেন লাভ কৰিলে। হতাশা-নিৰাশাৰ পৰা উদ্ভৱ হোৱা অন্তৰ বেদনাও তেওঁৰ চিত্তৰপৰা যেন তিৰোহিত হ'ল। আগতে নিযৰৰ কণিকা সৰি পৰিলে (নিয়ৰ) বা ফুলকলি ফুলি লেৰেলি গলে (প্ৰকৃতি) বিষাদ বেদনাই কৱিৰ অন্তৰ আচ্ছন্ন কৰি তুলিছিল, কিন্তু এতিয়া ফুলৰ পাহি সৰি পৰিলে কৱিযে বেজাৰ নকৰে, "পাব পাহি অনন্তৰ কোল" বুলি কল্পনা কৰি কৱিযে আনন্দহে অনুভৱ কৰে, কাৰণ তেওঁ ভাবে যে— "অনন্ত কোলাত কি সুখ কি দুখ।— নেজানে গুনেই সকলো বিমুখ।" তেওঁ গভীৰভাৱে বিশ্বাস কৰে যে জগত-জীৱন আৰু অনন্ত-অসীমৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰাই হৈছে মানুহৰ দুখ-বেদনাৰ মূল কাৰণ।

এইখিনিতে উল্লেখ কৰা উচিত হব যে কৱি চন্দ্ৰকুমাৰৰ মনৰ ওপৰত কেইবাটাও বিপৰীতমুখী ভাৱৰ প্ৰভাৱ পৰা অনুভৱ কৰা যায়। সম্ভৱত, তেওঁ সৰ্ব্বপ্ৰথম ইংৰাজ ৰোমাণ্টিক কৱিসকলৰ দ্বাৰা প্ৰভাৱান্বিত হৈযে কৱিতা ৰচনাত মনোনিৱেশ কৰিছিল। এই ৰোমাণ্টিক কৱিসকলৰ সদৃশ পলায়নবাদী মনৰ বিকাশ কৱি আগৰৱালাৰ কৱিতাতো ঘটিছে। ওমৰ খায়ামৰ প্ৰভাৱো আগৰৱালাৰ কৱিতাত প্ৰতিফলিত হৈছে। কৱি আগৰৱালাৰ ওপৰত পাশ্চাত্যৰ মানৱীযতাবাদৰ প্ৰভাৱো স্পষ্ট। যুৰোপত নৱজাগৰণৰ সময়ত মিল, বেনথাম, কোঁটে প্ৰমুখ্যে দাৰ্শনিকসকলে অনুভৱ কৰিছিল মানৱীয অসীম সম্ভাৱনা শক্তিৰ কথা। তেওঁলোকৰ দৃষ্টিত মানুহ আছিল অসীম শক্তিৰ আধাৰ স্বৰূপ। তেওঁলোকে মানুহক সকলো সময়তে মুক্ত আৰু স্বাধীন বুলি বিবেচনা কৰি মানুহেই মানুহৰ ভাগ্যনিয়ন্তা বুলিও ঘোষণা

কৰিছিল। মানুহৰ প্ৰবল ইচ্ছা-শক্তিৰ আগত দৈৱী শক্তিও হাৰ মানে বুলি তেওঁলোকে বিশ্বাস কৰিছিল। মানুহ বুদ্ধিদীপ্ত আৰু মুক্তিপ্ৰয়াসী, মানুহত অফুৰন্ত সম্ভাৱনা বৰ্ত্তমান আৰু তাক বাস্তৱত ৰূপায়িত কৰাৰ শক্তিও মানুহতেই নিহিত হৈ আছে। মানুহ যন্ত্ৰ আৰু যন্ত্ৰীও। সকলো ধৰণৰ প্ৰতিকূলতাৰ বিৰুদ্ধে নিজক প্ৰতিষ্ঠা কৰিব পৰাটোই মানৱীয় মুক্তিৰ মূল ভেটি বুলি সেই সময়ৰ য়ুৰোপত বিবেচিত হৈছিল। সংকীৰ্ণতা, ৰক্ষণশীলতা আৰু গোড়ামিৰ স্থান এই মানৱীয়বোধত নাই। নিত্য উন্মুক্ততা বা স্বাধীনতা মানৱীয় বোধৰ মূল কথা। যি মানুহে ব্যক্তিৰ পূৰ্ণ বিকাশত সহায় কৰে সি সুব্যক্তিৰ আৰু যিয়ে বাধা বা ব্যৱধানৰ সৃষ্টি কৰে সি কুব্যক্তি। সংযত আচৰণ, দয়া-দাক্ষিণ্য, সততা আদি সজ গুণ সৎ বা সাধু ব্যক্তিৰ আভৰণ স্বৰূপ। মনুষ্যত্ব বিকাশেই মানৱীয়বাদৰ চৰম সত্য।

এনে ভাব চন্দ্ৰকুমাৰৰ 'প্ৰতিমা'ৰ কৱিতাবোৰৰ কোঁহে কোঁহে অনুভৱ কৰা যায়। 'বীণ বৰাগী'ৰ মূলভাবো এই মানৱীয়বাদেই (Humanism । কিন্তু কৱি আগৰৱালা ভাৰতীয়। ভাৰতীয় সকলো চিন্তা চৰ্চ্চাৰ মূল ভেটি আধ্যাত্মিকতা। সেয়ে চন্দ্ৰকুমাৰৰ কৱিতাত আমি মানৱীয়বাদ আধ্যাত্মিকতাৰ ভেটিত প্ৰতিষ্ঠিত হোৱাও অনুভৱ কৰোঁ। উপনিষদৰ দিনৰেপৰা ভাৰতত মানুহত অমৃতত্ব আৰোপ কৰা হৈছিল সঁচা আৰু তাৰদ্বাৰা মানুহৰ অসীম সম্ভাৱনা শক্তিকো মুক্তভাৱে স্বীকৃতি দিয়া হৈছিল। কিন্তু নৱবৈষ্ণৱ আলোড়নৰ সময়ত ভগৱান আৰু ভক্তিৰ ওপৰত গুৰুত্ব দিয়া হেতুকে মানুহৰ শক্তিক বিশেষভাৱে স্বীকাৰ কৰাই হোৱা নাছিল বুলিব পাৰি। অসমীয়া শ্ৰীশঙ্কৰদেৱ প্ৰমুখ্যে বৈষ্ণৱ কৱিসকলে ভগৱৎ ভক্তিৰ গভীৰতাৰ ওপৰতহে মানৱ জীৱনৰ সাৰ্থকতা নিৰূপণ কৰিছিল। আমাৰ বৈষ্ণৱ কৱিসকলৰ এনে দৃষ্টিভঙ্গী মানৱীয়বাদৰ সম্পূৰ্ণ বিপৰীতমুখী। আগৰৱালাৰ কৱিতাত ভাৰতীয় আধ্যাত্মিক দৃষ্টিৰ উপৰিও ঔপনিষদিক আৰু বৈদান্তিক দৃষ্টিৰ প্ৰভাৱো

পৰিলক্ষিত হয়। অৱশ্যে 'বীণ্-বৰাগ'ত একেটা কৱিতাতেই ভিন্নমুখী ভাৱৰ সমাবেশ ঘটুৱাৰ দৰে 'প্ৰতিমা'ৰ কৱিতাত তেনে হোৱা অনুভৱ কৰা নাযায়। 'প্ৰতিমা'ৰ প্ৰতিটো কৱিতাতেই একোটি ভাৱৰ বিকাশ ঘটিছে বুলিব পাৰি আৰু প্ৰায় ভাগ কৱিতাৰ মাজেদিয়েই মানৱীয়বাদৰ ধ্বনি ব্যঞ্জিত হোৱা উপলব্ধি কৰা যায়। কিন্তু কোনোটো কৱিতাই প্ৰচাৰধৰ্ম্মী নহয়, কৱিতাবোৰ কৱি হৃদয়ৰ গম্ভীৰ অনুভূতি-সিক্তহে।

শক্তিৰ সন্তান মানুহে নিজত নিহিত হৈ থকা পৰম-শক্তিৰ সন্ধান অনুভৱ কৰিব পাৰিলে আৰু সেই শক্তি উদ্দীপ্ত কৰি তুলি জ্ঞান আৰু কৰ্ম্মৰ পথত আগবাঢ়িলে, কৱিয়ে ভাৱে, যে জীৱন আৰু জগত হৈ পৰিব সুখৰ ভঁৰাল স্বৰূপ:—

"শিৱময় মানুহৰ সংসাৰ আশ্ৰয়
সুখৰ ভঁৰাল এই মানৱ হৃদয়।
প্ৰাণ সাগৰৰ এক বিন্দু মানৱ জীৱন।
কাৰ্য্যৰ তৰঙ্গময় সিন্ধু সংসাৰ মহান।
সুন্দৰৰো সুন্দৰ ই হৃদিনীয়া দেশ
যতনৰ আনন্দৰ গুৱনি আৱেশ।"

'প্ৰকৃতি' আৰু 'নিযৰ'ত প্ৰকাশ পোৱা নৈৰাশ্যৰ ভাৱ বা নিযতি বিশ্বাসী কৱি আগৰৱালাৰ মনৰ পৰিবৰ্ত্তন ঘটিছে, তেওঁ অসীম সম্ভাৱনাপূৰ্ণ মানুহৰ অসীমত্ব আৰু শক্তি-সামৰ্থ্যৰ কথা উপলব্ধি কৰিছে আৰু সুন্দৰ মন-প্ৰাণ আৰু অসীম শক্তিযুক্ত মানুহৰ দ্বাৰা পৰিপূৰ্ণ এই দেশ বা সংসাৰখনকেই সেই কাৰণে "সুন্দৰৰো সুন্দৰ" ৰূপেহে অনুভৱ কৰিছে। এজন প্ৰকৃত মানৱীয়বাদীৰ দৰেই তেওঁ বিশ্বাস কৰে যে অন্তৰত প্ৰবল ইচ্ছা থাকিলে সকলো অভিলাষ পৰিপূৰ্ণ হৈ উঠিব পাৰে, জীৱন আৰু জগত "সুন্দৰৰো সুন্দৰ" নহৈ নোৱাৰে। তেওঁ ঘোষণা কৰিছে :—

"ইচ্ছাৰ বিৰোধে ঘোৰ ভীম শত্ৰু শত
সৰ্ব্বথা জিকিব সিটো ইচ্ছা যাৰ বলী।
জীৱন-যুদ্ধত ইচ্ছা প্ৰধান সাৰথি
কি ভয় মৰণে ৰণে ইচ্ছা সৰ্ব্বদলী ॥"

এনে প্ৰবল ইচ্ছা-শক্তিৰ দ্বাৰা অনুপ্ৰাণিত হলে জগতত মানুহৰ কাৰণে অসাধ্য কথা একোই থাকিব নোৱাৰে। এনে মহত্বপূৰ্ণ দৃষ্টিৰে কৰ্ম্মৰত হলে সংসাৰ "সুন্দৰৰো সুন্দৰ" হবই—তেতিয়া মানুহৰ মনত প্ৰতীয়মান হব—

"এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।"

বুলিহে। যদিহে মানুহে মানৱীয় কৰ্মত ৰত হৈ প্ৰকৃত মানুহৰ দৰে মানুহৰ সেৱাত ব্ৰতী হব পাৰে, তেনেহলে মানুহৰ সুখ-শান্তিৰ সীমা নোহোৱা হব। মানুহৰ মনত বিবেচনা হব—

"মানুহেই লগ মানুহেই সঙ্গ
মানুহেই পৰাৎপৰ।"

বুলি। আৰু সেয়ে কৱিয়ে এগৰাকী যথাৰ্থ মানৱীয়বাদীৰ দৰে ঘোষণা কৰিছে—

মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।
কৰঁা কৰঁা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।"

—মানৱ বন্দনা

মানুহে এনেদৰে মানুহৰ পূজা সেৱাত আত্মনিয়োগ কৰিবলৈ অভ্যস্ত হলে যে জগতৰ সকলোৱে মানুহৰ আপোন হৈ পৰিব তাত কোনো সন্দেহ নাই। কিন্তু তথাপি কৱিয়ে সন্দেহ কৰিছে—কিজানি মানুহৰ মনৰ পৰা সংকীৰ্ণতাৰ ভাৱ

আঁতৰি নাযায়েই। সেয়ে তেওঁ বৈদান্তিক অদ্বৈতবাদী :— "ব্ৰহ্মসত্যং জগন্মিথ্যা জীৱো ব্ৰহ্মৈৱ নাপৰঃ" বা ঔপনিষদিক "সোঽহম" বা "তত্ত্বমহসি" ভাৱেৰে জগতৰ সকলোকে উদ্বুদ্ধ কৰি তুলিব বিচাৰি কৈছে—

সংসাৰ মোৰেই পূৰ্ণ দেখোঁ,
আছোঁ মাথোঁ নিৰঞ্জন মই,
নাই তুমি কেওঁ আৰু নাই,
পাৰা যদি হোৱা মোতে লয়।—মই

এনে অদ্বৈতবাদী দৃষ্টিৰে উদ্বুদ্ধ হলে জগত হৈ পৰিব প্ৰেমময়, মধুময়। শুদ্ধ পৱিত্ৰ চিত্তেৰে কৰ্মময় জীৱনৰ পাতনি মেলিলেহে "জগতক প্ৰেম মৌ থালি" বিলাই দিবলৈ সমৰ্থ হোৱা যাব। কৱিয়ে 'আশীৰ্ব্বাদ' কৱিতাত কোৱাৰ দৰে সমগ্ৰ বিশ্বখনকেই আমাৰ নিজৰ ঘৰ বুলি বিবেচনা কৰিবলৈ সমৰ্থ হলে আৰু সকলো মানুহকে নিজৰ ভাই-ভনী বুলি মৰম আদৰ কৰিব পাৰিলে যে সমগ্ৰ বিশ্ব জুৰি সুখ শান্তি বিৰাজিব তাত অকনো সন্দেহ নাই। সুখ সুখ বুলি সুখ বিচাৰি ফুৰিলেই যে সুখ পোৱা যাব সিও নহয়। সুখ শান্তি লাভৰ কাৰণে আৱশ্যক এক বিশেষ ধৰণৰ মানসিক প্ৰস্তুতিৰ। কৱি আগৰৱালাই স্পষ্টভাবে বিশ্বাস কৰে

"যিভাবে দেখিবা এই সংসাৰ ভাৱনা
সেইভাবে গৰাসিব তোমাৰ জীৱন,
হিংসা দ্বেষ চকু দিলে পাবা হিংসা দ্বেষ,
প্ৰেমতো দেখিবা তুমি মধুৰ মিলন।
তুমি ভালে বিশ্ব ভাল, সবাতো সুন্দৰ,
বিকটালে মুখ কিন্তু বিকট বদন।"
—বিশ্ব ভাৱৰীয়া

এনে ধৰণৰ এটা সংযত জীৱনেহে সুখ-শান্তি উপলব্ধি কৰিবলৈ সমৰ্থ হব পাৰে। "আত্মানং বিদ্ধি" এই ঔপ-

নিৰপেক্ষ দৃষ্টিৰে উদ্বুদ্ধ হব নোৱাৰিলে আৰু মনক বিশেষ ধৰণে সংযত কৰি ৰাখিব নোৱাৰিলে সুখ-শান্তি কামনা কৰা মিছা, কাৰণ —

"সুখ নোহে ইটো জগতৰ বস্তু
সুখ যে মায়াৰ বিত,
মনৰ তলিৰ পৰা বই আহে
লুকাই ৰাহিৰ বালিত।"—সুখ

কিন্তু তেতিয়াও মানুহ মন সুখ-শান্তিৰ অধিকাৰী নহব পাৰে, যদিহে মলগা বস্তু পাবলৈ বিচৰা হয় নাইবা নোপোৱা বস্তু পাবলৈ হেঁপাহ কৰা হয়।

"জগতৰ গতি দেখি পৰিছো ভাগৰি
নেলাগে নেপাওঁ যিটো কিয় মৰোঁ পুৰি ?"
—আশা

মিছা-আশাই শেষত অশান্তি-অসুখৰ মূল কাৰণ হৈ পৰে। অৱশ্যে এগৰাকী প্ৰকৃত মানৱীয়বাদীৰ দৰে তেওঁ গভীৰ ভাবেই বিশ্বাস কৰে যে আশাক আশাতেই থাকিব দিলেও মানুহৰ অসুখ অশান্তি বাঢে। তেওঁ ভাবে যে মানুহে যদি আকাশ কুসুম ৰচনা কৰে তেনেহলে সেই কুসুমৰ মালা গাঁথি ডিঙিত পিন্ধি সৌন্দৰ্য্য বঢাবও লাগে - তেতিয়াহে মানৱ জীৱন হয় সাৰ্থক। এনে বাস্তৱবাদী দৃষ্টি আৰু প্ৰবল ইচ্ছা শক্তিৰ দ্বাৰা উদ্দীপ্ত হৈ জীৱনৰ মধুৰ কল্পনাবোৰক ৰূপায়িত কৰিবলৈ সক্ৰিয় প্ৰচেষ্টা চলালে যে জীৱন সুখ আৰু শান্তিৰ আলয় স্বৰূপে প্ৰতীয়মান হব তাত কোনো সন্দেহ নাই। কিন্তু এই সুখ ব্যক্তিগত সুখ হলেই নহব। ব্যক্তিগত সুখ বিশ্বৰ কল্যাণৰ কাৰণ স্বৰূপেও পৰিগণিত হব লাগিব.

"যেন নেপাহৰোঁ জীৱৰ জীৱন
বিশ্বৰ মঙ্গল নিদান

যি কাম আগতে দেখোঁ মই শিৱময়,
সেয়ে মোৰতো প্ৰমাণ।"
—জীৱন উচ্ছ্বাস

আমাৰ জীৱন যেতিয়া জীৱৰ মঙ্গলৰ কাৰণে নিয়োজিত হব আৰু আমি কেৱল জীৱ বা জগতৰ শিৱময় বা মঙ্গলময় কামতহে ন্যস্ত কৰোঁ, তেতিয়াযে সমগ্ৰ জগত সুখ-শান্তিৰে উপচি পৰিব, তাত অলপো সন্দেহ নাই। এনে মঙ্গলময জীৱন যাপনেই বিশ্বশান্তি আৰু বিশ্বপ্ৰেমৰো প্ৰধান বুনিয়াদ। "প্ৰেম মৃত্যুঞ্জযী।" ক্ষুদ্ৰস্বাৰ্থ, হিংসা দ্বেষ আৰু সংকীৰ্ণতা পৰিহাৰ কৰি শান্তিপ্ৰয়াসী মানুহ যেতিয়া প্ৰেমৰ ভাৱত উদ্বুদ্ধ হব তেতিযাহে প্ৰকৃত সুখ শান্তি প্ৰৱৰ্ত্তিব।

"জঞ্জালতে আত্ম বলিদান
—নোহে ইটো পৰমাৰ্থ জ্ঞান,
যি প্ৰেমেই তোমাৰ সম্বল
সেযে স্পৰ্শমণি সংসাৰৰ।" — শান্তি

প্ৰেম "স্পৰ্শমণি" ই অমূল্য সম্পদ। প্ৰেম প্ৰীতিযেই মানৱীয-বাদৰ মূল ভেটি। সেযে কৱিয প্ৰেমৰ ওপৰত ভিত্তি কৰিয়েই ব্যক্তিগত আৰু সমাজ জীৱন গঢ়িবলৈও ইঙ্গিত দিছে।

কৱি চন্দ্ৰকুমাৰ আগৰৱালা প্ৰায সকলো ক্ষেত্ৰতেই এনে বহল মানৱীয়বাদৰ দৃষ্টিৰে অনুপ্ৰাণিত হৈছে। ক্ষুদ্ৰ-সংকীৰ্ণতাৰ স্থান তেওঁৰ কৱিতাত লেশমাত্ৰও নাই। এনে মহান মানৱীযবোধৰ দ্বাৰা তেওঁ নিজৰ দৰে আনকো উদ্বুদ্ধ কৰিব বিচাৰিছে। এনে মহতোঽপি মহীয়ান ভাৱ আৰু শক্তিৰ দ্বাৰা উদ্বুদ্ধ হবলৈ আৱশ্যক নিৰঞ্জন পৱিত্ৰ জ্ঞানৰ, তেওঁ ঔপনিষদিক দৃষ্টিৰেই ঘোষণা কৰিছে—

"নহি জ্ঞানেন সদৃশং পৱিত্ৰমিহ বিদ্যতে।" —জোনাকী

এই পৱিত্ৰ নিৰঞ্জন জ্ঞানান্বেষণত তেওঁ সমগ্ৰ জীৱন পাত কৰিবলৈও সাজু—

"প্ৰতিমাও দিব পাৰোঁ গোটেই জীৱন
যদি যুঁৰি পাওঁ হায় জোনাক (জ্ঞান) একণ।"
—আওহেলা

আনকি তেওঁৰ ব্যক্তিগত শোক-তাপৰ ওপৰত ৰচিত 'বিমুখ', 'যুগমীযা শোক', 'আশীৰ্ব্বাদ' আদি কবি কবিতা কেইটিৰ মাজেদিও কবিয়ে এই বিশাল মানৱীযবাদৰেই ধ্বনি ব্যঞ্জিত কৰি তুলিছে। জীযেক প্ৰতিমাৰ অকাল বিয়োগৰ শোকেও তেওঁক মানৱ-প্ৰেমতহে উদ্বুদ্ধ কৰে —

"মানুহক ভাল পাম ভাৱি আই তোকে,
ক্ষেমিম সকলো চিন্তি তোৰেই মুখকে।"
—যুগমীযা শোক

'প্ৰতিমা'ৰ মাজেদি ব্যঞ্জিত এই মহান মানৱ-প্ৰেমক কবিয়ে 'বীণ-ৱৰাগীত' বিশালতৰ ৰূপ দি মানৱ প্ৰেমত আত্মনিযোগ কৰিবলৈ হৈছে দৃঢ়পৰিকৰ —

"মোৰেই মুখেদি মানৱ প্ৰাণৰ
ফুটক আকুল মাত,
মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ
সত্য হক প্ৰতিভাত।"
—ব৷ণ-বৰাগী

'প্ৰতিমা' যথাৰ্থতে প্ৰতিমাই,— ই ভাৱৰ প্ৰতিমা। ইযাত যথাৰ্থতে কবি-হৃদযৰ সুষুপ্ত ভাৱবোৰ ৰূপাযিত হৈছে। 'প্ৰতিমা' কাব্য শেষখনিৰ আৰম্ভণিৰ কবিতাটিত কবিয়ে ব্যক্ত কৰা ভাৱ—

"হৃদয়ৰ মন্দিৰত লুকুৱা প্ৰতিমা
ভাষা নাই কিৰূপে বুজাওঁ!"

তথাপি যেন কল্পনাৰ সহাযত কবিয়ে তেওঁৰ অন্তৰৰ ভাৱ-ৰাশিক সুখ আৰু শান্তিপ্ৰয়াসী মানৱতাৰ কল্যাণৰ কাৰণে ৰূপ দিলে —

"আধাফুটা আবেগৰ ইমান জুমুৰি
দিলোঁ মেলি হৃদয়ৰ দুৱাৰ
যত ইচ্ছা দৰ্শকৰ চক জুমি জুমি
ভুলে যদি সন্তাপ মনৰ।"
—প্ৰতিমা

এনে সংযত ভাব আৰু উচ্চ আদৰ্শ মনত উজ্জ্বলাই ৰাখি কাব্য জগতত প্ৰৱেশ কৰা কৱি অসমীয়া সাহিত্যত চন্দ্ৰকুমাৰৰ আগতে দ্বিতীয় আৰু এজন নাছিল যেনেই লাগে। চন্দ্ৰকুমাৰ অসমীয়া সাহিত্যত অকলশৰীয়া,— তেওঁ যেন নিজেও এই কথা উপলব্ধি কৰিছিল।—

"জনপূৰ্ণ নিৰ্জ্জনত কতা লগৰীয়া?
বিশ্ব সংসাৰত হায় অকলশৰীয়া।"
—অকলশৰীয়া

ইয়াৰ কাৰণে পোনতে অলপ নিৰাশা বা হতাশৰ ভাৱ কৰিৰ মনলৈ আহিছিল যদিও, শেষত সকলো আঁতৰি গ'ল। "মৰমেই ধৰম," "কৰমেই ধৰম" "প্ৰেম মৃত্যুঞ্জয়ী" আদি মহামন্ত্ৰেৰে দীক্ষিত হৈ আত্মোপলব্ধিৰ ভাৱত উদ্বুদ্ধ হৈ "প্ৰাণে প্ৰাণে বন্ধা মোৰ চিৰলগৰীয়া"ক লগত লৈ যেতিয়া কৱিয়ে কৰ্ত্তব্য মুকুট শিৰত পিন্ধিলে তেতিয়া সমগ্ৰ জগত তেওঁৰ মানত "সুন্দৰতো সুন্দৰ" ৰূপত প্ৰতিভাত হ'ল। এনে পৰমানন্দ আৰু পৰম আনন্দৰ ধ্বনি কৱি আগৰৱালাৰ কৱিতাৰ কোঁহে কোঁহে অনুভৱ কৰা যায়। এই পৰমানন্দ সাগৰত বুৰ মাৰি পৰম প্ৰশান্তি লভিবলৈ আৱশ্যক কেৱল মানৱ-প্ৰেমত উদ্বুদ্ধ হোৱাৰ,— কৱিৰ ভাষা আৰু কল্পনাত

"মানুহৰ প্ৰীতি সাধিবলৈ চোৰাঁ
বিশ্ব-জগৎ কল্পনা।" —বীণ-বৰাগী

অৱশেষে কৱি আগৰৱালা যে সকলো সময়তে একে শুদ্ধ আৰু মুক্ত ভাৱৰ দ্বাৰাই উদ্বুদ্ধ আৰু পৰিচালিত হৈ আছিল সিও নহয়, আন দহজনৰ দৰে তেৰোঁ সত্য-অসত্য, কৰ্ত্তব্য-অকৰ্ত্তব্য স্থিৰ কৰিব নোৱাৰি ভ্ৰমৰ সন্মুখীন হবলগীয়াত নপৰাকৈ থকা নাছিল :—

"সঁচা মিছা কিনো, ধৰিম এৰিম কাক ?
সকলো বিষম ভ্ৰমৰ ঘোৰ।"

—সংশয় ৰহস্য

তথাপি কৱি আগৰৱালা একান্ত ভকতৰ দৰে একান্তভাৱে মানৱতাৰ পূজাৰী ।

'প্ৰতিমা'ত বিভিন্ন ভাৱৰ সমাবেশ ঘটা বুলি ভাৱিবলৈ অৱকাশ থাকিলেও যথাৰ্থতে ই একত্ৰ বিলীন হৈছে। প্ৰায় সকলোবোৰ কৱিতাৰ মাজেদি এক মানৱীয়বাদৰ (Humanism) স্পষ্ট ধ্বনি শুনা যায়। কৱি আগৰৱালাৰ 'প্ৰতিমা' যথাৰ্থতে বেজবৰুৱাই কোৱাৰ দৰে—"প্ৰতিমাখনি সৰু কিন্তু নিভাজ সোণৰ।" 'প্ৰতিমা'ৰ মাজেদি ব্যঞ্জিত হোৱা এই গভীৰ ভাৱেই অন্তত 'প্ৰতিমা'ক যাউতিযুগীয়া কৰি ৰাখিব। 'মাধুৰী' 'নিযৰ' আদি কৱিতাত শব্দাৰ্থ প্ৰয়োগৰ যি সুকৌশল তুলি ধৰিছে সিও অতুলনীয়। সকলোবোৰ কৱিতাৰ প্ৰতি দৃষ্টি ৰাখি আমি কবই লাগিব যে—চন্দ্ৰকুমাৰ আগৰৱালা কৱিতকৈ বেছি ভাবুকহে আছিল। গভীৰ ভাৱেই চন্দ্ৰকুমাৰৰ কৱিতাৰ আত্মা।